GED S2 01

শিক্ষা মনোবিজ্ঞান

দ্বিতীয় ষান্মাসিক

শিক্ষা

খণ্ড-১

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

অধ্যাপিকা স্বর্ণলতা দাস, গুৱাহাটী বিশ্ববিদ্যালয়
অধ্যাপিকা গায়ত্রী গোস্বামী, গুৱাহাটী বিশ্ববিদ্যালয়
ড° সাধনা গোস্বামী, কটন মহাবিদ্যালয়

সমন্বয়ৰক্ষী ঃ ড° ৰীতিমণি বৰদলৈ, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	*অৱিহণা যোগাইছে*	*ভাষান্তৰকাৰী*
১	ড° ৰীতিমণি বৰদলৈ কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়	ড° ৰঞ্জু মেধি, আর্য্য বিদ্যাপীঠ মহাবিদ্যালয়,
২	ড° সাধনা গোস্বামী	ড° ৰঞ্জু মেধি আৰু ড° ৰীতিমণি বৰদলৈ
৩	ড° পলি শইকীয়া গুৱাহাটী বিশ্ববিদ্যালয়	ড° ৰীতিমণি বৰদলৈ
৪	ড° পলি শইকীয়া	গীতাঞ্জলী চৌধুৰী, পাণ্ডু বি. এড. মহাবিদ্যালয়
৫	ড° পলি শইকীয়া	ড° বীৰেন্দ্র ডেকা, নির্মল হালৈ মহাবিদ্যালয়
৬	ড° পলি শইকীয়া	ড° ৰঞ্জু মেধি
৭	ড° ৰীতিমণি বৰদলৈ	গীতাঞ্জলী মেধি, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
৮	ড° নীলিমা ডেকা, এল চি বি মহাবিদ্যালয়	গীতাঞ্জলী মেধি

সম্পাদনাঃ

মূল ইংৰাজী সম্পাদনা ঃ ড° নীলিমা ডেকা, শিক্ষা বিভাগ, এল. চি. বি. মহাবিদ্যালয়
ড° ৰঞ্জু মেধি, শিক্ষা বিভাগ,আর্য্য বিদ্যাপীঠ মহাবিদ্যালয়

ভাষা সম্পাদনা ঃ ড° ৰীতিমণি বৰদলৈ, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

গাঁথনিক সম্পাদনা ঃ ড° ৰীতিমণি বৰদলৈ

প্রথম প্রকাশ ঃ জানুৱাৰী, ২০১৮

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-NonCommercial-ShareAlike4.0 License (international): http://creativecommons.org/licenses/by-nc-sa/4.0/

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

মূখ্য কার্যালয় ঃ পাটগাঁও, ৰাণীগেট, গুৱাহাটী-৭৮১০১৭
উপমূখ্য কার্যালয় ঃ হাউচফেড কমপ্লেক্স, দিচপুৰ, গুৱাহাটী-৭৮১০০৬
Web : www.kkhsou.in

এই শিক্ষণ সামগ্রী প্রস্তুতিৰ বাবে আর্থিক অনুদান আগবঢ়োৱা
দূৰ শিক্ষা ব্যুৰো, বিশ্ববিদ্যালয় অনুদান আয়োগৰ ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ।

পাঠ্য বিষয় আৰু খণ্ড পৰিচয় (পাঠ্য বিষয়-২, খণ্ড-১) ঃ শিক্ষা মনোবিজ্ঞান

স্নাতক পাঠ্যক্রমৰ প্রথম যান্মাসিকত আমি শিক্ষাৰ অর্থ, শিক্ষাৰ পৰিসৰ, শিক্ষাৰ ক্ষেত্রখনৰ মহান চিন্তাবিদ আৰু শিক্ষাবিদৰ জীৱন শৈলী আৰু শিক্ষা দর্শন আদিৰ বিষয়ে সম্যক ধাৰণা লাভ কৰিলো। দ্বিতীয় যান্মাসিকত আমি শিক্ষা মনোবিজ্ঞানৰ বিষয়ে অধ্যয়ন কৰিব পাৰিম। এই বিষয়টি দুটা খণ্ডত ভাগ কৰা হৈছে। প্রথম খণ্ড আৰু দ্বিতীয় খণ্ড। প্রথম খণ্ডত মুঠতে ৮ টা অধ্যায় আৰু দ্বিতীয় খণ্ডৰ বাৰে মুঠতে ৭টা অধ্যায় যুগুত কৰা হৈছে।

খণ্ড পৰিচয়

প্রথম খণ্ডত, অধ্যায় প্রথম আৰু অধ্যায় দ্বিতীয়ত শিক্ষাত মনোবিজ্ঞানৰ প্রাসংগিকতা আৰু বিভিন্ন মনোবৈজ্ঞানিক শিক্ষণ পদ্ধতিৰ ওপৰত বিশ্লেষণ কৰা হৈছে। তৃতীয় অধ্যায়টিত বর্ধন আৰু বিকাশৰ বিষয়ে এক বিস্তৃত আলোচনা দাঙি ধৰা হৈছে। চতুর্থ, পঞ্চম আৰু ষষ্ঠ অধ্যায়ত প্রাক্‌শৈশৱ বা বাল্যকাল আৰু কৈশোৰকালৰ বৈশিষ্ট্য, বিভিন্ন সমস্যাসমূহ আৰু শিক্ষণীয় গুৰুত্বতাৰ ওপৰত আলোকপাত কৰা হৈছে। সপ্তম অধ্যায়টিয়ে কৈশোৰকালৰ অপৰাধ প্রৱণতাৰ বিষয়ে আলোচনা দাঙি ধৰিছে। অষ্টম অধ্যায়টিত 'ব্যতিক্রমী শিশু', এনে শিশুৰ প্রকাৰ, সিহঁতৰ বিভিন্ন প্রয়োজনীয়তা আৰু সিহঁতৰ বিকাশৰ বাবে সবাতোকৈ উপযুক্ত শৈক্ষিক কার্যসূচীবোৰৰ বিষয়ে আলোচনা কৰা হৈছে।

এই পাঠ্যভাগটি অধ্যয়ন কৰোঁতে মূল পাঠৰ সোঁ তথা বাওঁফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰত মূল পাঠত থকা নতুন শব্দ আৰু পৰিভাষাসমূহৰ অর্থ সন্নিবিষ্ট হৈছে। সেইদৰে— 'জানি থোৱা ভাল' বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূর্ণ তথ্যৰ সম্ভেদ আছে। প্রতিটো অধ্যায়ত থকা 'অনুশীলনী'সমূহে অধ্যয়ন অধিক সক্রিয় আৰু ফলপ্রসূ হোৱাত সহায় কৰিব। আকৌ, 'অগ্রগতি নিৰীক্ষণ' যোগে আগবঢ়োৱা প্রশ্নাৱলীয়ে অধ্যয়নৰ অগ্রগতি সম্পর্কে স্ব-পৰীক্ষণৰ সুবিধা দিব। অধ্যয়নৰ লগে লগে উক্ত প্রশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া 'অগ্রগতিৰ খতিয়ান'ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শিতানত উল্লেখ থকা গ্রন্থসমূহ সাৰথিস্বৰূপ। অধ্যায়বোৰৰ শেষত 'আৰ্হি প্রশ্ন' হিচাপে কেইটিমান প্রশ্নৰ আৰ্হিও তুলি দিয়া হৈছে। শেষৰ অধ্যায়টিৰ পাছত কেইখনমান 'প্রসঙ্গ পুথি'ৰ নাম উল্লেখ কৰা হৈছে। সেই কেইখন পুথিৰ সহায়েৰেই মূলতঃ এই পাঠ্যবিষয়ত উল্লেখ থকা অধ্যায়সমূহ প্রস্তুত কৰা হৈছে। আপোনালোকে বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেইকেইখন অধ্যয়ন কৰিব পাৰিব।

বিষয়সূচী

পৃষ্ঠা নং

অধ্যায় ১ঃ **শিক্ষাত মনোবিজ্ঞানৰ প্ৰাসংগিকতা** ৫-১৭
শিক্ষা-মনোবিজ্ঞানৰ অৰ্থ, স্বৰূপ আৰু পৰিসৰ; শিক্ষণ পদ্ধতিত শিক্ষা মনোবিজ্ঞানৰ প্ৰয়োগ আৰু গুৰুত্ব

অধ্যায় ২ঃ **শিক্ষা মনোবিজ্ঞান পদ্ধতি** ১৮-৩৫
শিক্ষা মনোবিজ্ঞান পদ্ধতিৰ শ্ৰেণী বিভাগ, শিক্ষণ, শিক্ষণ পদ্ধতিত ইয়াৰ গুৰুত্ব আৰু প্ৰয়োগ

অধ্যায় ৩ঃ **বৰ্ধন আৰু বিকাশ** ৩৬-৪৬
বৰ্ধন আৰু বিকাশৰ অৰ্থ আৰু সম্বন্ধ, বিকাশৰ নীতিসমূহ

অধ্যায় ৪ঃ **পূৰ্ব বাল্যকাল** ৪৭-৫৯
পূৰ্ব বাল্যকাল স্তৰৰ বৈশিষ্ট্যসমূহ আৰু সমস্যাসমূহ, পূৰ্ব বাল্যকালৰ শৈক্ষিক গুৰুত্ব

অধ্যায় ৫ঃ **শেহতীয়া বাল্যকাল** ৬০-৭৭
শেহতীয়া বাল্যকাল স্তৰৰ বৈশিষ্ট্যসমূহ আৰু সমস্যাসমূহ, শেহতীয়া বাল্যকালৰ শৈক্ষিক গুৰুত্ব

অধ্যায় ৬ঃ **কৈশোৰ কাল** ৭৮-৯১
কৈশোৰ কালৰ বৈশিষ্ট্যসমূহ, কিশোৰ কিশোৰীৰ মূল প্ৰয়োজনসমূহ, কৈশোৰ কালৰ তাৎপৰ্য আৰু সমস্যাসমূহ, কৈশোৰ কালৰ শৈক্ষিক গুৰুত্ব

অধ্যায় ৭ঃ **কৈশোৰকালৰ অপৰাধ প্ৰৱণতা** ৯২-১০৫
কৈশোৰকালৰ অপৰাধ প্ৰৱণতাৰ অৰ্থ, অপৰাধ প্ৰৱণতাৰ বৈশিষ্ট্য, অপৰাধ প্ৰৱণতা গঢ় লোৱাৰ কাৰকসমূহ, প্ৰতিৰোধমূলক ব্যৱস্থা

অধ্যায় ৮ঃ **ব্যতিক্ৰমী শিশুৰ বাবে শিক্ষা** ১০৬-১২৩
ব্যতিক্ৰমী শিশুৰ অৰ্থ আৰু সংজ্ঞা, ব্যতিক্ৰমী শিশুৰ প্ৰয়োজনীয়তা, ব্যতিক্ৰমী শিশুৰ বিশেষ শিক্ষাৰ উদ্দেশ্য, ব্যতিক্ৰমী শিশুৰ শিক্ষাৰ নীতি, ব্যতিক্ৰমী শিশুৰ শ্ৰেণীবিভাজন, বৌদ্ধিকভাৱে ব্যতিক্ৰমী শিশু, প্ৰতিভাসম্পন্ন শিশু আৰু শৈক্ষিক কাৰ্যসূচী, অনগ্ৰসৰ শিশু আৰু শৈক্ষিক কাৰ্যসূচী, মন্থৰবুদ্ধিৰ শিক্ষাৰ্থী আৰু শৈক্ষিক কাৰ্যসূচী, শাৰীৰিকভাৱে ব্যতিক্ৰমী শিশু, আৱেগিক আৰু সামাজিকভাৱে ব্যতিক্ৰমী শিশু

অধ্যায় ১ ঃ শিক্ষাত মনোবিজ্ঞানৰ ধাৰণা

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য

১.২ পৰিচয়

১.৩ শিক্ষা মনোবিজ্ঞানৰ অর্থ

১.৩.১ শিক্ষা মনোবিজ্ঞানৰ স্বৰূপ

১.৩.২ শিক্ষা মনোবিজ্ঞানৰ পৰিসৰ

১.৪ শিক্ষণ পদ্ধতিত শিক্ষা মনোবিজ্ঞানৰ প্রয়োগ আৰু গুৰুত্ব

১.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১.৬ অধিক জানিবলৈ

১.৭ অগ্রগতিৰ খতিয়ান

১.৮ আর্হি প্রশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- শিক্ষা মনোবিজ্ঞানৰ অর্থ আৰু সংজ্ঞা নিৰূপণ কৰিব পাৰিব
- শিক্ষা মনোবিজ্ঞানৰ স্বৰূপসমূহ চিনাক্ত কৰিব পাৰিব
- শিক্ষা মনোবিজ্ঞানৰ পৰিসৰসমূহ চিনাক্ত কৰিব পাৰিব
- শিক্ষণ পদ্ধতিত শিক্ষা মনোবিজ্ঞানৰ প্রয়োগ আৰু গুৰুত্ব সম্পর্কে বর্ণনা কৰিব পাৰিব।

১.২ পৰিচয়

এই অধ্যায়টোৱে আমাক মনোবিজ্ঞানৰ অর্থ আৰু শিক্ষাৰ লগত ই কেনেদৰে জড়িত সেই সম্পর্কে পৰিচয় কৰাই দিয়ে। তদুপৰি শিক্ষা মনোবিজ্ঞানৰ স্বৰূপ আৰু পৰিসৰৰ বিষয়ে, শিক্ষণ প্রক্রিয়াত মনোবিজ্ঞানৰ প্রয়োগ, পদ্ধতি আৰু গুৰুত্ব সম্পর্কেও আমি জানিব পাৰো। মনোবিজ্ঞানৰ জৰিয়তে আমি মানৱ আচৰণসমূহ এক বিজ্ঞানসন্মত পদ্ধতিৰে অধ্যয়ন কৰিব পাৰোঁ। মনোবিজ্ঞানৰ জ্ঞানৰ দ্বাৰা ব্যক্তি এজনে সহজতে মানুহৰ মন আৰু মানুহৰ পৰিবেশৰ বিষয়ে জানিব পাৰে।

ব্যক্তিত্ব বিকাশৰ বাবে মনোবিজ্ঞানৰ জ্ঞান অতি প্ৰয়োজনীয়। তলত এই অধ্যায়টিৰ ধ্যান-ধাৰণাৰ বিকাশ সম্পৰ্কীয় কথাবোৰ বহলাই আলোচনা কৰাৰ প্ৰয়াস কৰা হৈছে।

১.৩ শিক্ষা মনোবিজ্ঞানৰ অৰ্থ

শিক্ষা মনোবিজ্ঞানৰ বিষয়ে আলোচনা কৰাৰ আগতে আমি মনোবিজ্ঞান (Psychology) মানে কি সেয়া জনাটো অতি আৱশ্যক। মনোবিজ্ঞানৰ ইংৰাজী প্ৰতিশব্দ হৈছে "Psychology"। ইংৰাজীৰ এই শব্দটো দুটা গ্ৰীক শব্দৰ পৰা উৎপত্তি হৈছে 'Psyche' আৰু 'Logos'। 'Psyche' মানে আত্মা (Soul) আৰু 'Logos' মানে বিজ্ঞান (Science of Soul)। গতিকে 'Psychology' শব্দৰ অৰ্থ হ'ল- আত্মাৰ বিজ্ঞান (Psychology is the Science of Soul)। আত্মাৰ প্ৰকৃত স্বৰূপ কি সেই সম্পৰ্কে প্ৰণালীবদ্ধভাৱে অধ্যয়ন কৰাৰ সুবিধা নাই বাবে পিছৰ মনোবিজ্ঞানীসকলে মনোবিজ্ঞানক আত্মা সম্বন্ধীয় বিজ্ঞান নুবুলি 'মনৰ বিজ্ঞান' (Science of mind) বুলি বৰ্ণনা কৰিছিল। এই সংজ্ঞাটোৱে মনোবিজ্ঞানীসকলক সন্তুষ্টি দিব নোৱাৰিলে। পৰৱৰ্ত্তী কালৰ কোনো কোনো মনোবিজ্ঞানীয়ে মনোবিজ্ঞানক 'চেতনা বিজ্ঞান' (Science of Cousciousness) বুলি বৰ্ণনা কৰে। আধুনিক যুগৰ এজন বিশিষ্ট মনোবিজ্ঞানবিদ উইলিয়াম মেকডুগেলেও (William Mcdougall) মনোবিজ্ঞান সম্বন্ধে মত পোষণ কৰি কয় যে - " মনোবিজ্ঞান হৈছে এক বিজ্ঞান, যি সকলোবোৰ জীৱৰ আচৰণৰ প্ৰকৃত জ্ঞান আৰু তাৰ নিয়ন্ত্ৰণ সম্বন্ধে জনাবলৈ বিচাৰে "। মনোবিজ্ঞানৰ এই ক্ৰমবিকাশশীল ধাৰণাৰ ওপৰত মনোবিজ্ঞানী উডৱৰ্থ এ (Woodworth) এনেদৰে মন্তব্য কৰিছিল যে, প্ৰথমে মনোবিজ্ঞানে ইয়াৰ আত্মাক হেৰুৱালে, পিচত মনক হেৰুৱালে, ইয়াৰ পিচত হেৰুৱালে সচেতনতাক; তথাপিও ইয়াৰ এক প্ৰকাৰৰ আচৰণ বৰ্তি আছে। (First Psychology lost its soul, then it lost its mind, then it lost consciousness, it still has behaviour of a kind)

শিক্ষা মনোবিজ্ঞান হৈছে মনোবিজ্ঞানৰ এক প্ৰায়োগিক দিশ। গতিকে শিক্ষা মনোবিজ্ঞানৰ সংজ্ঞা হিচাপে ক'ব পাৰি যে মনোবিজ্ঞানৰ তথ্যপাতি শিক্ষাৰ ক্ষেত্ৰত প্ৰয়োগ কৰা বিভাগেই হ'ল শিক্ষা মনোবিজ্ঞান। শিক্ষা মনোবিজ্ঞানৰ বিকাশৰ প্ৰধান হোতা হ'ল হাৰ্বাট (Herbert), পেষ্টালজী (Pestalogi) আৰু ফ'ব্ৰেল (Frobel)। শিক্ষা মনোবিজ্ঞান দুটা শব্দৰ দ্বাৰা গঠিত, এটা হ'ল - শিক্ষা (Education) আৰু আনটো হ'ল মনোবিজ্ঞান (Psychology)। ইয়াত মনোবিজ্ঞান মানে হ'ল মানুহৰ আচৰণৰ অধ্যয়ন কৰা আৰু শিক্ষা মানে হ'ল সেই আচৰণসমূহ সংশোধন কৰা। মানৱ আচৰণ সংশোধন কৰিবলৈ হ'লে মনোবিজ্ঞানৰ জ্ঞান অতি আৱশ্যক। ঠিক তেনেকৈ শিক্ষণ পদ্ধতিতো শিক্ষক এজনৰ মনোবিজ্ঞানৰ জ্ঞান অতি দৰকাৰ। কাৰণ শিক্ষা মনোবিজ্ঞানৰ জ্ঞানৰ দ্বাৰা এজন শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ আচৰণ, আগ্ৰহ, সিঁহতৰ জন্মগত সামৰ্থ্য, বুদ্ধি ইত্যাদিৰ বিষয়ে জানিব পাৰে — যিয়ে শিশুৰ বিকাশ আৰু আচৰণৰ পৰিৱৰ্তনৰ দিশ নিৰ্ণয় কৰে।

গতিকে শিক্ষা মনোবিজ্ঞানৰ সংজ্ঞা হিচাপে কব পাৰি যে - 'মনোবিজ্ঞানৰ তথ্যপাতি শিক্ষাৰ ক্ষেত্ৰত প্ৰয়োগ কৰা বিভাগেই হ'ল শিক্ষা মনোবিজ্ঞান। শিক্ষা মনোবিজ্ঞানীয়ে মনোবিজ্ঞানৰ নীতিসমূহ শিক্ষাত প্ৰয়োগৰ উপযোগীকৈ প্ৰস্তুত কৰে আৰু সেয়ে শিক্ষা মনোবিজ্ঞানৰ বাবে শ্ৰেণী (Class) এটা বিজ্ঞানাগাৰ স্বৰূপ। ইয়াত শিক্ষণ প্ৰক্ৰিয়া, শ্ৰেণী পৰিচালনা আদি সমস্যাসমূহৰ বিজ্ঞানসন্মত অধ্যয়ন কৰা হয় আৰু সেইবোৰৰ সমাধান উলিওৱা হয়।

শিক্ষা মনোবিজ্ঞানৰ কেইটামান অতি গুৰুত্বপূৰ্ণ সংজ্ঞা তলত উল্লেখ কৰা হ'ল—

- স্কীনাৰৰ (Skinner) মতে "শিক্ষা মনোবিজ্ঞান হৈছে মনোবিজ্ঞানৰ সেইটো শাখা যি শিক্ষা সম্পৰ্কীয় পৰিবেশত মানৱ ব্যৱহাৰ সম্বন্ধে অধ্যয়ন কৰে"। (Educational Psychology deals with behaviour of human beings in educational situation.)
- ষ্টিফেন্সৰ (Stephens) মতে "শিক্ষা মনোবিজ্ঞান হৈছে শিশুৰ শিক্ষা সম্বন্ধীয় বৃদ্ধি আৰু বিকাশ সম্পৰ্কে কৰা এক প্ৰণালীবদ্ধ অধ্যয়ন (Educational Psychology is the systematic study of educational growth and development of a child.)
- ক্ৰো আৰু ক্ৰোৱে (Crow and Crow) সংজ্ঞা দি কয় যে, - "শিক্ষা মনোবিজ্ঞানে এজন লোকৰ জন্মৰ পৰা বৃদ্ধ বয়সলৈকে শিক্ষা গ্ৰহণৰ অভিজ্ঞতাবোৰৰ বৰ্ণনা আৰু ব্যাখ্যা কৰে"। (Educational Psychology describes and explains the learning experiences of an individual from birth through old age.)

শিক্ষক আৰু শিক্ষাৰ্থীৰ মাজত পাৰস্পৰিক বুজা পৰা আৰু তেওঁলোকৰ মাজত শিক্ষা সম্বন্ধে উদ্ভৱ হ'ব পৰা সমস্যাসমূহৰ অধ্যয়ন কৰাই হ'ল শিক্ষা মনোবিজ্ঞানৰ মুখ্য উদ্দেশ্য। ছাত্ৰ-ছাত্ৰীয়ে শিক্ষা সম্পৰ্কীয় পৰিবেশত কেনেদৰে প্ৰতিক্ৰিয়া প্ৰদৰ্শন কৰে, তেওঁলোকৰ প্ৰতিক্ৰিয়া আৰু আচৰণ উদ্দেশ্য প্ৰণোদিতভাৱে কেনেকৈ গঢ় দি তুলিব পাৰি, জন্মগত শক্তি সামৰ্থ্যবোৰৰ লগত কেনেদৰে পৰিচিত হ'ব পাৰি আৰু তাৰ উপযুক্ত বিকাশত কেনেদৰে সহায় কৰিব পাৰি ইত্যাদি শিক্ষা সমস্যাবোৰ শিক্ষা মনোবিজ্ঞানৰ অধ্যয়নৰ অন্তৰ্গত।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ শিক্ষা মনোবিজ্ঞান মানে কি? ৩০টা শব্দৰ ভিতৰত ব্যাখ্যা কৰক।

.....

.....

প্ৰশ্ন নং ২ ঃ শিক্ষা মনোবিজ্ঞানৰ প্ৰতিষ্ঠাপক কোন?

.....

.....

প্রশ্ন নং ৩ ঃ শিক্ষা মনোবিজ্ঞানৰ এটা বোধগম্য সংজ্ঞা দিয়ক।

.....

.....

প্রশ্ন নং ৪ ঃ সাধাৰণ মনোবিজ্ঞানৰ পৰা শিক্ষা মনোবিজ্ঞান কেনেকৈ পৃথক?

.....

.....

প্রশ্ন নং ৫ ঃ শুদ্ধনে অশুদ্ধ নির্ণয় কৰক—

(ক) মনোবিজ্ঞান শব্দটো 'গ্রীক' শব্দৰ পৰা আহিছে। ☐

(খ) মনোবিজ্ঞানৰ আভিধানিক অর্থ হ'ল আত্মাৰ বিষয়ে অধ্যয়ন। ☐

(গ) মেকডুগেলে সংজ্ঞা দিছে আচৰণৰ বিজ্ঞানেই হ'ল মনোবিজ্ঞান। ☐

১.৩.১ শিক্ষা মনোবিজ্ঞানৰ স্বৰূপ

শিক্ষা মনোবিজ্ঞানৰ অর্থসমূহ ফঁহিয়াই চোৱাৰ পিছত এইবাৰ আমি শিক্ষা মনোবিজ্ঞানৰ প্রকৃত স্বৰূপ কি তাক তলত আলোচনা কৰিম—

- **প্রায়োগিক বিজ্ঞান ঃ** শিক্ষা মনোবিজ্ঞান হৈছে এক প্রায়োগিক বিজ্ঞান। মনোবিজ্ঞানৰ তথ্যপাতি শিক্ষাৰ ক্ষেত্রত প্রয়োগ কৰা বিভাগেই হ'ল শিক্ষা মনোবিজ্ঞান।
- **ইতিবাচক বিজ্ঞান ঃ** শিক্ষা মনোবিজ্ঞান হৈছে এক ইতিবাচক বিজ্ঞান, আদর্শনিষ্ঠ বিজ্ঞান নহয়। অর্থাৎ ই কোনো সিদ্ধান্ত নিদিয়ে, কেৱল ঘটনাৰ বর্ণনা কৰে।
- **সামাজিক বিজ্ঞান ঃ** শিক্ষা মনোবিজ্ঞানে শৈক্ষিক দিশৰ পৰাহে ব্যক্তি এজনৰ গঠন সম্পর্কে অধ্যয়ন কৰে। ইয়াৰ ফলাফল কোনো ব্যক্তি অথবা ব্যক্তিৰ সমষ্টিৰ ক্ষেত্রত প্রযোজ্য হয়।
- **শৈক্ষিক বিজ্ঞান ঃ** শিক্ষা মনোবিজ্ঞানে শৈক্ষিক সমস্যাসমূহকহে সাঙুৰি লয়। সাধাৰণ মনোবিজ্ঞানে কিন্তু বিভিন্ন পৰিস্থিতিত ব্যক্তি এজনৰ আচৰণসমূহক সাঙুৰি লয়।
- শিক্ষা মনোবিজ্ঞানে কেৱল এক বিশেষ শৈক্ষিক পৰিবেশতহে ব্যক্তি এজনক অধ্যয়ন কৰে।
- ব্যক্তিৰ দৈহিক-মানসিক বিকাশৰ বিভিন্ন পর্য্যায়ৰ বৈশিষ্ট্য অনুসৰি শিক্ষাৰ গ্রহণযোগ্য নীতি আৰু পদ্ধতিসমূহৰ বিষয়ে ই অধ্যয়ন কৰে।
- শিক্ষা মনোবিজ্ঞানে শিশুৰ আচৰণৰ সংশোধন কৰাৰ বাবে দৰকাৰী পদ্ধতিসমূহৰ বিষয়ে পৰামর্শ আগবঢ়ায়।
- ইয়াৰ উপৰিও শিক্ষা মনোবিজ্ঞানৰ মূল উদ্দেশ্য হ'ল— শ্রেণীকক্ষৰ বাহিৰে ভিতৰে

স্কুলৰ সমগ্ৰ শিক্ষা পৰিস্থিতিত উদ্ভৱ হ'ব পৰা সমস্যাসমূহৰ নিৰীক্ষণ আৰু অন্তৰ্দশন কৰিব পৰা আৰু তাৰ উপযুক্ত সমাধান কৰিব পৰা ক্ষমতা প্ৰদান কৰা।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৬ ঃ চমুটোকা লিখক—

(ক) প্ৰায়োগিক বিজ্ঞান হিচাপে শিক্ষা মনোবিজ্ঞান।

.....

.....

(খ) এক উন্নয়নশীল বিজ্ঞান হিচাপে শিক্ষা মনোবিজ্ঞান।

.....

.....

(গ) যথার্থ (Specific) বিজ্ঞান হিচাপে শিক্ষা মনোবিজ্ঞান।

.....

.....

(ঘ) এক শৈক্ষিক বিভাগ হিচাপে শিক্ষা মনোবিজ্ঞান।

.....

.....

১.৩.২ শিক্ষা মনোবিজ্ঞানৰ পৰিসৰ

মনোবিজ্ঞানৰ শাখা হিচাপে শিক্ষা মনোবিজ্ঞানৰ এক বিতং আলোচনা আমি ইতিমধ্যে কৰাৰ পিছত এইবাৰ আমি মনোবিজ্ঞানৰ বিস্তৃতি সম্পৰ্কে আলোচনা কৰিবলৈ আগবাঢ়িছোঁ। প্ৰায়োগিক বিজ্ঞান হিচাপে মানৱ আচৰণ, শিক্ষা সংক্ৰান্তীয় সকলো বিষয়, সমস্যা আৰু ব্যক্তিৰ সৈতে শিক্ষা মনোবিজ্ঞান জড়িত হৈ পৰিছে আৰু ইয়াৰ নীতি আৰু পদ্ধতিসমূহ মানৱ জীৱনৰ বিভিন্ন ক্ষেত্ৰত প্ৰয়োগ হৈছে।

বৰ্তমান শিক্ষাৰ ক্ষেত্ৰত মনোবিজ্ঞানৰ প্ৰয়োগ বাঢ়ি অহাৰ ফলস্বৰূপে ইয়াৰ পৰিসৰ অধিক বৃদ্ধি পাই আহিছে। শিক্ষাৰ্থী, শিক্ষণ প্ৰক্ৰিয়া আৰু শিক্ষণ পৰিস্থিতি সম্পৰ্কীয় নিম্নোক্ত বিষয়সমূহৰ অধ্যয়নৰ লগত শিক্ষা মনোবিজ্ঞান বিশেষভাৱে জড়িত—

- **শিক্ষাৰ্থীৰ আচৰণ** (Learner Behaviour) ঃ সাৰ্থকভাৱে শিক্ষাদান কৰিবৰ বাবে শিক্ষাৰ্থীৰ প্ৰকৃতি, আচৰণ ইত্যাদিৰ বিষয়ে শিক্ষকে ভালকৈ জনা উচিত। মনোবিজ্ঞানে আচৰণ অধ্যয়ন কৰে আৰু শিক্ষাই সেই আচৰণ সংশোধন কৰে।

- **বিকাশৰ স্তৰ অধ্যয়ন** (Study of the stages of growth and development) ঃ শিক্ষা মনোবিজ্ঞানক মানুহৰ দেহ-মানসিক বিকাশৰ স্বৰূপ অধ্যয়নৰ বিজ্ঞান স্বৰূপেও চিনাক্ত কৰিব পাৰি। এটা শিশুৱে বিকাশৰ বিভিন্ন স্তৰৰ মাজেৰে কেনেকৈ অতিক্ৰম কৰে, বিকাশৰ প্ৰত্যেকটো স্তৰৰ বৈশিষ্ট্যসমূহ কি কি এই গোটেই বিলাককে শিক্ষা মনোবিজ্ঞানে অধ্যয়নৰ বিষয়বস্তু স্বৰূপে সাঙুৰি লয়।
- **শিক্ষণ পদ্ধতি** (Learning Process) ঃ শিক্ষা মনোবিজ্ঞানে শিক্ষণৰ পদ্ধতি, নীতি, স্বৰূপ আৰু শিক্ষণৰ তত্বসমূহ অধ্যয়ন কৰে। কোন শিক্ষণ পদ্ধতি কেনে ধৰণৰ ছাত্ৰৰ বাবে অধিক কাৰ্য্যকৰী হ'ব, শিক্ষাৰ্থীৰ বিভিন্ন স্তৰৰ প্ৰতি লক্ষ্য ৰাখি কেনে পদ্ধতি অৱলম্বন কৰিব লাগে এই সম্পৰ্কে শিক্ষা মনোবিজ্ঞানে অধ্যয়ন কৰে।
- **বংশগতি আৰু পৰিবেশ** (Heredity and Environment) ঃ শিশুৰ বংশগতি আৰু পৰিবেশে সন্মিলিত পৰিবেশৰ যোগেদি শিশুৰ ব্যক্তিত্ব বিকাশ সম্ভৱপৰ কৰি তোলে। এই সম্পৰ্কীয় জ্ঞান আৰু নিৰ্দেশনা, শিক্ষকে শিক্ষা মনোবিজ্ঞানৰ পৰা পাব পাৰে।
- **ব্যক্তিত্বৰ সমাযোজন আৰু বিকাশসাধন** (Development and Adjustment of Personality) ঃ শিক্ষা মনোবিজ্ঞানে ব্যক্তি এজনৰ ব্যক্তিত্বৰ বিকাশ আৰু স্বৰূপৰ বিষয়েও অধ্যয়ন কৰে। বাস্তৱিকতে শিক্ষা মানে হ'ল মানৱ ব্যক্তিত্বৰ সকলোবোৰ দিশ পূৰ্ণ সু-সামঞ্জস্যভাৱে বিকশিত কৰা এটা প্ৰক্ৰিয়া যাতে ব্যক্তি এজনে যিকোনো পৰিবেশতে সমাযোজন কৰিব পাৰে।
- **ব্যক্তিত্বৰ বৈষম্য** (Personality difference) ঃ শিক্ষাৰ্থীসকলৰ বুদ্ধি-বৃত্তি, অভিৰুচি, ব্যক্তিত্ব আৰু চৰিত্ৰৰ মাজত বিভিন্ন প্ৰভেদ আছে। গতিকে শিক্ষা মনোবিজ্ঞান অধ্যয়নৰ জৰিয়তেহে এই ব্যক্তিগত বৈষম্যৰ বিষয়ে জানিব পৰা যাব।
- **ব্যক্তি বিশেষৰ থকা পাৰ্থক্যসমূহ** (Individual Difference) ঃ কেৱল শিক্ষা মনোবিজ্ঞানৰ দ্বাৰাহে মানৱ ব্যৱহাৰৰ ওপৰত আলোকপাত কৰিবলৈ সহজ। কিয়নো মানৱ ব্যৱহাৰৰ অধ্যয়নৰ জৰিয়তেহে ব্যক্তি বিশেষৰ পাৰ্থক্যসমূহ চিনাক্ত কৰিব পাৰি।
- **কৃতিত্বৰ মূল্যায়ন** (Evaluation of learning performance) ঃ মানুহৰ মানসিক, বৌদ্ধিক, আবেগিক আদি বিভিন্ন দিশ সমূহ জুখিবৰ বাবে মনোবিজ্ঞানীসকলে নানা ধৰণৰ অভীক্ষা নিৰ্মাণ কৰিছে। এই অভীক্ষাবিলাকৰ সহায়ত শিক্ষাৰ্থীয়ে আহৰণ কৰা শৈক্ষিক কৃতিত্বৰ মান নিৰূপণ কৰিব পাৰি।
- **শিক্ষা নিৰ্দেশনা** (Providing Educational Guidance and Counseling)ঃ- প্ৰত্যেক ব্যক্তিয়েই সকলো বিষয় আৰু ক্ৰিয়াৰ প্ৰতি সমানে যোগ্যতা দেখুৱাব নোৱাৰে। এই ক্ষেত্ৰত কোন ব্যক্তি কোন বিষয়ৰ বাবে দেহ-মানসিকভাৱে উপযুক্ত

আৰু সেই অনুক্ৰমে তেওঁক কেনে ধৰণৰ মনোবৈজ্ঞানিক দিহা পৰামৰ্শ আদি প্ৰদান কৰিব লাগে তাক শিক্ষা মনোবিজ্ঞান অধ্যয়ন কৰিলেহে গম পোৱা যায়।

- **মানসিক পৰিমাপণ** (Mental Measurement) ঃ শিক্ষাৰ্থীৰ বুদ্ধি-বৃত্তি আৰু আন আন মানসিক ক্ষমতাসমূহৰ স্বৰূপ সম্বন্ধে জনাৰ লগতে সেইবোৰৰ নিৰ্ভৰযোগ্য পৰিমাপণ কৰা আৰু তাৰ ভিত্তিত ছাত্ৰ-ছাত্ৰীৰ শ্ৰেণীবিভাগ কৰি প্ৰতিটো বিভাগৰ বাবে উপযুক্ত হোৱাকৈ শিক্ষাৰ ব্যৱস্থা কৰাটো অতি গুৰুত্বপূৰ্ণ কথা। শিক্ষা মনোবিজ্ঞানৰ অন্তৰ্গত বিষয়বোৰৰ ভিতৰত বুদ্ধিৰ পৰীক্ষা (Intelligence Test), অভিবৃত্তি পৰীক্ষা (Aptitude Test), আৰ্জিত বিদ্যা (Attainment Test) আদি বিভিন্ন মনোবৈজ্ঞানিক পৰীক্ষা পদ্ধতি সমূহো উল্লেখযোগ্য।
- **মানসিক স্বাস্থ্য বিজ্ঞান** (Mental Hygiene) ঃ এই জটিল সমাজখনত সামাজিক জীৱন নিৰ্বাহ কৰাটো খুব জটিল হৈ পৰিছে। আৰু এই জটিল সমাজৰ অসুস্থ প্ৰভাৱ সমূহে ব্যক্তি আচৰণত নানাবিধ অস্বাভাৱিকতা আৰু মানসিক ৰোগে দেখা দিব পাৰে। এই অসুস্থ প্ৰভাৱ সমূহৰ বিষয়ে জনাটো আৰু তাৰ দূৰীকৰণ কৰাটো কেৱল মাত্ৰ শিক্ষামনোবিজ্ঞান অধ্যয়নৰ দ্বাৰাহে জানিব পাৰি।

ইয়াৰোপৰি শিক্ষা মনোবিজ্ঞানৰ অন্তৰ্গত আন কেইটামান বিষয় হ'ল— চৰিত্ৰ গঠন, নিৰ্জ্ঞান মনৰ অধ্যয়ন, গণ মনোবিজ্ঞান, অচেতন মনৰ জটিলতা, সামঞ্জস্যহীনতাৰ সমস্যা, সহজাত প্ৰবৃত্তি আৰু আবেগ, ইত্যাদি।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৭ ঃ শিক্ষা মনোবিজ্ঞানৰ পৰিসৰ বুলিলে কি বুজে ?

.....

.....



চিন্তা চৰ্চা কৰক ১.১

শ্ৰেণী কোঠাৰ শিক্ষণত ব্যৱহৃত হোৱা শিক্ষা মনোবিজ্ঞানৰ কেইটামান বিষয় বৰ্ণনা কৰক।

.....

.....

১.৪ শিক্ষণ প্ৰক্ৰিয়াত শিক্ষা মনোবিজ্ঞানৰ প্ৰয়োগ আৰু গুৰুত্ব

শ্ৰেণী কক্ষত প্ৰত্যেক শিক্ষকেই ছাত্ৰ-ছাত্ৰীৰ শিক্ষণকলৈ সমস্যাৰ সন্মুখীন হয়। ছাত্ৰ-ছাত্ৰীক কি দৰে শিক্ষাৰ প্ৰতি আকৃষ্ট কৰিব পাৰি, কেনেকৈ ছাত্ৰ-ছাত্ৰীয়ে অধিক সময় অধ্যয়ন

কৰিব পাৰে, কিদৰে ছাত্ৰ-ছাত্ৰীৰ অভিৰুচিৰ সৃষ্টি কৰিব পাৰি ইত্যাদি। শিক্ষকে শ্ৰেণীকোঠাত দৈনন্দিন সমস্যাৰ সন্মুখীন হয় আৰু উক্ত সমস্যাসমূ হৰ সমাধান কৰিব লগা হয়। শিক্ষাদান আৰু শিক্ষা গ্ৰহণ এই দুয়োটা কাৰ্য্য মানসিক আৰু সেইবাবে শিক্ষণ প্ৰক্ৰিয়াত শিক্ষা মনোবিজ্ঞান অধ্যয়নৰ এক বিশেষ গুৰুত্ব আছে। এজন শিক্ষকে শ্ৰেণী কক্ষৰ সমস্যাসমূহ কিদৰে সমাধান কৰিব পাৰে সেয়া নিৰ্ভৰ কৰিব শিক্ষকজনে কিমান দূৰ ছাত্ৰ-ছাত্ৰীক বুজি পাইছে আৰু শিক্ষকে কেনেধৰণৰ পদ্ধতি গ্ৰহণ কৰিছে তাৰ ওপৰত।

জন আদামচে (John Adams) কৈছে - শিক্ষকে 'জন' নামৰ ল'ৰাজনক লেটিন ভাষা শিকায়' - বোলা উক্তি শাৰীত বুজাইছে যে, শিক্ষকে 'জনক' ভালদৰে জনাৰ উপৰিও লেটিন ভাষাও জানিব লাগিব। ইয়াৰ অৰ্থ এয়ে যে 'জন'ক জানিবলৈ হ'লে শিক্ষকৰ শিক্ষা মনোবিজ্ঞান সম্পৰ্কে জ্ঞান থাকিব লাগিব। অৰ্থাৎ এজন সচেতন শিক্ষকে সাৰ্থকভাৱে শিক্ষাদান কৰিবলৈ হ'লে বিষয়বস্তু আৰু শিক্ষাৰ্থীৰ মানসিক অৱস্থাক সমানে প্ৰাধান্য দি অধ্যয়ন কৰিব লাগিব। কাৰণ বৰ্তমানৰ শিক্ষা হৈছে শিশুকেন্দ্ৰিক (Child Centred) শিক্ষা। এই শিক্ষা ব্যৱস্থাত বিষয় জ্ঞানৰ উপৰিও শিক্ষকৰ শিশু সম্বন্ধেও ভাল জ্ঞান থাকিব লাগিব। কাৰণ শিশুকেন্দ্ৰিক শিক্ষাত শিশুৰ বুদ্ধি- বৃত্তি, আশা-আকাংক্ষা, প্ৰয়োজন, আগ্ৰহ আদিৰ প্ৰতি লক্ষ্য ৰাখিহে শিক্ষাৰ ব্যৱস্থা কৰিব লাগে। আচৰণৰ পৰিৱৰ্তন সাধনেই শিক্ষকৰ কাম আৰু আচৰণ সম্বন্ধে জ্ঞান লাভ কৰিবলৈ হ'লে মনোবিজ্ঞান অধ্যয়ন কৰিব লাগিব। বিদ্যালয়ত সম্পাদন কৰিব লগা শিক্ষা সংক্ৰান্তীয় বিভিন্ন কাৰ্য্যাৱলীত শিক্ষকসকলক শিক্ষা মনোবিজ্ঞানৰ অধ্যয়ন কেনেভাৱে সহায় কৰে সেই বিষয়ে তলত আলোচনা কৰা হ'ল—

- **শিশু সম্বন্ধে জ্ঞান** (Understanding the Child) ঃ শিক্ষা মনোবিজ্ঞানে শিক্ষক এজনক শিশু এটাৰ বিকাশৰ বিভিন্ন স্তৰসমূহৰ স্বৰূপ সম্বন্ধে জনাত সহায় কৰে। বিকাশৰ বিভিন্ন স্তৰসমূহৰ বৈশিষ্ট্য সমূহৰ জ্ঞান অবিহনে শিশু এটাক কেতিয়াও উপযুক্ত আৰু সাৰ্থকভাৱে শিক্ষা দান কৰিব নোৱাৰি।
- **ব্যক্তি পাৰ্থক্যৰ জ্ঞান** (Knowledge of individual difference) ঃ শিক্ষা মনোবিজ্ঞানৰ জ্ঞানে শিক্ষকক প্ৰতিজন শিক্ষাৰ্থীৰ ব্যক্তিগত প্ৰয়োজন, সম্ভাৱনীয়তা আদি বুজি উঠাত সহায় কৰে। কিয়নো জন্মতে প্ৰতিজন শিশু শাৰীৰিক, মানসিক তথা আবেগিকভাৱে একে নহয়। গতিকে শিক্ষকে সমূহীয়াভাৱে শিক্ষাদান কৰিলেও শিক্ষাৰ্থীৰ ব্যক্তিগত পাৰ্থক্য আৰু প্ৰয়োজনীয়তাৰ প্ৰতি সমানে গুৰুত্ব প্ৰদান কৰিব লাগিব।
- **শ্ৰেণী কোঠাৰ শিক্ষণ সম্বন্ধীয় প্ৰকৃতিৰ জ্ঞান** (To understand the nature of classroom teaching)ঃ শিক্ষা মনোবিজ্ঞানে সাধাৰণতে শিক্ষণীয় প্ৰক্ৰিয়াৰ পথৰ বিষয়ে আৰু বিশেষকৈ শ্ৰেণীকোঠাৰ বিভিন্ন সমস্যাৰ বিষয়ে শিক্ষকক জানিবলৈ সহায় কৰে। শিক্ষা মনোবিজ্ঞানে এজন শিক্ষকক সুদক্ষভাৱে শিক্ষণীয় কাৰ্যসূচী চলাবলৈ সহায় কৰে। ইয়াৰোপৰি, শিক্ষণীয় শিতানত ন-ন কৌশল উদ্ভাৱনত সহায় কৰে। শ্ৰেণীকোঠাৰ শিক্ষণীয় প্ৰক্ৰিয়া কেৱলমাত্ৰ এটা তত্ত্বৰ ওপৰতে নিৰ্ভৰ নকৰে, বৰঞ্চ ইয়াৰ ব্যৱহাৰ বহুতো শিক্ষণীয়

তত্ত্বৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠে। সেয়েহে শ্ৰেণীকোঠাৰ শিক্ষাদান বা শিক্ষণ সুচাৰুৰূপে পৰিচালিত হ'বৰ বাবে শিক্ষকজন প্ৰয়োজনীয় বহুতো শিক্ষণীয় তত্ত্বৰ বিষয়ে জ্ঞাত হ'ব লাগে। শিক্ষা মনোবিজ্ঞান এই ক্ষেত্ৰত শিক্ষকক বিষয়বস্তুৰ গভীৰতা আৰু ছাত্ৰ ছাত্ৰীৰ দেহ মানসিক প্ৰয়োজনীয়তাৰ ভিত্তিত উপযুক্ত শিক্ষণৰ নীতি আৰু পদ্ধতিসমূহ প্ৰয়োগকৰণত সহায় কৰে।

- **মানসিক স্বাস্থ্যৰ জ্ঞান** (Knowledge of mental health)ঃ শিক্ষা মনোবিজ্ঞান অধ্যয়নৰ দ্বাৰা শিক্ষক এজনে শিশু এটাৰ মানসিক স্বাস্থ্য সম্পৰ্কেও জানি উঠিব পাৰে আৰু শ্ৰেণীকোঠাত শিশু এটাই কেনেকৈ মানসিক স্বাস্থ্য ৰক্ষা কৰি চলিব লাগে তাক জনাতো সহায় কৰে। শিক্ষা মনোবিজ্ঞান সম্পৰ্কীয় জ্ঞানৰ জৰিয়তে শিক্ষক এজনে সহজতে শিশু এটাৰ মানসিক অসুস্থতা আৰু সামঞ্জস্যহীনতাৰ সমস্যাৰ বাবে কোনবিলাক উপাদান দায়ী তাক জানি উঠিব পাৰে।
- **শিক্ষার্থীৰ বিভিন্ন সমস্যাৰ বিষয়ে জ্ঞাত** (To understand the problems of children) ঃ শিক্ষা মনোবিজ্ঞানে ছাত্ৰ-ছাত্ৰীৰ বিভিন্ন সমস্যা আৰু প্ৰয়োজনীয়তাক বুজাত শিক্ষকক সহায় কৰে। শ্ৰেণীকোঠাত শিক্ষার্থীয়ে সন্মুখীন হোৱা সমস্যাবোৰৰ বিষয়েও শিক্ষক এজনে বুজাত সহায় কৰে। শিক্ষা মনোবিজ্ঞানৰ সহায়ত শিক্ষকজনে সমস্যা সমাধানৰ বাবে কিছুমান প্ৰতিকাৰমূলক পদক্ষেপ ল'ব পাৰে।
- **পাঠ্যক্ৰম প্ৰস্তুতকৰণ** (Curriculum construction) ঃ শিক্ষাৰ বিষয়বস্তু অৰ্থাৎ পাঠ্যক্ৰম প্ৰস্তুতকৰণৰ ক্ষেত্ৰত মনোবিজ্ঞানে প্ৰভাৱ পেলাই আহিছে। বিভিন্ন স্তৰৰ ছাত্ৰ-ছাত্ৰীৰ বাবে বেলেগ বেলেগ ধৰণৰ পাঠ্যক্ৰমৰ প্ৰয়োজন। ভিন্ ভিন্ বয়সত ল'ৰা-ছোৱালীৰ মানসিক চাহিদা, বুদ্ধি, আগ্ৰহ, অভিৰুচিৰ প্ৰতি লক্ষ্য ৰাখি পাঠ্যক্ৰম প্ৰস্তুত কৰা উচিত। এই ক্ষেত্ৰত কেৱল শিক্ষা মনোবিজ্ঞানেহে শিক্ষকক সহায় কৰিব পাৰে।
- **বংশগতি আৰু পৰিবেশৰ জ্ঞান** (Knowledge of heredity and environment) ঃ শিশুৰ শিক্ষাত বংশগতি আৰু পৰিবেশৰ প্ৰভাৱ সম্পৰ্কে শিক্ষকে শিক্ষা মনোবিজ্ঞানৰ জ্ঞানৰ পৰা জানিব পাৰে আৰু সেইমতে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব পাৰে। বংশগতি মানে হৈছে যি জৈৱিক গুণ, শক্তি পূৰ্বপুৰুষৰ পৰা উত্তৰ পুৰুষলৈ গতি কৰে । আনহাতে পৰিবেশ হৈছে ব্যক্তিৰ ওপৰত প্ৰভাৱ পেলোৱা এক বহিঃ শক্তিস্বৰূপ।
- **শিকনীয় ফলাফলৰ মাপকাঠি** (Measurement of learning outcomes) ঃ শিক্ষা মনোবিজ্ঞানে শিক্ষার্থীৰ শিকনীয় ফলাফল জোখাত শিক্ষকক সহায় কৰে। শিক্ষার্থীৰ পাৱদর্শিতাৰ প্ৰেক্ষাপটত শিক্ষকজনেও শিক্ষা মনোবিজ্ঞানৰ সহায়ত শিক্ষণীয় পদ্ধতিৰ বিষয়ে মূল্যায়নো কৰিব পাৰে। দৰাচলতে শিক্ষা মনোবিজ্ঞানে শিক্ষকক, শিক্ষনীয় পদ্ধতি আৰু কৌশলসমূহত সংশোধন অনাত সহায় কৰে।
- **গৱেষণা** (Research) ঃ শ্ৰেণীকোঠাত উদ্ভৱ হোৱা সমস্যাসমূহ শিক্ষকে কেনেকৈ নিয়ন্ত্ৰণ কৰিব, ছাত্ৰ-ছাত্ৰীৰ আচৰণ সম্পৰ্কে নিৰ্দেশনা আৰু ভৱিষ্যতৱাণী ইত্যাদি কথাবোৰ

গৱেষণাৰ ওপৰত অধ্যয়ন কৰিহে জানিব পাৰে।

- **শাস্তি আৰু পুৰস্কাৰ কৌশলৰ প্ৰয়োগ** (Use of reward and punishment) ঃ শিক্ষাদান আৰু শিক্ষাগ্ৰহণ কাৰ্য্য ফলপ্ৰসূ কৰি তুলিবৰ বাবে শিক্ষকে প্ৰয়োজন সাপেক্ষে শাস্তি আৰু পুৰস্কাৰ কৌশল অৱলম্বন কৰিব পাৰে। ভাল কামৰ বাবে উৎসাহ যোগাবৰ বাবে পুৰস্কাৰ আৰু বেয়া কামত নিৰুৎসাহিত কৰিবৰ বাবে শাস্তি প্ৰদানৰ কৌশল প্ৰয়োগ কৰি শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক শিক্ষাক্ষেত্ৰত আত্মনিয়ন্ত্ৰিত কৰিব পাৰে।
- **মানসিক অস্বাভাৱিকতাৰ বিষয়ে জ্ঞান প্ৰদান** (Provide knowledge about the mental abnormalities) ঃ শিক্ষা মনোবিজ্ঞানে শিক্ষকক শিক্ষাৰ্থীয়ে স্কুলত সন্মুখীন হোৱা বিভিন্ন মানসিক অস্বাভাৱিকতাসমূহ চিহ্নিত কৰাত সহায় কৰে। লগতে শিক্ষাৰ্থীৰ অস্বাভাৱিকতাসমূহ পৰিহাৰ কৰাত বা শুধৰণি কৰাত শিক্ষকক সু-দক্ষ পদক্ষেপ ল'বৰ বাবে সহায় কৰে।
- **ন ন উদ্ভাৱনৰ ব্যৱহাৰ** (Use of innovations) ঃ সৰ্বশেষ তথ্যসমূহ বা জ্ঞানসমূহ যোগাবৰ বাবে, শিক্ষকে ন-ন উদ্ভাৱন সমূহৰ বিষয়ে তথ্য সহকাৰে শিক্ষা শিতানত প্ৰয়োগ কৰিব পাৰে। এইক্ষেত্ৰত, শিক্ষা মনোবিজ্ঞানে নতুন নতুন উদ্ভাৱন, অনুশিক্ষণ, দলীয় আলোচনা, দলীয় শিক্ষণৰ বিষয়ে শিক্ষকক জ্ঞাত হোৱাত সহায় কৰে।

ওপৰৰ আলোচনাৰ পৰা আমি ক'ব পাৰো যে শিক্ষণ প্ৰক্ৰিয়াত শিক্ষা মনোবিজ্ঞানৰ এক বিশেষ গুৰুত্ব আছে। শিক্ষণ পদ্ধতিৰ প্ৰক্ৰিয়াসমূহ ফলপ্ৰসূ কৰি তুলিবলৈ হ'লে শিক্ষা পদ্ধতিত জড়িত প্ৰত্যেক জন শিক্ষকে শিক্ষা মনোবিজ্ঞানৰ জ্ঞান অৰ্জন কৰাটো উচিত।



জানি থোৱা ভাল

শিক্ষা মনোবিজ্ঞানৰ জ্ঞানে এজন শিক্ষকক শ্ৰেণীকোঠাৰ শিকনীয় কাৰ্যসূচী সুচাৰুৰূপে পৰিচালিত কৰিব পৰাত সহায় কৰে। শিশু সম্বন্ধে জ্ঞান, ব্যক্তি পাৰ্থক্যৰ জ্ঞান, শ্ৰেণীকোঠাৰ শিকন সম্বন্ধীয় প্ৰকৃতিৰ জ্ঞান, উপযুক্ত শিক্ষণ পদ্ধতিৰ নিৰ্ধাৰণ, মানসিক স্বাস্থ্যৰ জ্ঞান, শিকনীয় ফলাফলৰ মাপকাঠি নিৰ্ধাৰণ, গৱেষণা, বংশগতি আৰু পৰিৱেশৰ জ্ঞান জনাৰ বাবে শিক্ষা মনোবিজ্ঞানে বিদ্যালয় বা স্কুল এখনৰ শিক্ষণ-শিকন প্ৰক্ৰিয়াত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।



চিন্তা চৰ্চা কৰক ঃ ১.২

শিক্ষা মনোবিজ্ঞান শিক্ষক এজনৰ বাবে কিমান ফলপ্ৰসূ সেয়া বৰ্ণনা কৰক ।

.....

.....



১.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- মনোবিজ্ঞানৰ ইংৰাজী প্ৰতিশব্দ "Psychology" গ্ৰীক ভাষাৰ 'Psyche' আৰু 'Logos' শব্দ দুটাৰ পৰা আহিছে। 'Psyche' শব্দৰ অৰ্থ হৈছে আত্মা (Soul) আৰু 'Logos' শব্দৰ অৰ্থ হৈছে বিজ্ঞান (Science of the Soul).
- বৰ্তমানলৈকে মনোবিজ্ঞানী মেকডুগেলে (Mcdougall) আগবঢ়োৱা সংজ্ঞাটোৱে সৰ্বসন্মতভাৱে স্বীকৃত হৈছে আৰু এই সংজ্ঞাটো হ'ল - মনোবিজ্ঞান হ'ল আচৰণৰ বিজ্ঞান।
- শিক্ষা মনোবিজ্ঞান হ'ল মনোবিজ্ঞানৰ প্ৰায়োগিক শাখা।
- শিক্ষা মনোবিজ্ঞান বুলিলে শিক্ষাৰ ক্ষেত্ৰত উদ্ভৱ হোৱা সমস্যাৰাজি সমাধানৰ অৰ্থে মনোবিজ্ঞানৰ সূত্ৰ আৰু নীতিসমূহ প্ৰয়োগ কৰাকে বুজায়। হাৰ্বাট (Herbert) আৰু ফ'ব্ৰেল (Frobel) দুজন জাৰ্মান প্ৰফেচৰ, শিক্ষা মনোবিজ্ঞান বিকাশৰ প্ৰধান হোতা বুলি কোৱা হয়।
- প্ৰকৃততে মনোবিজ্ঞানে মানুহৰ আচৰণৰ বিষয়ে অধ্যয়ন কৰে আৰু শিক্ষাৰ দ্বাৰা মানুহৰ আচৰণ সংশোধন কৰা হয়।
- শিক্ষাদান আৰু শিক্ষাগ্ৰহণ কাৰ্য্য সফল কৰি তুলিবলৈ শিক্ষকক মনোবিজ্ঞানৰ জ্ঞানে বিশেষভাৱে সহায় কৰে।
- বহুতো মনোবিজ্ঞানীয়ে শিক্ষা মনোবিজ্ঞানৰ বিষয়ে বহুত ধৰণেৰে সংজ্ঞা আগবঢ়াইছে। সৰ্বশেষত সকলো মনোবৈজ্ঞানিকে এটা সংজ্ঞাত প্ৰতিপন্ন হ'ল যে শিক্ষা মনোবিজ্ঞান হ'ল শিক্ষা আৰু মনোবিজ্ঞানৰ দ্বাৰা পৰিচালিত বৈজ্ঞানিক জ্ঞান লাভৰ এক প্ৰক্ৰিয়া। ইয়াৰ বিষয়বস্তু ব্যক্তিৰ শিক্ষণ আৰু আচৰণত প্ৰভাৱ পেলায়।
- প্ৰায়োগিক বিজ্ঞান, ইতিবাচক বিজ্ঞান, সামাজিক বিজ্ঞান, শৈক্ষিক বিজ্ঞান, বিশেষ বিজ্ঞান, বৃদ্ধি আৰু বিকাশৰ বিজ্ঞান হৈছে শিক্ষা মনোবিজ্ঞানৰ প্ৰকৃতি বা স্বৰূপ।
- শিক্ষাৰ্থী, শিক্ষণ প্ৰক্ৰিয়া আৰু শিক্ষণ পৰিস্থিতি সম্পৰ্কীয় বিষয় সমূহৰ অধ্যয়নৰ লগত শিক্ষা মনোবিজ্ঞান বিশেষভাৱে জড়িত যেনে - শিক্ষাৰ্থীৰ আচৰণ, বিকাশৰ স্তৰ অধ্যয়ন, শিক্ষণ পদ্ধতি, ব্যক্তিত্ব সমাযোজন আৰু বিকাশ সাধন, ব্যক্তিত্বৰ বৈষম্য, শিকনীয় কৃতিত্বৰ মূল্যায়ন, শিক্ষা নিৰ্দেশনা, মানসিক পৰিমাপণ, মানসিক স্বাস্থ্য বিজ্ঞান ইত্যাদি।
- শিশু সম্বন্ধে জ্ঞান, ব্যক্তি পাৰ্থক্য জ্ঞান, শ্ৰেণীকোঠাৰ শিক্ষণ সম্বন্ধীয় প্ৰকৃতিৰ জ্ঞান, উপযুক্ত শিকন পদ্ধতি নিৰ্ধাৰণৰ জ্ঞান, শিশুৰ বিভিন্ন সমস্যাৰ বিষয়ে জ্ঞান, মানসিক স্বাস্থ্যৰ জ্ঞান, পাঠ্যক্ৰম প্ৰস্তুতকৰণ, বংশগতি আৰু পৰিবেশৰ জ্ঞান, শিকনীয় ফলাফলৰ মাপকাঠিৰ সম্বন্ধে জ্ঞান, গৱেষণা, শান্তি আৰু পুৰস্কাৰ প্ৰয়োগৰ কৌশল, মানসিক অস্বাভাৱিকতাৰ বিষয়ে জ্ঞান প্ৰদান, শিক্ষাত ন-ন উদ্ভাৱনৰ ব্যৱহাৰ সম্বন্ধে জ্ঞান আয়ত্ত্ব কৰাৰ কাৰণে শিক্ষণ শিকন প্ৰক্ৰিয়াত শিক্ষা মনোবিজ্ঞানৰ জ্ঞান জনাটো অতি আৱশ্যক।



১.৬ অধিক জানিবলৈ

১) বৰুৱা. যতীন ঃ শিক্ষাৰ মনোবিজ্ঞান ভিত্তিক অধ্যয়ন
অৰুণ প্ৰকাশন, কলেজ হোষ্টেল ৰ'ড, গুৱাহাটী-১

২) শৰ্মা, ড° মুকুল কুমাৰ ঃ স্নাতক মহলাৰ শিক্ষা মনোবিজ্ঞান আৰু পৰিসংখ্যা,
ষ্টুডেন্ট এম্পৰিয়াম, ডিব্ৰুগড়।



১.৭ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্ন উত্তৰ ঃ শিক্ষা মনোবিজ্ঞান হ'ল সাধাৰণ মনোবিজ্ঞানৰ এক প্ৰায়োগিক শাখা। শিক্ষা মনোবিজ্ঞানে এক বিশেষ শৈক্ষিক পৰিবেশৰ ভিতৰত ব্যক্তি এজনৰ আচৰণ অধ্যয়ন কৰে। মনোবিজ্ঞানৰ অৰ্থ হ'ল মানৰ আচৰণ অধ্যয়ন কৰা আৰু শিক্ষাৰ অৰ্থ হ'ল মানৰ আচৰণৰ সংশোধন কৰা।

২নং প্ৰশ্ন উত্তৰ ঃ শিক্ষা মনোবিজ্ঞানৰ পৃষ্ঠপোষক হ'ল হাৰ্বাৰ্ট (Herbert), পেষ্টালজী (Pestalogi) আৰু ফ'ব্ৰেল (Froebel)।

৩নং প্ৰশ্ন উত্তৰ ঃ শিক্ষা মনোবিজ্ঞান হ'ল মনোবিজ্ঞানৰ এক প্ৰায়োগিক শাখা, যিয়ে বিজ্ঞানসন্মত ভাৱে মানুহৰ আচৰণৰ সম্বন্ধে অধ্যয়ন কৰে, যাৰ জৰিয়তে মানুহৰ জীৱনৰ উদ্দেশ্যৰ বিষয়ে জনাত, নিৰ্দেশ দিয়াত আৰু পৰ্য্যবেক্ষণত সুবিধা হয়।

৪নং প্ৰশ্ন উত্তৰ ঃ সাধাৰণ মনোবিজ্ঞান আৰু শিক্ষা মনোবিজ্ঞানৰ মাজত পাৰ্থক্য এয়ে যে— সাধাৰণ মনোবিজ্ঞানে বহলভাৱে মানুহৰ আচৰণ অধ্যয়ন কৰে, কিন্তু শিক্ষা মনোবিজ্ঞানে কেৱল নিৰ্দিষ্ট বিষয়ৰ অধ্যয়নৰ ওপৰতহে গুৰুত্ব দিয়ে। মনোবিজ্ঞানে মানুহৰ মন, আত্মা আৰু ব্যৱহাৰকে ধৰি বহলভাৱে অধ্যয়ন কৰে, কিন্তু শিক্ষা মনোবিজ্ঞানে এক নিৰ্দিষ্ট বিষয়ত সীমাবদ্ধ থাকি শিক্ষা সম্বন্ধীয় কাৰ্যসূচীত শিক্ষাৰ্থীৰ আচৰণৰ সম্বন্ধে অধ্যয়ন কৰে।

৫নং প্ৰশ্ন উত্তৰ ঃ (ক) শুদ্ধ (খ) শুদ্ধ (গ) শুদ্ধ

৬নং প্ৰশ্ন উত্তৰ ঃ (ক) শ্ৰেণী কক্ষৰ বাহিৰে ভিতৰে স্কুলৰ সমগ্ৰ শিক্ষা পৰিস্থিতিত উদ্ভৱ হ'ব পৰা শিক্ষাৰ্থীৰ সমস্যাসমূহৰ নিৰীক্ষণ কৰা, আৰু অন্তদৰ্শন কৰিব পৰা আৰু তাৰ উপযুক্ত সমাধান কৰিব পৰা ক্ষমতা প্ৰদান কৰা, সেয়েহে শিক্ষা মনোবিজ্ঞানক সাধাৰণ মনোবিজ্ঞানৰ প্ৰায়োগিক শাখা বুলি কেৱা হয়।

(খ) মানুহৰ প্ৰবৃত্তি আৰু ব্যৱহাৰৰ উন্নয়ন হোৱাৰ লগে লগে ইয়াৰ অধ্যয়নৰ ক্ষেত্ৰতো যথেষ্ট উন্নতি সাধন হৈছে। সেয়েহে ইয়াক এক উন্নয়নশীল বিজ্ঞান বোলা হয়।

(গ) শিক্ষা মনোবিজ্ঞান হৈছে এক যথার্থ বিজ্ঞান। কিয়নো ই শিক্ষাৰ ক্ষেত্রত বহলভাৱে আলোচনা নকৰে, বৰঞ্চ বিশেষ দিশ কিছুমানৰহে অধ্যয়ন কৰে।

(ঘ) শিক্ষা মনোবিজ্ঞানে শৈক্ষিক সমস্যাসমূহকহে সাঙুৰি লয়। শিক্ষা মনোবিজ্ঞান এক বিশেষ শৈক্ষিক পৰিবেশৰ ভিতৰত ব্যক্তি এজনৰ গতিবিধি, প্রকৃতি, আচৰণ ইত্যাদিৰ বিষয়ে বিশেষভাৱে আলচোনা কৰে। সেয়েহে ইয়াক শৈক্ষিক বিজ্ঞান বুলি কোৱা হয়।

৭নং প্রশ্ন উত্তৰ ঃ শিক্ষা মনোবিজ্ঞানৰ পৰিসৰ বুলিলে প্রধানকৈ দুটা কথাক ইংগিত কৰে—

- ইয়াৰ প্রয়োগৰ সীমাবদ্ধতা।
- শিক্ষা মনোবিজ্ঞানে সামৰি লোৱা শাখাসমূহ, বিষয়সমূহ আৰু বিষয়বস্তু সমূহ।



১.৮ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন (৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ মনোবিজ্ঞান বুলিলে কি বুজে?

প্রশ্ন ২ ঃ শৈক্ষিক মনোবিজ্ঞান বুলিলে কি বুজে?

প্রশ্ন ৩ ঃ শিক্ষা আৰু মনোবিজ্ঞানৰ সম্পর্ক কি?

(খ) চুটি প্রশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ শৈক্ষিক মনোবিজ্ঞানৰ স্বৰূপ বা প্রকৃতিসমূহ কি কি?

প্রশ্ন ২ ঃ শিক্ষাৰ লগত মনোবিজ্ঞানৰ যে সম্পর্ক আছে, আপুনি কিয় ভাবে?

প্রশ্ন ৩ ঃ শিক্ষক এজনক শিক্ষা মনোবিজ্ঞানে কেনেকৈ শ্রেণীকোঠাৰ শিক্ষণীয় কার্যত ফলপ্রসূতা অনাত সহায় কৰে?

(গ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ শৈক্ষিক মনোবিজ্ঞান বুলিলে কি বুজে? শ্রেণীকোঠাৰ সমস্যাসমূহ সমাধানৰ বাবে শৈক্ষিক মনোবিজ্ঞানৰ অৱদানসমূহ কি কি? আলোচনা কৰক।

প্রশ্ন ২ ঃ শ্রেণীকোঠাৰ পাঁচটা সমস্যা বাচি লওক - য'ত আপোনাক শিক্ষা মনোবিজ্ঞানৰ জ্ঞানে সহায় কৰিব পাৰে?

প্রশ্ন ৩ ঃ শিক্ষার্থীৰ আচৰণৰ সমস্যাসমূহ সংশোধনৰ বাবে শৈক্ষিক মনোবিজ্ঞানৰ জ্ঞানে শিক্ষক এজনক কেনেকৈ সহায় কৰে?

*** ***** ***

অধ্যায় ২ ঃ শিক্ষা মনোবিজ্ঞানৰ পদ্ধতি

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য
২.২ পৰিচয়
২.৩ শিক্ষা মনোবিজ্ঞান পদ্ধতিৰ শ্ৰেণীবিভাগ
২.৪ শিক্ষণ, শিকন পদ্ধতিত ইয়াৰ গুৰুত্ব আৰু প্ৰয়োগ
২.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
২.৬ অধিক জানিবলৈ
২.৭ অগ্ৰগতিৰ খতিয়ান
২.৮ আৰ্হি প্ৰশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ব্যক্তিৰ আচৰণসমূহ জানিবলৈ বা অধ্যয়ন কৰিবলৈ ব্যৱহাৰ কৰা পদ্ধতিসমূহৰ আৱশ্যকতাৰ বিষয়ে জানিবলৈ সমৰ্থ হ'ব।
- পদ্ধতিসমূহৰ বিভিন্ন প্ৰকাৰৰ শ্ৰেণী বিভাগ কৰিব পাৰিব।
- প্ৰত্যেকটো পদ্ধতিৰে সুবিধা আৰু সীমাবদ্ধতাৰ বিষয়ে বৰ্ণনা দিব পাৰিব।

২.২ পৰিচয়

শিক্ষা মনোবিজ্ঞান হৈছে মনোবিজ্ঞানৰ এক গুৰুত্বপূৰ্ণ শাখা। শিক্ষাত প্ৰয়োগ কৰা মনোবিজ্ঞানৰ নীতি আৰু সূত্ৰসমূহৰ কাৰ্যকৰীকৰণৰ দিশটোৱেই হৈছে শিক্ষা মনোবিজ্ঞান। শিক্ষা সম্পৰ্কীয় পৰিৱেশ আৰু পৰিস্থিতিৰ লগত জড়িত মনোবিজ্ঞানৰ কাৰ্যকৰী দিশটোৰ অধ্যয়নেই হৈছে শিক্ষা মনোবিজ্ঞান। ইয়াৰ বিষয়বস্তু হৈছে শিক্ষাগ্ৰহণ প্ৰক্ৰিয়াত মানুহৰ আচৰণ অধ্যয়ন কৰা। সাধাৰণতে বয়সস্থসকলতকৈও কোমল বয়সৰ লোকৰ লগতহে ইয়াৰ অধিক সম্বন্ধ, বাহিৰৰ বিস্তৃত পৰিৱেশতকৈও স্কুলীয়া শিক্ষাৰ পৰিৱেশহে ইয়াৰ অধিক পৰিচিত।

শিক্ষাৰ বিবিধ সমস্যাসমূহৰ বিজ্ঞানসন্মত দৃষ্টিৰে সামূহিকভাৱে নিৰীক্ষণ কৰা আৰু তাৰ গ্ৰহণযোগ্য সমাধানৰ পথ বাছি উলিওৱাত শিক্ষা মনোবিজ্ঞানে শিক্ষকক সহায় কৰে। স্কুলৰ শ্ৰেণীকক্ষৰ বাহিৰে-ভিতৰে শিক্ষক এজনে বহুতো সমস্যাৰ সন্মুখীন হ'ব পাৰে। ব্যক্তি পাৰ্থক্যৰ তাৎপৰ্য্যসমূহ, শ্ৰেণীকোঠাত উদ্ভৱ হোৱা বিভিন্ন সমস্যাসমূহ কেনেকৈ সমাধান কৰিব পাৰি তাৰ

বিষয়ে শিক্ষক এজনৰ জ্ঞান থকাটো যথেষ্ট প্রয়োজনীয়। সেয়েহে শিক্ষা মনোবিজ্ঞানৰ এই লক্ষ্যত উপনীত হ'বলৈ হ'লে, ব্যক্তিসমূহক ভালকৈ জানিবলৈ হ'লে, কিছুমান তথ্য সংগ্রহ কৰি পদ্ধতি গ্রহণ কৰিব লাগিব।

১৮৭৯ চনত জার্মেনিৰ মনোবিজ্ঞানী উইলহেম য়োণ্ডটে (Wilhelm Wundt) প্রথমবাৰৰ বাবে মনোবিজ্ঞানৰ এই পদ্ধতিসমূহ গ্রহণ কৰে। বর্তমান শিক্ষাই প্রযুক্তি বিদ্যাৰ প্রসাৰৰ লগে লগে তথ্য সংগ্রহ আৰু বিশ্লেষণ কৰাৰ বাবে নতুন নতুন পদ্ধতি ব্যৱহাৰ কৰিবলৈ ধৰিছে।

২.৩ শিক্ষা মনোবিজ্ঞান পদ্ধতিৰ শ্রেণীবিভাগ

ব্যক্তিক জানিবৰ বাবে শিক্ষামনোবিজ্ঞানে কিছুমান বিশেষ পদ্ধতি অৱলম্বন কৰে, যেনে-

২.৩.১ ঃ অন্তঃপ্রেক্ষণ পদ্ধতি (Introspection Method)

২.৩.২ঃ পর্যবেক্ষণ পদ্ধতি (Observation Method)

২.৩.৩ ঃ সাক্ষাৎকাৰ পদ্ধতি (Interview Method)

২.৩.৪ ঃ পৰীক্ষণ পদ্ধতি (Experimental Method)

২.৩.৫ ঃ ঘটনা অধ্যয়ন পদ্ধতি (Case Study Method)

এই বিভিন্ন পদ্ধতিসমূহৰ সম্বন্ধে তলত এটি পর্যালোচনা আগবঢ়োৱা হৈছে।

২.৩.১ অন্তঃপ্রেক্ষণ পদ্ধতি

এই পদ্ধতি মনোবিজ্ঞানৰ আটাইতকৈ পুৰণি পদ্ধতি। অন্তঃপ্রেক্ষণৰ ইংৰাজী প্রতিশব্দ 'Introspection' শব্দটো লেটিন ভাষাৰ দুটা শব্দৰ পৰা আহিছে। এটা হ'ল 'Intro' যাৰ অর্থ হ'ল 'within' অর্থাৎ আভ্যন্তৰীণ আৰু spiere বা aspection বা 'look' (দর্শন) অর্থাৎ আভ্যন্তৰীণ ভাগলৈ প্রদান কৰা দৃষ্টিয়েই হৈছে অন্তঃপ্রেক্ষণ। সেয়েহে অন্তঃপ্রেক্ষণ মানে হ'ল আত্মবিশ্লেষণ (Self-observation) কৰা। বা অন্য অর্থত আনৰ মনৰ অনুভূতি আদিৰ বুজ লোৱাৰ একমাত্র সহজ মাধ্যম হৈছে নিজ মনৰ অনুভূতি নিজেই নিৰীক্ষণ কৰা। এই সম্পর্কত মনোবৈজ্ঞানিক উইলিয়াম জেমছ (William James) আৰু ষ্টাউট (Stout)ৰ কথাখিনি উল্লেখনীয়।

অন্তঃপ্রেক্ষণ পদ্ধতিৰ **সুবিধাসমূহ** তলত উল্লেখ কৰা হ'ল—

- অন্তঃপ্রেক্ষণ পদ্ধতি শিক্ষা মনোবিজ্ঞানৰ আটাইতকৈ সহজ পদ্ধতি।
- এই পদ্ধতিৰ বাবে মনোবিজ্ঞানৰ পৰীক্ষাগাৰ আৰু ব্যয় বহুল সা-সঁজুলি আদিৰ প্রয়োজন নহয়।

- এই পদ্ধতি আটাইতকৈ মিতব্যয়ী পদ্ধতি আৰু নিজৰ মনক এই পদ্ধতিৰ দ্বাৰা জানিব পাৰি।
- পৰীক্ষাগাৰৰ তথ্য বিশ্লেষণ ৰ বেলিকাও গৱেষকসকলে অন্তঃপ্রেক্ষণ পদ্ধতিৰ প্রয়োগ কৰিব লাগে।

এই পদ্ধতিৰ **অসুবিধাসমূহ** তলত উল্লেখ কৰা হ'ল—

- অন্তঃপ্রেক্ষণৰ বেলিকা নিৰীক্ষণকাৰীয়ে ব্যক্তি নিৰপেক্ষ ভূমিকা গ্রহণ কৰিব নোৱাৰে।
- অন্তঃপ্রেক্ষণ পদ্ধতিৰে মানুহৰ মনৰ মানসিক বৈচিত্র্য আৰু গতিশীলতাৰ স্বৰূপক অধ্যয়ন কৰিব নোৱাৰি।
- শিশুৰ মন, বেমাৰী মানুহ আৰু অস্বাভাৱিক মানুহৰ মনৰ এই পদ্ধতিৰে যথার্থভাৱে নিৰীক্ষণ কৰিব পৰা নাযায়।
- নিৰীক্ষণকাৰীৰ মনৰ অৱস্থা, তেওঁৰ পূর্ব অভিজ্ঞতা আৰু মনোভাৱ আদিয়ে অনুচিত প্রভাৱ পেলায়।
- প্রশিক্ষণপ্রাপ্ত আৰু সুদীর্ঘ অভিজ্ঞতা থকা লোকৰ অবিহনে অন্তঃপ্রেক্ষণৰ প্রাপ্ত তথ্য নির্ভৰযোগ্য হৈ উঠিব নোৱাৰে।

এনেবোৰ দোষ ত্রুটি ৰ বিশ্লেষণেৰে ক'ব পাৰি যে অন্তঃপ্রেক্ষণ পদ্ধতি সার্বজনীন-ভাৱে সকলো লোকৰ প্রয়োগৰ বাবে উপযুক্ত নহয়। প্রশিক্ষণপ্রাপ্ত আৰু অভিজ্ঞ ব্যক্তিৰ দ্বাৰা এই ত্রুটিসমূহ আঁতৰাব পাৰিলেহে এই পদ্ধতি ফলপ্রসূ হ'ব।



জানি থোৱা ভাল

- অন্তঃপ্রেক্ষণ পদ্ধতি শিক্ষা মনোবিজ্ঞানৰ আটাইতকৈ পুৰণি পদ্ধতি।
- অন্তঃপ্রেক্ষণ পদ্ধতি আটাইতকৈ সহজ আৰু মিতব্যয়ী পদ্ধতি।
- এই পদ্ধতিৰ দ্বাৰা নিজৰ মনক জানিব পাৰি।
- পৰীক্ষাগাৰৰ তথ্য বিশ্লেষণ ৰ বেলিকাও গৱেষকসকলে অন্তঃপ্রেক্ষণ পদ্ধতি প্রয়োগ কৰিব লাগে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ অন্তঃপ্রেক্ষণ পদ্ধতিৰ বিষয়ে অতি চমুকৈ ব্যাখ্যা কৰক।

.....

.....

.....

প্রশ্ন নং ২ ঃ অন্তঃপ্রেক্ষণ পদ্ধতি সকলোৰে ক্ষেত্রত প্রয়োগ কৰিব পাৰিনে?

.....

.....

প্রশ্ন নং ৩ ঃ অন্তঃপ্রেক্ষণৰ তিনিটা অসুবিধা উল্লেখ কৰক।

.....

.....

.....

২.৩.২ পর্যবেক্ষণ পদ্ধতি

পর্যবেক্ষণ পদ্ধতি শিক্ষা মনোবিজ্ঞানৰ পদ্ধতিসমূহৰ ভিতৰত এটা অতি পুৰণি আৰু জনপ্রিয় পদ্ধতি। পর্যবেক্ষণ পদ্ধতিটো বাস্তৱ নিৰীক্ষণ পদ্ধতি বুলিও জনা যায়। প্রত্যক্ষ নিৰীক্ষণ হৈছে বাহ্যিক পৰিৱেশ আৰু পৰিস্থিতি প্রত্যক্ষ ইন্দ্রিয় অভিজ্ঞতাৰ যোগেৰে কৰা অধ্যয়ন। মানুহৰ বাহ্যিক আচৰণক তাৰ হুবহু ৰূপত এই পদ্ধতিৰে অধ্যয়ন কৰিব পাৰি। ইয়াৰ মনোবৈজ্ঞানিক ভিত্তি এয়ে যে, মানুহে নিজ পৰিস্থিতিত সুখ-দুখৰ যি অভিজ্ঞতাক অনুভৱ কৰে সি তেওঁৰ বাহ্যিক ক্রিয়াৰ যোগেদি প্রকাশ পায়। এই পদ্ধতি অন্তঃপ্রেক্ষণতকৈ অধিক নির্ভৰযোগ্য বুলি কোৱা হয়, কাৰণ ইয়াত নিৰীক্ষণকাৰীয়ে বাহ্যিকভাৱে কোনো ব্যক্তিৰ অভিব্যক্তি, আচৰণ আদি নিৰীক্ষণ আৰু অভিলেখন কৰিব পাৰে। বহলভাৱে পর্যবেক্ষণ প্রক্রিয়াক দুভাগত ভগাব পাৰি— সহযোগী পর্যবেক্ষণ (Participant observation) আৰু অ-সহযোগী পর্যবেক্ষণ (Non-participant observation)। সহযোগী পর্যবেক্ষণত পর্যবেক্ষকজনো পর্যবেক্ষণ কৰিবলগীয়া ব্যক্তি-সকলৰ মাজত সোমাই পৰি তেওঁলোকৰ লগৰ এজন হৈ লয়। অ-সহযোগী পর্যবেক্ষণত পর্যবেক্ষকজন এনে অৱস্থাত থকা উচিত যাতে

তেওঁৰ উপস্থিতিয়ে পর্যবেক্ষণ কৰিবলগীয়া ব্যক্তিসকলৰ ব্যৱহাৰৰ ওপৰত কোনো প্ৰভাৱ পেলাব নোৱাৰে। সহযোগী পর্যবেক্ষণত পর্যবেক্ষকজনে স্বভাৱতে পর্যবেক্ষণৰ কালতে প্ৰয়োজনীয় কথা কাগজত টুকি যাবলৈ সক্ষম নহয়। তেওঁ এইবিলাক পাছত লিখিবলগীয়া হয়।

গৱেষণাৰ আহিলা হিচাপে ব্যৱহাৰ কৰোঁতে পর্যবেক্ষণৰ ৫(পাঁচ)টা সুস্পষ্ট ক্ৰিয়া পর্যায় বা নীতি বিবেচিত হ'ব লাগে। এইকেইটা হৈছে—

- নিৰীক্ষণ কার্যৰ বাবে উপযুক্ত পৰিকল্পনা।
- সঠিকভাৱে আৰু নিপুণভাৱে তাৰ কার্যকৰীকৰণ।
- নিৰীক্ষণৰ পৰা প্ৰাপ্ত তথ্যপাতি যথার্থভাৱে লিপিবদ্ধকৰণ
- উপযুক্তভাৱে ফলাফলৰ ব্যাখ্যা বা বিশ্লেষণ কৰা।
- পর্যবেক্ষণৰ কাৰণে উপযুক্ত পৰিৱেশ সৃষ্টি কৰা।

পর্যবেক্ষণৰ **সুবিধাসমূহ** তলত উল্লেখ কৰা হ'ল—

- এই পদ্ধতিৰে মানুহৰ আচৰণক স্বাভাৱিক পৰিস্থিতিত সহজ-সৰলভাৱে নিৰীক্ষণ আৰু অধ্যয়ন কৰিব পাৰি।
- ইয়াৰ বাবে পৰীক্ষাগাৰৰ জটিল নিয়ন্ত্ৰিত পৰিস্থিতি আৰু দামী সা-সঁজুলি আদিৰ প্ৰয়োজন নহয়।
- প্ৰয়োজন অনুসৰি মানুহৰ আচৰণক ব্যক্তিগতভাৱে আৰু দলগতভাৱে এই পদ্ধতিৰে নিৰীক্ষণ কৰিব পাৰি।
- কম-বয়সীয়া শিশুৰ সহজ-সৰল আচৰণক নিজস্ব ৰূপত ইয়াৰ যোগেদি সহজে অধ্যয়ন কৰিব পাৰি।
- আমাৰ দৈনন্দিন জীৱনৰ যিকোনো অৱস্থাতে পর্যবেক্ষণ কৰিব পৰা যায়।

পর্যবেক্ষণৰ **অসুবিধাসমূহ** তলত উল্লেখ কৰা হ'ল—

- এই পদ্ধতিৰে ব্যক্তিৰ কোনো এক বিশেষ দিশকহে নিৰীক্ষণ কৰিব পাৰি। সমগ্ৰ ব্যক্তিত্বক সামূহিক ৰূপত নিৰীক্ষণ কৰিব নোৱাৰি।
- এই পদ্ধতিৰে কৰা নিৰীক্ষণ কার্যত ব্যক্তি আত্মসচেতন হৈ উঠিব পাৰে, যাৰ ফলত স্বাভাৱিক আৰু কৃত্ৰিমতাহীন প্ৰতিক্ৰিয়া আৰু আচৰণ পাব পৰা নাযায়।
- নিৰীক্ষণকাৰীৰ সূক্ষ্ম বিশ্লেষণ, নিৰপেক্ষতা, নৈর্ব্যক্তিকতা আৰু বিস্তৃত অভিজ্ঞতাৰ অবিহনে নিৰীক্ষণৰ পৰা প্ৰাপ্ত তথ্য নির্ভৰযোগ্য হৈ উঠিব নোৱাৰে।
- এই পদ্ধতিৰ দ্বাৰা ব্যক্তিৰ বাহিৰৰ আচৰণৰ ওপৰত ভিত্তি কৰিহে তথ্য সংগ্ৰহ কৰা হয়।
- নিৰীক্ষণকাৰীৰ ব্যক্তি মনৰ পক্ষপাতমূলক দৃষ্টিভংগী আৰু মনোভাৱ আদিয়ে নিৰীক্ষণৰ পৰা প্ৰাপ্ত তথ্যক প্ৰভাৱিত কৰিব পাৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ অতি চমুকৈ পর্যবেক্ষণ পদ্ধতিৰ বিষয়ে ব্যাখ্যা কৰক।

.....

.....

.....

.....

প্রশ্ন নং ৫ ঃ পর্যবেক্ষণ পদ্ধতিৰ নীতিসমূহ উল্লেখ কৰক।

.....

.....

.....

.....

.....

২.৩.৩ সাক্ষাৎকাৰমূলক পদ্ধতি

আজিকালি মনোবৈজ্ঞানিক গৱেষণাৰ কাৰণে বিশেষকৈ সাক্ষাৎকাৰমূলক পদ্ধতিটো বেছ জনপ্রিয় হৈ পৰিছে। এই পদ্ধতিত অভীক্ষক আৰু অভিক্ষার্থীৰ মাজত মুখামুখি প্রত্যক্ষ সম্পর্ক থাকে। ইয়াত অভীক্ষকে অ ভীক্ষার্থীক মুখামুখিকৈ কিছুমান প্রশ্ন সোধে আৰু উত্তৰবিলাক লগে লগে লিপিবদ্ধ কৰি যায়। ফ্রেড কালিংগাৰ (Fred Kerlinger)ৰ মতে সাক্ষাৎকাৰ পদ্ধতিটো ব্যৱহাৰিক জগতৰ প্রত্যেক অৱস্থাতে ব্যৱহৃত হয়। উদাহৰণস্বৰূপে উকীলবিলাকে মক্কেলবিলাকৰ সাক্ষাৎকাৰ লয়, ডাক্তৰবিলাকে ৰোগীৰ সাক্ষাৎকাৰ লয়, উচ্চপদস্থ বিষয়াসকলে তেওঁৰ তলৰ কর্মচাৰীসকলৰ সাক্ষাৎকাৰ লয় ইত্যাদি। তেওঁ আৰু কয় যে এইটো হ'ল, এটা মুখামুখিকৈ প্রত্যক্ষভাৱে অভীক্ষক আৰু অভীক্ষার্থীৰ মাজত সম্পর্ক থকা পদ্ধতি। ইয়াত অভীক্ষকে প্রশ্নবিলাক অভীক্ষার্থীক মুখামুখিকৈ সুধি যায় আৰু অভীক্ষার্থীয়ে উত্তৰবিলাক দি যায়।

সাক্ষাৎকাৰমূলক পদ্ধতিৰ উদ্দেশ্য ঃ

- এই পদ্ধতিটো হ'ল তথ্য সংগ্রহৰ বাবে প্রত্যক্ষ পদ্ধতি। এই পদ্ধতিত অভীক্ষার্থীৰ ভিতৰত লুপ্ত হৈ থকা তথ্যসমূহ সংগ্রহ কৰিবলৈ চেষ্টা কৰা হয়।
- অন্য এটা উদ্দেশ্য হ'ল অভীক্ষার্থী আৰু অভীক্ষকৰ মাজত এক বুজা পৰাৰ ভাব থকাটো যাতে সংগৃহীত তথ্যসমূহ শুদ্ধভাৱে চাব পাৰে।
- অন্য এটা মুখ্য উদ্দেশ্য হ'ল— এই পদ্ধতিৰ জৰিয়তে বিভিন্ন অৱস্থাত ভিন্

ভিন্ ব্যক্তিসকলৰ প্ৰতিক্ৰিয়া সমূহ জানিব পৰাটো।

সাক্ষাৎকাৰমূলক পদ্ধতিৰ **সুবিধাসমূহ** ঃ—

এই পদ্ধতিৰ সুবিধাসমূহ তলত উল্লেখ কৰা হ'ল—

- সাক্ষাৎকাৰমূলক পদ্ধতিত অভিক্ষার্থীয়ে মুক্তভাৱে প্ৰশ্নবিলাকৰ উত্তৰ দিব পাৰে।
- এই পদ্ধতিটো পৰিৱৰ্তনশীল বুলি ভবা হয় এইকাৰণে যে অভীক্ষকে প্ৰশ্নবিলাক অভীক্ষার্থীৰ প্ৰয়োজন সাপেক্ষে নতুনকৈ গঠন কৰি লিখিব পাৰে।
- অভীক্ষার্থীৰ আৱেগ অনুভূতি ভালকৈ অধ্যয়ন কৰিব পৰা যায়।
- এই পদ্ধতিৰ জৰিয়তে সংগ্ৰহ কৰা তথ্যসমূহ নিৰ্ভৰযোগ্য বুলি ভবা হয়।
- সাক্ষাৎকাৰ মূলক পদ্ধতি প্ৰত্যেক ধৰণৰ ব্যক্তিৰ ক্ষেত্ৰতে প্ৰয়োগ কৰিব পাৰি; যেনে— শিক্ষিত, অশিক্ষিত, বৃদ্ধ, মানসিক বাধাগ্ৰস্ত ব্যক্তি ইত্যাদি।

সাক্ষাৎকাৰ মূলক পদ্ধতিৰ **অসুবিধাসমূহ** ঃ

এই পদ্ধতিৰ অসুবিধাসমূহ তলত উল্লেখ কৰা হ'ল—

- এই পদ্ধতিত অভীক্ষকে সকলো বিলাক প্ৰশ্ন-উত্তৰ লগে লগে লিপিবদ্ধ কৰিব লগা হোৱা বাবে যথেষ্ট পৰিমাণে স্মৃতিশক্তিৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হয়।
- এই পদ্ধতিটোত অভীক্ষকে যথেষ্ট আঁচনি নিৰ্মাণ কৰিবলগীয়া হয়।
- এই পদ্ধতিটো যথেষ্ট পৰিমাণে ব্যয়বহুল।
- অভীক্ষার্থীয়ে নিজৰ প্ৰকৃত ভাব, অনুভূতি আদি প্ৰকাশ কৰিব নিবিচাৰিব পাৰে।
- এই পদ্ধতিত অভীক্ষার্থীৰ কোনো বিচাৰ কৰা নহয়। তেওঁ যি কয় তাকে অভীক্ষকে লিখি যায়। কিন্তু কেতিয়াবা তাৰ ভিতৰত অলাগতিয়াল কথা কিছুমানো থাকি যায়।সেয়ে অভীক্ষকে বিতংভাৱে সেই তথ্যবিলাক চাই ঠিক কৰিবলগীয়া হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৬ ঃ সাক্ষাৎকাৰমূলক পদ্ধতি চমুকৈ আলোচনা কৰক।

.....

.....

.....

প্ৰশ্ন নং ৭ ঃ সাক্ষাৎকাৰমূলক পদ্ধতিৰ তিনিটাকৈ সুবিধা আৰু অসুবিধা ব্যাখ্যা কৰক।

.....

.....

.....

.....

২.৩.৪ পৰীক্ষণ পদ্ধতি

পৰীক্ষণ পদ্ধতি এক বিশেষ নিৰীক্ষণ পদ্ধতিয়েই। এই নিৰীক্ষণ পৰিচালনা কৰা হয় বিশেষভাৱে নিয়ন্ত্রিত পৰিৱেশত বা মনোবিজ্ঞানৰ পৰীক্ষাগাৰত। জন বেষ্টৰ (John Best) মতে 'পৰীক্ষণ পদ্ধতি হ'ল এক বিশেষভাৱে নিয়ন্ত্রিত পৰিৱেশত ভৱিষ্যতে কি হ'ব আৰু কি ঘটিব তাৰ বিষয়ে পর্যবেক্ষণ আৰু বর্ণনা কৰা।'

পৰীক্ষণ পদ্ধতিৰ কিছুমান বৈশিষ্ট্য আছে। সেইবোৰ হ'ল—

- পৰীক্ষণ হৈছে পৰিৱর্তনশীল পৰিস্থিতিক নিয়ন্ত্রণ কৰি ব্যক্তিৰ প্রতিক্রিয়াক নিৰীক্ষণ কৰা কার্য।
- পৰীক্ষণ কার্য সম্পাদনৰ বাবে কেৱল দুজন ব্যক্তিৰ প্রয়োজন হয়। ইয়াৰ এজন পৰীক্ষণীয় ব্যক্তি আৰু আনজন পৰীক্ষা গ্রহণকাৰী।
- পৰীক্ষণ কার্যৰ সমগ্র প্রক্রিয়া পূর্ব পৰিকল্পিত আৰু সম্পাদন কার্য পর্যায়ক্রমভাৱে পৰিচালিত হয়।
- পৰীক্ষণৰ বাবে জটিল, ব্যয়বহুল পৰীক্ষাগাৰ আৰু অভিজ্ঞ বিশেষজ্ঞ লোকৰ প্রয়োজন হয়।
- পৰীক্ষণ পদ্ধতিত দুটা চলক ৰাশি (Variables) ব্যৱহাৰ কৰা হয়। যিটো চলক ৰাশি দুয়োটা দলতে বেলেগ বেলেগ কৰি ৰখা হয় তাক স্বতন্ত্র চলক (Independent variable) বুলি কোৱা হয়। আনহাতে যিটো চলক ৰাশি দুয়োটা দলতে একে ৰখা হয় তাক পৰতন্ত্র চলক (Dependent variable) বোলে।

পৰীক্ষণ পদ্ধতিৰ **সুবিধাসমূহ** ঃ

পৰীক্ষণ পদ্ধতিৰ সুবিধাসমূহ তলত উল্লেখ কৰা হ'ল—

- পৰীক্ষণ পদ্ধতিৰ নির্ভৰযোগ্যতা আৰু গ্রহণযোগ্যতা অন্য পদ্ধতিতকৈ স্বাভাৱিকতেই অধিক।
- মানুহে বৈজ্ঞানিক পৰিস্থিতিবোৰত প্রদর্শন কৰা আচৰণবোৰৰ কাৰণ আৰু তাৰ পৰিণতি (cause and effect)ৰ সম্পর্কে ইয়াৰ যোগেদি সম্যক জ্ঞান পাব পৰা যায়।

- অভিজ্ঞ আৰু বিশেষজ্ঞ ব্যক্তিয়েহে পৰীক্ষা পৰিচালনা কৰে।
- নিৰীক্ষণকাৰী আৰু নিৰীক্ষণীয় ব্যক্তিৰ ব্যক্তিনিষ্ঠ প্ৰভাৱৰ পৰা ইয়াত বহু পৰিমাণে মুক্ত হ'ব পাৰি।
- সঠিক তথ্য পাবৰ বাবে ব্যক্তিৰ আচৰণক প্ৰভাৱিত কৰি তুলিব পৰা পৰিৱৰ্তনীয় পৰিস্থিতি সমূহক ইয়াত নিয়ন্ত্ৰণ কৰি ৰখা হয়।
- পৰীক্ষণ পদ্ধতিৰ যোগে ভিন্ ভিন্ পৰীক্ষকে পোৱা ফলাফলবোৰৰ মাজত সাদৃশ্য আৰু স্থায়িত্বশীলতা পৰিলক্ষিত হয়।

পৰীক্ষণ পদ্ধতিৰ **অসুবিধাসমুহ** ঃ

পৰীক্ষণ পদ্ধতিৰ অসুবিধাসমূহ তলত উল্লেখ কৰা হ'ল—

- মানুহৰ আচৰণ ইমানেই গতিশীল, পৰিৱৰ্তনশীল আৰু নতুনত্ব থকা বিধৰ যে বিজ্ঞানভিত্তিক পৰীক্ষণ ব্যৱস্থাৰেও তাৰ সঠিক আৰু স্থায়ী ৰূপত পৰিমাপ কৰিব নোৱাৰি।
- এই পদ্ধতি হৈছে কষ্টসাধ্য, সময় সাপেক্ষ আৰু ব্যয়বহুল পদ্ধতি যাক সহজে প্ৰয়োগ কৰিব পৰা নাযায়।
- কোনো কোনো ক্ষেত্ৰত মনোবিজ্ঞানীসকলে কুকুৰ, মেকুৰী, এন্দুৰ আদি জন্তুবোৰৰ আচৰণৰ অধ্যয়নৰ তথ্যৰে মানুহৰ আচৰণৰ কাৰণ ব্যাখ্যা কৰিছে। কিন্তু বাস্তৱক্ষেত্ৰত এনেদৰে পোৱা তথ্য বিতৰ্কমূলক হৈ উঠিছে।
- এই পদ্ধতি সফলভাৱে প্ৰয়োগ কৰিবলৈ হ'লে বিশেষজ্ঞৰ প্ৰয়োজন।
- পৰীক্ষণ পদ্ধতিৰে মানুহৰ ব্যক্তিগত আচৰণহে অধ্যয়ন আৰু নিৰীক্ষণ কৰিব পাৰি, দলগত আচৰণক অধ্যয়ন কৰিব পৰা নাযায়।
- কমবয়সীয়া শিশুৰ ক্ষেত্ৰত এই পৰীক্ষণ পদ্ধতিক প্ৰয়োগ কৰিব পৰা নাযায়।
- অত্যধিক আৱেগপ্ৰৱণ লোকৰ বাবে এই পদ্ধতি অনুপযুক্ত।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৮ ঃ পৰীক্ষণ পদ্ধতি ব্যাখ্যা কৰক।

.....

.....

.....

.....

প্ৰশ্ন নং ৯ ঃ পৰীক্ষণ পদ্ধতিৰ বৈশিষ্ট্যসমূহ কি কি?

.....

.....

.....

.....

.....

প্ৰশ্ন নং ১০ ঃ পৰীক্ষণ পদ্ধতিৰ দুটা সুবিধা আৰু দুটা অসুবিধা উল্লেখ কৰক।

.....

.....

.....

.....

.....

২.৩.৫ ঘটনা অধ্যয়ন পদ্ধতি

ব্যক্তিৰ জীৱনৰ বিভিন্ন বাস্তৱ ক্ষেত্ৰত তেওঁৰ সমাযোজন, মনোভাৱ, মূল্যবোধ আৰু ব্যক্তিত্বৰ সুস্থ -অসুস্থ সংলক্ষণ গঠনৰ বিস্তৃত অধ্যয়ন এই ঘটনা অধ্যয়ন পদ্ধতিৰ যোগে কৰিব পৰা হয়। বৰ্তমান সময়ত ব্যক্তিৰ মানসিক অৱস্থাৰ বিষয়ে জানিবৰ বাবে তেওঁৰ অতীত জীৱনৰ ঘটনাৱলীৰ ইতিহাস সম্বন্ধে জানিবলৈ চেষ্টা কৰা হয়। ইয়াক ঘটনা অধ্যয়ন পদ্ধতি(Case Study method) বুলি জনা যায়। ব্যক্তিৰ কোনো মানসিক অস্বাভাৱিকতা অথবা বিকাৰগ্ৰস্ততাৰ বাবে তেওঁৰ অতীতৰ মানসিক ঘটনাৱলীসমূহ বিশেষভাবে জড়িত। সেয়েহে মনোবিজ্ঞানীসকলে তেওঁৰ বৰ্তমান মানসিক বিকাৰৰ কাৰণ জানিবৰ বাবে অতীতৰ ঘটনাসমূহ অধ্যয়ন কৰিব লাগে। বৰ্তমান ইয়াক মনো-বিজ্ঞানীসকলে প্ৰয়োজনীয় তথ্য সংগ্ৰহৰ বাবে ব্যাপকভাবে প্ৰয়োগ কৰে। ঘটনা বিৱৰণ পদ্ধতিত ব্যক্তিৰ নানা বিষয়ক তথ্য আৰু বা-বাতৰি আদি সংগ্ৰহ কৰা হয়। ইয়াৰ উপৰিও অতীত কাহিনীৰ সকলো কথাকে সমানে গুৰুত্ব নিদিয়াকৈ বিশেষ বিশেষ বৈচিত্ৰ্যপূৰ্ণ ঘটনাৰ ওপৰতহে বিশেষভাৱে মনোযোগ দিব লাগে। ঘটনা অধ্যয়ন পদ্ধতি ব্যৱহাৰ কৰা কাৰণে বিভিন্ন পদ্ধতি অৱলম্বন কৰা হয়। তাৰ ভিতৰত কেইটামান তলত উল্লেখ কৰা হ'ল—

- প্ৰাথমিক তথ্য; যেনে— অভীক্ষার্থীৰ নাম, বয়স, লিংগ, পিতৃ-মাতৃৰ বয়স, শিক্ষা, জীৱিকা লগতে সামাজিক স্থান ইত্যাদিৰ বিষয়ে জানিব লাগিব।
- তথ্যসমূহ জনাৰ সময়ত অভীক্ষকে লক্ষ্য কৰিব লাগিব যাতে অভীক্ষার্থীয়ে

কোনো অসুবিধা অনুভৱ নকৰে।

- অভীক্ষকে বন্ধু সুলভ আচৰণ কৰিব লাগে আৰু তথ্যসমূহ সংগ্রহ কৰাৰ সময়ত ভাষা সহজ সৰল হ'ব লাগে।
- অভীক্ষকে অভীক্ষার্থীক অবিৰতভাবে তথ্য জনাৰ বাবে বিৰক্তি কৰিব নেলাগে তেওঁলোকক মাজে-মাজে নিয়মিতভাৱে জিৰণি দিয়া দৰ্কাৰ।
- ব্যক্তি এজনৰ আচৰণৰ এক প্রাকৃতিক অৱস্থানত পর্যবেক্ষণ কৰিব লাগে।
- যিবিলাক অভিক্ষার্থী অসামাজিক কামত লিপ্ত হয় তেওঁলোকৰ আচৰণসমূহ পৰিবর্তিত কৰাৰ বাবে অর্থাৎ অপসমাযোজন যাতে ৰোধ কৰিব পাৰে তাৰ বাবে পিতৃ-মাতৃয়ে যথেষ্ট যত্ন ল'ব লাগে।

চিকিৎসা পদ্ধতি (Method of treatment) ঃ

- পৰিৱেশীয় উপাদানসমূহ সংশোধন কৰিবলৈ চেষ্টা কৰিব লাগে যাতে সকলো ব্যক্তিয়ে সুস্থভাৱে সমাযোজন কৰিব পাৰে।
- উপযুক্ত পৰামর্শ আৰু নির্দেশনাৱলী ব্যক্তিসকলক দিয়া উচিত।
- ঘটনা বিৱৰণ পদ্ধতিৰ দ্বাৰা এজন ব্যক্তিৰ আচৰণৰ সমস্যাসমূহৰ মূল কাৰণ-সমূহৰ গভীৰভাৱে অধ্যয়ন কৰাৰ সুবিধা দিয়ে আৰু ব্যক্তিজনৰ সেই আচৰণসমূহ যাতে সংশোধন কৰিব পাৰে তাৰ কাৰণে উপযুক্ত পৰামর্শও প্রদান কৰে।

ঘটনা বিৱৰণ পদ্ধতিৰ **অসুবিধাসমূহ** ঃ

এই পদ্ধতিৰ কিছুমান অসুবিধাও আছে। সেইবোৰ হ'ল—

- এই পদ্ধতি কার্যকৰীকৰণৰ বাবে অভীক্ষকজনৰ কাৰিকৰী জ্ঞানৰ প্রচুৰ অভিজ্ঞতা থকা দৰ্কাৰ। কিন্তু বহু ক্ষেত্রত দেখা যায় যে অভীক্ষকজন প্রচুৰ অভিজ্ঞতা থকা নহয়।
- এই পদ্ধতিৰ জৰিয়তে সংগ্রহ কৰা তথ্যসমূহ কেতিয়াবা কেতিয়াবা ব্যক্তিনিষ্ঠও (Objective) হয়।
- এই পদ্ধতি এক সময়সাপেক্ষ, সামূহিক আৰু দীর্ঘম্যাদী প্রচেষ্টা আৰু সেয়েহে যিকোনো অভীক্ষকৰ বাবে ইয়াক সহজে কার্যকৰী কৰাটোক আশা কৰিব নোৱাৰি।

২.৪ শিক্ষণ প্রক্রিয়াত শৈক্ষিক পদ্ধতি সমূহৰ গুৰুত্ব আৰু প্রয়োগ

শিক্ষা মনোবিজ্ঞান হৈছে এজন শিক্ষার্থীৰ আচৰণ সম্বন্ধে কৰা এক বিজ্ঞানভিত্তিক আৰু প্রণালীবদ্ধ অধ্যয়ন। ইয়াৰ অর্থ হ'ল মনোবৈজ্ঞানিক নীতিসমূহ শৈক্ষিক পৰিৱেশত প্রয়োগ কৰা। শিক্ষা মনোবিজ্ঞানৰ দ্বাৰা শ্রেণীকক্ষত শিক্ষক এজনে শিক্ষার্থীৰ আচৰণক লৈ সন্মুখীন হোৱা সমস্যাসমূহক সংশোধন কৰিব পাৰে। ইতিমধ্যে উল্লেখ কৰা পদ্ধতিসমূহৰ প্রয়োগৰ মুখ্য

উদ্দেশ্য হ'ল— শিক্ষার্থীৰ আচৰণৰ বিষয়ে অধ্যয়ন কৰা। এই বিভিন্ন পদ্ধতি আৰু কৌশলৰ সহায়েৰে শিশু এটাৰ বিকাশৰ বিভিন্ন স্তৰৰ বিষয়ে জানিব পৰা যায়, সিহঁতৰ অভিজ্ঞতাৰ দ্বাৰা পৰিৱেশৰ লগত কেনেকৈ সমাযোজন কৰিব পাৰে তাৰ বিষয়েও জানিব পৰা যায়। ১৮৭৯ চনত জার্মেনিৰ লিপজিগ (Leipzig) নামৰ চহৰত মনোবিজ্ঞানী উইলহেম ৱোণ্ডটে (Wilhelm Wundt) প্রথমবাৰৰ বাবে মনোবিজ্ঞানৰ পৰীক্ষাগাৰ স্থাপন কৰে। তেওঁ শিক্ষণ প্রক্রিয়াত শিক্ষার্থীৰ বিষয়ে জানিবলৈ কিছুমান পদ্ধতিৰ ওপৰত গুৰুত্ব দিছিল; যেনে— পৰীক্ষণ পদ্ধতি, ঘটনা বিৱৰণ পদ্ধতি ইত্যাদি। কিন্তু তথাপিও তাৰ আগতে শিক্ষা মনোবিজ্ঞানৰ কেৱল এটাই মাথোন পদ্ধতি আছিল, সেইটো হ'ল— অন্তঃপ্রেক্ষণ পদ্ধতি। মনোবিজ্ঞানৰ বিভিন্ন পদ্ধতিসমূহৰ যোগেদি মানুহৰ অচেতন মন, আচৰণ তথা অভিজ্ঞতা সম্বন্ধে অধ্যয়ন আৰু তথ্য সংগ্রহ কৰিব পৰা যায়। এই পদ্ধতিসমূহৰ যোগেদি মানুহে বৈজ্ঞানিক পৰিস্থিতিৰোৰত প্রদর্শন কৰা আচৰণৰোৰৰ কাৰণ আৰু তাৰ পৰিণতি (Cause and effect) আদি সম্বন্ধেও সম্যক জ্ঞান পাব পাৰি। এই পদ্ধতিসমূহৰ দ্বাৰা ব্যক্তি পার্থক্যৰ বিষয়েও অধ্যয়ন কৰিব পাৰি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১১ ঃ ঘটনা অধ্যয়ন পদ্ধতিৰ বিষয়ে চমুকৈ ব্যাখ্যা কৰক।

.....

.....

প্রশ্ন নং ১২ ঃ ঘটনা অধ্যয়ন পদ্ধতিৰ কেইটামান কার্য উল্লেখ কৰক।

.....

.....

.....

.....

প্রশ্ন নং ১৩ ঃ ঘটনা অধ্যয়ন পদ্ধতিৰ দুটা সুবিধা আলোচনা কৰক।

.....

.....

.....

প্রশ্ন নং ১৪ ঃ ঘটনা অধ্যয়ন পদ্ধতিৰ দুটা সীমাবদ্ধতা কি কি?

.....

.....

.....

প্ৰশ্ন নং ১৫ ঃ শিক্ষণ-শিকন প্ৰক্ৰিয়াত এই পদ্ধতিসমূহৰ গুৰুত্ব আৰু প্ৰয়োগ সম্পৰ্কে চমুকৈ আলোচনা কৰক।

.....

.....

.....

.....



২.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- শিক্ষা মনোবিজ্ঞানৰ মুখ্য উদ্দেশ্য হ'ল শৈক্ষিক প্ৰক্ৰিয়াত ছাত্ৰ-ছাত্ৰীৰ বিষয়ে বুজ লোৱাত শিক্ষকক সহায় কৰা।
- শিক্ষা মনোবিজ্ঞানৰ প্ৰয়োগৰ জৰিয়তে শিক্ষাৰ্থীৰ ব্যক্তিত্বৰ বিষয়ে জানিব পৰা যায়।
- শিক্ষা মনোবিজ্ঞানৰ পদ্ধতিসমূহ হ'ল— অন্তঃপ্ৰেক্ষণ, পৰ্যবেক্ষণ, পৰীক্ষণ, ঘটনা অধ্যয়ন, সাক্ষাৎকাৰমূলক পদ্ধতি ইত্যাদি।
- 'অন্তঃপ্ৰেক্ষণ পদ্ধতি' শিক্ষা মনোবিজ্ঞানৰ আটাইতকৈ সহজ পদ্ধতি। অন্তঃপ্ৰেক্ষণ মানে হ'ল আত্মবিশ্লেষণ (Self-observation) কৰা।
- এই পদ্ধতি আটাইতকৈ মিতব্যয়ী পদ্ধতি আৰু নিজৰ মনক এই পদ্ধতিৰ দ্বাৰা জানিব পাৰি।
- 'পৰ্যবেক্ষণ পদ্ধতি' হৈছে পৰিৱেশ আৰু পৰিস্থিতি প্ৰত্যক্ষ ইন্দ্ৰিয় অভিজ্ঞতাৰ যোগেৰে কৰা অধ্যয়ন কাৰ্য।
- পৰ্যবেক্ষণ প্ৰক্ৰিয়াক দুভাগত ভগাব পাৰি— সহযোগী পৰ্যবেক্ষণ (Participant observation) আৰু অ-সহযোগী পৰ্যবেক্ষণ (Non-participant observation)।
- পৰ্যবেক্ষণপদ্ধতিৰে মানুহৰ আচৰণক স্বাভাৱিক পৰিস্থিতিত সহজ সৰলভাৱে নিৰীক্ষণ আৰু অধ্যয়ন কৰিব পাৰি।
- আমাৰ দৈনন্দিন জীৱনৰ যিকোনো অৱস্থাতে পৰ্যবেক্ষণ কৰিব পৰা যায়।
- 'পৰীক্ষণ পদ্ধতি' হ'ল এক বিশেষভাৱে নিয়ন্ত্ৰিত পৰিৱেশত ভৱিষ্যতে কি হ'ব আৰু কি ঘটিব তাৰ বিষয়ে পৰ্যবেক্ষণ আৰু বৰ্ণনা কৰা।
- পৰীক্ষণ পদ্ধতিত অভিজ্ঞ আৰু বিশেষজ্ঞ ব্যক্তিয়েহে পৰীক্ষা পৰিচালনা কৰে।
- পৰীক্ষণ পদ্ধতি হৈছে কষ্টসাধ্য, সময় সাপেক্ষ আৰু ব্যয়বহুল পদ্ধতি যাক সহজে প্ৰয়োগ কৰিব পৰা নেযায়।
- ঘটনা অধ্যয়ন পদ্ধতিত মনোবিজ্ঞানীসকলে কোনো ব্যক্তিৰ বৰ্তমান মানসিক বিকাৰৰ কাৰণ জানিবৰ বাবে অতীতৰ ঘটনাসমূহ অধ্যয়ন কৰিব লাগে।

- ঘটনা অধ্যয়ন পদ্ধতিত অভীক্ষকে অভীক্ষার্থীক অবিৰতভাবে তথ্য জনাৰ বাবে বিৰক্তি কৰিব নেলাগে, মাজতে নিয়মিতভাৱে জিৰণি দিয়া দৰ্কাৰ।
- শিক্ষা মনোবিজ্ঞানৰ বিভিন্ন পদ্ধতি আৰু কৌশলৰ সহায়েৰে শিশু এটি বিকাশৰ বিভিন্ন স্তৰৰ বিষয়ে জানিব পৰা যায়, সিহঁতৰ অভিজ্ঞতাৰ দ্বাৰা পৰিৱেশৰ লগত কেনেকৈ সমাযোজন কৰিব পাৰে তাৰ বিষয়েও জানিব পৰা যায়।



২.৬ অধিক জানিবলৈ

১) বৰুৱা, যতীন ঃ *শিক্ষাৰ মনোবিজ্ঞান ভিত্তিক অধ্যয়ন*, অৰুণ প্ৰকাশন, কলেজ হোষ্টেল ৰ'ড, গুৱাহাটী-১

২) শৰ্মা, ড° মুকুল কুমাৰ ঃ *(স্নাতক মহলাৰ) শিক্ষা মনোবিজ্ঞান আৰু পৰিসংখ্যা*; ষ্টুডেণ্টছ এম্প'ৰিয়াম, ডিব্ৰুগড়।



২.৭ অগ্রগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ আভ্যন্তৰীণ ভাগলৈ প্রদান কৰা দৃষ্টিয়েই হৈছে অন্তঃপ্রেক্ষণ। সেয়েহে অন্তঃপ্রেক্ষণ মানে হ'ল আত্মবিশ্লেষণ (Self-observation) কৰা। বা অন্য অর্থত আনৰ মনৰ অনুভূতি আদি বুজ লোৱাৰ একমাত্র সহজ মাধ্যম হৈছে নিজ মনৰ অনুভূতি নিজেই নিৰীক্ষণ কৰা। অন্তঃপ্রেক্ষণ পদ্ধতিৰ দুটা সুবিধা তলত উল্লেখ কৰা হ'ল—

- অন্তঃপ্রেক্ষণ পদ্ধতি শিক্ষা মনোবিজ্ঞানৰ আটাইতকৈ সহজ পদ্ধতি।
- এই পদ্ধতিৰ বাবে মনোবিজ্ঞানৰ পৰীক্ষাগাৰ আৰু ব্যয় বহুল সা-সঁজুলি আদিৰ প্রয়োজন নহয়।

২নং প্ৰশ্নৰ উত্তৰ ঃ অন্তঃপ্রেক্ষণ পদ্ধতিৰে শিশুৰ মন, বেমাৰী মানুহ আৰু অস্বাভাৱিক মানুহৰ মন যথার্থভাৱে নিৰীক্ষণ কৰিব পৰা নাযায়।

৩নং প্ৰশ্নৰ উত্তৰ ঃ অন্তঃপ্রেক্ষণ পদ্ধতিৰ তিনিটা অসুবিধা তলত উল্লেখ কৰা হ'ল—

- অন্তঃপ্রেক্ষণৰ বেলিকা নিৰীক্ষণকাৰীয়ে ব্যক্তি নিৰপেক্ষ ভূমিকা গ্রহণ কৰিব নোৱাৰে।
- অন্তঃপ্রেক্ষণ পদ্ধতিৰে মানুহৰ মনৰ মানসিক বিচিত্রতা আৰু গতিশীলতাৰ স্বৰূপক অধ্যয়ন কৰিব নোৱাৰি।
- প্রশিক্ষণপ্রাপ্ত আৰু সুদীর্ঘ অভিজ্ঞতা থকা লোকৰ অবিহনে অন্তঃপ্রেক্ষণৰ পৰা প্রাপ্ত তথ্য নির্ভৰযোগ্য হৈ উঠিব নোৱাৰে।

৪নং প্ৰশ্নৰ উত্তৰ ঃ পৰ্যবেক্ষণ পদ্ধতি হৈছে পৰিৱেশ আৰু পৰিস্থিতি প্ৰত্যক্ষ ইন্দ্ৰিয় অভিজ্ঞতাৰ যোগেৰে কৰা অধ্যয়ন কাৰ্য। মানুহৰ আচৰণক তাৰ হুবহু ৰূপত এই পদ্ধতিৰে অধ্যয়ন কৰিব পাৰি। ইয়াৰ মনোবৈজ্ঞানিক ভিত্তি এয়ে যে মানুহে নিজ পৰিস্থিতিত সুখ-দুখৰ যি অভিজ্ঞতাক অনুভৱ কৰে সেইবোৰ তেওঁৰ বাহ্যিক ক্ৰিয়াৰ যোগেদি প্ৰকাশ পায়।

৫নং প্ৰশ্নৰ উত্তৰ ঃ পৰ্যবেক্ষণ পদ্ধতিৰ নীতিসমূহ হ'ল—

- নিৰীক্ষণ কাৰ্যৰ বাবে উপযুক্ত পৰিকল্পনা।
- সঠিকভাৱে আৰু নিপুণভাৱে তাৰ কাৰ্যকৰীকৰণ।
- নিৰীক্ষণৰ পৰা প্ৰাপ্ত তথ্যপাতি যথাৰ্থভাৱে লিপিবদ্ধকৰণ।
- উপযুক্তভাৱে ফলাফলৰ ব্যাখ্যা বা বিশ্লেষণ।
- পৰ্যবেক্ষণৰ কাৰণে উপযুক্ত পৰিৱেশ সৃষ্টি।

৬নং প্ৰশ্নৰ উত্তৰ ঃ সাক্ষাৎকাৰমূলক পদ্ধতিত অভীক্ষক আৰু অভী ক্ষার্থীৰ মাজত মুখা-মুখি প্ৰত্যক্ষ সম্পৰ্ক থাকে। ইয়াত অভীক্ষকে অভীক্ষার্থীক মুখামুখিকৈ কিছুমান প্ৰশ্ন সোধে আৰু উত্তৰবিলাক লগে লগে লিপিবদ্ধ কৰি যায়। এই পদ্ধতিটো হ'ল তথ্য সংগ্ৰহৰ বাবে প্ৰত্যক্ষ পদ্ধতি। এই পদ্ধতিত অভীক্ষার্থীৰ ভিতৰত লুপ্ত হৈ থকা নজনা তথ্যবিলাক সংগ্ৰহ কৰিবলৈ চেষ্টা কৰা হয়।

৭নং প্ৰশ্নৰ উত্তৰ ঃ সাক্ষাৎকাৰমূলক পদ্ধতিৰ তিনিটাকৈ সুবিধা আৰু অসুবিধা তলত উল্লেখ কৰা হ'ল—

সুবিধা ঃ

- সাক্ষাৎকাৰমূলক পদ্ধতিত অভীক্ষার্থীয়ে মুক্তভাৱে প্ৰশ্নবিলাকৰ উত্তৰ দিব পাৰে।
- অভীক্ষার্থীৰ আৱেগ অনুভূতি ভালকৈ অধ্যয়ন কৰিব পৰা যায়।
- সাক্ষাৎকাৰ মূলক পদ্ধতি প্ৰত্যেক ধৰণৰ ব্যক্তিৰ ক্ষেত্ৰতে প্ৰয়োগ কৰিব পাৰি— শিক্ষিত, অশিক্ষিত, বৃদ্ধ, মানসিক বাধাগ্ৰস্ত ব্যক্তিসকল ইত্যাদি।

অসুবিধা ঃ

- এই পদ্ধতিটোত অভীক্ষকে স্মৃতিৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হয়।
- এই পদ্ধতিটো যথেষ্ট ব্যয়বহুল।
- অভীক্ষার্থীয়ে নিজৰ প্ৰকৃত ভাব, অনুভূতি আদি প্ৰকাশ কৰিব নিবিচাৰে।

৮নং প্ৰশ্নৰ উত্তৰ ঃ পৰীক্ষণ পদ্ধতি এক বিশেষ নিৰীক্ষণপদ্ধতি । এই নিৰীক্ষণ পৰিচালনা কৰা হয় বিশেষভাৱে নিয়ন্ত্ৰিত পৰিৱেশত বা মনোবিজ্ঞানৰ পৰীক্ষাগাৰত। জন বেষ্টৰ (John Best) মতে 'পৰীক্ষণ পদ্ধতি হ'ল এক বিশেষভাৱে নিয়ন্ত্ৰিত পৰিৱেশত ভৱিষ্যতে কি হ'ব আৰু কি ঘটিব তাৰ বিষয়ে পৰ্যবেক্ষণ আৰু বৰ্ণনা কৰা।' মানুহে বৈজ্ঞানিক পৰিস্থিতিবোৰত প্ৰদৰ্শন কৰা

আচৰণবোৰৰ কাৰণ আৰু তাৰ পৰিণতি (cause and effect) আদি সম্বন্ধে ইয়াৰ যোগেদি সম্যক জ্ঞান পাব পৰা যায়।

৯নং প্ৰশ্নৰ উত্তৰ ঃ পৰীক্ষণ পদ্ধতিৰ বৈশিষ্ট্যসমূহ হ'ল—

- পৰীক্ষণ হৈছে পৰিৱৰ্তনশীল পৰিস্থিতিক নিয়ন্ত্ৰণ কৰি ব্যক্তিৰ প্ৰতিক্ৰিয়াক নিৰীক্ষণ কৰা কাৰ্য।
- পৰীক্ষণ কাৰ্য সম্পাদনৰ বাবে কেৱল দুজন ব্যক্তিৰ প্ৰয়োজন হয়। ইয়াৰ এজন পৰীক্ষণীয় ব্যক্তি আৰু আনজন পৰীক্ষাগ্ৰহণকাৰী।
- পৰীক্ষণ কাৰ্যৰ সমগ্ৰ প্ৰক্ৰিয়া পূৰ্ব পৰিকল্পিত আৰু সম্পাদন কাৰ্য পৰ্যায়ক্ৰমে পৰিচালিত হয়।
- পৰীক্ষণৰ বাবে জটিল, ব্যয়বহুল পৰীক্ষাগাৰ আৰু অভিজ্ঞ বিশেষজ্ঞৰ প্ৰয়োজন হয়।
- পৰীক্ষণ পদ্ধতিত দুটা চলক ৰাশি (Variables) ব্যৱহাৰ কৰা হয়।

১০নং প্ৰশ্নৰ উত্তৰ ঃ পৰীক্ষণ পদ্ধতিৰ দুটা সুবিধা আৰু অসুবিধা তলত উল্লেখ কৰা হ'ল—

সুবিধা ঃ

- পৰীক্ষণ পদ্ধতিৰ নিৰ্ভৰযোগ্যতা আৰু গ্ৰহণযোগ্যতা অন্য পদ্ধতিতকৈ স্বাভাৱিকতেই অধিক।
- অভিজ্ঞ আৰু বিশেষজ্ঞ ব্যক্তিয়েহে পৰীক্ষা পৰিচালনা কৰে।

অসুবিধা ঃ

- এই পদ্ধতি হৈছে কষ্টসাধ্য, সময় সাপেক্ষ আৰু ব্যয়বহুল পদ্ধতি-যাক সহজে প্ৰয়োগ কৰিব পৰা নেযায়।
- পৰীক্ষণ পদ্ধতিৰে মানুহৰ ব্যক্তিগত আচৰণহে অধ্যয়ন আৰু নিৰীক্ষণ কৰিব পাৰি, দলগত আচৰণক অধ্যয়ন কৰিব পৰা নেযায়।

১১নং প্ৰশ্নৰ উত্তৰ ঃ বৰ্তমান সময়ত ব্যক্তি এগৰাকীৰ মানসিক অৱস্থাৰ বিষয়ে জানিবৰ বাবে তেওঁৰ অতীত জীৱনৰ ঘটনাবলীৰ ইতিহাস সম্বন্ধে জানিবলৈ চেষ্টা কৰা হয়। ইয়াক ঘটনা অধ্যয়ন পদ্ধতি (Case Study method) বুলি জনা যায়।

১২নং প্ৰশ্নৰ উত্তৰ ঃ ঘটনা অধ্যয়ন পদ্ধতিৰ কেইটামান কাৰ্য তলত উল্লেখ কৰা হ'ল—

- প্ৰাথমিক তথ্য; যেনে— অভীক্ষাৰ্থীৰ নাম, বয়স, লিংগ, পিতৃ-মাতৃৰ বয়স, শিক্ষা, জীৱিকা লগতে সামাজিক স্থান ইত্যাদিৰ বিষয়ে জানিব লাগিব।
- তথ্যসমূহ জনাৰ সময়ত অভীক্ষকে লক্ষ্য কৰিব লাগিব যাতে অভীক্ষাৰ্থীয়ে কোনো অসুবিধা অনুভৱ নকৰে।
- অভীক্ষকে বন্ধু সুলভ আচৰণ কৰিব লাগে আৰু তথ্যসমূহ সংগ্ৰহ

কৰাৰ সময়ত ভাষা সহজ সৰল হ'ব লাগে।

১৩নং প্ৰশ্নৰ উত্তৰ ঃ ঘটনা বিৱৰণ পদ্ধতিৰ দুটা সুবিধা ঃ

- ঘটনা বিৱৰণ পদ্ধতিৰ দ্বাৰা এজন ব্যক্তিৰ আচৰণৰ সমস্যাসমূহৰ মূল কাৰণসমুহৰ গভীৰ ভাবে অধ্যয়ন কৰিব পাৰি।
- ব্যক্তিৰ জীৱনৰ বিভিন্ন বাস্তৱ ক্ষেত্ৰত তেওঁৰ সমাযোজন, মনোভাৱ, মূল্যবোধ ইত্যাদি বিস্তৃত বিৱৰণ ঘটনা অধ্যয়ন পদ্ধতিৰ যোগে কৰিব পৰা যায়।

১৪নং প্ৰশ্নৰ উত্তৰ ঃ ঘটনা বিৱৰণ পদ্ধতিৰ দুটা অসুবিধা ঃ

- এই পদ্ধতি কার্যকৰীকৰণৰ বাবে অভীক্ষকজনৰ কাৰিকৰী জ্ঞানৰ প্ৰচুৰ অভিজ্ঞতা থকা দৰ্কাৰ। কিন্তু বহু ক্ষেত্ৰত দেখা যায় যে অভীক্ষকজন প্ৰচুৰ অভিজ্ঞতা থকা নহয়।
- এই পদ্ধতিৰ জৰিয়তে সংগ্ৰহ কৰা তথ্যসমূহ কেতিয়াবা ব্যক্তিনিষ্ঠও হয় (Objective)।

১৫নং প্ৰশ্নৰ উত্তৰ ঃ শিক্ষণ প্ৰক্ৰিয়াত এই বিভিন্ন পদ্ধতি আৰু কৌশলৰ সহায়েৰে এটি শিশুৰ বিকাশৰ বিভিন্ন স্তৰৰ বিষয়ে জানিব পৰা যায়, সিহঁতৰ অভিজ্ঞতাৰ দ্বাৰা পৰিৱেশৰ লগত কেনেকৈ সমাযোজন কৰিব পাৰে তাৰ বিষয়েও জানিব পৰা যায়। এই পদ্ধতিসমূহৰ যোগেদি মানুহে বৈজ্ঞানিক পৰিস্থিতিবোৰত প্ৰদৰ্শন কৰা আচৰণবোৰৰ কাৰণ আৰু তাৰ পৰিণতি (Cause and effect) আদি সম্বন্ধেও সম্যক জ্ঞান লাভ কৰিব পাৰে।



২.৮ আৰ্হি প্ৰশ্ন

(ক) চুটি প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন নং ১ ঃ 'অন্তঃপ্ৰেক্ষণ' শব্দটো ব্যুৎপত্তিগত অর্থ কি? শিক্ষা মনোবিজ্ঞানত অন্তঃপ্ৰেক্ষণ পদ্ধতিৰ গুৰুত্বতা সম্পর্কে বর্ণনা কৰক।

প্ৰশ্ন নং ২ ঃ শিক্ষা মনোবিজ্ঞানৰ পদ্ধতি হিচাপে অন্তঃপ্ৰেক্ষণ পদ্ধতিৰ গুণ আৰু দোষসমূহ চিনাক্ত কৰক।

প্ৰশ্ন নং ৩ ঃ পর্য্যবেক্ষণ পদ্ধতিৰ নীতিসমূহ উল্লেখ কৰক।

প্ৰশ্ন নং ৪ ঃ ঘটনা অধ্যয়ন পদ্ধতিৰ বিষয়ে চমুকৈ বর্ণনা কৰক।

প্ৰশ্ন নং ৫ ঃ পৰীক্ষণ পদ্ধতিৰ কিছুমান বৈশিষ্ট্য উল্লেখ কৰক।

(খ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন নং ১ঃ শিক্ষা মনোবিজ্ঞানত অন্তঃপ্রেক্ষণ পদ্ধতি আৰু পর্য্যবেক্ষণ পদ্ধতিৰ বিষয়ে বর্ণনা কৰক।

প্রশ্ন নং ২ঃ সাক্ষাৎকাৰমূলক পদ্ধতি কি ? ইয়াৰ সুবিধা আৰু অসুবিধাসমূহ কি কি ?

প্রশ্ন নং ৩ঃ পৰীক্ষণ পদ্ধতি আৰু লগতে ইয়াৰ দোষ-গুণসমূহৰ বিষয়ে বর্ণনা কৰক।

প্রশ্ন নং ৪ঃ এটি আচৰণজনিত সমস্যা সংশোধনৰ ক্ষেত্রত শিক্ষা মনোবিজ্ঞানৰ ঘটনা অধ্যয়ন পদ্ধতিয়ে এজন শিক্ষকক কিদৰে সহায় কৰে বর্ণনা কৰক।

প্রশ্ন নং ৫ঃ শিক্ষণ-শিকন প্রক্রিয়াত শৈক্ষিক পদ্ধতিসমূহৰ গুৰুত্ব প্রয়োগৰ বিষয়ে আলোচনা কৰক।

অধ্যায় ৩ ঃ বৰ্ধন আৰু বিকাশ

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য
৩.২ পৰিচয়
৩.৩ বৰ্ধন আৰু বিকাশৰ অৰ্থ
৩.৪ বৰ্ধন আৰু বিকাশৰ সম্বন্ধ
৩.৫ বিকাশৰ নীতিসমূহ
৩.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৩.৭ অধিক জানিবলৈ
৩.৮ অগ্ৰগতিৰ খতিয়ান
৩.৯ আৰ্হি প্ৰশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- বৰ্ধন আৰু বিকাশ কি সেয়া চিনাক্ত কৰিব পাৰিব।
- বৰ্ধন আৰু বিকাশৰ মাজৰ সম্বন্ধ ব্যাখ্যা কৰিব পাৰিব।
- বিকাশৰ নীতিসমূহ বৰ্ণনা কৰিব পাৰিব।
- বিকাশৰ বিভিন্ন স্তৰসমূহৰ বিষয়ে আলোচনা কৰিব পাৰিব।

৩.২ পৰিচয়

এই অধ্যায়টোৱে বৰ্ধন আৰু বিকাশৰ সাধাৰণ নীতিসমূহক সাঙুৰি লৈছে। বৰ্ধন আৰু বিকাশৰ জ্ঞানৰ দ্বাৰা এটা শিশুৰ বৌদ্ধিক বিকাশ আৰু বৰ্ধন কেনেকৈ কৰাব পাৰি তাৰ এক সু-পৰিকল্পানা কৰিব পাৰি।

মাতৃ গৰ্ভত পৰিগৰ্ভিত ডিম্বকোষৰ সৃষ্টি হোৱাৰে পৰা বৰ্ধন আৰু বিকাশৰ বিভিন্ন অৱস্থা অতিক্ৰম কৰি এটি মানৱ শিশুৰ জন্ম হয়। জন্মোত্তৰ কালত বহিঃজগতৰ ভিন্নমুখী প্ৰভাৱৰ যোগেদি বিকাশ লাভ কৰি পৈণতা অৱস্থাপ্ৰাপ্ত হয়। শিশু এটাৰ আকাৰ-আকৃতি, উচ্চতা আৰু ওজন বৃদ্ধিৰ প্ৰসংগত 'বৰ্ধন' শব্দটো প্ৰয়োগ কৰিব পাৰি। ইয়াৰ দ্বাৰা শিশু এটাৰ দেহৰ আৱয়ৱিক বৃদ্ধিৰ ওপৰত পৰা পৰিৱৰ্তনৰ গুণগত প্ৰভাৱক বুজোৱা হয়। মানুহৰ কোষবিলাকৰ আকৌ বিভিন্ন ভাগ আছে। সেইবিলাকো আনকি বিকাশৰ প্ৰক্ৰিয়াৰ একোটা অংশ বুলি ধৰা হয়।

বর্ধন আৰু বিকাশৰ প্ৰাথমিক উদ্দেশ্যই হ'ল— শিশু এটাক বেছি ভালকৈ জনাটো। প্ৰতিজন ব্যক্তিৰ বিকাশ হৈছে তেওঁৰ নিজস্ব শক্তি আৰু বৈশিষ্ট্যৰ পৰিণতি। যদিও বিকাশৰ প্ৰক্ৰিয়া বিৰামহীন, কিন্তু শিশু এটাৰ বিভিন্ন স্তৰত এই বিকাশৰ দ্ৰুততাৰ হাৰৰ অলপ হীনডেঢ়ী হয়। উদাহৰণ স্বৰূপে শিশু এটাৰ জীৱনত প্ৰথম তিনিটা বছৰত দ্ৰুত গতিত বৃদ্ধি হয়, সিহঁতৰ বাল্যকালত অৰ্থাৎ ৬ বছৰৰ পৰা ১২ বছৰৰ ভিতৰত সিহঁতৰ বৃদ্ধি প্ৰথমাৱস্থাতকৈ কিছু পৰিমাণে মন্থৰ গতিত হয় আৰু কৈশোৰ কালত ইয়াৰ বৃদ্ধি আকৌ দ্ৰুতগতিত হয়। বৃদ্ধি আৰু বিকাশৰ এই ধাৰা আৰু গঠনৰ জ্ঞানৰ দ্বাৰা আপুনি শিশু এটাৰ বিভিন্ন স্তৰত বৃদ্ধি আৰু বিকাশ কেনেকৈ হয় জানিব পাৰিব, তেওঁলোকক কেনেকৈ প্ৰত্যেক স্তৰত পৰিচালিত কৰিব পাৰি, আৰু সিহঁতক তাৰ বাবে কেনেকুৱা পৰিৱেশ দিব লাগিব ইত্যাদিৰ বিষয়ে জানিব পাৰিব। এই অধ্যায়টোৰ প্ৰাথমিক উদ্দেশ্যটোৱেই হ'ল বৃদ্ধি আৰু বিকাশৰ বৈশিষ্ট্য সমূহৰ বিষয়ে অৱগত কৰোৱা।

৩.৩ বর্ধন আৰু বিকাশৰ অর্থ

প্ৰথমে আমি বর্ধন আৰু বিকাশ এই দুয়োটা প্ৰয়োজনীয় শব্দৰে প্ৰয়োগৰ বিষয়ে বুজি চাওঁ আহক এই দুয়োটা শব্দ বহু সময়ত শিথিলভাৱে প্ৰায় একে অৰ্থতে প্ৰয়োগ কৰা হয় যদিও সূক্ষ্মভাৱে চালি জাৰি চালে ইয়াৰ প্ৰয়োগিক দিশত থকা অৰ্থৰ ভিন্নতা মন কৰিবলগীয়া। 'Growth' বা বর্ধন শব্দটোৱে ব্যক্তিৰ দৈহিক পৰিপক্কতা লাভ কৰাৰ অৰ্থহে বিশেষভাৱে সূচায়। অৰ্থাৎ দেহকোষবোৰে দ্ৰুতগতিৰে ভ্ৰূণৰ হাত, ভৰি আৰু দেহৰ অংগ-প্ৰত্যংগ, মস্তিষ্ক, স্নায়ৱিক গঠন, মাংসপেশী আদিকে ধৰি অভ্যন্তৰ ভাগৰ আন সকলো অংশক গঢ় দি তোলে। আনহাতে 'Development' শব্দৰ অৰ্থ হৈছে 'বিকাশ'। ব্যক্তিৰ এই বিকাশক দৈহিক, মানসিক, সামাজিক, আৰু নৈতিক আদি বিভিন্ন দিশত বহলভাৱে সামৰি লোৱা হয়। বিকাশ বুলিলে উন্নতশীলভাৱে হোৱা এলানি পৰিৱর্তনক বুজায়, যি দেহৰ পৈণতাপ্ৰাপ্তি আৰু অভিজ্ঞতাৰ ফলস্বৰূপে শৃঙ্খলাবদ্ধ আৰু পূৰ্ব-অনুমানমূলকভাৱে সংঘটিত হয়। বাস্তৱিকতে যদিও 'বর্ধন' আৰু 'বিকাশ' দুয়োটাৰ মাজত পাৰ্থক্য আছে, কিন্তু সিহঁতৰ এটাক আনটোৰ পৰা পৃথক কৰিব নোৱাৰি। সাধাৰণতে 'বর্ধন' আৰু 'বিকাশ' দুয়োটা একে সময়তে হয়।



জানি থোৱা ভাল

- 'বর্ধন আৰু 'বিকাশ' প্ৰায়েই একে অৰ্থতে প্ৰয়োগ কৰা হয়।
- ই জীৱসমূহৰ এক গুৰুত্বপূৰ্ণ বৈশিষ্ট্য।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ তলৰ উক্তিবোৰ শুদ্ধ নে অশুদ্ধ নির্ধাৰণ কৰক।

ক) 'বর্ধন' আৰু 'বিকাশ' এটা আনটোৰ পৰা পৃথক নহয়।

খ) 'বর্ধন' জুখিব নোৱাৰি।

গ) পৈণতা প্রাপ্তিয়ে গুণবিষয়ক পৰিৱর্তনসমূহক সাঙুৰি লয়।

ঘ) 'বিকাশে' ব্যক্তি এজনৰ সমগ্র পৰিৱর্তনক সূচায়।

৩.৪ বর্ধন আৰু বিকাশৰ সম্বন্ধ

'বর্ধন' আৰু 'বিকাশ'ৰ অর্থ আৰু ধাৰণা সম্পর্কে জনাৰ পিছত এতিয়া আমি তলত দুইটাৰ মাজত সম্বন্ধৰ বিষয়ে বিতংভাৱে আলোচনা কৰিম—

- 'বর্ধন শব্দটো প্রকৃততে দৈহিক অর্থত ব্যৱহৃত হয়। সাধাৰণতে দেহৰ আকাৰ-আকৃতি, উচ্চতা আৰু ওজন বৃদ্ধিৰ প্রসংগতেই ইয়াক প্রয়োগ কৰা হয়। 'বিকাশৰ' অর্থৰ দ্বাৰা এজন ব্যক্তিৰ সামগ্রিক ৰূপত হোৱা পৰিৱর্তনক বুজায়।
- 'বর্ধন হৈছে বিকাশৰ এক অংশ বিশেষ। বিকাশ শব্দৰ ধাৰণা বৃদ্ধিতকৈ বহল আৰু সামগ্রিক পৰিসৰ বিস্তৃত হয়।
- দৈহিক বর্ধন ইয়াৰ পৈণতাপ্রাপ্তিৰ অন্তত স্তব্ধ হৈ পৰে। আনহাতে বিকাশৰ গতি সমগ্র জীৱন জুৰি তাৰ এক অস্পষ্ট আৰু গুণগত ৰূপত চলি থাকে।
- বর্ধন যান্ত্রিকভাৱে সংঘটিত হয়। আনহাতে বিকাশ উদ্দেশ্য সচেতনভাৱে সংঘটিত হয়।
- বর্ধনৰ জৰিয়তে সৃষ্টি হোৱা পৰিৱর্তনবিলাক বস্তুনিষ্ঠভাৱে পৰিমাপণ কৰিব পাৰি। আনহাতে বিকাশক বস্তুনিষ্ঠভাৱে পৰিমাপণ কৰিব পৰা নাযায়।
- বর্ধন প্রক্রিয়া কেৱল শাৰীৰিক ক্ষেত্রত প্রযোজ্য। আনহাতে বিকাশৰ প্রক্রিয়া শাৰীৰিক, মানসিক, সামাজিক, নৈতিক আদি বিভিন্ন ক্ষেত্রত প্রযোজ্য।
- 'বর্ধন' দৃশ্যমান (Visible) আৰু ইয়াৰ মাত্রা জুখিব পাৰি, আনহাতে বিকাশ দৃশ্যমান হ'লেও ইয়াৰ মাত্রা জুখিব নোৱাৰি ; কিন্তু পর্য্যবেক্ষণৰ দ্বাৰা উপলব্ধি কৰিব পাৰি।
- 'বর্ধনৰ' লগত শিক্ষণৰ কোনো সম্পর্ক নাই, আনহাতে বিকাশৰ লগত শিক্ষণ ওতঃপ্রোতভাৱে জড়িত।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ 'বৰ্ধন' আৰু 'বিকাশৰ' মাজত যিকোনো দুটা সম্বন্ধ ব্যাখ্যা কৰক।

.....

.....

.....

৩.৫ বিকাশৰ নীতিসমূহ

মানুহৰ জীৱনত বিকাশ দেহ-মনৰ পৈণতা প্রাপ্তিলৈকে সংঘটিত হয়। সেয়েহে মানুহৰ জীৱনৰ বিকাশৰ নীতিসমূহৰ বিষয়েও আমি জানিব লাগিব। সেয়েহে এই ক্ষেত্রত বিকাশৰ নিম্নলিখিত নীতিসমূহৰ প্রতি মনোযোগ দিয়া উচিত-

- **বিকাশ হৈছে এক বিৰামহীন প্রক্রিয়া** (Development is a continuous process) ঃ 'বিকাশ' হৈছে এক বিৰামহীন প্রক্রিয়া। বিকাশ যিকোনো সময়ত বন্ধ হ'ব নোৱাৰে। ই জন্মমুহূর্তৰ পৰা পৈণতাপ্রাপ্তিলৈকে অবিৰতভাৱে চলি থাকে। দুটা স্তৰৰ মাজত সেয়েহে বিশেষ ব্যৱধান সুস্পষ্টভাৱে ধৰিব নোৱাৰি। ই এক ক্রমাগত বিকাশৰ অদৃশ্য গতি, যি প্রতিদিনেই সামান্যভাৱে হ'লেও আমাক বিকাশৰ পথত আগুৱাই নিছে। উদাহৰণস্বৰূপে শিশু এটাই জন্মতে কান্দোনৰ স্বৰূপটো পাছলৈ কথা কোৱাৰ ভংগীলৈ ৰূপান্তৰিত হয়।

  মানৱ শিশুৰ দেহ-মানসিক বিকাশ এক নিৰন্তৰ আৰু বিৰামহীন প্রক্রিয়া যদিও এই সুদীর্ঘ কালছোৱাত বিকাশৰ কেতবোৰ সময় সাপেক্ষে বৈশিষ্ট্য বা লক্ষণ থকাটো আমি দেখিবলৈ পাওঁ।

  'বৰ্ধন' আৰু বিকাশৰ মতে, মানুহৰ জীৱনটোক তলত দিয়া বিভাজনকেইটাৰ ওপৰত ভিত্তি কৰি বিভিন্ন স্তৰত ভগাব পাৰি—

  - গর্ভকালীন অৱস্থা (জন্মপূর্ব কাল) (Pre-natal period)
  - নৱ-জাত শিশু কাল (জন্মৰপৰা ১০-১৪ দিনলৈ) (Neo-natal period)
  - কেচুঁৱা কাল (২ সপ্তাহৰ পৰা ২ বছৰলৈ) (Baby hood)
  - আগতীয়া বাল্যকাল (২ বছৰৰ পৰা ৬ বছৰলৈ) (Early Childhood)
  - শেহতীয়া বাল্যকাল (৬ বছৰৰ পৰা ১২-১৩ বছৰলৈ) (Late Childhood)
  - কৈশোৰ কাল (১২-১৩ বছৰৰ পৰা ১৮-১৯ বছৰলৈ) (Adolescence Stage)
  - বয়ঃপ্রাপ্তিকাল (১৮-১৯ বছৰৰ পিছত) (Adult hood Stage)



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ বর্ধনৰ ওপৰত অবিৰত ভাৱে প্রভাৱ পেলোৱা দিশসমূহ চিহ্নিত কৰক।

.....

.....

.....

প্রশ্ন নং ৪ ঃ মানৱ জীৱনৰ বিকাশৰ মুখ্য স্তৰসমূহ উল্লেখ কৰক।

.....

.....

.....

- **বিকাশে এক নির্দিষ্ট আর্হি অনুসৰণ কৰে** (Development follows a pattern) ঃ বিকাশে কিছুমান বৃত্তীয় ক্রম ৰক্ষা কৰাটো মন কৰিবলগীয়া। বাস্তৱিকতে আমি দেখা পাওঁ যে প্রত্যেক জীৱৰই বিকাশৰ কাৰণে কিছুমান আর্হি অনুসৰণ কৰে। গতিকে মানুহো এই ক্ষেত্রত ব্যতিক্রম নহয়। মানুহৰ বিকাশৰ প্রত্যেকটো স্তৰেই এটা আনটোৰ ফালৈ আগুৱাই যায়। উদাহৰণস্বৰূপে প্রত্যেক শিশুৱে খোজ কঢ়াৰ আগতে প্রথমে অইনৰ সহায় নোলোৱাকৈ বহিব নোৱাৰে। সামঞ্জস্য ক্রমে শিশুবিলাকে বর্গ এটা আঁকিবলৈ শিকাৰ আগতে বৃত্ত এটা আঁকিবলৈ শিকে।

  ব্যক্তিবিশেষে যদিও বিকাশৰ দ্রুততাৰ হীন-ডেঢ়ি হয় তথাপিও বিকাশৰ অনুক্রমৰ আর্হি একেই থাকে। ধনী শ্রেণীৰ শিশুবিলাকৰ বিকাশ আৰু দুখীয়া শ্রেণীৰ শিশুবিলাকৰ বিকাশৰ আর্হিয়ে একেই গতি অনুসৰণ কৰে যদিও ধনী শ্রেণীৰ শিশুবিলাকৰ ঘৰত বিশেষ সুবিধা থকা বাবে তেওঁলোকৰ বিকাশৰ গতি দ্রুততৰ হয়।

  উল্লেখযোগ্য যে আমাৰ দেহৰ সকলো অংশৰ একে সময়তে সমানভাৱে আৰু সকলো দিশতে বিকাশ সাধন হৈ নুঠে। দেহৰ প্রতিটো অংশৰ বর্ধন আৰু বিকাশৰ একোটা নিজস্ব গতি, পদ্ধতি আৰু সময় থাকে। শিশু এটাই থিয় হোৱাৰ আগতে কিয় বহে বা খোজ কঢ়াৰ আগতে শিশু এটাই কিয় বগায় সেইটো বর্ধনৰ অনুক্রমৰ দ্বাৰা গম পোৱা যায়।

  বিশেষজ্ঞসকলে বিকাশৰ ক্ষেত্রত লক্ষ্য কৰিছে যে মস্তিষ্কৰ পৰা আৰম্ভ কৰি ক্রমে নিম্ন অংশলৈ ক্রমাগতভাৱে দৈহিক বিকাশ সংঘটিত হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ কোনটোৰ বিকাশ প্রথমে হয়—

ক) ভৰি নে আঙুলি ? .....

খ) মূৰ নে শুৰ ? .....

গ) শুৰ নে ভৰি ? .....

ঘ) বাহু নে আঙুলি ? .....

- **বিকাশে সাধাৰণৰ পৰা বিশিষ্ট দিশলৈ গতি কৰে** (Development proceeds from general to specific responses) ঃ বিকাশৰ আন এটা গুৰুত্বপূর্ণ নীতি হ'ল— বিকাশে সাধাৰণৰ পৰা বিশিষ্ট দিশৰ বিকাশলৈ গতি কৰে। উল্লেখযোগ্য যে এটি নৱজাত শিশুৰ অংগ সঞ্চালন হয় সামগ্রিক বিধৰ। আকস্মিকভাবে কোনো শব্দ শুনিলে তাৰ সমগ্র শৰীৰ সমানে সঞ্চালিত হয়। পৰৱর্তী কালত এনে সঞ্চালনে বিশেষ বিশেষ আংগিক ক্রিয়াৰ প্রতি নিয়ন্ত্রিত ৰূপত সঞ্চালনৰ ক্ষমতা আয়ত্ত কৰি উঠিবগৈ পাৰে।
- **বিকাশে পৰিৱর্তনক সাঙুৰি লয়** (Development involves change) ঃ বিকাশে এলানি পৰিৱর্তনক সাঙুৰি লয়। মানৱ শিশু এটা কেতিয়াও স্থিৰ নহয়। মাতৃগর্ভত স্থিতি লাভ কৰা পৰিগর্ভিত ডিম্বকোষৰ অৱস্থাৰ পৰা সন্তান জন্মৰ আগমুহূর্তলৈকে পৰিৱর্তন হৈয়ে থাকে। বিকাশে মানুহ এজনৰ সামগ্রিক দিশৰ পৰিৱর্তনক সাঙুৰি লয়। আনহাতে বর্দ্ধনে মানুহ এজনৰ দেহৰ আকাৰ-আকৃতি, উচ্চতা আৰু ওজন বৃদ্ধিৰ কথাকেই সূচায়। বিকাশে গুণগত আৰু পৰিমাণগত দুইবিধ পৰিৱর্তনকে সাঙুৰি লয়। সকলো লোকৰে বিকাশ একোটা নীতি আৰু গতিৰ দ্বাৰা সাধিত হোৱাটো আশা কৰিব নোৱাৰি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ ঃ শুদ্ধ নে অশুদ্ধ নির্ধাৰণ কৰক।

ক) প্রত্যেক শিশুৰে বিকাশৰ আর্হি একে, কিন্তু তাৰ হাৰ বেলেগ।

খ) প্রত্যেক শিশুৰে বিকাশৰ হাৰ আৰু আর্হি একে।

গ) বিকাশৰ হাৰ প্রত্যেক শিশুৰে একে, কিন্তু আর্হি পৃথক।

ঘ) আৰ্হি আৰু বিকাশৰ হাৰ দুয়োৰে ক্ষেত্ৰত প্ৰত্যেক শিশুৰ মাজত পাৰ্থক্য আছে।

- **বংশগতি আৰু পৰিৱেশৰ সংযোগৰ ফলতেই বিকাশ সম্ভৱ হয়** (Development is a product of interaction of the heredity and environment) ঃ পৰিৱেশৰ পৰিৱৰ্তনীয় আৰু উন্নতশীল প্ৰভাৱৰ পৰিণতিয়েই হৈছে বিকাশ। ব্যক্তিৰ বংশগত জৈৱিক প্ৰকৃতিৰ ওপৰতপৰা পৰিৱেশৰপ্ৰভাৱৰ পাৰস্পৰিকতাৰ যোগেদিহে বিকাশ সংঘটিত হয়। এনে বিকাশত অনুকুল পৰিৱেশে ব্যক্তিৰ ওপৰত সুস্থ আৰু প্ৰতিকুল পৰিৱেশে অসুস্থ প্ৰভাৱ পেলায়। শক্তিশালী জৈৱিক ক্ষমতা আৰু সুস্থ অনুকুল পৰিৱেশে বিকাশৰ গতি যিদৰে দ্ৰুততৰ কৰে, ইয়াৰ অভাৱে সেইদৰে বিকাশত বাধাৰ সৃষ্টি কৰে। ব্যক্তিৰ বিকাশত বংশগতি আৰু পৰিৱেশ দুয়োটাৰে নিজস্ব প্ৰভাৱ পৰে। কোনো কোনো বংশগতিবিদে মানুহৰ অন্তৰ্নিহিত গুণসমূহৰ বিকাশৰ বাবে বংশগতিকেই একমাত্ৰ প্ৰয়োজনীয় অৱস্থা বুলি গণ্য কৰে আৰু পৰিৱেশৰ প্ৰভাৱক অস্বীকাৰ কৰিবলৈ প্ৰয়াস কৰে। পৰিৱেশবাদীসকলেও ক'বলৈ বিচাৰে যে, মানুহে জন্ম হৈ আহোঁতে লগত দেহটোৰ বাহিৰে একো আনিব নোৱাৰে। বিকাশৰ বাবে প্ৰয়োজনীয় ভেটিটো যোগান ধৰে বংশগতিয়ে আৰু সেই ভেটিটোক ওখ-পাখ, আহল-বহল কৰাৰ দায়িত্ব বহন কৰে পৰিৱেশে। সেয়েহে বিকাশৰ গতি ব্যক্তিৰ পৰিৱেশৰ দ্বাৰা বহু পৰিমাণে নিয়ন্ত্ৰিত।

  সমৰূপতা নীতি (Principle of Uniformity) ঃ বিকাশৰ ক্ষেত্ৰত ব্যক্তি ভিন্নতা থাকিলেও সাধাৰণভাৱে ইয়াৰ এক সমৰূপতা ৰক্ষা কৰাটো লক্ষ্য কৰিব পাৰি। শিশু বিকাশৰ বেলিকা অংগ সঞ্চালন ক্ষমতা লাভ কৰা, ভাষা-জ্ঞান আয়ত্ত কৰা, ইত্যাদিৰ ক্ষেত্ৰত বয়সৰ এনে সমৰূপতা দেখিবলৈ পোৱা যায়। প্ৰত্যেক ব্যক্তিৰে দেহ-মানসিক বিকাশৰ গতি সকলো সময়তে স্বাভাৱিক আৰু আশানুৰূপ হৈ নুঠে। কোনোজনৰ আকৌ মানসিক বিকাশ দ্ৰুত অথচ দৈহিক বিকাশ লেহেম হয়। আন কোনোজনৰ দৈহিক বিকাশ দ্ৰুত অথচ মানসিক বিকাশ সেই অনুপাতে হৈ নুঠে। বিকাশৰ এনে বৈষম্য আমাৰ সাধাৰণ অভিজ্ঞতাৰ পৰাই লক্ষ্য কৰি ক'ব পাৰি। এই ক্ষেত্ৰত অৱশ্যে ব্যক্তিগত প্ৰভেদৰ কথা নিহিত হৈ থাকে।

  মানৰ বিকাশৰ গতি আৰু ধৰণ সম্বন্ধে কৰা আলোচনাৰ সময়ত লিংগভেদৰ প্ৰশ্নও বিবেচনা কৰা উচিত। বিকাশৰ লক্ষ্য আৰু প্ৰয়োজনীয়তা আদি পুৰুষ আৰু মহিলাৰ সাধাৰণভাবে একে হ'লেও তেওঁলোকৰ দেহ-মানসিক বিকাশৰ গতি আৰু ধৰণ পৃথক হয়।

  প্ৰত্যেক শিশুৱে এক অভিন্ন ব্যক্তি। একে বয়সৰ দুটা শিশুৰ পৰা কেতিয়াও একে আচৰণ বা বিকাশ আশা কৰিব নোৱাৰি। উদাহৰণস্বৰূপে একে শ্ৰেণীতে

পঢ়া এটা বেয়া পৰিৱেশৰ পৰা অহা শিশুৰ পৰা অধ্যয়নৰ ক্ষেত্ৰত একো উন্নত ফলাফল আশা কৰিব নোৱাৰি। আৰু একেই বয়সৰ ধনী শ্ৰেণীৰ শিশু এটাৰ পৰা অধ্যয়নৰ ক্ষেত্ৰত বহুত বেছি আশা কৰিব পাৰি, কাৰণ তেওঁলোকৰ পিতৃ মাতৃয়ে অধ্যয়নত অধিক গুৰুত্ব দিয়ে।

- **শিক্ষণ আৰু দৈহিক পৈণতাৰ পাৰস্পৰিকতাৰ নীতি** (The Principle of Interaction of Maturation and Learning) ঃ ব্যক্তিৰ শিক্ষণ আৰু দৈহিক পৈণতাৰ ওপৰত বিকাশ বিশেষভাৱে নিৰ্ভৰশীল হয়। শিক্ষাই দৈহিক পৈণতা আনি দিয়ে আৰু দৈহিক পৈণতাই শিক্ষণ ক্ষমতাক বৃদ্ধি কৰি তোলে। এই দুয়ো দিশৰ পাৰস্পৰিকতাই বিকাশ সংঘটিত কৰে। দৈহিক পৈণতা বুলিলে দৈহিক বিকাশৰ যোগে আহৰণ কৰা দেহ যন্ত্ৰৰ বিভিন্ন অংশ, যেনে— দেহ কোষ, স্নায়ু কোষ, মাংসপেশী আদিৰ কাৰ্যক্ষমতা আৰু যোগ্যতা আদিকেই বুজায়। সেয়েহে ক'বলৈ বিচৰা হয় যে দৈহিক পৰিপক্কতা আহৰণ কৰা কাৰ্য হৈছে বিকাশৰ স্বাভাৱিক ৰূপত সংঘটিত হোৱা দেহৰ এক অন্তৰ্ৱৰ্তী প্ৰক্ৰিয়া। আনহাতে শিক্ষণ হৈছে— ক্ৰিয়া অনুশীলনৰ ফলত হৈ উঠা ব্যক্তিৰ ক্ৰিয়া সম্পাদনৰ পৰিৱৰ্তন। মানুহৰ কোনবিধ বিকাশৰ পৰিৱৰ্তন জৈৱিক পৈণতাৰ ফলত আৰু কোনবিধ শিক্ষণৰ ফলত সংঘটিত হয়, তাক স্পষ্ট ৰূপত নিৰ্ধাৰণ কৰাটো কঠিন। দুয়ো দিশৰে যুটীয়া প্ৰভাৱৰ ফলতহে মানুহৰ সম্পূৰ্ণ বিকাশ সাধন হয়। যিকোনো প্ৰাণীৰ পৰিপক্কতা এটা স্বয়ংক্ৰিয় আভ্যন্তৰীণ প্ৰক্ৰিয়া। যিহেতু বিকাশ আৰু বৰ্ধনৰ ওপৰত পৰিপক্কতা নিৰ্ভৰশীল আৰু যিহেতু ব্যক্তি অনুযায়ী বিকাশ আৰু বৰ্ধনৰ গতি বেলেগ হয় সেয়ে একে বয়সৰ হ'লেও দুজন ব্যক্তিৰ বিভিন্ন দিশ একে সময়তে পৰিপক্ক নহ'বও পাৰে।

মানুহৰ বিকাশৰ প্ৰক্ৰিয়া প্ৰায়েই অনুমান কৰিব পাৰি। মনোবৈজ্ঞানিকসকলে পৰ্য্যবেক্ষণ কৰি পাইছে যে মানুহৰ জীৱনৰ প্ৰত্যেকটো বিকাশৰ স্তৰৰেই কিছুমান সংলক্ষণ আৰু বৈশিষ্ট্য আছে। মানুহৰ প্ৰত্যেকবিধ বিকাশ অনুমান কৰিব পাৰিলেও মানসিক বিকাশ অনুমান কৰাটো সম্ভৱ নহয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৭ ঃ উপযুক্ত শব্দৰ দ্বাৰা খালী ঠাই পূৰণ কৰক।

ক) বিকাশ ..... আৰু .....ৰ সংযুক্ত ফলাফল।

খ) প্ৰত্যেক শিশুৱে ..... ব্যক্তি।

প্রশ্ন নং ৮ ঃ তলৰ উক্তিবোৰ শুদ্ধ নে অশুদ্ধ নির্ধাৰণ কৰক।

ক) বিকাশৰ ক্ষেত্রত প্রত্যেক ব্যক্তিৰে পার্থক্য আছে।

খ) শাৰীৰিক আৰু বৌদ্ধিক বিকাশ বংশগতি আৰু পৰিৱেশৰ উপাদানৰ দ্বাৰা প্রভাৱিত নহয়।



চিন্তা চর্চা কৰক ঃ ৩.১

মন্তব্য দিয়ক (৩ বা ৪ শাৰীৰ ভিতৰত)

- বিকাশেই পৰিৱর্তনক সাঙুৰি লয়।

  .....

  .....

  .....

- বিকাশ অনুমান কৰিব পাৰি।

  .....

  .....

  .....



৩.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- 'বর্ধন' শব্দটো সাধাৰণতে দেহৰ আকাৰ-আকৃতি, উচ্চতা আৰু ওজন বৃদ্ধিৰ প্রসংগতেই প্রয়োগ কৰা হয়।
- আনহাতে 'বিকাশ' শব্দৰ ধাৰণা 'বর্ধন'তকৈ বহল আৰু সামগ্রিক পৰিসৰৰ হয়, ই ব্যক্তি এজনৰ সামগ্রিক পৰিৱর্তনৰ দিশটোক সাঙুৰি লয়।
- বিকাশৰ নীতিসমূহ হ'ল—
  - বিকাশ হৈছে বিৰামহীন এক দীর্ঘম্যাদী প্রক্রিয়া।
  - বিকাশে এক নির্দিষ্ট আর্হি অনুসৰণ কৰে।
  - বিকাশে সাধাৰণৰ পৰা বিশিষ্ট দিশৰ বিকাশলৈ গতি কৰে।
  - দেহৰ সকলো অংশৰে বিকাশ সাধন সম্ভৰ হৈ নুঠে।
  - ব্যক্তিৰ শিক্ষণ আৰু দৈহিক পৈণতাৰ ওপৰত বিকাশ বিশেষভাৱে নির্ভৰশীল হয়।

- বিকাশৰ ক্ষেত্ৰত ব্যক্তি পাৰ্থক্য আছে।
- ব্যক্তি পাৰ্থক্য অনুসৰিও বিকাশৰ গুণগত আৰু পৰিমাণগত বিকাশ নিজস্বভাৱে সংঘটিত হয়।
- শিশু এটাৰ বৰ্ধন আৰু বিকাশৰ ক্ষেত্ৰত আভ্যন্তৰীণ, বাহ্যিক আৰু অন্যান্য কিছুমান উপাদানেও প্ৰভাৱ পেলায়।

- শিশুৰ বিকাশৰ প্ৰক্ৰিয়া প্ৰধানকৈ দুটা পৰ্যায়ত ভাগ কৰা হৈছে—
  ১) গৰ্ভকালীন অৱস্থা বা জন্মপূৰ্ব অৱস্থা; ২) জন্মোত্তৰ অৱস্থা।
- জন্মোত্তৰ অৱস্থাৰ চাৰিটা পৰ্যায় আছে; যেনে— শৈশৱকাল, বাল্যকাল, কৈশোৰকাল, আৰু বয়ঃপ্ৰাপ্তি কাল। জন্মৰপৰা ৫ বছৰলৈ শৈশৱকাল, ৫ বছৰৰ পৰা ১২ বছৰলৈ বাল্যকাল, ১২ বছৰৰ পৰা ১৮-১৯ বছৰলৈ কৈশোৰ কাল আৰু তাৰ পিছৰ কালখিনি বয়ঃপ্ৰাপ্তি কাল।



৩.৭ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) বৰুৱা, যতীন ঃ *শিশু বিকাশৰ ৰূপৰেখা*, লয়ার্ছ বুক ষ্টল, পাণবজাৰ।

ইংৰাজী গ্ৰন্থ ঃ

১) Goswamee, Dr. G. : *Child Development and Child Care*, Arun Prakashan, Guwahati-1.



৩.৮ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ ক) ভুল, খ) ভুল, গ) শুদ্ধ, ঘ) শুদ্ধ।

২নং প্ৰশ্নৰ উত্তৰ ঃ
- 'বৰ্ধন শব্দটো প্ৰকৃততে দৈহিক অৰ্থত ব্যৱহৃত হয়। সাধাৰণতে দেহৰ আকাৰ-আকৃতি, উচ্চতা আৰু ওজন বৃদ্ধিৰ প্ৰসংগতেই ইয়াক প্ৰয়োগ কৰা হয়। 'বিকাশৰ' অৰ্থৰ দ্বাৰা এজন ব্যক্তিৰ সামগ্ৰিক ৰূপত হোৱা পৰিৱৰ্তন বুজায়।
- 'বৰ্ধন হৈছে বিকাশৰ এক অংশ বিশেষ। বিকাশ শব্দৰ ধাৰণা বৃদ্ধিতকৈ বহল আৰু সামগ্ৰিক পৰিসৰৰ হয়।

৩নং প্ৰশ্নৰ উত্তৰ ঃ বৰ্ধনৰ ওপৰত অবিৰতভাৱে প্ৰভাৱ পেলোৱা দিশসমূহ হ'ল—
- অসুস্থতা
- পৰিৱেশীয় প্ৰভাৱ

- অস্বাভাৱিক গতি

৪নং প্ৰশ্নৰ উত্তৰ ঃ শিশুৰ বিকাশৰ প্ৰক্ৰিয়া প্ৰধানকৈ দুটা পৰ্যায়ত ভাগ কৰা হৈছে—

- গৰ্ভকালীন অৱস্থা বা জন্মপূৰ্ব অৱস্থা
- জন্মোত্তৰ অৱস্থা।

জন্মোত্তৰ অৱস্থাৰ চাৰিটা পৰ্যায় আছে; যেনে— শৈশৱকাল, বাল্যকাল, কৈশোৰকাল, আৰু বয়ঃপ্ৰাপ্তি কাল। জন্মৰপৰা ৫ বছৰলৈ শৈশৱকাল, ৫ বছৰৰ পৰা ১২ বছৰলৈ বাল্যকাল, ১২ বছৰৰ পৰা ১৮-১৯ বছৰলৈ কৈশোৰ কাল আৰু তাৰ পিছৰ কালখিনি বয়ঃপ্ৰাপ্তি কাল।

৫নং প্ৰশ্নৰ উত্তৰ ঃ ক) ভৰি, খ) মূৰ, গ) শুৰ, ঘ) বাহু

৬নং প্ৰশ্নৰ উত্তৰ ঃ ক) শুদ্ধ, খ) অশুদ্ধ, গ) অশুদ্ধ, ঘ) অশুদ্ধ

৭নং প্ৰশ্নৰ উত্তৰ ঃ ক) বংশগতি আৰু পৰিৱেশৰ, খ) অভিন্ন

৮নং প্ৰশ্নৰ উত্তৰ ঃ ক) শুদ্ধ, খ) অশুদ্ধ



৩.৯ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন (৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন নং ১ ঃ বৰ্দ্ধন আৰু বিকাশ বুলিলে কি বুজে?

প্ৰশ্ন নং ২ ঃ বৰ্দ্ধন আৰু বিকাশৰ মাজত সম্বন্ধ কি?

(খ) চুটি প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন নং ১ ঃ বংশানুক্ৰমিক সামৰ্থ্য বা বুৎপত্তি বিকাশৰ বাবে শিক্ষাৰ্থীসকলক কেনেধৰণৰ সুবিধা আৰু অভিজ্ঞতা প্ৰদান কৰা উচিত?

প্ৰশ্ন নং ২ ঃ 'বংশগতি আৰু পৰিৱেশৰ সংযোগৰ ফলতেই বিকাশ সম্ভৱ হয়'— বাক্যশাৰী চমুকৈ বৰ্ণনা কৰক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন নং ১ ঃ 'বৰ্ধন আৰু 'বিকাশ' মানে কি? দুয়োটাৰ মাজত সম্বন্ধ স্পষ্টভাৱে দাঙি ধৰক।

প্ৰশ্ন নং ২ ঃ মানৱ জীৱনৰ বিকাশৰ নীতিসমূহ চমুকৈ আলোচনা কৰক।

অধ্যায় ৪ ঃ পূর্ব বাল্যকাল অৱস্থা

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ পূর্ব বাল্যকাল
৪.৪ পূর্ব বাল্যকাল স্তৰৰ বৈশিষ্ট্যসমূহ
৪.৫ পূর্ব বাল্যকালৰ সমস্যাসমূহ
৪.৬ পূর্ব বাল্যকালৰ শৈক্ষিক গুৰুত্ব
৪.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৪.৮ অধিক জানিবলৈ
৪.৯ অগ্রগতিৰ খতিয়ান
৪.১০ আৰ্হি প্রশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- পূর্ব বাল্যকালৰ অর্থ বুজিব পাৰিব।
- এই সময়ছোৱাৰ লক্ষণসমূহৰ বিষয়ে জানিবলৈ সমর্থ হ'ব।
- পূর্ব বাল্যকাল স্তৰত উদ্ভৱ হোৱা সাধাৰণ সমস্যাসমূহ বুজিবলৈ সক্ষম হ'ব পাৰিব।
- এই সময়ছোৱাত দিব লগা শৈক্ষিক গুৰুত্বৰ বিষয়ে জানিব পাৰিব।

৪.২ পৰিচয়

মোটামুটিভাবে শিশুৰ দুই বছৰ বয়সৰ পৰা প্রথম বিদ্যালয়লৈ যোৱা সময়খিনি অর্থাৎ ছয় বছৰলৈকে প্রথম বাল্যকাল বোলা হয়। শিশুসকলৰ এইছোৱা সময়ত বৃদ্ধি লাহে লাহে হয় আৰু বিকাশ দ্রুতগতিত হয়। ফলস্বৰূপে শিশুসকলৰ এই সময়ছোৱা অর্থাৎ প্রথম বাল্যকাল শেষ হয় আৰু লগতে বিদ্যালয়তো ভর্তি হয়। এই সময়ছোৱাতে দ্রুতগতিত বিকশিত হোৱা মানসিক সামর্থ্যৰ বিকাশৰ দ্বাৰা শিশুসকলে শিক্ষা ল'বলৈ আৰম্ভ কৰে। সমাজ আৰু বিদ্যালয়ত প্রচলিত সঠিক আচৰণ পদ্ধতিৰ শিক্ষাও তেওঁলোকে ল'বলৈ ধৰে। এইদৰে শৈশৱ অৱস্থাৰ শেষত পূর্ব বাল্যকালৰ আৰম্ভণি হয় যিটো অৱস্থাৰ পৰা শিশুসকলে নির্ভৰশীলতাৰ পৰা আঁতৰি আহি আত্মনির্ভৰশীল হ'বলৈ ধৰে আৰু বিদ্যালয় শিক্ষাত মনোনিবেশ কৰিবলৈ লয়।

এই অধ্যায়টোৰ উদ্দেশ্যই হ'ল আপোনাক পূর্ব বাল্যকাল মানে কি, এই স্তৰৰ বৈশিষ্ট্য, সমস্যা আৰু তাৎপর্যৰ বিষয়ে অবগত কৰোৱা।

৪.৩ প্রথম বা পূর্ব বাল্যকালৰ স্তৰ

আমাৰ জীৱনৰ প্রথম দুই বছৰৰ পৰা ছয় বছৰ বয়সলৈকে প্রথম বাল্যকালৰ ভেটি বুলি ধৰা হয়। এই সময়ছোৱাতে শিশুৰ শাৰীৰিক, মানসিক, আৱেগিক, সামাজিক দিশত দ্রুত বিকাশ হয়। এইবোৰ দিশৰ উপৰি নৈতিক প্রমূল্য আৰু বুজাবুজিৰ ক্ষেত্রতো বিকাশৰ পৰিসৰ বৃদ্ধি হয়। এই স্তৰৰ শিশুসকলৰ মাজত সাধাৰণ কিছুমান মনোযোগৰ বৈশিষ্ট্য দেখা পোৱা যায়। এই সময়ছোৱা হ'ল দ্রুত বিকাশৰ সময়।

যদিও দুই বছৰ বয়সৰ পৰা ছয় বছৰ বয়সলৈকে এই পূর্ব বাল্যকালৰ সময়সীমা তথাপিও শিশুসকলৰ একক বৈশিষ্ট্যসমূহৰ বাবে অভিভাৱকসকলে এই সময়ছোৱাক সমস্যাদায়ক, কষ্টদায়ক, পুতলা যুগ বুলি কয়। আনহাতে, শিক্ষাবিদসকলে 'পূর্ব বিদ্যালয় যুগ' আৰু মনোবিজ্ঞানীসকলে 'দল গঠনৰ পূর্ব সময়', প্রশ্ন সোধা সময়, আৱিষ্কাৰৰ সময় বুলি আখ্যা দিয়ে।



জানি থোৱা ভাল

প্রথম বাল্যকাল স্তৰ সমূহ ৰূ হ হ'ল—

- বসয়ৰ সীমা ২ বছৰৰ পৰা ৬ বছৰলৈ।
- শাৰীৰিক, মানসিক, আৱেগিক, সামাজিক, ভাষাৰ ক্ষেত্রত দ্রুত বিকাশ ঘটা সময়ছোৱা।
- জীৱনৰ ভেটি তৈয়াৰ কৰা স্তৰ।
- দ্রুত বিকাশৰ সময়।
- বিদ্যালয়লৈ যোৱা পূর্ব সময় বুলি কোৱা হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ খালী ঠাই পূৰ কৰক।

ক) এইটো এটা মন্দ ..... আৰু দ্রুত ..... সময়।

খ) প্রথম বাল্যকালক অভিভাৱক সকলে ..... আখ্যা দিয়ে।

গ) শিক্ষাবিদ সকলে এই সময়ছোৱাক ..... বুলি কয়।

ঘ) মনোবিজ্ঞানী সকলে এই সময়ছোৱাক ..... বুলি অভিহিত কৰে।

৪.৪ প্ৰথম বা পূৰ্ব বাল্যকালৰ লক্ষণসমূহ

শিশুৰ এই প্ৰথম বাল্যকালছোৱাতে সম্পূৰ্ণভাৱে বিকাশৰ সাক্ষী হৈ থাকে। মানুহৰ জীৱনৰ দৰ্কাৰী সময়ছোৱাই হ'ল পূৰ্ব বাল্যকাল।

- **দৈহিক বিকাশৰ সময়** (Physical Development) ঃ এই স্তৰত শিশু প্ৰত্যেক বছৰতে গড়ে প্ৰায় তিনি ইঞ্চিকৈ ওখ হয়।সাধাৰণতে, শিশুসকলে এই স্তৰৰ শেষত তিনি ফুট আৰু ছয় ইঞ্চি ওখ হোৱা দেখা যায়। সেই অনুপাতে শিশুসকলৰ দৈহিক ওজনো বৃদ্ধি হয়, লাহে লাহে 'কেঁচুৱাৰ সদৃশ' ভাবটো মুখাবয়বৰ পৰা নাইকিয়া হয়। দেহৰ বিভিন্ন গঠনৰো স্পষ্টভাৱে এই স্তৰতে হোৱা দেখা যায়। কিছুমান শিশুৰ শৰীৰ শকত গঠনৰ হয়, কিছুমানৰ পেশী সবল হৈ উঠে আনহাতে কিছুমান শিশু ক্ষীণকায় হয়। দাঁতৰ ক্ষেত্ৰত দেখা যায় যে, প্ৰথম বাল্যকালৰ শেষৰফালে কেঁচুৱা দাঁত সৰে আৰু স্থায়ী দাঁত গজিবলৈ লয়। শিশুসকলে এই স্তৰতে বল খেলা, দৌৰা, জপিওৱা, গছত উঠা, চাইকেল চলোৱা, কাপোৰ পিন্ধা, খোৱা, ছবি আঁকা, ৰং কৰা ইত্যাদি অংগ সঞ্চলনাৰ কৌশল আয়ত্ত কৰি লয়।
- **ভাষা বিকাশৰ সময়** (Language Development) ঃ এই সময়ছোৱাতে শিশুসকলে সহজে কথা ক'বলৈ পাৰে। শৈশৱকালৰ অৰ্থহীন ভাষাবোৰক বাদ দি শিশুসকলে দুই বছৰ বয়সৰ পিছৰ পৰাহে অৰ্থপূৰ্ণ ভাষাবোৰ ক'বলৈ লয়। শৈশৱৰ চিঞৰ-বাখৰ, কান্দোন কমি গৈ থাকে। কথা কোৱাৰ লগতে আকাৰ-ইংগিতৰো ব্যৱহাৰ কৰে। আত্মনিৰ্ভৰশীল হ'বৰ বাবে কথা কোৱাটো এক বিশেষ ধৰণৰ কলা। সেয়ে, এই স্তৰতে শিশুবোৰক কথা কোৱাৰ প্ৰতি আগ্ৰহী কৰি তোলা হয়। এই স্তৰতেই ভাষাৰ বিকাশ হয়।

  ক) **বুজিব পৰা শক্তিৰ উন্নতি**— এই স্তৰত শিশুসকলে যিকোনো কথা বুজিব পাৰে। কোনে, কি, কাক কৈছে -এইবোৰ শিশুসকলে বুজিব পৰা হয, ফলত আন ব্যক্তিৰ লগত সেইদৰে যোগাযোগ গঢ়ি তোলাত আগভাগ লোৱা দেখা যায়।

  খ) **কথা কোৱাৰ কৌশলত উন্নতি**— অস্বাভাৱিকতে, প্ৰথম বাল্য কালছোৱাতে শিশুৱে কথা কোৱাৰ ক্ষেত্ৰত ব্যুৎপত্তিতা লাভ কৰে। শব্দৰ উচ্চাৰণ, শব্দ গঠন, শব্দৰ অৰ্থ অনুযায়ী ব্যৱহাৰ, বাক্যত যুৰীয়া শব্দৰ ব্যৱহাৰ শিশুসকলে সৰল বাক্যৰ সলনি জটিল বাক্যও ব্যৱহাৰ কৰা দেখা যায়।



ভাৱসাম্যহীনতা ঃ
বিৱক্তিকৰ পৰিস্থিতি।

- **আৱেগিক বিকাশৰ উন্নতিৰ স্তৰ** (Emotional Development) ঃ প্রথম বাল্য কালছোৱাত বিশেষকৈ আৱেগবোৰ প্রগাঢ় হৈ থাকে। এই সময়ছোৱাত শিশুৱে তেওঁলোকৰ আৱেগসমূহৰ ওপৰত নিয়ন্ত্রণ ৰাখিব নোৱাৰে, ফলত **ভাৱসাম্যহীনতাত** ভুগে। খং, ভয়, ঈর্ষা, কৌতুহল, আনন্দ, দুখ, ভাল পোৱা আদি সাধাৰণ আৱেগবোৰ শিশুসকলৰ মাজত নিহিত হৈ থকা দেখা যায়। সমনীয়া বন্ধুৰ পৰা আক্রমণিত হলে, ইচ্ছা-বাসনাবোৰ সম্পূর্ণ নহ'লে নাইবা খেলা বস্তুৰ ওপৰত সংঘাত হলে এজন শিশু ক্রোধান্বিত হ'ব পাৰে। তেতিয়া শিশুজনে চিঞৰ-বাখৰ কৰে। বস্তু দলিয়ায়, ইফালে সিফালে জঁপিয়ায়, য'তে ততে ভুকিয়ায় আৰু এইবোৰ কার্যৰ দ্বাৰা নিজৰ খণ্ডটো প্রকাশ কৰে।

  শিশুৰ আন এটা আৱেগ হ'ল ভয়। এজন শিশুৱে এই স্তৰত নিজে বুজি নোপোৱাকৈ বহু স্তৰত দেখিলেই ভয় অনুভৱ কৰে। তদুপৰি, ঘৰত নতুন ভাই-ভনীৰ আগমন হলে বা মাক-দেউতাকে পৰিয়ালৰ আন সদস্যৰ প্রতি বেছি মৰম-ভালপোৱা দেখালে সাধাৰণতে শিশুবোৰ ঈর্ষান্বিত হোৱা দেখা যায়। এইক্ষেত্রত শিশুবোৰে খোলোচাকৈ শিশু সুলভ আচৰণৰ দ্বাৰা নিজৰ ঈর্ষা বা হিংসা প্রকাশ কৰে -যাতে সকলোৱে তেওঁলোকৰ প্রতি মনোযোগ দিয়ে। এই স্তৰতে যিকোনো নতুন কিবা বস্তু দেখিলে বা তেওঁলোকৰ শৰীৰত বা অন্য লোকৰ শৰীৰত অন্য কিছু পৰিৱর্তন দেখিলে শিশুসকলে স্বাভাৱিকতে অনুসন্ধিৎসু হৈ পৰে আৰু বিভিন্নজনক বিভিন্ন ধৰণৰ প্রশ্নেৰে ব্যতিব্যস্ত কৰি তোলে।

  এই সময়ছোৱাতে শিশুসকলে অন্য শিশুৰ লগত নতুন বস্তু থকা দেখিলে সাধাৰণতে হিংসাকুৰীয়া হৈ পৰে আৰু এই আৱেগৰ প্রকাশো বিভিন্ন ধৰণে কৰে। হঠাতে নভবাকৈয়ে আচৰিত ভাল লগা শব্দ শুনিলে, বন্ধুৰ লগত ৰং ধেমালি কৰিলে, নতুন খেলা-ধূলা, ফুৰা-চকা আদি কৰিলে এই কালছোৱাৰ শিশুসকলে এক অবুজ আনন্দত আত্মহাৰা হোৱা দেখা যায়। হাঁহি, জঁপিওৱা, হাতেৰে তালি দি, সাৱট মাৰি ধৰি নিজৰ আনন্দৰ প্রকাশ কৰে। 'ভালপোৱা' অন্য এক ধৰণৰ আৱেগ। এই বয়সৰ শিশুসকলে মানুহ, ঘৰৰ পোহনীয়া জন্তু, পুতলা আদিক নিজৰ ভালপোৱা প্রকাশ কৰা দেখা যায়। তেতিয়া তেওঁলোকে ভালপোৱা বস্তুটোক চুমা খায়, সাৱট মাৰি ধৰে। অৱশ্যে, মৰমৰ বস্তু হেৰুৱালে বা ভালপোৱা কোনোবাৰ মৃত্যু হোৱা দেখিলে এই বয়সৰ শিশুসকলে কান্দি কাটি নিজস্ব দুখ প্রকাশ কৰে। অৱশ্যে, দেখা যায় যে, শিশুসকলে কেতিয়াবা দুখতে নিজৰ খোৱা-লোৱাতো মনোযোগ নিদিয়ে।
- **সামাজিক বিকাশৰ স্তৰ** (Social Development) ঃ পূর্ব বাল্যকালছোৱাতে শিশুসকলে দল গঠনৰ প্রাথমিক শিক্ষা বা কৌশল আয়ত্ত কৰি লয় যাতে পিছৰ বাল্যকালত দলৰ এজন সদস্য হ'ব পাৰে। সেয়ে, এই সময়ছোৱাক পূর্ব দলগত

প্রবৃত্তিৰ স্তৰ বুলি কোৱা হয়। পৰিয়াল, প্রতিৱেশী, বিদ্যালয়ৰ পৰিৱেশৰ দ্বাৰা শিশুসকলে সামাজিক চেতনা লাভ কৰে। পৰিয়ালৰ পৰাই এজন শিশু ই সামাজিক গুণবোৰৰ বিকাশ ঘটাবলৈ সামর্থ্য হয়। ভদ্র, সুসভ্য পৰিয়ালে সদায়ে সুস্থ পৰিৱেশৰ সৃষ্টি কৰে যাতে শিশুবোৰে সুশ্রী, সুস্থ, সামাজিক অভ্যাস নিজৰ মাজত গঢ়ি তুলিব পাৰে। মাজে-সময়ে, অৱশ্যে, সমাজৰ পৰাও শিশুসকলে সামাজিক অভ্যাসবোৰ শিকে। প্রতিৱেশী সমনীয়া শিশুৰ লগত শিশুসকলে সহজে বন্ধুত্ব গঢ়ি তোলে। শিশুৱে যেতিয়া সেই অমিল পৰিৱেশত নিজকে খাপ খুৱাবলৈ শিশুবোৰে যত্ন কৰাও দেখা যায়। প্রতিৱেশী বন্ধুৰ লগত যেনেদৰে মিত্রতাও হয় তেনেদৰে কাজিয়া কৰা আদি কু-অভ্যাস শিকাৰ লগতে ভাল অভ্যাসবোৰ; যেনে— আনৰ প্রতি সদয় হোৱা, আনৰ লগত ভাগ-বতৰা কৰা, বিপদত সহায়ৰ হাত আগবঢ়োৱা আদি গুণবোৰ এই স্তৰতে শিশুসকলে শিকি পেলোৱা দেখা যায়।

- **বুজাবুজি বিকাশৰ স্তৰ** (Development of Understanding) ঃ এই স্তৰত শিশুৰ আধ্যাত্মিক দিশৰ বিকাশ ঘটাৰ লগে লগে শিশুসকলে যুক্তি আৰু সম্পর্কৰ বিষয়ে সহজে ধাৰণা কৰি ল'ব পৰা হয়। মানুহ, বস্তু, অৱস্থা আদিৰ ধাৰণা তৎক্ষণাতে বুজি পায়। শৈশৱত আয়ত্ত কৰা শব্দার্থৰ লগত নতুন শব্দার্থৰ সংযোগ ঘটাব পৰা হয়। মা-দেউতা, ভাই-ভনী আদিৰ মাজত থকা সম্বন্ধবোৰ বুজাৰ লগতে পৰিয়ালৰ আন সদস্যৰ মাজত থকা সম্বন্ধবোৰে যেনে পেহা-পেহী, খুৰা-খুৰী, মামা-মামী, দাদা-বৌ আদি সহজে বুজি পায়। তিনি বছৰ বয়সত শিশুৱে নিজৰ যৌনতাৰ বিষয়ে বুজে, যৌন অংগবোৰৰ নাম, শৰীৰত থকা বিভিন্ন অংশবোৰৰ নাম আদি ক'ব পাৰে। লাহে লাহে শিশুবোৰে শৰীৰত থকা এই অংগবোৰৰ কার্য, গঠন, সংখ্যা আদি ক'ব পাৰে। এই স্তৰতে শিশুৱে ৰং, সময়, আপোন-পৰ, ধুনীয়া আদিৰ বিষয়েও ধাৰণা কৰিব পাৰে।
- **মনোযোগ অনুৰাগ বিকাশৰ স্তৰ** (Development of Interests) ঃ এই পূর্ব বাল্যকাল এনেকুৱা স্তৰ য'ত কিছুমান সাধাৰণ মনোযোগ আকর্ষিত হোৱা দিশৰ প্রতি শিশুসকল আসক্ত হোৱা দেখা যায়; যেনে— খেলা, মানব অংগ, কাপোৰ, ধর্ম, যৌনতা ইত্যাদি। কেতিয়াবা এই বয়সৰ শিশুসকলে নিজৰ ওপৰতো মনোযোগ দিয়া দেখা যায়।

শিশুসকল সাধাৰণতে এই সময়তে দেহৰ ভিতৰৰ অংগতকৈ বাহিৰৰ অংগবোৰৰ প্রতি মনোযোগ দিয়ে। কিন্তু পিছৰ বাল্যকালৰ সময়ছোৱাত শিশুসকলে শৰীৰৰ বাহিৰৰ অংগবোৰতকৈ ভিতৰৰ অংগবোৰ জনাৰ লগতে সেইবোৰৰ কার্যাৱলীৰ বিষয়েও জানিবলৈ অনুৰক্ত হয়। শৈশৱৰ নির্ভৰশীলতাৰ দিনবোৰ অতিক্রম হোৱাৰ লগে লগে বহু শিশুৱে নিজৰ ওপৰত বেছি অনুৰাগী হৈ পৰে; যেনে— বাৰে বাৰে আইনাৰ সন্মুখত নিজকে চায়, দেহৰ বিভিন্ন অংগ-প্রত্যংগবোৰ

আৰু পৰিধান কৰা সাজসজ্জা পৰীক্ষা বা নিৰীক্ষণ কৰি চায়, নিজকে প্ৰশ্ন সুধি চায়, সমনীয়াৰ সৈতে নিজৰ থকা বস্তুবোৰ তুলনা কৰি চায়। পিন্ধা কাপোৰৰ প্ৰতি এই বয়সৰ শিশুসকলৰ এক বেলেগ ধৰণৰ অনুৰাগ দেখা যায়। এই ল'ৰালি কালতে শিশুবোৰে বুজি পায় যে কাপোৰৰ ৰংবোৰ তেওঁলোকক আনৰ চকুত আকৰ্ষিত কৰি তুলিব পাৰে। কিয়নো, জ্যেষ্ঠ ব্যক্তিসকলে বা সমনীয়াবোৰে মাজে সময়ে তেওঁলোকে পিন্ধা কাপোৰ সাজৰ প্ৰতি মন্তব্য কৰা দেখে। ধৰ্মীয় আচাৰ-ব্যৱহাৰৰ প্ৰতিও এই স্তৰৰ শিশুৰ অনুৰাগ নথকা নহয় যদিও এই ধৰ্মীয় আচাৰৰ তেওঁলোকৰ বয়সত কোনো অৰ্থ নাই। জন্ম, মৃত্যু, বৃদ্ধি বা বংশ আদিৰ ক্ষেত্ৰত জ্যেষ্ঠ ব্যক্তিসকলে আগবঢ়োৱা ভুল মন্তব্যবোৰো এই বয়সৰ শিশুসকলে নুবুজাকৈয়ে গ্ৰহণ কৰা দেখা যায়। অসত্য কথাবোৰকে তেওঁলোকে সত্য বুলি বিশ্বাস কৰে। সেয়ে, ধৰ্মীয় বিশ্বাসৰ দিশত এই স্তৰৰ শিশুসকলে পৰীৰ গল্পৰ দৰে বিশ্বাস কৰে। মাজে সমজে জন্ম হোৱা শিশুবোৰ ক'ৰ পৰা, কেনেকৈ এই পৃথিৱীলৈ আহে— এই বিষয়েও বিভিন্ন ধৰণৰ প্ৰশ্নৰে ডাঙৰক ব্যতিব্যস্ত কৰি তোলে। বহু শিশুৱে সমনীয়াৰ সৈতে যৌনতা সম্পৰ্কীয় কথাও পাতে। ঘৰত জ্যেষ্ঠ ব্যক্তিৰ অনুপস্থিতিত এই শিশুবোৰে গোপনে যৌন সম্পৰ্কীয় ছবি, চিনেমা আদি চাই যৌন কৌতুহল দমায়। সাধাৰণতে এই বয়সৰ শিশুবোৰ মাকৰ প্ৰতি আৰু ছোৱালী শিশুবোৰ দেউতাকৰ প্ৰতি বেছি অনুৰক্ত হয়।



জানি থোৱা ভাল

পূৰ্ব বাল্যকালৰ বৈশিষ্ট্যবোৰ হ'ল-

- দৈহিক বিকাশৰ স্তৰ।
- ভাষা বিকাশৰ স্তৰ।
- আৱেগ বিকাশৰ স্তৰ।
- সামাজিক বিকাশৰ স্তৰ।
- বুজাবুজি বিকাশৰ স্তৰ।
- অনুৰাগ বিকাশৰ স্তৰ।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ পূর্ব বাল্যকালৰ দৈহিক বিকাশৰ বিষয়ে লিখক।

.....

.....

৪.৫ পূর্ব বাল্যকালৰ সমস্যাসমূহ

আমি ইতিমধ্যে পূর্ব বাল্যকালৰ বৈশিষ্ট্যসমূহৰ বিষয়ে পৰিচিত হ'লোঁ। এতিয়া আমি এই কালছোৱাৰ লগত সম্বন্ধিত হৈ থকা সমস্যাবোৰৰ বিষয়ে আলোচনা কৰিম।

শিশুৱে বয়স হোৱাৰ লগে লগে এই পৃথিৱীত নিজকে খাপ খুৱাবলৈ শিকে। তেতিয়াই শিশুবোৰে কিছু সমস্যাৰো সন্মখীন হ'ব লগা হয়। সাধাৰণতে দেখা পোৱা এই বয়সৰ শিশুৰ সমস্যাসমূহ হ'ল-

- **খোৱাৰ ক্ষেত্রত হোৱা সমস্যা** (Eating Problems) ঃ তত্ত্ববিদ আৰু বিশেষজ্ঞ সকলে মত পোষণ কৰে যে, এই বয়সৰ শিশুৰ খোৱাৰ সমস্যাই এক বিশেষ ধৰণৰ মনোযোগআকর্ষণ কৰে। তেওঁলোকৰ মতে, পূর্বে খোৱা-বোৱাৰ অভিজ্ঞতাই পিছৰ জীৱনৰ ব্যক্তিত্বৰ ওপৰত তাৎপর্যপূর্ণভাৱে আলোকপাত কৰে। যিহেতু খোৱা-বোৱাৰ লগতে শৰীৰৰ দৈহিক গঠনৰ ওতঃপ্রোত সম্বন্ধ আছে, কিন্তু প্রায়েই ঘৰৰ বা পৰিয়ালৰ সদস্যসকলে এই বয়সৰ শিশুসকলৰ খোৱা লোৱাৰ ক্ষেত্রত অভিযোগ ব্যক্ত কৰে। সেই সাধাৰণ সমস্যাবোৰ; যেনে— (ক) নোখোৱা, (খ) বমি কৰা (গ) জোৰ কৰি লাহে লাহে খোৱা (ঘ) এৰি যোৱা আদি দেখা পোৱা যায়।

  বিদ্যালয়লৈ যোৱাৰ আগৰ সময়ছোৱা আৰুশৈশৱকালত শিশুবোৰে নোখোৱা হয়। লাহে লাহে খাই বামি কৰা অভ্যাসো পৰিলক্ষিত হয়। অৱশ্যে, পৰিৱেশ তথা খাদ্যাভ্যাসৰ পৰিৱর্তন আৰু উদ্দীপক ঘটনাৰ বাবেও শিশুৱে বমি কৰিব পাৰে। শিশুৱে যেতিয়া খোৱাৰ ক্ষেত্রত দর্কাৰী সময়তকৈ অধিক সময় লগায় অর্থাৎ লাহে লাহে কোনোমতে নিজৰ খোৱাখিনি শেষ কৰে সেই অৱস্থাক জোৰ কৰি খোৱা বোলা হয়, যিটো অৱস্থা এই পূর্ব বাল্যকালত অধিক হয়। এই অবস্থাই পিতৃ-মাতৃক অনেক সময়ত বিমোৰত পেলোৱাৰ লগতে শিশুৰ স্বাস্থ্যৰো অবনতি ঘটায়। খোৱাৰ ক্ষেত্রত আন এটা সমস্যা হ'ল— এৰি যোৱা নতুন খাদ্য দেখিলেই এই সমস্যাৰ আৰম্ভণি হয় আৰু নতুন সমস্যাৰ সৃষ্টি হয়। নতুন খাদ্যখিনি প্রায়েই

শিশুৱে খাব নোখোজে, জোৰকৈ মুখত সুমুৱাই দিলেও উলিয়াই দিয়ে, যদি গিলি থয় লগে লগে বমি কৰি উলিয়াই দিয়ে। এনেধৰণৰ খাদ্য সম্বন্ধীয় সমস্যাই শিশুৰ দৈহিকৰ লগত মানসিক বিকাশতো বাধাৰ সৃষ্টি কৰে।

- **মলমূত্ৰ ত্যাগৰ ক্ষেত্ৰত হোৱা সমস্যা** (Elimination Problem) ঃ খোৱা-লোৱাৰ পিছতে এই বয়সৰ শিশুৰ আন এটা মনোযোগ দিব লগা বিষয় মল-মূত্ৰ ত্যাগৰ শিক্ষা।

  এই মল-মূত্ৰ ত্যাগৰ শিক্ষাই শিশুৰ পিছৰ জীৱনৰ ব্যক্তিৰ বিকাশত সহায় কৰে।এই ক্ষেত্ৰত মাকৰ ভূমিকা অতি প্ৰয়োজনীয়। শিশু বিশেষে এই মলমূত্ৰ ত্যাগৰ শিক্ষা বেলেগ বেলেগ হয়। নিয়মীয়া মলমূত্ৰ ত্যাগ কৰা শিশুক এই বিষয়ত শিক্ষা দিবলৈ সহজ হয়। কিন্তু মাজে সময়ে দেখা যায়, ভাল শিক্ষা পোৱাৰ পিছতো শিশুটোৱে নিজৰ পিন্ধা পেণ্টটোতে প্ৰস্ৰাৱ কৰে নাইবা বহুসময় ধৰি জোৰকৈ পায়খানাত বহি থাকে। এনেধৰণৰ শিশুৰ আচৰণে অভিভাৱক, শিক্ষক সকলক বিমোৰত পেলায়। তেনে ক্ষেত্ৰত, শিশুটিক পুনৰাই মলমূত্ৰ ত্যাগৰ শিক্ষা দিয়া উচিত। শিশুক সৰুৰে পৰা এই শিক্ষা দিয়া প্ৰয়োজন, নহ'লে এই সমস্যাই পিছত সকলোৰে মাজত এক লজ্জাকৰ বিষয় হৈ পৰে।

- **টোপনিৰ ক্ষেত্ৰত হোৱা সমস্যা** (Sleeping Problem) ঃ এই স্তৰৰ শিশুসকল মাজে সময়ে টোপনিৰ সমস্যাত ভোগে। যদি সঠিকভাৱে শিশুসকলক এই সমস্যাৰ পৰা আঁতৰাই আনিব পৰা নাযায় তেনেহলে শিশুৰ পিছৰ জীৱনত ই এক ভয়াৱহ ৰূপ ল'ব পাৰে যিটোৱে শিশুৰ স্বাস্থ্যত বিশেষ ক্ষতি আনি দিব পাৰে।

  শিশুসকলে যেতিয়া ঘৰৰ সদস্যবোৰৰ বিছনালৈ যোৱা আৰু শোৱা সময় নিজৰ লগত নিমিলা যেন দেখে তেতিয়াই তেওঁলোক টোপনিৰ সমস্যাৰ সন্মুখীন হয়। এই সময়ছোৱাৰ শিশুসকলে কৰি থকা কোনো কাম আধৰুৱাকৈ থৈ সোনকালে বিছনালৈ যাব নোখোজে। জোৰ কৰি বিছনালৈ নিলেও কন্দা-কটাও কৰে। খঙৰ বশৱৰ্তী হৈ বিছনালৈ নাযাবলৈ জেদ পৰ্যন্তও ধৰে। অন্যহাতে, বিদ্যালযলৈ যোৱাৰ আগৰ সময় ছোৱাৰ শিশুসকলে প্ৰায়েই ভয়ৰ বশৱৰ্তী হোৱা দেখা যায়। খিৰিকীৰে অন্য ৰঙৰ পোহৰ আহিলে, হঠাতে হোৱা শব্দ চিঞৰ শুনিলে এই বয়সৰ শিশুচামে অন্ধকাৰ শোৱনি কোঠাত শুব নিবিচাৰে।

  গোটেই নিশা কেতিয়াবা শিশুসকলক উজাগৰে থকাও দেখা যায়। শৰীৰ অসুস্থ থাকিলে, সপোন দেখিলে, দিনৰ কাৰ্যসূচীৰ পৰিৱৰ্তন হ'লে বা বিছনাত প্ৰস্ৰাৱ কৰিলেও শিশুসকলক উজাগৰে থকা পৰিলক্ষিত হয়। কেতিয়াবা দেখা যায়, এবাৰ যদি শিশুৰ শোৱা পদ্ধতি কিছু কাৰণত ভগ্ন হয়, তেতিয়াও গোটেই নিশা নুশুৱাকৈ কটায়। এই ধৰণৰ সমস্যাই অভিভাৱকসকলক ব্যতিব্যস্ত কৰাৰ লগতে শিশুৰ দৈহিক আৰু মানসিক গঠনত যথেষ্ট প্ৰভাৱ পেলায়।

- **দুর্ঘটনা** (Accidents) ঃ শৈশৱকালৰ সংঘটিত দুর্ঘটনাই কেতিয়াবা শিশুৰ দৈহিক গঠনত প্রভাৱ পেলায়। এই বয়সৰ শিশুসকল প্রায়েই দুর্ঘটনাগ্রস্ত হয়, কিয়নো অভিভাৱকসকলে শিশুসকলৰ শৈশৱকালতহে বেছি গুৰুত্ব সহকাৰে আলফুলকৈ ডাঙৰ কৰে। যিহেতু এই বয়সত শিশু সকলক ডাঙৰ হোৱা বুলি ধৰা হয় অভিভাৱক-সকলৰ পৰাও যত্ন আৰু পৰিচর্যাও কমাই দিয়া হয়। ফলত শিশুসকলৰ হাত, ভৰি, চকু, মুখ, মূৰ, শৰীৰ আদি দুর্ঘটনাৰ বলি হোৱা দেখা যায়।
- **সামাজিক সমাযোজন সমস্যা** (Social Adjustment Problem) ঃ সঁচা অর্থত চাৰি বছৰ বয়সৰ শিশু এজনে সামাজিক আচৰণত সিদ্ধহস্ত বুলি ক'ব পৰা নাযায়। সাধাৰণতে, এই শিশুচামে কাজিয়া, বগৰা-বগৰি, যুদ্ধ আদি কৰি ভাল পায়, অন্যৰ লগত নিজৰ বস্তুৰ ভাগ-বতৰা কৰিবলৈ অসন্তুষ্টি প্রকাশ কৰে। অৱশ্যে, পাঁচ বছৰ বয়সৰ পৰা শিশুসকলে এই বদ্ অভ্যাসবোৰ এৰাই চলা উচিত। অসামাজিক আচৰণত লিপ্ত থকা শিশুসকলৰ লগত সেই বয়সৰে সুশ্রী, সুসভ্য শিশুসকলে খেলিবলৈ ভাল নেপায়, আন ব্যক্তিসকলেও তেনে শিশুসকলক ভাল নেপায়। ফলস্বৰূপে তেনেধৰণৰ শিশুসকলেই সমাজৰ পৰিৱেশৰ লগত মিলিব নোৱাৰা হৈ পৰে। সেয়ে, এই স্তৰতে যিমান সোনকালে পাৰি সিমান সোনকালে শিশুসকলৰ মাজৰ পৰা অসামাজিক আচৰণবোৰ নাইকিয়া কৰিবৰ বাবে যত্ন কৰিব লাগে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ পূর্ব বাল্যকালত খোৱাৰ ক্ষেত্রত পৰিলক্ষিত হোৱা তিনিটা সমস্যা উল্লেখ কৰক।

.....

.....

প্রশ্ন নং ৪ ঃ শিশুৰ সামাজিক সমাযোজনৰ বিষয়ে চাৰি শাৰী লিখক।

.....

.....

.....

৪.৬ পূর্ব বাল্যকালৰ শৈক্ষিক গুৰুত্ব

জীৱনৰ এই সময়ছোৱাতে শিশুক দিব লগা শিক্ষাৰ যথেষ্ট তাৎপর্য আছে। শিক্ষাবিদ ৰাটচনে কৈছে, 'বিকাশৰ আন সময়ছোৱাতকৈ এই সময়ছোৱাতে শিক্ষণৰ তীব্রতা আৰু পৰিধি ব্যাপক হয়।' সেয়েহে, অভিভাৱক আৰু শিক্ষকসকলে সজাগ হৈ এই স্তৰৰ শিশু সকলক পৰিকল্পিত-ভাৱে শিক্ষা প্রদান কৰা উচিত। লগতে তলত উল্লিখিত দিশবোৰ অনুযায়ী শিক্ষা প্রদান কৰিলে ফলপ্রসূ হ'ব বুলি ভবা যায়।

- **সুস্থ পৰিৱেশ** (Healthy Atmosphere) ঃ শিশুসকলে সুস্থ সামাজিক পৰিৱেশ এটাৰ উপভোগ কৰিবলৈ হলে অভিভাৱক আৰু শিক্ষকসকল সজাগ থকা উচিত। শিশুৰ বাবে ঘৰুৱা পৰিৱেশ মধুৰ আৰু নিৰাপত্তা থকা হ'ব লাগে। বিদ্যালয়খনো তেওঁলোকৰ বাবে নিৰাপদ ঠাই হ'ব লাগে। বিদ্যালয়ে শিশুসকলক সম্পূর্ণ স্বাধীনতা প্রদান কৰিব লাগে যাতে শিশুসকলৰ সকলো দিশতে বিকাশ সম্ভৱপৰ হয়।
- **যুক্তিপূর্ণ আচৰণ** (Rational Treatment) ঃ প্রত্যেক শিশুৱে বিচাৰে যে সকলোৱে তেওঁলোকক ভাল পাওক। ঘৰৰ প্রতিজন সদস্যই শিশুৰ প্রতি সহানুভূতিশীল, দয়াশীল হ'ব লাগে।
- **কৌতুহলপূর্ণ মনৰ সন্তুষ্টি** (Satisfaction of Curiosity) ঃ এই সময়ছোৱাতে শিশুৰ প্রৱল অনুসন্ধিৎসু মনৰ প্রকাশ ঘটে। তেওঁলোকৰ পৰিৱেশৰ চাৰিওফালে থকা প্রতিটো বস্তুৰ প্রতি তেওঁলোক অনুসন্ধিৎসু হৈ অনুসন্ধান চলায়, তেতিয়া তেওঁলোকক শিক্ষক আৰু অভিভাৱকসকলে যুক্তিপূর্ণসহকাৰে প্রতিটো বস্তুৰে ব্যাখ্যা কৰি দিব লাগে।
- **আত্মনির্ভৰশীলতাৰ বিকাশ** (Developing self sufficiency) ঃ ঘৰত শিশুসকলে তেওঁলোকৰ বিভিন্ন প্রয়োজনীয়তা পূৰাবলৈ মাক-দেউতাকৰ ওপৰত নির্ভৰশীল হয়। অভিভাৱক আৰু শিক্ষকসকলেও শিশুসকলক কিছুমান সৰু-সু�ৰা কার্যৰ দায়িত্বভাৰ অর্পণ কৰি তেওঁলোকক আত্মনির্ভৰশীল হোৱাৰ বাবে উপযুক্ত কৰি গঢ়ি তুলিব লাগে।
- **সঠিক শিক্ষণ পদ্ধতি** (Proper method of teaching) ঃ মণ্টেশ্বৰী, কিণ্ডাৰ গার্ডেন, খেলাভিত্তিক পদ্ধতিবোৰৰ মাজেদি এই বয়সৰ শিশুসকলক শিক্ষা প্রদান কৰিব লাগে যাতে শিশুসকলৰ সকলো ধৰণৰ বিকাশ সম্ভৱপৰ হয়।
- **পৰিপক্কতা আৰু শিক্ষণৰ মাজৰ যোগসূত্র** (Co-ordination between maturation and Learning) ঃ শিক্ষকে শিক্ষা প্রদান কৰোঁতে শিশুসকলৰ পূর্ণতাৰ পৰিপক্কতাৰ প্রতি লক্ষ্য ৰাখিব লাগে। জধে-মধে শিক্ষকে শিক্ষা প্রদান কৰা উচিত নহয় কিয়নো শিশুসকলৰ পৰিপক্কতাৰ অভাৱে কোনো শিক্ষা ফলপ্রসূ হ'ব নোৱাৰে।

- **সঠিক পুৰস্কাৰ আৰু শাস্তি প্রদান পদ্ধতি** (Proper method of reward and punishment) ঃ অভিভাৱক আৰু শিক্ষকসলে শিশুসকলক সকলো ধৰণৰ কার্য কৰাৰ প্রতি উৎসাহিত কৰিব লাগে। যেতিয়া শিশুসকলৰ সঠিক অভ্যাসৰ বিকাশ হয় তেতিয়া তেওঁলোকে যথাসম্ভৱ পুৰস্কাৰ প্রদান কৰিব লাগে। যিমান পৰা যায় শিশুসকলক শাস্তি প্রদানৰ পৰা বিৰত থাকিব লাগে।
- **সঠিক পঢ়ন সা-সঁজুলিৰ যোগান** (Supply good reading materials) ঃ এই স্তৰৰ শিশুসকল সাধাৰণতে গল্প, ৰং-বিৰঙৰ ছবি ভাল পায়। সেয়েহে শিক্ষক আৰু অভিভাৱকসকলে ৰঙীন চিত্রযুক্ত গল্প, কিতাপ, ছবি আঁকাৰ বহী শিশুসকলক যোগান ধৰিব লাগে।
- **কার্যৰ মাজেদি শিকণ** (Learning by doing) ঃ এই সময়ছোৱাত শিশুসকলে যিকোনো কার্য কৰিবলৈ ভাল পায়। শিক্ষকে সেয়ে শিশুসকলক যিমান সম্ভৱ হয় সিমানেই জীৱন সক্রিয় কার্য অর্পণ কৰিব লাগে যাতে শিশুৰ দৈহিক, বৌদ্ধিক, মানসিক বিকাশ সম্ভৱ হয়। লগতে শিশুৰ মনৰ সৃজনশীলতাও বৃদ্ধি পায়। শিশুক এনেধৰণৰ কামৰ পৰিধি দিব লাগে যাতে তেওঁলোকৰ সামাজিক উন্নতিত সহায়ক হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ অভিভাৱক আৰু শিক্ষকসকলে যেতিয়া তিনি-চাৰি বছৰ বয়সীয়া শিশুক পৰিকল্পিতভাবে শিক্ষা প্রদান কৰে, তেতিয়া মনত ৰাখিবলগীয়া চাৰিটা দিশৰ বিষয়ে উল্লেখ কৰা।

.....

.....



৪.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- শিশুৰ দুই বছৰ বয়সৰ পৰা ছয় বছৰ বয়সলৈকে পূর্ব বাল্যকাল বুলি ধৰা সময়ছোৱাক অভিভাৱক সকলে সমস্যা জর্জৰিত সময় নাইবা খেলনা সময় বুলি কয়। শিক্ষাবিদসকলে বিদ্যালয় আৰম্ভণিৰ পূর্ব সময় বুলি কয়। আৰু মনোবৈজ্ঞানিকসকলে দল গঠনৰ পূর্ব সময়, উদ্ভা ৰন কৰা সময়, প্রশ্ন সোধা সময় বুলি কয়।

- পূর্ব বাল্য কালছোৱাতে শিশুৰ দৈহিক, মানসিক, আৱেগিক, সামাজিক আৰু ভাষাৰ বিকাশ ঘটে।
- পূর্ব বাল্যকালৰ বিভিন্ন লক্ষণসমূহ হ'ল- (ক) দৈহিক বিকাশৰ সময় (খ) ভাষাৰ বিকাশৰ সময় (গ) আৱেগিক বিকাশ (ঘ) সামাজিক বিকাশ (ঙ) বুজাশক্তিৰ বিকাশ (চ) অনুৰাগৰ বিকাশ ইত্যাদি।
- এই সময়ছোৱাৰ শিশুৰ সাধাৰণ সমস্যাবোৰ হ'ল- (১) খোৱা-লোৱা (২) শোৱা (৩) মলমূত্ৰ ত্যাগ কৰা (৩) দুর্ঘটনা (৪) সামাজিক সমাযোজন ইত্যাদি।
- পূর্ব বাল্যকাল শিশুসকলৰ মাজত শিক্ষা প্রদানত গুৰুত্ব আছে। সেইবোৰ হ'ল- (১) সুস্থ পৰিৱেশ (২) যুক্তিসংগত আচৰণ (৩) অনুসন্ধিৎসুতাৰ সন্তুষ্টিকৰণ (৪) আত্মনির্ভৰ-শীলতাৰ শিক্ষা (৫) সঠিক শিক্ষা প্রদান পদ্ধতি (৬) পৰিপক্কতা আৰু শিকণৰ মাজৰ সংগতি (৭) সঠিক পুৰস্কাৰ আৰু শাস্তি প্রদান পদ্ধতি (৮) ভাল পঢ়নৰ আহিলা-পাতিৰ যোগান (৯) কার্যৰ মাজেদি শিকন।



৪.৮ অধিক জানিবলৈ

১) দাস, লক্ষহীৰা ঃ *সম্পূর্ণ শিক্ষা*, সংগম প্রকাশন, গুৱাহাটী।

২) বৰুৱা, যতীন ঃ *শিক্ষা মনোবিজ্ঞান*, বিশ্ববিদ্যালয় প্রকাশন বিভাগ, গুৱাহাটী।



৪.৯ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ ক) বৃদ্ধিৰ বিকাশ, খ) পুতলা যুগ, গ) পূর্ব বিদ্যালয়লৈ যোৱা যুগ, ঘ) পূর্ব দল গঠনৰ যুগ।

২নং প্রশ্নৰ উত্তৰ ঃ পূর্ব বাল্যকালত, শিশুৰ দৈহিক গঠনত যথেষ্ট পৰিৱর্তন হয়। গড় হিচাপত প্রতি বছৰে শিশু তিনি ইঞ্চিকৈ ওখ হয়। আৰু এই স্তৰৰ শেষত শিশুবোৰ প্রায় তিনি ফুট আৰু ছয় ইঞ্চি ওখ হয়। সেইদৰে, শিশুবোৰৰ ওজনো বৃদ্ধি হয়। এই সময়ছোৱাত শিশুৰ মুখাৱয়বৰ পৰা 'কেঁচুৱা সদৃশ' চেহেৰা নোহোৱা হয়। অৱশ্যে শৰীৰৰ গঠন এই স্তৰত অধিক মন কৰিবলগীয়া বিষয় হৈ পৰে। কিছুমান শিশুৰ শৰীৰৰ গঠন মোটা, কিছুমান বলিষ্ঠ গঠনৰ হয় আৰু কিছুমান ক্ষীণকায় হয়। দাঁতৰ ক্ষেত্রত দেখা যায় পূর্ব বাল্যকালৰ শেষৰ ছয় মাহৰ ফালে কেঁচুৱা দাঁত সৰি স্থায়ী দাঁত গজে। শিশুবোৰে এই স্তৰতে দৌৰা, জঁপিওৱা, গছত বগোৱা, চাইকেল চলোৱা, নিজে খোৱা, কাপোৰ পিন্ধা আদি বিভিন্ন কাম কৰাৰ কৌশলবোৰ আয়ত্ত কৰাৰ লগতে ছবি আঁকা, ৰং কৰা আদি কামবোৰো কৰে।

৩নং প্রশ্নৰ উত্তৰ ঃ ১) খোৱা-বোৱা নকৰা। ২) বমি কৰা।
৩) লাহে লাহে খোৱা।

৪নং প্রশ্নৰ উত্তৰ ঃ ১) তেওঁলোকে অসামাজিক আচৰণ কৰে।
২) তেওঁলোকে অন্য শিশুৰ লগত কাজিয়া কৰে।
৩) তেওঁলোকে কেতিয়াও নিজৰ কোনো বস্তু অইনৰ লগত ভাগ বতৰা নকৰে।
৪) তেওঁলোকক অন্য লোকে ভাল নাপায়।

৫নং প্রশ্নৰ উত্তৰ ঃ ১) সুস্থ পৰিৱেশ। ২) যুক্তিপূর্ণ আচৰণ।
৩) অনুসন্ধিৎসুতাৰ সন্তুষ্টি। ৪) সঠিক শিক্ষণ পদ্ধতি।



৪.১০ আৰ্হি প্রশ্ন

(ক) চুটি প্রশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন নং ১ ঃ পূর্ব বাল্যকালৰ বিষয়ে এটা টোকা লিখক।

প্রশ্ন নং ২ ঃ পূর্ব বাল্যকালৰ সাধাৰণ আগ্রহসমূহ উল্লেখ কৰক।

(খ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন নং ১ ঃ পূর্ব বাল্যকালৰ প্রধান লক্ষণসমূহ আলোচনা কৰক।

প্রশ্ন নং ২ ঃ অভিভাৱকসকলে সন্মুখীন হোৱা পূর্ব বাল্যকালৰ সাধাৰণ সমস্যাবোৰৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন নং ৩ ঃ 'পূর্ব বাল্যকালেই হ'ল জীৱনৰ ভেটি'- পূর্ব বাল্যকালক জীৱনৰ ভেটি বুলি কিয় কোৱা হয়? এই স্তৰৰ শিশুসকলক অভিভাৱক আৰু শিক্ষকসকলে পৰিকল্পিতভাৱে শিক্ষা প্রদান কৰোঁতে কেনে ধৰণৰ ব্যৱস্থা লোৱা উচিত।

অধ্যায় ৫ ঃ শেহতীয়া বাল্যকাল

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য
৫.২ পৰিচয়
৫.৩ শেহতীয়া বাল্যকাল
৫.৩.১ শেহতীয়া বাল্যকালৰ বৈশিষ্ট্যসমূহ
৫.৩.২ শেহতীয়া বাল্যকালৰ সমস্যাসমূহ
৫.৪ শেহতীয়া বাল্যকালৰ শৈক্ষিক গুৰুত্ব
৫.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৫.৬ অধিক জানিবলৈ
৫.৭ অগ্রগতিৰ খতিয়ান
৫.৮ আৰ্হি প্রশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি—

- শেহতীয়া বাল্যকালৰ বিষয়ে বুজিবলৈ সমর্থ হ'ব।
- শেহতীয়া বাল্যকালৰ বৈশিষ্ট্যসমূহ বর্ণনা কৰিব পাৰিব।
- শেহতীয়া বাল্যকালৰ বাধা বা সমস্যাসমূহৰ ব্যাখ্যা দাঙি ধৰিব পাৰিব।
- সেই পর্যায়টোৰ শৈক্ষিক গুৰুত্ব বুজিবলৈ সক্ষম হ'ব।

৫.২ পৰিচয়

আমি চতুর্থ অধ্যায়টিত আগতীয়া বাল্যকালৰ বিষয়ে অধ্যয়ন কৰিলোঁ। এই অধ্যায়টোৱে শেহতীয়া বাল্যকালৰ পর্যায়টোক সামৰি লৈছে। মানৱ জীৱন বিকাশৰ প্রত্যেকটো পর্যায়ৰ নিজস্ব বৈশিষ্ট্য আৰু ৰেহৰূপ আছে। প্রত্যেকটো পর্যায় পৰৱর্তী পর্যায়ৰ সৈতে আভ্যন্তৰীণভাৱে সম্বন্ধিত। আগৰ পর্যায়টোৱে পাচৰ পর্যায়টোক শান্ত আৰু সুস্থিৰভাৱে উজ্জীৱিত কৰি তোলে। কিন্তু আমি এটা পর্যায়ৰ শেষ অৱস্থাত যেতিয়া উপনীত হওঁ তেতিয়া আমি আগৰ অৱস্থাটোতকৈ ভিন্নতা উপলব্ধি কৰোঁ। শেহতীয়া বাল্যকালৰ পর্যায়টো পূর্ণতাপ্রাপ্তিৰ আৰম্ভণি বুলি ক'ব পৰা যায়; কাৰণ এই অৱস্থাটোত শিশুসকলে তুলনামূলকভাৱে আগতীয়া বাল্যকালতকৈ অধিকভাৱে চাৰিওকাষৰ পৰিৱেশক আয়ত্ত কৰিবলৈ সক্ষম হয়। আগৰ অধ্যায়টোত আমি

শিশুসকলৰ সংখ্যাগত দিশৰ গঠন আৰু গুণগত দিশৰ বিকাশৰ ভিন্নতাৰ বিষয়ে আলোচনা কৰিছোঁ। শেহতীয়া বাল্যকালৰ সংখ্যাগত দিশটোৱে ৬-১২ বছৰ বয়সৰ শিশুৰ দলটোক সামৰি লয়।

এই অধ্যায়টিৰ জৰিয়তে আপোনালোকে শেহতীয়া বাল্যকাল, ইয়াৰ গুৰুত্বপূৰ্ণ বৈশিষ্ট্যসমূহ, এই পৰ্যায়টোৰ সাধাৰণ বাধাসমূহ আৰু শৈক্ষিক গুৰুত্বখিনিৰ ধাৰণা লাভ কৰিব।

৫.৩ শেহতীয়া বাল্যকাল

আমি এতিয়া শেহতীয়া বাল্যকালনো কি সেইবিষয়ে অধ্যয়নত প্ৰবৃত্ত হ'ম। সাধাৰণতে শেহতীয়া বাল্যকালটো ৬ বছৰৰপৰা ১২ বছৰলৈ আৱৰি থাকে। ইয়াৰ আৰম্ভণি হয় আনুষ্ঠানিক শিক্ষাত নামভৰ্তিকৰণেৰে আৰু শেষ হয় পূৰ্ণতাপ্ৰাপ্তি অৱস্থাৰ আৰম্ভণিৰে বা কৃত্ৰিম যৌৱনেৰে। এই সময়ছোৱাত নতুন আগ্ৰহৰ বিকাশ হয় আৰু যৌন যৌৱনৰ বাহিৰে শাৰীৰিক আৰু মানসিক অৱস্থাৰো উন্নতি হয়। যৌন ক্ষমতা এই সময়ছোৱাত সুপ্ত হৈ থাকে যদিও শেষ সময়ত ইয়াৰ উদ্ৰেক হয়। সেয়েহে এই সময়ছোৱাক মনোবিজ্ঞানীসকলে 'গুপ্ত সময়' বা 'ভিতৰুৱা সময়' বুলি অভিহিত কৰিছে।

শিশুসকলৰ শেহতীয়া বাল্যকালৰ আৰম্ভণি আৰু শেষ দুয়োটা অৱস্থাৰে ব্যক্তিগত আৰু সামাজিক সমাযোজন চিহ্নিত কৰা হয়। শেহতীয়া বাল্যকালৰ আৰম্ভণিৰ অৱস্থাটো চিহ্নিত কৰা হয় শিশুসকল বিদ্যালয়ত প্ৰথমে সোমাওঁতে। বেছিভাগ কোমলমনৰ শিশুৰে জীৱনধাৰণ প্ৰণালীত প্ৰধানভাৱে পৰিৱৰ্তন হোৱা দেখা যায় যদিও তেওঁলোকে এবছৰ বা অধিক সময় প্ৰাক্-প্ৰাথমিক বিদ্যালয়ত কটাই আহিছে। প্ৰত্যেকটো শিশুৰ জীৱনত বিদ্যালয় আৰম্ভণিটো এক উল্লেখযোগ্য হিচাপে পৰিগণিত হয়। এই অৱস্থাটোৱে শিশুৰ জীৱনৰ প্ৰৱণতা, মূল্যবোধ আৰু আচৰণত পৰিৱৰ্তন আনে।

শেহতীয়া বাল্যকালৰ আৰম্ভণিটোক ধুনীয়া আৰু নিশ্চিতভাৱে চিহ্নিত কৰাটো সম্ভৱ যদিও এই সময়খিনিৰ আৰম্ভ কেতিয়া হয়, শেষ কেতিয়া হয় সেয়া সঠিকভাৱে ক'ব পৰা নেযায়, কাৰণ যৌন যৌৱনৰ বিচাৰৰ মানদণ্ডৰ ব্যৱহাৰে বয়ঃসন্ধি কালৰ পৰা বাল্যকালক কেনেকৈ বিভক্ত কৰা যায় সেয়া বয়সে নুসূচায়। ল'ৰা আৰু ছোৱালীবোৰে যৌনভাৱে পূৰ্ণতা লাভ কৰাৰ নিৰ্দিষ্ট বয়স থাকে যদিও ইয়াত ভিন্নতা থকা দেখা যায়। ফলস্বৰূপে কিছুমান শিশুৰ শেহতীয়া বাল্যকাল গড় সময়তকৈ দীঘল হয়, আনহাতে কিছুমানৰ গড় সময়তকৈ চমু।

অভিভাৱক, শিক্ষকআৰু মনোবিজ্ঞানীসকলে বাল্যকালৰ সময়ছোৱাক বিভিন্ন নামেৰে নামকৰণ কৰা দেখা যায়। এই নামবোৰে সময়ছোৱাৰ গুৰুত্বপূৰ্ণ বৈশিষ্ট্যসমূহ প্ৰতিফলিত কৰে। অভিভাৱকসকলে ইয়াৰ নাম দিছে 'সমস্যাযুক্ত বয়স' আৰু 'কাজিয়া-পেছালৰ বয়স'। শিক্ষকসকলে ইয়াৰ নাম দিছে 'প্ৰাথমিক বিদ্যালয়ৰ বয়স' আৰু 'জটিল সময়' আৰু মনোবিজ্ঞানীসকলৰ মতে এই সময়ছোৱা হ'ল 'দলানুগত্য' বা 'সৃষ্টিশীলতাৰ বয়স' আৰু খেলাৰ বয়স।



জানি থোৱা ভাল

শেহতীয়া বাল্যকাল —

- এই পর্যায়টো ৬-১২ বছৰ বয়সলৈ বিস্তৃত।
- সুন্দৰতা আৰু 'মিছা যৌৱনৰ' সময়।
- এই সময়ছোৱাক কোৱা হয় 'গুপ্তসময়' বা 'ভিতৰুৱা সময়'।
- শিশুৰ ব্যক্তিগত আৰু সামাজিক সমাযোজনৰ বিশেষ পৰিৱৰ্তনত চিহ্নিত হয়।
- শাৰীৰিক বিকাশৰ এটা পর্যায়।
- প্রাথমিক বিদ্যালয়ত সোমাই পৰাৰ প্রথম পর্যায়।
- ইয়াক প্রাথমিক বিদ্যালয়ৰ বয়স হিচাপে নামাকৰণ কৰা হয়।
- ইয়াক বিপদসংকুল সময় বুলি অভিহিত কৰিব পৰা যায়।
- এই সময়ছোৱাক দলীয় মনোবৃত্তি বা সৃষ্টিশীল বা খেলৰ বয়স বুলিও ক'ব পাৰি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ তলত দিয়া উক্তিবোৰ শুদ্ধ নে অশুদ্ধ নির্ণয় কৰক।

ক) আগতীয়া বাল্যকাল ৬ৰ পৰা ১২ বছৰ বয়সলৈ সামৰি থাকে।

খ) এই সময়ছোৱাক পূর্ণ যৌন ক্ষমতাৰ পর্যায় বুলি কোৱা হয়।

গ) পিতৃ-মাতৃসকলে এই সময়ছোৱাক সৃষ্টিশীল সময় বুলি নামকৰণ কৰিছে।

ঘ) শিক্ষকসকলে এই সময়ছোৱাক প্রাথমিক বিদ্যালয়ৰ সময় বুলি কয়।

ঙ) মনোবিজ্ঞানীসকলে এই সময়ছোৱাক বিপদসংকুল সময় বুলি কৈছে।

৫.৩.১ শেহতীয়া বাল্যকালৰ সময়ছোৱাৰ বৈশিষ্ট্যসমূহ

বিকাশৰ যিকোনো এটা সময়ৰ বৈশিষ্ট্যসমূহে সময়ছোৱাক সুন্দৰভাৱে বুজি পোৱাত সহায় কৰে। আমি এতিয়া শেহতীয়া বাল্যকালৰ বৈশিষ্ট্যসমূহৰ বিষয়ে আলোচনা কৰিম। শেহতীয়া বাল্যকালৰ সময়ছোৱাই এগৰাকী ব্যক্তিৰ প্রধান সম্ভাৱনীয়তাসমূহ আৰু উন্নতিৰ আশা-ভৰসাখিনি কঢ়িয়াই লৈ যায় আৰু পৰৱর্তী সময়ত পূর্ণতাপ্রাপ্ত

মানুহ হিচাপে গঢ় লোৱাত অৱিহণা যোগায়। এই সময়ছোৱাৰ বিকাশ আৰু পৰিৱর্তনৰ বিশিষ্টতাসম্পন্ন চিহ্নসমূহ তলত দিয়াধৰণে চিনাক্তকৰণ কৰিব পৰা যায়—

- **শাৰীৰিক বিকাশৰ সময়** (A period of Physical Development) ঃ এই সময়ছোৱাত শিশুসকলৰ বিকাশ লেহেম গতিত হ'লেও সমভাৱে হোৱা দেখা যায়। শাৰীৰিক বিকাশে এই সময়ছোৱাত ভিন্নতা প্রদর্শন কৰে যদিও ই ভৱিষ্যতৰ ধাৰণা অনুসৰণ কৰে। শেহতীয়া বাল্যকালত শাৰীৰিক বিকাশে দীর্ঘ্যতা আৰু ওজনতো প্রভাৱ পেলায়। হাড়বোৰ কঠিন হয়। এই সময়ছোৱাত শিশুৰ ওজন আৰু দীর্ঘ্যতা বৃদ্ধি হয়। শিশুসকলে এই সময়ছোৱাত তেওঁলোকৰ চলন শক্তি, দক্ষতা আৰু সহ্য গুণৰ বিকাশ ঘটায় উন্নত অৱস্থালৈ নিব পাৰে। শিশুসকল শাৰীৰিকভাৱে এই সময়ছোৱাত অস্থিৰ হৈ পৰা দেখা যায়। তেওঁলোক এটা অথবা আনটো কামত জড়িত হৈ পৰা দেখা যায়। এই সময়ছোৱাত শিশুসকলে বিভিন্নধৰণৰ কৌশল আয়ত্ত কৰিবলৈ সক্ষম হয়; যেনে— আত্মসহায়ক কৌশল, সামাজিক সহায়ক কৌশলসমূহ, বিদ্যালয় কৌশলৰ লগতে খেলৰ কৌশলসমূহ। নিজৰ কামকাজবোৰ সম্পাদন কৰাৰ লগতে আনৰ কামকাজ কৰাৰ বাবেও সমর্থৱান হৈ পৰে। বিদ্যালয়ত শিশুসকলে নিজৰ প্রয়োজনীয় লিখন, ছবি আঁকা, ৰঙৰ কাম, পুতলা সজা আদি কর্মৰ দক্ষতা আয়ত্ত কৰা দেখা যায়। ইয়াৰ লগেত দলিওৱা, ধৰা, চাইকেল চলোৱা, সাঁতোৱা আদিৰ দৰে কামবোৰৰ কৌশলো আয়ত্ত কৰে। শেহতীয়া বাল্যকালৰ শেষৰপিনে শিশুবোৰৰ স্থায়ী দাতৰ সংখ্যা ২৮টা মান হয়গৈ। বাকী মুঠ ৩২টা দাতৰ ৪টা দাঁত বয়ঃসন্ধিকালত গজে।
- **বৌদ্ধিক সামর্থতা বিকাশৰ সময়** (A period of Development of Intellectual ability) ঃ শেহতীয়া বাল্যকালত শিশুৰ বৌদ্ধিক বিকাশো হয়। শিশুবিলাকৰ বৌদ্ধিক বিকাশৰ হেতু চিন্তা কৰা, মনোযোগ, আগ্রহ দেখুওৱা আদিৰ ক্ষেত্রত উদ্বিগ্ন হোৱা দেখা যায়। এই সময়ছোৱাত শিশুৰ স্মৃতিশক্তি, মনোযোগ, কল্পনা চিন্তাৰ প্রৱণতা বৃদ্ধি পায়। এই সময়ছোৱা শিক্ষাৰ দিশতো অতি গুৰুত্বপূর্ণ। শিক্ষা আহৰণ কৰাৰ বাবে এই সময়ছোৱা উপযুক্ত সময়। এই সময়ছোৱাৰ ল'ৰা-ছোৱালীয়ে পঢ়া-শুনা কৰাত অনুৰাগ দেখুৱায়। এই সময়ছোৱাক মানৱ জীৱনৰ বৌদ্ধিক সমর্থতা লাভৰ এটি গুৰুত্বপূর্ণ সময় বুলি কোৱা হয়। মানৱ জীৱনক উপযুক্তভাৱে গঢ় দিয়াৰ বাবে এই সময়ছোৱা আটাইতকৈ গুৰুত্বপূর্ণ। এই সময়খিনি মানৱ জীৱনৰ ভেটিস্বৰূপ। ইয়াক সম্পূর্ণভাৱে গঢ় দিলেহে জীৱনটো সর্বাংগসুন্দৰ হৈ পৰিব।
- **শিকিবলৈ দক্ষতা আহৰণৰ সময়** (A period of capacity to learn) ঃ এই সময়ছোৱাৰ শিশুসকলে শিকাৰ বাবে মানসিক প্রস্তুতি আহৰণ কৰে। শিশুসকলে

লিখা, পঢ়া, অংক কৰা আদিবোৰ কামৰ প্ৰতি এই সময়ছোৱাত মনোযোগ দিয়া দেখা যায়। বিদ্যালয়ৰ নিয়ম-কানুন, অনুশাসন, সাধাৰণ আইন আদিৰ প্ৰতিও শিশুসকলে এই সময়ছোৱাত সজাগতা প্ৰদৰ্শন কৰিবলৈ ধৰে আৰু বিদ্যালয় কৰ্মৰ দায়িত্ব সম্বন্ধে আগ্ৰহী হয়। শিশুসকলে অনুকৰণ প্ৰক্ৰিয়াৰ মাধ্যমত নতুন জ্ঞান আৰু অভিজ্ঞতা আহৰণ কৰিবলৈ চেষ্টা কৰে।

- **সামাজিক বিকাশৰ সময়** (A period of Social Development) ঃ শিশুৱে দলীয় ধাৰণাৰ মাধ্যমতে অনুশাসনৰ প্ৰতি শ্ৰদ্ধা কৰি সামাজিক আনুগত্য দেখুৱায়। বাহ্যিক পৃথিৱীখনে শিশুসকলক আমন্ত্ৰণ কৰাৰ অনুভূতি সিহঁতে লাভ কৰে। শিশুৱে সামাজিক আচৰণ সিহঁতৰ অজ্ঞাতেই শিকিবলৈ আৰম্ভ কৰে আৰু কোনটো কৰিব লাগে কোনটো কৰিব নালাগে তাৰ ধাৰণাও আয়ত্ত কৰে। এই ধাৰণাৰ দ্বাৰা শিশুৱে পৰিচালনাৰ দায়িত্ব অৰ্জন কৰিবলৈ সক্ষম হয় আৰু ভৱিষ্যত সমাজৰ নেতৃত্ব বহন কৰাৰ আদৰ্শৰ শিক্ষা পায়।

  সামাজিক চেতনাবোধ বৃদ্ধি পোৱাৰ লগে লগে নৈতিক ধাৰণাৰ সৃষ্টিৰ প্ৰৱণতা শিশুৰ মনত জাগ্ৰত হয়। শিশুসকলে নিজৰ আৰু আনৰ দোষগুণৰ প্ৰতি সচেতন হোৱা দেখা যায়। পাপ-পুণ্য, অন্যায়-অধৰ্ম, উচিত-অনুচিত আদিৰ কথাও সিহঁতে বুজিব পৰা হয়। নৈতিক ধাৰণাৰ ক্ষেত্ৰত ঘৰ আৰু সামাজিক পৰিৱেশে শিশুক বিশেষ ধৰণে সহায় কৰে।

- **বহিৰ্মুখী প্ৰকৃতিৰ বিকাশ** (Development of Extrovert nature) ঃ বাল্যকালত শিশুৰ ব্যক্তিত্বৰ প্ৰকাশ পাবলৈ ধৰে। বহিৰ্মুখিতা এই সময়ছোৱাৰ এটা মূল বৈশিষ্ট্য। বাল্যকালত শিশুক ঘৰত আবদ্ধ কৰি ৰখাটো অসম্ভৱ হৈ পৰে। ইয়াৰ কাৰণ হ'ল শিশুৱে দিনটোৰ অধিক সময় ঘৰৰ বাহিৰত খেলা-ধূলা, ফুৰা-চকা আদি কৰি নানা জনৰ লগত সময় অতিবাহিত কৰি ভাল পায়। ইয়াৰ ফলত শিশুৰ মনত ব্যক্তিত্বৰ বহিৰ্মুখী ধাৰণা গঢ় লৈ উঠে। বাল্যকালত শিশুৰ মনত অনুকৰণৰ ভাব বিশেষ ধৰণে বিকশিত হ'বলৈ ধৰে। শিশুসকল অনুকৰণপ্ৰিয়। এই অনুকৰণৰ মাধ্যমত তেওঁলোকে তেওঁলোকৰ চৰিত্ৰ গঠন কৰিবলৈও প্ৰয়াস কৰে।

- **খেল-ধেমালিৰ সময়** (It is a Play Age) ঃ বাল্যকালটোক খেল-ধেমালিৰ সময় বুলি কোৱা হয়। বহিৰ্মুখিতাৰ মাধ্যমেৰে শিশুৱে খেলত প্ৰবৃত্ত হয়। শিশুৱে নিজকে প্ৰতিষ্ঠা কৰাৰ প্ৰয়াস কৰে। আত্মপ্ৰতিষ্ঠাৰ আকাংক্ষা বিভিন্ন কাম-কাজৰ লগতে খেলা-ধূলাৰ মাজেৰে প্ৰকাশিত হোৱা দেখা যায়। নিজৰ দলৰ মাজতে প্ৰতিযোগিতামূলক ধাৰণাৰ সৃষ্টি কৰি লয় আৰু সকলো দিশতে পাৰ্গতালি দেখুৱাবলৈ বিচাৰে। খেল-ধেমালি, কুস্তি, সাজ-সজ্জা, নৃত্য-গীত, অভিনয় আদিত নিজকে সমাজৰ মাজত প্ৰতিষ্ঠিত কৰাৰ পৰিকল্পনা কৰে।

- **দলীয় ভাৱধাৰাৰ সময় বা দলানুগত্যৰ সময়** (It is a Gang Age) ঃবাল্যকাল আৰম্ভ হোৱাৰ লগে লগে শিশুৰ মনত যৌথ ধাৰণাৰ উদয় হয়। সিহঁতৰ সংগপ্রিয়তা বৃদ্ধি পায়। একেলগেই খেল-ধেমালিৰ প্রৱণতা শিশুৰ মনত জাগি উঠে। শিশুসকলে নিজৰ সমবয়সৰ কেইজনমান শিশুৰ লগ লাগি এটা দল গঠন কৰে। দলটোৰ প্রতি সকলোৰে আনুগত্য ইমান বেছি হয় যে কেতিয়াবা পিতৃ-মাতৃৰ অবাধ্য হোৱাৰ দৰে পৰিস্থিতিৰ সৃষ্টি কৰাও দেখা যায়। এইক্ষেত্রত অভিভাৱকৰ দায়িত্বও নথকা নহয়। অভিভাৱকে শিশুসকলে কেনেধৰণৰ দল গঠন কৰিছে সেই বিষয়ে সচেতনভাৱে চকু ৰখা দৰ্কাৰ।
- **আৱেগিক বিকাশৰ সময়** (A period of Emotional Development) ঃ শেহতীয়া বাল্যকালৰ সময়ছোৱাত শিশুৰ মনত আৱেগিক বিকাশ সম্ভৱ হৈ উঠে আৰু আনন্দহীন আৱেগ যে সমাজৰ বাবে গ্রহণযোগ্য নহয়, সেইবিষয়ে তেওঁলোকে সজাগ হৈ পৰে। এনেধৰণৰ সজাগতাৰ ফলত তেওঁলোকে আৱেগ নিয়ন্ত্রণৰ কৌশলো আয়ত্ত কৰে। শেহতীয়া বাল্যকালত প্রদর্শিত হোৱা আৱেগ-সমূহ আগতীয়া বাল্যকালত প্রদর্শিত আৱেগতকৈ তুলনামূলকভাৱে মধুৰ হোৱা দেখা যায়। এই সময়ছোৱাৰ এগৰাকী সাধাৰণ শিশুৱে মৰম-চেনেহ দিয়া আৰু লোৱাৰ ধাৰণা উপলব্ধি কৰিবলৈ সক্ষম হয়। শেহতীয়া বাল্য-কালত খং, ভয়, আনন্দ, উদ্বিগ্নতা আদিৰ দৰে আৱেগবোৰৰ অভিজ্ঞতা লাভ কৰা দেখা যায়।
- **ধাৰণা বিকাশৰ সময়** (A period of Concepts Development) ঃ শেহতীয়া বাল্যকালৰ সময়ছোৱাত শিশুৰ মনত ধাৰণাৰ বিকাশ হোৱা দেখা যায়। বিদ্যালয়ত শিশুসকলৰ অন্তর্ভুক্তিৰ লগে লগে তেওঁলোকে বহল পৃথিৱীখনত সোমাই পৰে আৰু নানাধৰণৰ অভিজ্ঞতা আহৰণ কৰে। শিশুসকলৰ আগ্রহ বৃদ্ধি হোৱাৰ মূলতে থাকে মানুহ আৰু বস্তু সম্পর্কে থকা পূর্বৰ সাধাৰণ ধাৰণা। শিশুসকলে পুৰণি ধাৰণাক লৈ নতুন ধাৰণাৰ লগত সম্বন্ধিত হৈ পৰে বিদ্যালয়ৰ কামকাজৰ মাধ্যমত। শিশুসকলে নতুন ধৰণৰ অর্থ লাভ কৰিবলৈ সক্ষম হয় গণ মাধ্যমসমূহৰ পৰা, বিশেষকৈ চিনেমা, ৰেডিঅ' আৰু দূৰদর্শন আদিৰ জৰিয়তে। শেহতীয়া বাল্যকালত সাধাৰণভাৱে নতুন ধাৰণা শিশুৰ মনত গঢ় লৈ উঠে। শিশুসকলে জীৱন, মৃত্যু, শাৰীৰিক কামকাজ, সংখ্যা, স্থান, টকা, সময়, আত্মচেতনা, যৌনভূমিকা, সামাজিক ভূমিকা, সৌন্দর্য, অনুশাসন ইত্যাদিৰ বিষয়েও সম্যক ধাৰণা লাভ কৰে।
- **যৌন সমকামিতা বিকাশৰ সময়** (Development of Homo-sexuality) ঃ শেহতীয়া বাল্যকালৰ যৌনজীৱনক সমকামিতাৰ সময় বুলি কোৱা হয়। এই সময়ছোৱাৰ ল'ৰা আৰু ছোৱালীবোৰে নিজৰ নিজৰ লিংগৰ সমনীয়াৰ

লগত শাৰীৰিক সম্পৰ্ক স্থাপন কৰিবলৈ প্ৰয়াস কৰা দেখা যায়। ল'ৰাই ল'ৰাৰ প্ৰেমত আৰু ছোৱালীয়ে সমনীয়া ছোৱালীৰ প্ৰতি আকৰ্ষিত হোৱা দেখা যায়। এই সময়ছোৱাত বিপৰীত লিংগৰ প্ৰতি আকৰ্ষিত হোৱাদেখা নাযায়। শিক্ষকৰ বাবে সহশিক্ষা এই সময়ছোৱাত সমস্যাযুক্ত নহয়। কিন্তু এই সময়ছোৱাৰ একেবাৰে শেষত বিপৰীত লিংগৰ প্ৰতিও জটিল দৃষ্টিভংগী কেতিয়াবা প্ৰকাশিত হোৱাৰ সম্ভাৱনা থাকে।



ঔপাৰিক ঃ আনৰ ওপৰত নিজৰ মত দৃঢ়ভাৱে ৰাখি দিব বিচৰা ধৰণৰ।

- **গঠনমূলক প্ৰবৃত্তিৰ বিকাশ** (Development of Constructive Instincts) ঃ শিশুৰ প্ৰবৃত্তিমূলক ধাৰণা উদয় সম্পূৰ্ণভাৱে বাল্যকালতে হয়। এই সময়-ছোৱাত সহজ প্ৰবৃত্তিমূলক আচৰণৰ প্ৰকাশ হ'বলৈ ধৰে। শেহতীয়া বাল্যকালত শিশুসকল অধিকভাবে অনুসন্ধিৎসাপূৰ্ণ হৈ পৰে। **ঔপাৰিক** শিক্ষায়ো শিশুসকলক গঠনমূলক দিশলৈ লৈ যায়। এইসময়ত শিশুসকলৰ মনত কৌতুহলৰ প্ৰবৃত্তি, আত্মপ্ৰতিষ্ঠাৰ প্ৰবৃত্তি, সৃষ্টিৰ প্ৰবৃত্তি, যুদ্ধৰ প্ৰবৃত্তি আদিয়ে স্থান পায় আৰু এইবোৰে শিশুৰ আচৰণ পৰিচালনা কৰিবলৈ বিচৰা পৰিলক্ষিত হয়।
- **আগ্ৰহ তথা অনুৰাগৰ সময়** (A period of Development of Interests) ঃ প্ৰাথমিক বিদ্যালয়ত শিশুসকলৰ অন্তৰ্ভুক্তিৰ সময়ত তেওঁলোকৰ মনত কোনো নিৰ্দিষ্ট ধৰণৰ আগ্ৰহ বা অনুৰাগ নাথাকে। শেহতীয়া বাল্যকালত শিশুৰ মনত অনুৰাগৰ ধাৰণাৰ উদয় হয়। তেওঁলোকে তেওঁলোকক পঢ়িবলৈ দিয়া বিষয়বোৰৰ ক্ষেত্ৰত নিজৰ ৰুচি-অভিৰুচি প্ৰকাশ কৰে। কোনো বিশেষ বিষয়ৰ ওপৰত গঢ়ি উঠা অনুৰাগে শিশুসকলক অধিক অধ্যয়নশীল আৰু মনোযোগী কৰি তোলে। সেয়েহে শিশুসকলে ভালপোৱা, বেয়াপোৱা আদিৰ বিষয়ে অভিভাৱকসকলে মনোযোগ দিয়াটো প্ৰয়োজন। শিশুৱে এই সময়ছোৱাত বিশ্লেষণৰ ধাৰণা আয়ত্ত কৰিবলৈ বিচাৰে। সাধাৰণ সমস্যাসমূহ নিজৰ যুক্তিৰ দ্বাৰা স্থিৰ কৰিবলৈ বিচাৰে।
- **সৃষ্টিশীল ধাৰণাৰ বিকাশৰ সময়** (A period of Development of Creativity) ঃ শেহতীয়া বাল্যকালত শিশুৰ মনত সৃষ্টিশীল ভাৱধাৰাৰ উদয় হয়। ই এটা এই সময়ছোৱাৰ বিশেষ বৈশিষ্ট্য। এই ধাৰণাৰ মাধ্যমেৰে শিশুৱে কাগজৰ নাও, মাটিৰ মূৰ্তি, খোৱা খাদ্য, বিস্কুট, গাড়ী আদি সৃষ্টি কৰিবলৈ চেষ্টা কৰে। এই আনন্দত সিহঁত নিমগ্ন হৈ পৰে। এনে কামত পৰিয়ালৰ সদস্যসকল, শিক্ষক, পিতৃ-মাতৃ আদিয়ে উৎসাহ-উদ্‌গনি যোগোৱাটো অত্যন্ত প্ৰয়োজন।
- **যৌন বিকাশৰ ভূমিকা নিদৰ্শনৰ সময়** (A period of Development Sex-role Typing) ঃ শিশুসকলে কৰ্ম কৰাৰ সমৰ্থতা অৰ্জন কৰাৰ সময়তে যৌন

ভূমিকা নির্ণয়ৰ উমান পায়। আজিকালি নতুন মাধ্যমবোৰো এই নিদর্শন প্রক্রিয়াত গুৰুত্বপূর্ণ ভূমিকা পালন কৰিবলৈ লৈছে। **'যৌন ভূমিকা নিদর্শন'** মানে হ'ল এবিধ যৌনতাৰ কাৰণে অনুমোদিত ভূমিকালৈ নিশ্চিতকৰণৰ শিক্ষণ। শিশুসকলে তিনিটা সাধাৰণ পদ্ধতিৰ মাধ্যমত যৌন ভূমিকা পালন কৰিবলৈ শিকে; যথা— অনুকৰণ, চিনাক্তকৰণ আৰু শিশু প্রশিক্ষণৰ দ্বাৰা। যৌন ভূমিকা নিদর্শনে শিশুসকলৰ আচৰণত গভীৰভাৱে প্রভাৱ পেলায়।

শেহতীয়া বাল্যকালৰ যৌন নিদর্শন প্রক্রিয়াত বিশিষ্টপূর্ণ ভূমিকা পালন কৰা শক্তিবোৰ হ'ল— শিক্ষকসকল, বিদ্যালয়ৰ বিষয়বোৰ, গণমাধ্যম, কিতাপবোৰ, সমনীয়াৰ দলসমূহ ইত্যাদি। যৌন ভূমিকা নিদর্শনে শিশুসকলৰ আচৰণ আৰু আত্মা মূল্যায়ন দুয়োটাতে গুৰুত্বপূর্ণ পদ্ধতিৰে প্রভাৱ পেলায়। এই সময়ছোৱাত শিশুসকলে কাপোৰ-কানি আৰু চালচলনৰ মাধ্যমত যৌন প্রকৃত পক্ষতা চিহ্নিতকৰণত সৃষ্টিশীল ধাৰণা আনিবলৈ প্রচেষ্টা চলায়।

যৌন ভূমিকা নিদর্শন মানে হ'ল— দুই বিপৰীত লিংগৰ সদস্যসকলৰ বাবে ধার্য কৰা আচৰণ। ইয়াৰ লগতে সেই ব্যক্তিবিশেষ কোন গোটত অন্তর্ভুক্ত আৰু সেই গোটটিৰ গ্রহণযোগ্যতা আৰু অনুমোদনৰ কথাটিও জড়িত হৈ থাকে।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ শেহতীয়া বাল্যকালৰ পাঁচটা প্রধান বৈশিষ্ট্য উল্লেখ কৰক ।

.....

.....

৫.৩.২ শেহতীয়া বাল্যকালৰ সমস্যাসমূহ

শেহতীয়া বাল্যকালৰ সময়ছোৱাৰ সৈতে জড়িত হৈ থকা সংকট অৱস্থা বা সমস্যাসমূহ জনাটোও আমাৰ বাবে গুৰুত্বপূর্ণ। কিছুমান সাধাৰণ সমস্যা বাল্যকালৰ আৰম্ভণিৰ পৰা হোৱা দেখা যায়; কিন্তু পৰৱর্তী সময়ত ই নতুন গতি লয়। আনবোৰ হ'ল— শিশুসকলৰ বিদ্যালয়লৈ যাবলৈ লোৱাৰ পাচৰ জীৱন ধাৰণ প্রণালীৰ পৰিৱর্তন অহাৰ সময়ত আৰম্ভ হয়। শেহতীয়া বাল্যকালৰ সমস্যাসমূহক প্রধানতঃ দুটা ভাগত ভাগ কৰি ল'ব পাৰি। যথা— ক) শাৰীৰিক সংকট বা সমস্যা, খ) মনোবৈজ্ঞানিক সমস্যা।

- **শাৰীৰিক সংকট বা সমস্যাসমূহ** (Physical Hazards) ঃ চিকিৎসা বিজ্ঞানৰ অভূতপূর্ব সাফল্যৰ কাৰণে শেহতীয়া বাল্যকালৰ শিশুৰ মৃত্যু আগতকৈ যথেষ্ট ভাবে কম হোৱা দেখা যায়। যিয়েই নহওক এই সময়ছোৱাৰ শিশুৰ

মৃত্যুৰ ক্ষেত্ৰত দুৰ্ঘটনাসমূহে অৱিহণা যোগায়। আগতে এই সময়ছোৱাৰ শিশুৰ বাবে যিখিনি শাৰীৰিক সমস্যা আছিল বৰ্তমান সেইবোৰ কমি গৈছে। ইয়াৰ প্ৰধান কাৰণ হ'ল শাৰীৰিক সক্ষমতা বৃদ্ধি। শেহতীয়া বাল্যকালৰ প্ৰধান শাৰীৰিক সমস্যাসমূহৰ বিষয়ে তলত আলোচনা কৰা হ'ল—

- **বেমাৰ-আজাৰ** (Illness) ঃ বাল্যকালৰ শিশুসকলৰ বেমাৰ-আজাৰবোৰৰ নিৰাময়ৰ বিশেষধৰণৰ চিটা (টিকা) বা বেজি দিয়াৰ ব্যৱস্থা কৰা হৈছে আৰু এইবোৰ যথেষ্টভাৱে উপলব্ধ। ডাঙৰ শিশুবোৰে সাময়িক কাহ, চৰ্দি আৰু পেটফুলা আদি বেমাৰত ভোগা দেখা যায়। শেহতীয়া বাল্যকালৰ শিশুৰ জীৱনত বেমাৰৰ মনোবৈজ্ঞানিক প্ৰভাৱ জটিল হৈ পৰাৰ সম্ভাৱনা থাকে। বেমাৰ-আজাৰবোৰৰ প্ৰকোপত শিশুবোৰৰ জীৱন ধাৰণ অসহনীয় হৈ পৰা দেখা যায়। তেওঁলোকে যদি অধিক সময় বেমাৰ-আজাৰত ভুগি থাকে তেতিয়া তেওঁলোকৰ বিদ্যালয়ৰ কাম-কাজ ব্যাহত হয় আৰু সমনীয়া দলৰ শিশুবোৰতকৈ পিছ পৰি যায়, বিশেষকৈ শিক্ষণৰ ক্ষেত্ৰত। কেতিয়াবা কেতিয়াবা শিশুসকলৰ পিতৃমাতৃসকল বেমাৰ-আজাৰবোৰৰ ক্ষেত্ৰত অতিষ্ঠ হৈ পৰা দেখা যায়; কাৰণ ইয়াৰ ফলত তেওঁলোকৰ কাম-কাজৰ খতি হোৱাৰ লগতে আৰ্থিক ক্ষতিও হয়।

  শেহতীয়া বাল্যকালৰ শিশুবোৰৰ বেমাৰ-আজাৰবোৰ সঁচা যদিও কেতিয়াবা কেতিয়াবা কোনো কোনো শিশুৱে বিদ্যালয়লৈ যাবলৈ মন নথকাৰ কাৰণে বেমাৰৰ ভাও ধৰা দেখা যায়। কিছুমান শিশুৱে কল্পনা-প্ৰসূতভাৱেও বেমাৰ হোৱা বুলি ভাবে। তেনে কৰিলে তেওঁলোকে নিয়মীয়া কাম-কাজ কৰিব নলগা হয়, ঘৰুৱা নিয়ম কানুনৰ পৰা ৰেহাই পায় আৰু অভিভাৱকসকলৰ পৰা অধিক মৰম, সহানুভূতি আৰু মনোযোগ লাভ কৰে। কোনো কোনো শিশুৱে মাক-দেউতাকৰ দুৰ্বলতাৰ সুযোগ লৈ মাজে-সময়ে এনে ধাৰণাৰ সৃষ্টি কৰি থাকে যাতে তেওঁলোকে নিয়মীয়া কাম-কাজ আৰু অনিচ্ছাকৃত কাম-কাজত সোমাই পৰাৰ পৰা ৰেহাই পায়।

- **লোধোমা গা** (Obesity) ঃ শেহতীয়া বাল্যকালৰ কিছুমান শিশু লোধোমা হোৱা দেখা যায়। আচলতে লোধোমা হোৱাৰ কাৰণ গ্ৰন্থিৰ অৱস্থা যদিও অতি বেছি আহাৰ গ্ৰহণ কৰা শিশুবোৰো লোধোমা হয়। অধ্যয়নৰ ফলত পোৱা গৈছে যে তেনেবোৰ শিশুৱে খৰকৈ খায়, ডাঙৰ টুকুৰা বিচাৰে আৰু বন্ধু-বান্ধৱৰ পৰা দ্বিতীয় বা তৃতীয়বাৰৰ বাবে সহায় বিচাৰে। বয়সীয়া শিশুৰ ক্ষেত্ৰত দেখা পোৱা লোধোমা অৱস্থাটো অকল

স্বাস্থ্যৰ ক্ষেত্ৰতে পৰিলক্ষিত নহয়, তেওঁলোকৰ মধুমেহ হ'ব পাৰে, সামাজিক কাৰণৰ অভাৱ হ'ব পাৰে, খেল-ধেমালিত অংশগ্ৰহণ নকৰা হ'ব পাৰে, খেলৰ কৌশল আয়ত্ত কৰিব নোৱাৰিব পাৰে। এনে অৱস্থা হ'লে খেলৰ লগৰীয়াসকলে তেওঁলোকক ব্যংগ নামেৰে নামকৰণ কৰি মতা দেখা যায় যাৰ ফলত তেনে শিশুৱে নীচাত্মিকা মনোভাৱৰ দ্বাৰা প্ৰভাৱিত হয়।

- **যৌনতা— অনুপযুক্ত শাৰীৰিক গঠন** (Sex – Inappropriate Body Build) ঃ কেতিয়াবা ছোৱালীবোৰৰ গাৰ গঠন উভয়পক্ষৰ দৰে হয় আৰু ল'ৰাৰ শাৰীৰিক গঠন ছোৱালীৰ দৰে হোৱা দেখা যায়। তেনে অৱস্থাৰ ল'ৰা-ছোৱালীবোৰক সমনীয়া বন্ধুবোৰে ইতিকিং কৰে আৰু বয়স্কসকলে পুতৌৰ চকুৰে চায়। ইয়াৰ ফলত তেনে ল'ৰা-ছোৱালীৰ ব্যক্তিগত আৰু সামাজিক অপসমাযোজন ঘটে। তুলনামূলকভাৱে যৌনতা উপমুক শাৰীৰিক গঠনে সুসমাযোজনত সহায় কৰে।
- **দুৰ্ঘটনা** (Accident) ঃ শেহতীয়া বাল্যকালৰ শিশুৰ বাবে দুৰ্ঘটনাসমূহে শাৰীৰিক সমস্যা হিচাপে দেখা দিয়ে। দুৰ্ঘটনাবোৰে শাৰীৰিক ক্ষেত্ৰত স্থায়ী চাপ নেপেলায় যদিও মনোবৈজ্ঞানিক দিশত ইয়াৰ প্ৰভাৱ দ্ৰুততৰ। ডাঙৰ শিশুবোৰে সৰু শিশুবোৰৰ দৰে দুৰ্ঘটনাৰ ক্ষেত্ৰত অ-সতৰ্ক নহয়। তেওঁলোকে কিছু পৰিমাণে সজাগতা অৱলম্বন কৰা দেখা যায়। এনেধৰণৰ ধাৰণাৰ প্ৰভাৱ শিশুসকলৰ পৰৱৰ্তী জীৱনলৈও থাকি যায় আৰু আচৰণত প্ৰদৰ্শিত হয়। এনেকুৱা ঘটনা সংঘটিত হ'লে ই সাধাৰণীকৰণ হয় আৰু ইয়াৰ প্ৰভাৱ সামাজিক সম্বন্ধ, বিদ্যালয় কৰ্ম আৰু ব্যক্তিত্বত প্ৰতিফলিত হোৱা দেখা যায়।

  কেতিয়াবা দুৰ্ঘটনাবোৰে শাৰীৰিক ক্ষেত্ৰত স্থায়ী ক্ষতি সাধন কৰে আৰু এইবোৰে শিশুৰ জীৱনত শাৰীৰিকৰ লগতে মনোবৈজ্ঞানিক সমস্যাসমূহ তথা অপসমাযোজন আনি দিয়ে।
- **শাৰীৰিক অসমৰ্থতা** (Physical Disabilities) ঃ সাধাৰণভাৱে বহুবোৰ শাৰীৰিক অসমৰ্থতা ল'ৰা-ছোৱালীৰ জীৱনত দুৰ্ঘটনাৰ পাচৰ ফলশ্ৰুতি বুলি ক'ব পাৰি। দুৰ্ঘটনাৰ পাচৰ প্ৰভাৱ বহু পৰিমাণে নিৰ্ভৰ কৰে অসমৰ্থতাৰ গভীৰতাৰ ওপৰত আৰু আনে শিশুসকলক কেনেধৰণেৰে চায়, বিশেষকৈ সমনীয়া দলৰ সদস্যসকলে। বেছিভাগ অসমৰ্থ শিশু সামাজিক অৱস্থাত বেমাৰী আৰু বাধাপ্ৰাপ্ত হয়। ইয়াৰ ফলত তেওঁলোকে নিম্নমানৰ সামাজিক সমাযোজনৰ সন্মুখীন হয় আৰু তেওঁলোকৰ ব্যক্তিগত সমাযোজনো বিঘ্নিত হয়।

- **মস্কিলবা টান অৱস্থা** (Awkwardness) ঃ ডাঙৰ শিশুবোৰে তেওঁলোকৰ সমবয়সীয়াসকলৰলগত নিজকে তুলনা কৰিচায় আৰু তেওঁলোকে মস্কিল বা টান অৱস্থাটো আৱিষ্কাৰ কৰে।তেওঁলোকৰ খেলৰ লগৰীয়াসকলে যি কৰে তাৰ পৰা নিজকে বচাবলৈ চেষ্টা কৰে বা খেলৰ সময়ত তেওঁলোকৰ পৰা নিজকে আঁতৰত ৰাখে। ইয়াৰ ফলত তেনেধৰণে থকা শিশুবোৰে খেলৰ বন্ধুসকলতকৈ নিজকে হীনমানৰ বুলি ভাবিবলৈ ধৰে।

শিশুৰ খেলাত আৰু বিদ্যালয়ত চালিত শক্তিৰ কৌশলে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। জটিলতাপূৰ্ণ শিশুৱে বিভিন্ন অৱস্থাত তেওঁলোকৰ জটিল অৱস্থাটো জানিবলৈ সক্ষম হয় আৰু নিজৰ লগতে আনকো অস্বস্তিৰ সন্মুখীন ঘটায়। ই শিশুসকলৰ অপ্ৰতুল অনুভূতিসমূহত প্ৰভাৱ পেলাই আৰু তাৰ ফলত শিশুসকলৰ মনত নীচাত্মিক ভাৱৰ আধাৰশিলা স্থাপন হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ শেহতীয়া বাল্যকালৰ প্ৰধান শাৰীৰিক সমস্যাসমূহ উল্লেখ কৰক।

.....

.....

- **মনোবৈজ্ঞানিক সমস্যাসমূহ বা সংকট** (Psychological Hazards) ঃ শেহতীয়া বাল্যকালৰ মনোবৈজ্ঞানিক সংকট বা সমস্যাসমূহে প্ৰধানতঃ শিশু-সকলৰ সামাজিক সমাযোজনত পৰিৱৰ্তন ঘটায়।মূলতঃ এই অৱস্থাটোক কেন্দ্ৰ কৰি প্ৰধান বিকাশমূলক কৰ্মৰাজি কেন্দ্ৰীভূত হয়। শিশুসকলৰ ব্যক্তিগত সমাযোজনত ইয়াৰ শক্তিশালী প্ৰভাৱ পৰাৰ লগতেই বিকাশমুখী ব্যক্তিত্বত প্ৰতিফলন ঘটায়। গুৰুত্বপূৰ্ণ মনোবৈজ্ঞানিক সংকট তথা সমস্যাসমূহৰ বিষয়ে তলত আলোচনা কৰা হ'ল—

- **কথাৰ সমস্যা বা সংকট** (Speech Hazard) ঃ শেহতীয়া বাল্যকালৰ সময়ছোৱাত কথা তথা ভাষাৰ ক্ষেত্ৰত চাৰিটা সংকটাৱস্থা দেখিবলৈ পোৱা যায়। সেইকেইটা হ'ল— ১) গড় অনুপাততকৈ কম সংখ্যক ভাষিক বিকলাংগ শিশুৰ বিদ্যালয় কৰ্মৰ ক্ষেত্ৰত আনৰ সৈতে যোগাযোগ সন্দৰ্ভত; ২) কথা বৈ যোৱা, যেনে— উচ্চাৰণৰ ভুল আৰু ব্যাকৰণৰ

ভুল আৰু ভাষিক অসুবিধা, যেনে— খোনা বা অস্পষ্টতা; ৩) যিসকল শিশুৱে বিদ্যালয়ৰ পৰিৱেশত ভাষা কোৱাৰ ক্ষেত্ৰত জটিলতা পায়, যোগাযোগ কৰাৰ ক্ষেত্ৰত তেওঁলোকে কৰা প্ৰচেষ্টাসমূহ বিকলাংগ হ'ব পাৰে আৰু তেওঁলোকে নিজকে 'ভিন্নধৰ্মী' বুলি অনুভৱ কৰিব পাৰে; ৪) 'মইবৰ' কেন্দ্ৰিক কথা আৰু জটিল মতামতসমূহ।

- **আৱেগিক সংকট** (Emotional Hazard) ঃ শিশুসকলে অগ্ৰহণযোগ্য আৱেগ প্ৰকাশ কৰিবলৈ তেওঁলোকক বন্ধুবৰ্গ আৰু বয়স্ক দুয়োটা স্তৰতে অপৰিপক্ক বুলি ভবা হয়। শিশুসকলে যদি অপ্ৰয়োজনীয় খং আৰু ঈৰ্ষা নিজৰ মাজতে চাপ দি ৰাখে তেন্তে তেনে শিশু আনন্দহীন হোৱাৰ লগতে আৱেগিক সংকটৰ সন্মুখীন হ'ব পাৰে।
- **সামাজিক সংকট** (Social Hazard) ঃ সমাজত পাঁচবিধ শিশু আছে যিবোৰে সামাজিক সংকটৰ দ্বাৰা প্ৰভাৱিত হয়। প্ৰথমতে, যিবিলাক শিশুক সমনীয়াৰ দলে অগ্ৰাহ্য কৰে বা অনাদৰ কৰে আৰু সামাজিক হোৱাৰ বাবে কোনোধৰণৰ সুবিধা নেপায়। দ্বিতীয়তে, যিবিলাক শিশুৱে স্বইচ্ছাই মাজে-সময়ে অকলশৰীয়া হৈ থাকে সমনীয়াৰ দলৰ পৰা আৰু সমনীয়াৰ দলে তেওঁলোকক গ্ৰহণ নকৰিব বুলি ভাবি লয়। তৃতীয়তে, যিসকল শিশুৱে সামাজিকভাৱে বা ভৌগালিকভাৱে ঘূৰি ফুৰে তেওঁলোকে ইতিমধ্যে গঠন হোৱা জটিলতাপূৰ্ণ দলৰ অন্তৰ্ভুক্ত হৈ পৰে। চতুৰ্থতে, যিবিলাক শিশুৰ বিৰুদ্ধে তেওঁলোকৰ জাত বা ধৰ্মৰ ৰক্ষণশীল দল থাকে। পঞ্চমতে, যিবিলাক শিশু বেয়া পোৱা দলীয় সদস্যসকলৰ মাজত নেতা হোৱাৰ ধাৰণাৰ দ্বাৰা বশৱৰ্তী হয়।
- **খেলৰ সংকট** (Play Hazard) ঃ যিবিলাক শিশুৱে সামাজিক ধাৰাৰ লগত মিলিব নোৱাৰে তেনেবোৰ শিশুৱে দলানুগত্যৰ মাধ্যমত চলা খেল-ধেমালিত অংশগ্ৰহণ কৰাৰ ক্ষেত্ৰত বাধাপ্ৰাপ্ত হয়। যিবিলাক শিশুৱে কল্পনা কৰাৰ ক্ষেত্ৰত অনুৎসাহিত হয় তেওঁলোকে ভাবে যে ই হ'ল 'সময়ৰ অপচয়' বা সৃষ্টিশীল কৰ্মৰাজিৰ বাহিৰত। তেওঁলোকে তেনেধৰণেৰে অভ্যাস গঠন কৰি লয়।
- **ধাৰণাকৃত সমস্যা** (Conceptual Hazard) ঃ যিবিলাক শিশুৱে আত্মধাৰণা আদৰ্শকৃত কৰে তেওঁলোক নিজস্বভাবেই অসন্তুষ্ট। আনে তেওঁলোকক ভাবি লোৱা ধাৰণাটোৰ ওপৰতো তেওঁলোক সজাগ। যেতিয়া তেওঁলোকৰ সামাজিক ধাৰণা লৰক-ফৰক বা উঠা-নমা হয় তেতিয়া তেওঁলোকে আনৰ প্ৰতি দেখুওৱা মনোভাৱত বৈষম্য আহি পৰে। কাৰণ তেনেধৰণৰ ধাৰণাবোৰ আৱেগিকভাৱে জুখিবলৈ বিচৰা

হয়। এনেধৰণৰ অৱস্থাবোৰে শিশুসকলৰ সামাজিক সমাযোজনত ক'ব নোৱাৰাকৈয়ে অবিৰতভাৱে প্ৰভাৱ পেলায়।

- **নৈতিক সমস্যা বা সংকট** (Moral Hazard) ঃ শেহতীয়া বাল্যকালৰ আচৰণ আৰু নৈতিক ধাৰণাৰ বিকাশৰ সৈতে সাধাৰণতে ছয়বিধ সংকট জড়িত হৈ থাকে। সেইবোৰ হ'ল— ১) নৈতিক আইন বিকাশৰ ক্ষেত্ৰত সমনীয়া দল বা গণ মাধ্যমৰ ধাৰণাৰ সত্য আৰু অসত্যৰ আধাৰ বয়স্ক আইনৰ সৈতে ইফাল-সিফাল নহ'বও পাৰে। ২) আচৰণৰ ওপৰত আভ্যন্তৰীণ নিয়ন্ত্ৰণ হিচাপে বিবেক বিকাশৰ ক্ষেত্ৰত অকৃতকাৰ্য। ৩) অসংগত অনুশাসনে শিশুসকলক তেওঁলোকে কৰিবলৈ বিচৰা কৰ্মৰাজিৰ ক্ষেত্ৰত নিশ্চিত নকৰে। ৪) শাৰীৰিক শাস্তিয়ে শিশুসকলৰ আক্ৰমণাত্মক ভাৱধাৰাত আৰ্হি হিচাপে সেৱা আগবঢ়ায়। ৫) অসংগত আচৰণসমূহক সমনীয়াৰ দলে স্বীকৃতি প্ৰদান কৰাৰ ফলত অভ্যাসগত হোৱাত সন্তুষ্টি লাভ। ৬) আনে কৰা ভুল কৰ্মৰ ক্ষেত্ৰত অধৈৰ্য হোৱা।
- **আগ্ৰহৰ সৈতে আনুষংগিক সমস্যা** (Hazards Associated with Interests) ঃ শিশুসকলৰ আগ্ৰহৰ সৈতে সাধাৰণভাৱে দুবিধ সমস্যা জড়িত হৈ থাকে; যেনে, প্ৰথমতে একে বয়সৰ সংগীসকলে যিটো গুৰুত্ব পূৰ্ণ বুলি ভাৱে সেয়া তেওঁ গুৰুত্বপূৰ্ণ বুলি নাভাবিব পাৰে আৰু দ্বিতীয়তে, বয়ষৰ বিপৰীতে বেলেগ ধৰণৰ বিষয়ৰ প্ৰতি আগ্ৰহান্বিত হ'ব পাৰে। কিন্তু সেয়া তেওঁলোকৰ বাবে মূল্যবান ৰূপেও চিহ্নিত হ'ব পাৰে। বিশেষকৈ স্বাস্থ্য বা বিদ্যালয়ৰ ক্ষেত্ৰত।
- **যৌন ভূমিকা নিদৰ্শনৰ সংকটসমূহ** (Hazards in Sex-Role-Typing) ঃ শেহতীয়া বাল্যকালৰ সময়ছোৱাত সাধাৰণভাৱে দুবিধ যৌন ভূমিকা নিদৰ্শনৰ সংকট দেখিবলৈ পোৱা যায়। সেই দুটা হ'ল— ১) তেওঁলোকৰ সমনীয়া বন্ধুৰ যৌন ভূমিকাৰ উপাদানসমূহ যথাযথ শিকাৰ ক্ষেত্ৰত অসমৰ্থ হোৱা, ২) স্বীকৃতিপ্ৰাপ্ত যৌন ভূমিকা লোৱাৰ ক্ষেত্ৰত অনিচ্ছা প্ৰকাশ।
- **পৰিয়ালত সম্বন্ধ স্থাপনৰ সংকট** (Family Relationship Hazard) ঃ পৰিয়ালৰ সদস্যসকলৰ মাজত সংঘটিত হোৱা বিবাদৰ দুবিধ জটিল ফলশ্ৰুতি থাকে; যথা— ১) ই পৰিয়ালৰ বান্ধোন দুৰ্বল কৰে, ২) এনে শিশুৱে পৰিয়ালকেন্দ্ৰিক সমস্যা ঘৰৰ বাহিৰলৈ উলিয়াই নিব পাৰে।
- **ব্যক্তিত্ব বিকাশৰ সংকটসমূহ** (Hazards in Personality Development) ঃ শেহতীয়া বাল্যকালৰ সময়ছোৱাত ব্যক্তিত্ব বিকাশৰ ক্ষেত্ৰত দুবিধ জটিল সংকট দেখিবলৈ পোৱা যায়। সেই দুটা হ'ল— প্ৰথমতে, অগ্ৰহণযোগ্য আত্ম-ধাৰণাৰ বিকাশ, যিয়ে আত্ম-অগ্ৰাহ্যকৰণত নেতৃত্ব

প্রদান কৰে; দ্বিতীয়তে, আগতীয়া বাল্যকালৰ পৰা 'মই বৰ' ভাব কঢ়িয়াই লোৱা। 'মই বৰ' ভাব হ'ল বৰ গুৰুতৰ, কাৰণ ই শিশুসকলক তেওঁলোকৰ গুৰুত্বতাত বিপৰীত অনুভৱ আনি দিয়ে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ শিশুসকলৰ পাঁচবিধ মনোবৈজ্ঞানিক সংকটৰ বিষয়ে উল্লেখ কৰক।

.....

.....

.....

.....

.....

৫.৪ শেহতীয়া বাল্যকালৰ শৈক্ষিক গুৰুত্ব

আমি ইতিমধ্যে শেহতীয়া বাল্যকালৰ প্রধান দিশসমূহৰ বিষয়ে অধ্যয়ন কৰিলোঁ। এতিয়া আমি এই সময়ছোৱাৰ শৈক্ষিক গুৰুত্বতাৰ বিষয়ে অধ্যয়ন কৰিম। এই সময়ছোৱাক শিশুসকলৰ গঠনৰ বয়স হিচাপে জনা যায়। শিশুসকলে এই সময়ত প্রাথমিক দৃষ্টিভংগী, মূল্যবোধ আৰু মনৰ ভাব অথবা ধাৰণা বিকশিত কৰে। এই ক্ষেত্রত অভিভাৱক, শিক্ষকসকল আৰু সমাজকর্মীসকলে গুৰুত্বপূর্ণ ভূমিকা পালন কৰিবলগীয়া হয়। শেহতীয়া বাল্যকালটোক ব্যক্তিৰ জীৱনৰ সুখময় সময় কৰি তুলিব পৰা যায়।

অভিভাৱকসকল, শিক্ষকসকল আৰু বিদ্যালয় কর্তৃপক্ষসমূহৰ শিশুসকলৰ বিকাশৰ ক্ষেত্রত কিছুমান বিশেষ ধৰণৰ দায়িত্ব আছে। সেই দায়িত্ব পালন কৰাৰ অর্থে তেখেতসকলে তলত উল্লেখ কৰা পদক্ষেপসমূহ ল'ব পাৰে—

- **স্বাস্থ্যকৰ পাৰিপার্শ্বিক অৱস্থা** (Healthy atmosphere) ঃ অভিভাৱক আৰু শিক্ষক -দুয়োটা পক্ষই ঘৰ আৰু পৰিয়ালত সুন্দৰ পৰিৱেশ গঢ়ি তোলাৰ বাবে চেষ্টা কৰিব লাগিব। তেওঁলোকে শিশুসকলৰ সর্বাংগীন বিকাশৰ অর্থে স্বাস্থ্যকৰ আৰু সুৰক্ষিত পৰিৱেশ গঢ়ি তুলিবলৈ সমর্থবান হ'ব লাগিব। শিশুসকলৰ বাবে ঘৰখন সুৰক্ষিত আৰু সুমধুৰ হোৱা দর্কাৰ। বিদ্যালয়তো শিশুসকলে সুৰক্ষিত হৈ থকাৰ অনুভৱ কৰিব পৰাৰ অৱস্থা সৃষ্টি হোৱা দর্কাৰ।
- **প্রকৃত শাৰীৰিক বিকাশ সাধন** (Proper Physical Development) ঃ প্রকৃতার্থত শিশুসকলৰ বিকাশৰ বাবে ঘৰখন আৰু বিশেষভাৱে বিদ্যালয়ে বিভিন্ন

আদিৰ দৰে আৱেগবোৰ প্ৰকৃতভাৱে চোৱাচিতা কৰিব লাগিব। বয়স্কসকলে শিশুসকলক খং আৱেগৰ দ্বাৰা আক্ৰান্ত হোৱাৰ সময়ত নিয়ন্ত্ৰণ কৰাৰ চেষ্টা কৰিব লাগিব। অভিভাৱক আৰু শিক্ষকসকলে শিশুসকলক অৱগত কৰাব লাগিব যে প্ৰাথমিক ভয়বোৰ ভালভাৱে পোৱা বস্তু নহয়। শিশুসকলক উৎসাহিত কৰিব লাগিব যাতে তেওঁলোকে ভয়ৰ বিৰুদ্ধে সাহসী পদক্ষেপ ল'ব পাৰে আৰু মানসিক ভাৰসাম্যতা ৰক্ষা কৰিব পাৰে।

- **সৃষ্টিশীল বিকাশ** (Developing the Creative Talent) ঃ শিশুসকলৰ মনত সৃষ্টিশীল প্ৰবৃত্তি এই সময়ছোৱাতে গঢ় লৈ উঠে। এই সময়ৰ শিশুসকলৰ ইচ্ছা হ'ল কিছু নতুন বস্তু সৃষ্টি কৰা, কিছু পৰিমাণে মহত্ব অৰ্জন কৰা। শিশুসকলক এই সময়ছোৱাত বিদ্যালয় প্ৰদৰ্শনী, প্ৰাচীৰ আলোচনী বা প্ৰাচীৰ পত্ৰিকা, শিশু মেলা, বিদ্যালয় পৰ্ব, বিজ্ঞান প্ৰদৰ্শনী, ইত্যাদিবোৰত অংশগ্ৰহণ কৰাৰ সুবিধা দিয়াৰ লগতে সংগঠিত কৰাৰ সুবিধাও দিব লাগে। এনেধৰণৰ সুবিধা পালে তেওঁলোকে বিকাশৰ প্ৰকৃত উদ্দেশ্যত উপনীত হ'ব পাৰিব।
- **নৈতিক প্ৰশিক্ষণ** (Moral Training) ঃ শেহতীয়া বাল্যকালৰ শিশুবোৰে সমনীয়া দলৰ সদস্যসকলৰ মাধ্যমত নৈতিক ভাৱধাৰাৰ লগত চিনাকি হ'বলৈ সক্ষম হয়। তেওঁলোকে নিজ নিজ ধাৰণাৰ মাধ্যমতো নৈতিক আদৰ্শৰ উমান পায়। যিহেতু এই সময়ছোৱা শিশুৰ জীৱনৰ গাঁঠনিক সময়, সেয়েহে এই সময়ছোৱাতে অভিভাৱক আৰু শিক্ষকসকলে শিশুসকলৰ মনত আধ্যাত্মিক আৰু ধৰ্মীয় ধাৰণাৰ বীজ সিঁচি দিবলৈ যত্নৱান হোৱা উচিত। শিশুসকলৰ মনত প্ৰকৃত মূল্যবোধৰ ধাৰণাই যাতে ঠাই পায় তালৈ লক্ষ্য ৰাখি বিশ্বৰ অগ্ৰদূতসকলৰ লগতে মহৎ লোকবোৰৰ জীৱনীৰ জ্ঞান দিয়াৰ ব্যৱস্থা কৰিব লাগে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ পৰৱৰ্তী বাল্যকালৰ সময়ছোৱাত শিশুসকলৰ সৰ্বাংগীণ বিকাশৰ বাবে শিক্ষকসকলে কেনেধৰণৰ পদক্ষেপ ল'ব পাৰে? (চাৰিবিধ পদক্ষেপৰ বিষয়ে উল্লেখ কৰক)

.....

.....

.....



৫.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- শেহতীয়া বাল্যকালৰ সময়ছোৱাত ৬ বছৰৰপৰা ১২ বছৰলৈ সামৰি লোৱা সময়। এই সময়ছোৱাক অভিভাৱকসকলে 'সমস্যাযুক্ত সময়' বা 'কাজিয়া কৰাৰ সময়', শিক্ষক-সকলে 'প্ৰাথমিক বিদ্যালয়ৰ সময়' আৰু মনোবিজ্ঞানীসকলে 'দলানুগত্যৰ সময়' বা 'সৃষ্টিশীল সময়' বা 'খেলৰ সময়' বুলি অভিহিত কৰা দেখা যায়।
- শেহতীয়া বাল্যকাল হ'ল শাৰীৰিক গঠনৰ সময় যিটো ধীৰ আৰু সম্বন্ধিতভাৱে বিভিন্ন উপাদানৰ দ্বাৰা প্ৰভাৱিত।
- এই সময়ছোৱা সৰ্বাংগসুন্দৰ আৰু কৃত্ৰিম পূৰ্ণতাপ্ৰাপ্তৰ সময়। ই শিশুসকলৰ ব্যক্তিগত আৰু সামাজিক সমাযোজনত গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলাই চিহ্নিত কৰে।
- শেহতীয়া বাল্যকালৰ প্ৰধান বৈশিষ্ট্যসমূহ হ'ল—

১	শাৰীৰিক বিকাশৰ সময়	৮	আৱেগিক বিকাশৰ সময়
২	বৌদ্ধিক সামৰ্থতা বিকাশৰ সময়	৯	ধাৰণা বিকাশৰ সময়
৩	শিকিবলৈ দক্ষতা আহৰণৰ সময়	১০	সমকামিতা বিকাশৰ সময়
৪	সামাজিক বিকাশৰ সময়	১১	গঠনমূলক প্ৰবৃত্তি বিকাশৰ সময়
৫	বহিঃ প্ৰকৃতি বিকাশৰ সময়	১২	আগ্ৰহ বিকাশৰ সময়
৬	এই সময়ছোৱা খেলৰ বয়স	১৩	সৃষ্টিশীলতা বিকাশৰ সময়
৭	দলানুগত্যৰ বয়স	১৪	যৌন ভূমিকা নিদৰ্শন বিকাশৰ সময়

- শেহতীয়া বাল্যকালৰ সংকটসমূহ হ'ল—

ক) শাৰীৰিক সমস্যা ঃ

১	বেমাৰ-আজাৰ	৪	দুৰ্ঘটনা
২	লোধোমা গা	৫	শাৰীৰিক অক্ষমতা
৩	যৌন অনুপযুক্ত শাৰীৰিক গঠন	৬	মুস্কিল বা টান অৱস্থা

খ) মনোবৈজ্ঞানিক সমস্যা ঃ

১	কথাৰ সমস্যা বা সংকট	৬	নৈতিক সমস্যা বা সংকট
২	আৱেগিক সমস্যা	৭	আগ্ৰহৰ সৈতে আনুষংগিক সমস্যা
৩	সামাজিক সমস্যা	৮	যৌন ভূমিকা নিদৰ্শনৰ সমস্যাসমূহ
৪	খেলৰ সমস্যা	৯	পৰিয়ালত সম্বন্ধ স্থাপনৰ সমস্যা
৫	ধাৰণাকৃত সমস্যা	১০	ব্যক্তিত্ব বিকাশৰ সংকটসমূহ

- এই সময়ছোৱা যিহেতু মানৰ জীৱনৰ বাবে গুৰুত্বপূৰ্ণ সময় সেয়েহে অভিভাৱক আৰু শিক্ষকসকলে শিশুসকলৰ সৰ্বাংগীন বিকাশৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিবলগীয়া হয়। শিশুসকলৰ সৰ্বাংগীণ বিকাশৰ অৰ্থে তেওঁলোকে তলত দিয়া পদক্ষেপসমূহ ল'ব পাৰে—

১ স্বাস্থ্যকৰ পাৰিপাৰ্শ্বিক অৱস্থা
২ প্ৰকৃত শাৰীৰিক বিকাশ সাধন
৩ অতিৰিক্ত স্নায়ু সম্বন্ধীয়
৪ দলীয় প্ৰতিযোগিতাসমূহৰ সংগঠন।
৫ প্ৰকৃত আৱেগিক বিকাশ
৬ সৃষ্টিশীল নিপুণতাৰ বিকাশ
৭ নৈতিক প্ৰশিক্ষণ



৫.৬ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১ বৰুৱা, যতীন ঃ *শিক্ষা মনোবিজ্ঞান*, গুৱাহাটী বিশ্ববিদ্যালয়।
২ ডেকা, শৰ্মা, ডেকা আৰু ভাগৱতী ঃ *শিক্ষা মনোবিজ্ঞানৰ আধাৰ*, অসম বুক ডিপো, গুৱাহাটী-১

ইংৰাজী গ্ৰন্থ ঃ

১ Mangal, S. K. : *Psychological Foundations of Education*, Prakash Borthers, Ludhiana
২ Bhatia, K. K. : *Foundation of Child Development*, Kalyani Publishers, New Delhi
৩ Goswami, G. : *Child Development and Child Care*, Arun Prakashan, Gauhati-1



৫.৭ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ ক) শুদ্ধ, খ) অশুদ্ধ, গ) অশুদ্ধ, ঘ) শুদ্ধ, ঙ) অশুদ্ধ

২নং প্ৰশ্নৰ উত্তৰ ঃ ক) শাৰীৰিক বিকাশৰ সময়
খ) বৌদ্ধিক সমৰ্থতা বিকাশৰ সময়
গ) শিকাৰ দক্ষতা আহৰণৰ সময়
ঘ) সামাজিক বিকাশৰ সময়
ঙ) দলানুগত্যৰ সময়

৩নং প্ৰশ্নৰ উত্তৰ ঃ ক) বেমাৰ-আজাৰ
খ) লোধোমা গা
গ) যৌন অনুপযুক্ত শাৰীৰিক গঠন
ঘ) দুৰ্ঘটনা
ঙ) শাৰীৰিক অসমৰ্থতা
চ) মস্কিল বা টান অৱস্থা

৪নং প্ৰশ্নৰ উত্তৰ ঃ ক) কথা কোৱাৰ সংকট
খ) আৱেগিক সংকট
গ) সামাজিক সংকট
ঘ) খেল-ধেমালিৰ সংকট

ঙ) ধাৰণাকৃত সংকট

৫নং প্ৰশ্নৰ উত্তৰ ঃ ক) গৃহ আৰু বিদ্যালয়ত স্বাস্থ্যকৰ পৰিৱেশ

খ) অতিৰিক্ত স্নায়ু সংগঠন

গ) দলীয় প্ৰতিযোগিতাৰ সংগঠন ঘ) নৈতিক প্ৰশিক্ষণ



৫.৮ আৰ্হি প্ৰশ্ন

(ক) চুটি প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন নং ১ ঃ শেহতীয়া বাল্যকালৰ বিষয়ে এটা টোকা লিখক।

প্ৰশ্ন নং ২ ঃ শেহতীয়া বাল্যকালৰ সময়ছোৱাত শিশুসকলৰ শাৰীৰিক বিকাশৰ বিষয়ে চমুকৈ লিখক।

প্ৰশ্ন নং ৩ ঃ শেহতীয়া বাল্যকালৰ কালছোৱাত কিছুমান শিশুৰ লোধোমা গা হোৱাৰ কাৰণসমূহ কি কি?

প্ৰশ্ন নং ৪ ঃ শেহতীয়া বাল্যকালত কথা-বতৰাৰ ক্ষেত্ৰত দেখা পোৱা সাধাৰণ চাৰিটা সমস্যা কি কি?

প্ৰশ্ন নং ৫ ঃ শেহতীয়া বাল্যকালৰ শাৰীৰিক সমস্যা বুলিলে কি বুজে?

প্ৰশ্ন নং ৬ ঃ শেহতীয়া বাল্যকালৰ মানসিক বা মনোবৈজ্ঞানিক সমস্যা বুলিলে কি বুজে?

(খ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন নং ১ ঃ জীৱনৰ কোনটো স্তৰক শেহতীয়া বাল্যকালৰ স্তৰ বুলি কোৱা হয়? এই স্তৰক পূৰ্ব বাল্যকালৰ পৰা ভিন্ন বুলি চিহ্নিত কৰিব পাৰি? আলোচনা কৰক।

প্ৰশ্ন নং ২ ঃ শেহতীয়া বাল্যকালৰ প্ৰধান বৈশিষ্ট্যসমূহৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন নং ৩ ঃ শেহতীয়া বাল্যকালৰ বিশেষ সমস্যাৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন নং ৪ ঃ 'এইটো এটা জীৱনৰ গাঁথনিৰ সময়' -- পৰৱৰ্তী বাল্যকালটোক কিয় জীৱনৰ গাঁথনি সময় বুলি কোৱা হয়? শেহতীয়া বাল্যকালৰ শিশুৰ ক্ষেত্ৰত শিক্ষকৰ ভূমিকা কেনেধৰণৰ হোৱা দৰকাৰ? আলোচনা কৰক।

অধ্যায় ৬ঃ কৈশোৰ কাল

অধ্যায় গাঁথনি ঃ

৬.১ উদ্দেশ্য
৬.২ পৰিচয়
৬.৩ কৈশোৰ কালৰ ধাৰণা
৬.৩.১ কৈশোৰ কালৰ বৈশিষ্ট্যসমূহ
৬.৩.২ কিশোৰ- কিশোৰীৰ মূল প্ৰয়োজনসমূহ
৬.৩.৩ কৈশোৰ কালৰ সমস্যাসমূহ
৬.৩.৪ কিশোৰ- কিশোৰীৰ প্ৰতি পিতৃ-মাতৃ আৰু শিক্ষকৰ ভূমিকা
৬.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৬.৫ অধিক জানিবলৈ
৬.৬ অগ্ৰগতিৰ খতিয়ান
৬.৭ আৰ্হি প্ৰশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- কৈশোৰ কালৰ ব্যাখ্যা দাঙি ধৰিব পাৰিব
- কৈশোৰ কালৰ বৈশিষ্ট্যসমূহ চিনাক্তকৰণ কৰিব পাৰিব
- কিশোৰ-কিশোৰীৰ মূল প্ৰয়োজনসমূহৰ বৰ্ণনা দিব পাৰিব
- কৈশোৰ কালৰ প্ৰধান সমস্যাসমূহৰ চমু ব্যাখ্যা কৰিব পাৰিব
- কিশোৰ-কিশোৰীৰ প্ৰতি পিতৃ-মাতৃ আৰু শিক্ষকৰ ভূমিকা কেনে হোৱা উচিত সেই বিষয়ে সম্যক ধাৰণা লাভ কৰিব।

৬.২ পৰিচয়

কৈশোৰ কাল হ'ল ব্যক্তিৰ জীৱনৰ আটাইতকৈ জটিল আৰু গুৰুত্বপূৰ্ণ সময়। সামাজিক প্ৰথা অনুসৰি কৈশোৰ কালৰ পৰা শিশুৱে যৌন জীৱনৰ পৈণতাপ্ৰাপ্ত হ'বলৈ আৰম্ভ কৰাৰে পৰা ধৰি আইন সংগতভাৱে পৈণতাপ্ৰাপ্ত হোৱালৈকে কৈশোৰ কাল বুলি ধৰা হয়। এই সময়ছোৱাত শাৰীৰিক, মানসিক, যৌন, আবেগিক, সামাজিক, নৈতিক, ইত্যাদি সকলো দিশতে পৰিবৰ্তন হয়।

কৈশোৰৰ ইংৰাজী প্ৰতিশব্দ 'Adolescence' শব্দৰ মূল উৎপত্তি হৈছে গ্ৰীক ভাষাৰ 'Adolescere' শব্দৰ পৰা। ইয়াৰ অৰ্থ হৈছে 'To grow maturity' অৰ্থাৎ বয়ঃপ্ৰাপ্তি কাললৈকে

বিকাশ কৰা। সেয়েহে পূর্ণ বয়স্ক নোহোৱালৈকে বিকাশৰ কালছোৱাকেই কৈশোৰকাল বা বয়সন্ধি কাল বুলি ধৰা হয়। কৈশোৰ কালত প্রজনন ক্ষমতাৰ বিকাশ সাধন হয়। আর্নেষ্ট জন্চে (Earnest Jones) বয়সন্ধি কালক শৈশৱ কালৰ পুনৰাবর্তন বুলি অভিহিত কৰিছে। আকৌ ষ্টেনলি হলে (Stanley Hall) "কৈশোৰ কালক জীৱনৰ ধুমহা আৰু পীড়নৰ সময়" বুলি কৈছে। কৈশোৰ কালৰ সময়সীমাক সাধাৰণভাৱে ১২ বছৰৰ পৰা ১৮-১৯ বছৰলৈকে ধৰা হয় যদিও ইয়াৰ সঠিক সময়সীমা স্পষ্টভাৱে নির্ধাৰণ কৰাটো কঠিন। এই সময়ত ব্যক্তিৰ দেহ, মনৰ পূর্ণ বিকাশ ঘটে। ছোৱালীৰ ক্ষেত্রত ঋতুস্রাৱ, ল'ৰাৰ ক্ষেত্রত স্বৰভংগ, বীর্য ধাৰণৰ ক্ষমতা, ইত্যাদি লক্ষণৰ দ্বাৰা যৌৱন কাল উপস্থিত হোৱা বুলি নির্ণয় কৰিব পাৰি। ল'ৰা-ছোৱালীৰ পক্ষে এই কালছোৱা এটি বিশেষ গুৰুত্বপূর্ণ কাল।

এই অধ্যায়টিৰ জৰিয়তে আপুনি - কৈশোৰ কালৰ ব্যাখ্যা, ইয়াৰ দৰকাৰী বৈশিষ্ট্যসমূহ, কিশোৰ-কিশোৰীৰ মূল প্রয়োজনসমূহ, মানৰ জীৱনৰ এই কালছোৱাৰ তাৎপর্য আৰু কিশোৰ-কিশোৰীৰ প্রতি পিতৃ-মাতৃ আৰু শিক্ষকৰ ভূমিকাসমূহৰ বিষয়ে ধাৰণা লাভ কৰিব।

৬.৩ কৈশোৰ কাল

কৈশোৰ কাল প্রতিজন ব্যক্তিৰ জীৱনৰ বাবে এক সংকটময় আৰু তাৎপর্যপূর্ণ সময়। মনোবৈজ্ঞানিক ধাৰণাৰ মতে, কৈশোৰ কাল এনে এটি স্তৰ য'ত কিশোৰে সমাজৰ এজন পূর্ণ বয়স্ক কাল, ব্যক্তিৰ ভূমিকা পালনৰ বাবে নিজকে প্রস্তুত কৰে। এইটো স্তৰত কিশোৰে নিজকে এজন পূর্ণ বয়স্ক ব্যক্তিতকৈ কোনো গুণে সৰু বুলি নাভাবে। প্রাপ্তবয়স্ক সমাজখনৰ লগতে এই যোগসূত্রৰ বিভিন্ন দিশ আছে। যিটো কম বেছি পৰিমাণে যৌৱনাৰম্ভৰ (puberty) লগতে জড়িত। ইয়াৰ লগতে এই স্তৰত মানুহৰ সাধাৰণ বৌদ্ধিক ক্ষমতাও বৃদ্ধি পায়। প্রাপ্তবয়স্ক সকলৰ সামাজিক সম্পর্ক সংযোগত কিশোৰৰ বৌদ্ধিক ক্ষমতাৰ বৃদ্ধিৰ পৰিৱর্তন, গতানুগতিক চিন্তা চর্চায়ে কিশোৰজনক সহায় কৰে। এইটোৱেই হ'ল এই স্তৰৰ বিকাশৰ আটাইতকৈ সাধাৰণ বৈশিষ্ট্য।

এই স্তৰতে কিশোৰ এজনৰ যৌৱনাৰম্ভ হয় আৰু শাৰীৰিক বৃদ্ধি সাময়িকভাৱে অৱসান ঘটে। ই শেহতীয়া বাল্যকালৰ পৰা আৰম্ভ হ'বলৈ ধৰে আৰু প্রাপ্তবয়স্কৰ লগত মিলিত হয়। দেশে দেশে আৰু সংস্কৃতিৰ ভিন্নতাৰ বাবে এই স্তৰৰ নির্দিষ্ট সময়সীমা ধার্য কৰাটো কঠিন।

ভাৰতবর্ষত ১২-১৩ বছৰ বয়সৰ পৰা ১৮-১৯ বছৰৰ ভিতৰত ল'ৰা-ছোৱালী উভয়ে বয়ঃসন্ধি লাভ কৰে। অৱশ্যে ছোৱালী ল'ৰাতকৈ এবছৰমান আগতে যৌৱনপ্রাপ্ত হয়।

বয়ঃসন্ধি কালৰ বা কৈশোৰ কালৰ আচৰণৰ পৰিৱর্তন, মনোভাৱ বা দৃষ্টিভংগী আৰু মূল্যবোধৰ ওপৰত অধ্যয়ন কৰি এই কথা প্রতিয়মান হয় যে কৈশোৰ কালৰ শাৰীৰিক, মানসিক, বৌদ্ধিক আদি পৰিৱর্তনবোৰ এই স্তৰৰ আৰম্ভণিতে খৰতকীয়া হয় আৰু শেষৰ পিনে ইয়াৰ পৰি ৱর্তনৰ ধাৰা কমি আহে। সেয়েহে কৈশোৰ কালক দুটা ভাগত ভাগ কৰা হৈছে ---

(ক) আগতীয়া কৈশোৰ কাল (Early Adolescence)

(খ) শেহতীয়া কৈশোৰ কাল (Late Adolescence)

সাধাৰণভাৰে আগতীয়া কৈশোৰ কাল ১২-১৩ ৰ পৰা ১৬-১৭ আৰু শেহতীয়া কৈশোৰ কাল ১৭ ৰ পৰা ১৮-১৯ বছৰলৈ বুলি ধৰা হয়। শেহতীয়া বাল্যকালৰ সময়সীমা অতি কম। আগতীয়া কৈশোৰ কালক সাধাৰণতে 'Teen-age' বুলি কোৱা হয়।

আগত উল্লেখ কৰা দৰে কৈশোৰ কালত দৈহিক, মানসিক, আবেগিক, সামাজিক, যৌন বিকাশ ইত্যাদি দ্রুত গতিত হয়। মানুহৰ ব্যক্তিত্ব নতুন দিশত বিকাশ হয়। এইটো স্তৰত নতুন নতুন কথা শিকিবলৈ আৰম্ভ কৰে। লগতে এইটো স্তৰক উদ্বিগ্নতা আৰু দুশ্চিন্তাগ্রস্তৰ সময় বুলিও কোৱা হয়। এই স্তৰতে কিশোৰৰ উচ্চাকাংক্ষা বৃদ্ধি পায় আৰু লগতে আৰু অন্তর্দ্বন্দ্ব জটিলতাৰো সন্মুখীন হয়। এ. টি জার্চিল্ডে (A.T. Jersild) কৈশোৰ কালৰ সম্বন্ধে সংজ্ঞা আগবঢ়াইছে। এ. টি. জার্চিল্ডৰ মতে "কৈশোৰ কাল হৈছে এনে এটা বয়স -যাৰ মাজেদি ল'ৰা ছোৱালীয়ে বাল্যকালৰ পৰা প্রাপ্তবয়স্ক কাললৈ দৈহিক, মানসিক আৰু সামাজিকভাৱে গতি কৰে।"

জানি থোৱা ভাল

- কৈশোৰ কাল সংকটপূর্ণ আৰু তাৎপর্যপূর্ণ কাল।
- কৈশোৰ কাল ১২-১৩ বছৰ বয়সৰ পৰা ১৮-১৯ বছৰলৈ ধৰা হয়।
- বিকাশৰ এই স্তৰক দুটা উপভাগত বিভক্ত কৰা হয় -- আগতীয়া কৈশোৰকাল (Early Adolescence), শেহতীয়া কৈশোৰকাল (Late Adolescence)
- এই কালত দৈহিক মানসিক আৱেগিক সামাজিক, যৌন বিকাশ, ইত্যাদি দ্রুতগতিত হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ উপযুক্ত শব্দৰ দ্বাৰা খালী ঠাই পূৰণ কৰক ঃ

(ক) ভাৰতবর্ষত কৈশোৰ কালৰ সময় ..... বছৰৰ পৰা ..... বছৰলৈ বুলি ধৰা হয়।

(খ) কৈশোৰ কালৰ দুটা উপ-বিভাগ হ'ল ..... আৰু .....।

(গ) আগতীয়া কৈশোৰকালক ..... বুলিও জনা যায়।

(ঘ) কৈশোৰ কালৰ দৈহিক বিকাশৰ দ্রুতগতি শেহতীয়া কৈশোৰ কালতকৈ ..... বেছি।

(ঙ) আগতীয়া কৈশোৰকাল ..... বছৰৰ পৰা ..... বছৰলৈ।

৬.৩.১ কৈশোৰ কালৰ বৈশিষ্ট্য

প্ৰণিধানযোগ্য যে কৈশোৰ কালৰ কিছুমান বিশেষ বিশেষত্ব আছে। এনে অৱস্থাৰ ল'ৰা-ছোৱালীৰ সঠিক বিকাশৰ বাবে পিতৃ-মাতৃ তথা শিক্ষকসকলেও এই বৈশিষ্ট্যসমূহ জনাতো দৰকাৰ। এই কালৰ বৈশিষ্ট্যসমূহ তলত উল্লেখ কৰা হ'ল--

- **দৈহিক বিকাশ ঃ** (Physical Development) কৈশোৰ কালত শাৰীৰিক পৰিৱৰ্তন আৰু বিকাশ স্তৰ খৰতকীয়া হয়। শাৰীৰিকভাৱে বিকাশৰ দ্বাৰা এই স্তৰৰ মাজেৰে এজন ল'ৰা এজন ব্যক্তিলৈ পৰিণত হয় আৰু এজনী ছোৱালী এগৰাকী মহিলালৈ পৰিণত হয়, লগতে এই স্তৰত কিশোৰ এজনৰ আবেগিক, সামাজিক, বৌদ্ধিক পৰিপক্কতা আৰু অৰ্থনৈতিক স্বাৱলম্বিতা হোৱা দেখা যায়। এই স্তৰত দেহৰ গ্ৰন্থিসমূহৰ পৰিৱৰ্তন হয়- যি পৰিৱৰ্তনে কেৱলমাত্ৰ শাৰীৰিক বিকাশতেই সীমাবদ্ধ নাথাকি কিশোৰসকলৰ আচৰণ আৰু ব্যক্তিত্ব গঠনতো প্ৰভাৱ পেলায়। জীৱ ৰসায়ন সম্বন্ধীয় শাৰীৰিক পৰিৱৰ্তনে দেহৰ অন্তঃস্ৰাৱী গ্ৰন্থিসমূহৰ বিশেষভাৱে সক্ৰিয় কৰি তোলে- যিয়ে কিশোৰ এজনক শাৰীৰিক উচ্চতা, ওজন বৃদ্ধি কৰে, মুখৰ মাতৰ পৰিৱৰ্তন হয়, পেশীযুক্ত হয়, হাতৰ বাহু আৰু ভৰিত চুলি বা কেশ বৃদ্ধি হোৱা দেখা যায়।
- **মানসিক বিকাশ** (Mental Development) ঃ মানসিক বিকাশে কিশোৰ এজনক বিভিন্ন দিশৰ বৌদ্ধিক বিকাশত সহায় কৰে। বাল্যকালৰ তুলনাত কিশোৰ এজনে বহল ভিত্তিক সূক্ষ্ম বিবেচনা শক্তি লাভ কৰে, ভালদৰে বুজি পোৱাৰ ক্ষমতা আয়ত্ত কৰে আৰু লগতে অতি সহজতে সম্পৰ্কসমূহৰ বিষয়ে জ্ঞাত হয়। কিশোৰসকলে এই সময়ত সাৰ্বজনীন চিন্তা চৰ্চাৰ ক্ষমতা আয়ত্ত কৰে আৰু বহুতো জটিল সমস্যা সমাধানৰো সূত্ৰ বিচাৰি উলিয়াব পাৰে। এইটোৱেই প্ৰতীয়মান হয় যে এই স্তৰত কিশোৰ এজনৰ চিন্তা-চৰ্চা বহুগুণে যুক্তিসন্মত, বিজ্ঞানসন্মত আৰু শৃংখলাবদ্ধ হয়। এই স্তৰৰ ১৬ বছৰ বয়সত আৰু ১৭ বছৰ বয়সত বুদ্ধিমত্তাৰ হাৰ সৰ্বোচ্চ হয় বুলি ধৰি লোৱা হয়। স্মৃতি শক্তিও এই বয়সত যথেষ্ট পৰিমাণে থাকে আৰু এক দীঘল সময়ৰ বাবে কিশোৰে শিকা কথাসমূহ মনত ৰাখিব পাৰে। বাল্যকালৰ মনোবৃত্তি কৈশোৰ কালত লাহে লাহে নাইকিয়া হৈ আহে। কিশোৰসমূহে চিন্তা চৰ্চাত নিজস্বতা আৰু নিজৰ মতে সিদ্ধান্ত লওঁতে বস্তুসমূহৰ সূক্ষ্ম বিশ্লেষণ কৰিব পাৰে।
- **আবেগিক বিকাশ** (Emotional Development) ঃ আমি ইতিমধ্যে গম পাইছো যে কৈশোৰ কাল ধুমুহা আৰু পীড়নৰ কাল। মনোবিজ্ঞানী সকলৰ মতে এই স্তৰ হৈছে আবেগিকভাৱে চূড়ান্ত স্তৰ। অবিৰত শাৰীৰিক পৰিৱৰ্তনে এই স্তৰৰ কিশোৰ এজনক আবেগিকভাৱে অনিশ্চয়তা আৰু অস্থিৰতা প্ৰদান কৰে।

খং, ভয়, লাজ, পলায়ন আদি আবেগিক মনোভাৱে ভিন্ন মানসিক অৱস্থা, শংকা, আকোঁৱগাজ, অবাধ্য আদি কৰি তোলে। যৌন প্ৰবৃত্তিও অন্য এটা আবেগিক কাৰণ যাৰ বাবে কিশোৰসমূহে আবেগিকভাৱে অসুবিধাৰ সন্মুখীন হয়। ইয়াৰোপৰি স্বাধীন বা নিজস্বতা মনোভাবেও কিশোৰসমূহক মানসিক সংঘৰ্ষলৈ লৈ যায়। কিশোৰসকলৰ ধাৰণা বা মনোভাৱ তেওঁলোকৰ পিতৃমাতৃৰ মনোভাৱৰ লগত বা সমাজৰ আন ব্যক্তিসকলৰ লগত সততে এই স্তৰত মতানৈক্য হোৱা দেখা যায়।

- **সামাজিক সচেনতা বৃদ্ধি** (Social Consciousness) ঃ কৈশোৰ কালত বা স্তৰত সামাজিক সচেতনতাৰ বিকাশ আৰু সামাজিক সমাযোজন বেছিকৈ হয়। এই বয়সৰ আটাইতকৈ গুৰুত্বপূৰ্ণ বৈশিষ্ট্য হ'ল যে কিশোৰ এজনে একে বয়সৰ ল'ৰা- ছোৱালীৰ ওপৰত কৰ্তৃত্ব খটুওৱাৰ মানসিকতা এই স্তৰত বৃদ্ধি পায়। একে বয়সৰ গোটসমূহে কিশোৰসমূহৰ মাজত এক বহল ভিত্তিত আচৰণ গঠনত প্ৰভাৱ পেলায়। কিশোৰ এজনৰ মনোযোগ, মনোভাব আৰু প্ৰমূল্যবোধ গঠ নত সমনীয়া বন্ধু-বান্ধৱীৰ প্ৰভাৱ নুই কৰিব নোৱাৰি। কৈশোৰ কালৰ ল'ৰা-ছোৱালীসমূহে সাধাৰণতে সমাজত নিজৰ স্থানৰ বা স্থিতিৰ সম্পৰ্কে সচেতন হয় আৰু সমাজৰ কাৰ্যক্ৰমনীকাসমূহত আৰু কাৰ্যনিৰ্বাহত লাহে লাহে বিপুলভাৱে অংশগ্ৰহণ কৰিব বিচাৰে। যদি এই বয়সৰ ল'ৰা-ছোৱালীক পিতৃ-মাতৃয়ে ডাঙৰ বুলি ভাবিব নিবিচাৰে কিন্তু কিশোৰে চেতিয়া স্বাধীন মনোভাৱেৰে সমাজত কাৰ্যসমূহ কৰিব বিচাৰে- যিয়ে সাধাৰণতে অসুবিধাৰ সৃষ্টি কৰে। এজন কিশোৰৰ মনত এই স্তৰত দেশপ্ৰেমমূলক মনোভাৱৰ বিকাশ হয় আৰু সামাজিক কাৰ্যত অংশ গ্ৰহণ কৰিব বিচাৰে।
- **নৈতিকতাবোধ** (Moral Consciousness) ঃ নৈতিকতাৰ বিকাশে ব্যক্তিত্ব বিকাশত যথেষ্ট অৰিহণা যোগায়। পৰিয়াল হৈছে এনে এখন ঠাই য'ত কিশোৰ এজনে নৈতিকতা গঠনৰ প্ৰশিক্ষণ লাভ কৰে, যিয়ে কিশোৰ এজনৰ মনোভাৱ আৰু আচৰণত প্ৰভাৱ পেলায়। শিশু এটি ডাঙৰ হৈ অহাৰ লগে লগে শিশুটিৰ স্বতন্ত্ৰ চিন্তা চৰ্চা কৰা শক্তিও বৃদ্ধি পায়। বয়স বৃদ্ধিৰ লগে লগে ব্যক্তি এজনে ভাল বেয়া, সত্য-অসত্য, সৎ চৰিত্ৰ আৰু দুঃচৰিত্ৰ, উচিত আৰু অনুচিত আদি সম্পৰ্কে বিচাৰ কৰিব পাৰে। কিশোৰ সাধাৰণতে অ-নৈতিকতা বা বৈধ কাৰ্য ক্ৰমণিকাসমূহ সহ্য কৰিব নোৱাৰে। এনেধৰণৰ নৈতিক অনুভূতিৰ বাবে এই বয়সত তেওঁলোক ভগৱান বা ধৰ্ম বিশ্বাসীও হয়।
- **বীৰ পূজা প্ৰবৃত্তি** (Hero-Worshiping Tendency)ঃ কৈশোৰ কালত ল'ৰা-ছোৱালীয়ে কোনোবা ব্যক্তিক আদৰ্শ হিচাপে লৈ তেওঁক প্ৰশংসা কৰিবলৈ বা শ্ৰদ্ধা কৰিবলৈ আৰম্ভ কৰে যাক তেওঁলোকে মানি চলে আৰু অনুসৰণ কৰে।

এই বয়সত কিশোৰসকলে নিজে অনুসৰণ কৰা নায়কজনৰ দৰে চিন্তা ভাৱনা আৰু কার্যসমূহ কৰিব বিচাৰে। নায়কজন কিশোৰসকলৰ ভৱিষ্যত গঠনৰ উৎসাহৰ কেন্দ্রবিন্দুলৈ পৰিণত হয়।

- **বিপৰীত লিংগকামিতা** (Hetero-Sexuality) ঃ কৈশোৰ কালৰ আন এটি বৈশিষ্ট্য হ'ল বিপৰীত লিংগকামিতা। ইয়াৰ মানে হ'ল বিপৰীত লিংগৰ প্রতি থকা আসক্তি। কিশোৰ এজন এই বয়সত বিপৰীত লিংগৰ প্রতি জানিবলৈ যথেষ্ট আগ্রহী হোৱা দেখা যায়। কিন্তু দুভাৰ্গ্য বশতঃ কেতিয়াবা আহৰণ কৰা ভুল জ্ঞানে কিশোৰ এজনৰ মানসিক আৰু শাৰীৰিক স্বাস্থ্যত ক্ষতি কৰিব পাৰে। লিংগৰ বিষয়ে ভুল তথ্য আহৰণ আৰু উচিত পথ প্রদর্শনৰ অভাৱত বহুতো ল'ৰা-ছোৱালীয়ে এই সময়ত দুশ্চিন্তাত পৰিব লগা হয়।
- **সৃষ্টিশীল কল্পনা** (Creative Imagination) ঃ কৈশোৰ কালত ল'ৰা-ছোৱালী উভয়েই সৃষ্টিশীল কল্পনাৰ প্রাবল্যৰ কাৰণে নানা কামৰ মাজেদি সেই কল্পনাৰ প্রকাশ কৰা দেখা যায়। গল্প লিখা, কবিতা ৰচনা কৰা, ছবি আঁকা ইত্যাদি নানা কামত সিহঁত নিমগ্ন হৈ পৰে। এই স্তৰত কল্পনা বৃদ্ধি হোৱাৰ লগতে অভিজ্ঞতা ৰূপান্তৰিত হয় আৰু শৈল্পিক অনুভূতি আৰু শিল্প ৰচনাৰ ক্ষেত্রত অবদান আগবঢ়ায়।
- **আত্ম নির্ভৰশীলতা** (Self Dependence) ঃ এই স্তৰত কিশোৰৰ নিজৰ কৰণীয় কার্যসমূহৰ ক্ষমতা বা সক্ষমতাৰ সম্পর্কে বিশ্বাস যথেষ্ট বৃদ্ধি পায় আৰু সমাজৰ বয়োজ্যেষ্ঠসকলৰ পৰা আত্ম সন্মান বিচাৰে। কিশোৰে মনোবৈজ্ঞানিকভাৱে স্বতন্ত্রতা বিচাৰে আৰু নিজৰ কর্মত বয়োজ্যেষ্ঠৰ হস্তক্ষেপ সমূলি ভাল নাপায়, লগতে নিজে সিদ্ধান্ত গ্রহণ কৰে। কিশোৰ এজনৰ চিন্তাত, মনোভাৱ আৰু আচৰণত মর্যাদা, সন্মান আৰু স্বতন্ত্রতাৰ ধাৰণা বিস্তাৰিত হয়।



অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ২ঃ চমুকৈ লিখক ।

(ক) বীৰ পূজাৰ প্রবৃত্তি

.....

.....

(খ) বিপৰীত লিংগকামিতা

.....

.....



চিন্তা চৰ্চা কৰক ঃ ৬.১

বয়ঃসন্ধি কাল কাক বোলে? এই সময়ছোৱাত সংঘটিত হোৱা দৈহিক পৰিৱৰ্তনসমূহৰ বিষয়ে এটি নিৱন্ধ যুগুত কৰক।

.....

.....

.....

৬.৩.২ কিশোৰ কিশোৰীৰ মূল প্রয়োজনসমূহ

এতিয়ালৈকে আমি কৈশোৰ কালৰ বৈশিষ্ট্যসমূহৰ বিষয়ে জানিলো। কৈশোৰৰ মূল প্রয়োজনসমূহৰ বিষয়ে এতিয়া আলোচনা কৰিম। কৈশোৰ কালত, কিশোৰ- কিশোৰীৰ কিছুমান প্রয়োজন আছে যিখিনি পূৰণ কৰাৰ ক্ষেত্রত গুৰুত্ব প্রদান কৰা উচিত। এই মূল প্রয়োজনসমূহ দুটা ভাগত ভাগ কৰা হৈছে -- (ক) শাৰীৰিক বা দৈহিক প্রয়োজনীয়তা (Physiological Needs) আৰু (খ) মানসিক বা মনোবৈজ্ঞানিক প্রয়োজনীয়তা (Psychological Needs)।

শাৰীৰিক বা দৈহিক প্রয়োজনীয়তা (Physiological Needs)

- **সক্রিয়তাৰ প্রয়োজন** (Needs for Activity)ঃ যিকোনো ধৰণৰ অনুশীলনেই কিশোৰৰ ব্যৱহাৰৰ এটা অবিচ্ছেদ্য অংগ। যৌৱনাৰম্ভ, পেশীযুক্ত, দেহৰ অতিৰিক্ত শক্তি আদিয়ে সক্রিয়তাৰ বা অনুশীলনৰ প্রয়োজনক শক্তিশালী কৰি তোলে। এই অতিৰিক্ত শক্তিসমূহক নিয়ন্ত্রণ আৰু নাচ, সাঁতোৰ, ফুটবল খেলা, বা অন্যধৰণৰ খেল ধেমালিৰ জৰিয়তে সঠিক দিশত পৰিচালিত হোৱা উচিত।
- **যৌন তৃপ্তিৰ প্রয়োজনীয়তা** (Need for Sexual Satisfaction) ঃ যৌন বৃদ্ধি কৈশোৰ কালৰ এটা মৌলিক সত্য। বাল্যকালত সুপ্ত হৈ থকা যৌন প্রবৃত্তি কৈশোৰ কালত পূর্ণভাৱে বিকশিত হয়। কৈশোৰ কালত কিশোৰৰ যৌন বিকাশ তিনিধৰণৰ হয় --

  (ক) স্ব কামোন্মাদনা (Auto-eroticisim) ঃ কিশোৰসকলে এই বয়সত নিজৰ দেহৰ বিষয়ে যথেষ্ট সচেতন হোৱা দেখা যায় আৰু যৌন ইন্দ্রিয়সমূহ নিজে নিয়ন্ত্রণ কৰিব পাৰে।

(খ) সম লিংগকামিতা (Homo-Sexuality)ঃ কৈশোৰ কালৰ প্ৰথম অৱস্থাত ল'ৰাই ল'ৰাৰ সংস্পৰ্শ বিচাৰে আৰু ছোৱালীয়ে ছোৱালীৰ সংস্পৰ্শ ভাল পায়।

(গ) বিপৰীত লিংগকামিতা (Hetero-Sexuality) ঃ এনেধৰণৰ যৌন সম্বন্ধীয় ধাৰণা কৈশোৰ কালৰ শেষৰফালে আৰম্ভ হয়। ল'ৰা আৰু ছোৱালী দুয়ো নিজৰ নিজৰ বিপৰীত লিংগৰ প্ৰতি আগ্ৰহ বা আসক্তি হোৱা দেখা যায়।

মানসিক বা মনোবৈজ্ঞানিক প্ৰয়োজনীয়তা (Psychological Needs) ঃ

- **স্বতন্ত্ৰতাৰ প্ৰয়োজনীয়তা** (Need for Freedom) ঃ কৈশোৰ কালত কিশোৰে নিজৰ জীৱনত কিছু পৰিমাণে স্বতন্ত্ৰতা বিচাৰে। তেওঁলোকে একঘেয়ামী দৈনন্দিন নিত্যকৰ্ম মানি চলিব নিবিচাৰে। তেওঁলোকে আনকি কোনোধৰণৰ পিতৃ মাতৃৰ দ্বাৰা পৰিচালিত অনুশাসনযুক্ত জীৱনো ভাল নাপায়। তেওঁলোকে নিজৰ জীৱন সম্পৰ্কে নিজে সিদ্ধান্ত গ্ৰহণ কৰিব বিচাৰে।
- **সমাজ জীৱনৰ প্ৰয়োজনীয়তা** (Need for Social Life) ঃ এইটো এটা কৈশোৰ কালৰ প্ৰধান প্ৰয়োজনীয়তা। কিশোৰসকলে এই সময়ত সমনীয়াৰ সংগ বিচাৰে। তেওঁলোকে সমনীয়াৰ লগত থাকি ভাল পায় যিয়ে তেওঁলোকৰ জীৱনতো প্ৰভাৱ পেলায়। তেওঁলোকে সমনীয়াৰ লগত কথা পাতিব বিচাৰে, কোনো বিষয়ত আলোচনা কৰি ভাল পায় আৰু কিছুমান সিদ্ধান্ত লয়। এইটোৱেই কিশোৰৰ সমাজৰ জীৱনৰ প্ৰয়োজনীয়তা পূৰণ কৰিব পাৰে।
- **নিৰাপত্তাৰ প্ৰয়োজনীয়তা** (The Security Need) ঃ কিশোৰে সাধাৰণতে এনেধৰণৰ নিৰাপত্তাৰ প্ৰয়োজনসমূহৰ ক্ষেত্ৰত পিতৃ-মাতৃৰ ওপৰত নিৰ্ভৰ কৰে। কিশোৰ এজনে তেওঁলোকৰ মৰম, আদৰ আৰু মনোযোগ বিচাৰে। আনকি কিছুমান আদৰ্শ ল'ৰ বিচাৰে যিয়ে কিশোৰ এজনৰ ভৰিষ্যৎ জীৱন গঢ়াত সহায় কৰে। আনকি কিশোৰে অনুসৰণ কৰা নায়কজনৰ পৰা অনুপ্ৰেৰণা বিচাৰে - যিয়ে কিশোৰ এজনক পৰিচালনা কৰিব পাৰে। বিখ্যাত বা মহান ব্যক্তি যেনে গান্ধী, নেহৰু, ৰবীন্দ্ৰনাথ ঠাকুৰ, বিবেকানন্দ, লক্ষ্মীবাই, সৰোজনী নাইডু আদিৰ আত্ম জীৱনী অধ্যয়নৰ সুবিধাই কিশোৰসকলৰ এনেধৰণৰ প্ৰয়োজনীয়তা পূৰণ কৰিব পাৰে।
- **দুঃসাহসিকতাৰ প্ৰয়োজনীয়তা** (The Adventure Need) ঃ দুঃসাহসী কামৰ প্ৰতি তৃষ্ণা এই স্তৰত আটাইতকৈ বেছি। কিশোৰসকলে এনে এক দুঃসাহসী কাম কৰি ভাল পায় যাৰ জৰিয়তে কিশোৰজনক সকলোৱে মনত ৰাখিব পাৰে। অন্য ব্যক্তিয়ে নজনা এক নতুন সৃষ্টিৰ উদ্ভাৱনত কিশোৰসকলে মনোনিবেশ দিয়ে। কিন্তু কেতিয়াবা কিশোৰসকল ভুল বুজাবুজি বা ভুল দিশত পৰিচালিত হ'ব পাৰে। সঠিক পথৰ বা নিৰ্দেশৰ অভাৱত কিশোৰসকলে উদ্দেশ্য বিহীন অকৰ্মণ্য হোৱাৰ লগতে অসামাজিক ক্ৰিয়া যেনে আক্ৰমণ, বিক্ষোভ আদিত নিমগ্ন হোৱা দেখা

যায়। আনকি যৌন ক্ৰিয়াসমূহো কিশোৰসকলৰ বাবে উত্তেজনা আৰু দুঃসাহসী কামৰ লেখীয়াহে হয়। কিন্তু সঠিক পথৰ নিদেৰ্শনাই কিশোৰৰ দুঃসাহসী প্ৰয়োজনীয়তাক কিশোৰজনৰ সামাজিক, মানসিক, আবেগিক আৰু শাৰীৰিক বিকাশত প্ৰচুৰভাৱে সহায় কৰিব পাৰে।

- **আত্ম নিৰ্ভৰশীল বা বৃত্তীয় প্ৰয়োজনীয়তা** (Vocational Need) ঃ এই স্তৰত ল'ৰা আৰু ছোৱালী আত্ম নিৰ্ভৰশীল হ'ব বিচাৰে। কিশোৰে এই সময়ত নিজৰ ভৱিষ্যত সম্পৰ্কে সচেতন হয়। ল'ৰাবোৰে ছোৱালীতকৈ নিজৰ বৃত্তি সম্পৰ্কে বেছি সচেতন হয়। ল'ৰাবোৰে সাধাৰণতে আকৰ্ষণীয় আৰু ৰোমাঞ্চকৰ চাকৰি কৰিব বিচাৰে, যদিওবা যোগ্যতা নাথাকে বা তেনেধৰণৰ চাকৰিৰ সুবিধা যথেষ্ট পৰিমাণে নাথাকে। তেওঁলোকে উচ্চ স্থানৰ চাকৰি আৰু উচ্চ সামাজিক স্থিতিৰ সম্পৰ্কে যথেষ্ট সজাগ হয়। অন্যহাতে ছোৱালীসমূহে কম সময় দিবলগীয়া লগতে নিৰাপত্তা থকা চাকৰি কৰিব বিচাৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ কিশোৰ-কিশোৰীৰ তিনিটা মূল প্ৰয়োজনীয়তা কি কি?

.....

.....

প্ৰশ্ন নং ৪ ঃ চমুটোকা লিখক --

কিশোৰ-কিশোৰীৰ বৃত্তীয় প্ৰয়োজন।

.....

.....

.....

৬.৩.৩ কৈশোৰ কালৰ সমস্যা

কৈশোৰ কাল - এনে এটা স্তৰ য'ত কিশোৰ এজন বাল্যকালৰ পৰা প্ৰাপ্ত বয়স্ক কাললৈ গতি কৰে। যিকোনো পৰিৱৰ্তনৰ স্তৰেই বহুতো সমস্যাৰ সন্মুখীন হ'বলগীয়া হয়। তলত কৈশোৰ কালৰ বিভিন্ন সমস্যাৰ সম্পৰ্কে সংক্ষিপ্তভাৱে আলোচনা কৰা হ'ল ঃ -

- **যৌন সমস্যা** (Sex Problems) ঃ আমি ইতিমধ্যে কৈশোৰ কালৰ বিকাশৰ বিভিন্ন স্তৰৰ বিষয়ে পঢ়ি গম পাইছো যে সকলোবোৰৰ মূলতে হ'ল শাৰীৰিক পৰিৱৰ্তন। যৌৱনাৰম্ভই কিশোৰক কেতিয়াও আগতে নোপোৱা শাৰীৰিক

উত্তেজনা দিয়ে। এনে কার্যই কিছুমানক আনন্দ প্রদান কৰে আৰু কিছুমানৰ বাবে লাজ, শংকা, ভয়, দুশ্চিন্তা, অপৰাধৰ কাৰণ হৈ যৌনভাৱে অসমাযোজন কৰি তোলে।

- **আবেগিক সমস্যা** (Emotional Problems) ঃ চূড়ান্ত আবেগিক অৱস্থা হ'ল কৈশোৰ কালৰ এটা প্রধান সমস্যা। কিশোৰে অধিক বেছি আবেগৰ অভিজ্ঞতা লাভ কৰে আৰু হিংস্রতা আদি অবদমনত প্রয়োজনীয় পদক্ষেপৰ অভাৱ হোৱা দেখা যায়। স্থৈর্যহীনতা আৰু খং ভাৱে কিশোৰক ধ্বংসৰ দিশত আগবঢ়াই নিয়ে যিয়ে আইন কানুনৰ দিশতো সমস্যাৰ সৃষ্টি কৰে। ভালপোৱা, সন্দেহ, ঈর্ষা, নৈৰাশ্য, শত্রুতা আদি হ'ল কিছুমান কৈশোৰ কালৰ সাধাৰণ বৈশিষ্ট্য।
- **সামাজিক সমস্যা** (Social Problems) ঃ প্রত্যেকখন সমাজৰ নিজস্ব কিছুমান পৰম্পৰা আৰু বিশ্বাস আছে। প্রত্যেকজন ব্যক্তিয়েই সমাজৰ এই পৰম্পৰা আৰু বিশ্বাস মানি চলিব লগা প্রথাটো কিশোৰসকলে অস্বীকাৰ কৰে আৰু এনে প্রথাসমূহ আওপুৰণি বুলি গণ্য কৰে। ইয়ে সমাজত সংঘর্ষ আগবঢ়াই নিয়ে।
- **শৈক্ষিক সমস্যা** (Educational Problems) ঃ শিক্ষার্থীৰ আগ্রহ বা অভিৰুচি সমাধান কৰিব পৰাকৈ স্কুল বা বিদ্যালয়ৰ পৰিৱেশ অনুকূল নহয়। আসোঁৱাহ হ'ল শিক্ষণীয় কৌশল, পাঠ্যক্রম, পৰীক্ষা, বিদ্যালয়সমূহে ধার্য কৰা অৱদমিত মাপকাঠি আদিয়ে শিক্ষার্থীৰ মাজত নৈৰাশ্যভাৱৰ সৃষ্টি কৰে।
- **জিৰণিৰ সমস্যা** (Problems of Leisure) ঃ অবসৰ বিনোদনৰ আহিলাৰ অভাৱে বা জিৰণিৰ সময়ত কৰিবলগীয়া কাম একো নথকাৰ বাবে কিশোৰসকলক কিছুমান অসামাজিক আৰু অপৰাধমূলক কামৰ বাবে উদগ্নি যোগাব পাৰে। এনে ক্ষেত্রত কিশোৰসকলৰ মনোভাৱ আৰু চিন্তাসমূহে ধ্বংসৰ ফালে গতি কৰে আৰু সমাজত জটিল সমস্যাৰ সৃষ্টি কৰে।

৬.৩.৪ কিশোৰ-কিশোৰীৰ প্রতি পিতৃ-মাতৃ আৰু শিক্ষকৰ ভূমিকা

কিশোৰ-কিশোৰীসকলৰ উপযুক্ত আৰু সর্বতোপ্রকাৰৰ বিকাশৰ বাবে পিতৃ-মাতৃ আৰু শিক্ষকৰ যথেষ্ট ভূমিকা আছে। এই সম্পর্কে কিছুমান পৰামর্শ তলত আলোচনা কৰা হ'ল-

- **উপযুক্ত দৈহিক বিকাশৰ বাবে** (For Proper Physical Development)
  - বিদ্যালয়সমূহত ৰাতিপুৱা আৰু গধূলি খেলাৰ সময়ত শাৰীৰিক ব্যায়াম অন্তর্ভুক্ত কৰিব লাগে।
  - বিদ্যালয়ৰ চিকিৎসকৰ দ্বাৰা মাহত এবাৰকৈ হ'লেও ছাত্র-ছাত্রীসকলৰ শৰীৰ পৰীক্ষা কৰাব লাগে।
  - আর্থিকভাৱে দুর্বল কিশোৰ-কিশোৰীসকলৰ ঘৰত আৰু বিদ্যায়লত উপযুক্ত খাদ্যৰ ব্যৱস্থা কৰিব লাগে।

- বিদ্যালয়ত বিভিন্ন ধৰণৰ খেলা-ধূলাৰ ব্যৱস্থা কৰিব লাগে।
- বিদ্যালয়ত ল'ৰা আৰু ছোৱালীৰ বাবে সামৰিক কৌশল শিকাৰ ব্যৱস্থা কৰিব লাগে।

➢ **উপযুক্ত মানসিক বিকাশৰ বাবে** (For Proper Mental Development) ঃ

- ঘৰুৱা আৰু বিদ্যালয়ৰ পৰিবেশ সুমধুৰ আৰু নিৰাপদ হ'ব লাগে।
- বিদ্যালয়ৰ এটা ভাল পুথিভঁৰাল, আলোচনাচক্ৰৰ বাবে সুবিধা থাকিব লাগে।
- বিভিন্ন ধৰণৰ অনুষ্ঠান, যেনে- গানৰ অনুষ্ঠান বা সংঘ, কলা আৰু শিল্প চাতুর্য অনুষ্ঠান অনুষ্ঠিত কৰি কিশোৰ-কিশোৰীৰ সৃজনাত্মক ভাৱৰ বিকাশৰ সুবিধা থাকিব লাগে।
- শিক্ষার্থীক শৈক্ষিক আৰু বৃত্তীয় সম্বন্ধীয় পৰামর্শ দিবৰ বাবে বিদ্যালয়সমূহত পৰামর্শদান সেৱাসমূহৰ সুবিধা থাকিব লাগে।
- শিক্ষকজনে প্রত্যেকজন কিশোৰৰ ওপৰত চকু দিব লাগে আৰু তেওঁলোকৰ ব্যক্তিগত প্রয়োজনীয়তাসমূহ যিমানদূৰ সম্ভৱ পূৰণ কৰিবলৈ চেষ্টা কৰা উচিত। প্রশিক্ষণ সেৱাৰ সুবিধা প্রয়োজন মতে গ্রহণ কৰা উচিত।
- ঐতিহাসিক আৰু ভৌগোলিক মান্যতা থকা ঠাইসমূহলৈ শিক্ষামূলক ভ্রমণৰ ব্যৱস্থা কৰিব পাৰে।
- বিদ্যালয়ৰ পাঠ্যক্রমত যোগ চর্চা (Yoga) আৰু ধ্যানৰ (Meditation) বিষয়সমূহ অন্তর্ভুক্ত কৰিব লাগে।

➢ **উপযুক্ত আবেগিক বিকাশৰ বাবে** (For Proper Emotional Development)

- পিতৃ-মাতৃৰ আদৰ যত্নত গৃহ পৰিবেশত আৰু শিক্ষকৰ শিক্ষা নির্দেশনাৰে স্কুলৰ পৰিবেশত কিশোৰ-কিশোৰীসকলক উপযুক্ত আবেগিক নিৰাপত্তা অনুভৱ কৰিবলৈ দিব লাগে।
- বেছিভাগ কিশোৰ-কিশোৰীয়ে জীৱনৰ বাস্তৱ পৰিস্থিতিসমূহৰ সন্মুখীন হ'বলৈ ভয় কৰে। পিতৃ-মাতৃ আৰু অভিভাৱকসকলে সেই সম্পর্কত বিভিন্ন ধৰণৰ পদ্ধতি আৰু উপায়সমূহৰ পৰামর্শ দিব লাগে।
- কিশোৰসকলক জীৱনটো যে বিফলতা আৰু সফলতাৰ সংমিশ্রণৰ ফল তাক বুজি পাব পৰাকৈ শিক্ষা দিব লাগে আৰু জীৱনত পোৱা বিফলতাখিনিৰ সন্মুখীন হ'ব পৰাকৈ শক্তি যোগাব লাগে।
- কিশোৰীসকলে এই স্তৰত বহুতো সমস্যাৰ সন্মুখীন হ'ব লগা হয়। সেই ক্ষেত্রত; অভিভাৱক, শিক্ষক আৰু বিদ্যালয়ৰ পৰামর্শদাতাসকলে পৰামর্শদানৰ কার্যসূচী হাতত ল'ব লাগে।
- শিক্ষার্থীসকলৰ চিন্তা-চর্চাৰ পৰিপক্কতা বিকাশৰ ক্ষেত্রত শিক্ষকসকলে গুৰুত্ব প্রদান কৰা উচিত। কিশোৰসকলে যাতে অভিভাৱক আৰু শিক্ষকসকলৰ


লগত আবেগিক সমস্যাসমূহৰ বিষয়ে আলোচনা কৰিব পাৰে তাৰ বাবে অনুমোদন দিব লাগে।

- **উপযুক্ত যৌন বিকাশৰ বাবে** ((For Proper Sexual Development)) ঃ
  - ল'ৰা আৰু ছোৱালীৰ মাজত সামাজিক যোগসূত্র ব্যাপক হ'ব লাগে। কিশোৰসকলে বিপৰীত লিংগৰ লগত যাতে বন্ধুত্ব স্থাপন কৰিব পাৰে তাৰ বাবে কিশোৰ সকলক স্বতন্ত্রতাৰ লগতে সঠিক পৰামৰ্শদান কৰিব লাগে।
  - বিদ্যালয়সমূহত উপযুক্ত যৌন শিক্ষাৰ ব্যৱস্থা থাকিব লাগে আৰু শিক্ষকসকলে সেয়া বৈজ্ঞানিক ভিত্তিত বুজাই দিব লাগে।
  - কিশোৰ-কিশোৰীসকলক যৌনতাৰ বিষয়ে পিতৃ-মাতৃ আৰু শিক্ষকসকলে শুদ্ধ খবৰ দিব লাগে।এইড্চ (AIDS) আৰু HIV, অন্যান্য যৌন সম্পৰ্কীয় বেমাৰৰ বিষয়ে বিতং খবৰসমূহ বৈজ্ঞানিক ভিত্তিত পিতৃ-মাতৃ আৰু শিক্ষকসকলে তেওঁলোকক অৱগত কৰাব লাগে।



৬.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- কৈশোৰ কাল মানুহৰ জীৱনৰ এক তাৎপৰ্যপূৰ্ণ আৰু জটিলতাৰ বয়স বুলি কোৱা হয়। সাধাৰণতে ১২-১৩ বছৰ বয়সৰ ১৮-১৯ বছৰলৈ কৈশোৰ কাল বুলি ধৰা হয়।
- কৈশোৰ কালক দুভাগত ভগাব পাৰি যথা - (ক) আগতীয়া কৈশোৰ কাল, (১২-১৩ - ১৬-১৭), (খ) শেহতীয়া কৈশোৰ কাল (১৭ বছৰৰ পৰা ১৮/১৯ বছৰলৈ)
- এই স্তৰৰ বৈশিষ্ট্যসমূহ হ'ল ----- দ্রুত শাৰীৰিক বিকাশ, বৌদ্ধিক বিকাশ, আবেগিক বিকাশ, সামাজিক বিকাশ, নৈতিক বিকাশ, বিপৰীত লিংগকামিতা, আত্মনির্ভৰশীলতা ইত্যাদি।
- কৈশোৰকালত ব্যক্তিৰ প্রধান প্রয়োজনসমূহ এনেধৰণৰ ----- মুক্ত সক্রিয়তাৰ প্রয়োজন, স্বাধীনতাৰ প্রয়োজনীয়তা, সমাজ জীৱনৰ প্রয়োজন, যৌন তৃপ্তিৰ প্রয়োজনীয়তা, নিৰাপত্তাৰ প্রয়োজনীয়তা, শৈক্ষিক প্রয়োজন, বিত্তীয় প্রয়োজন।
- কৈশোৰ কালৰ প্রধান সমস্যাসমূহ হ'ল - যৌন সমস্যা, আবেগিক সমস্যা, অৱসৰ যাপনৰ সমস্যা, শিক্ষা সমস্যা, সামাজিক সমাযোজনত সমস্যা।
- কিশোৰ-কিশোৰীৰ উপযুক্ত বিকাশৰ বাবে পিতৃ-মাতৃ আৰু শিক্ষকৰ মুখ্য ভূমিকা মন কৰিবলগীয়া । বা 'সৃষ্টিশীল সময়' বা 'খেলৰ সময়' বুলি অভিহিত কৰা দেখা যায়।



৬.৫ অধিক জানিবলৈ

১) বৰুৱা. যতীন. ঃ শিশু বিকাশৰ ৰূপৰেখা, লয়ার্ছ বুক ষ্টল, পাণবজাৰ।

২) বৰুৱা, যতীন ঃ শিক্ষাৰ মনোবিজ্ঞান ভিত্তিক অধ্যয়ন। অৰুণ প্রকাশন, কলেজ হোষ্টেল ৰ'ড, গুৱাহাটী -১

৩) দাস, লক্ষহীৰা ঃ সম্পূর্ণ শিক্ষা, সংগম প্রকাশন, গুৱাহাটী।



৬.৬ অগ্রগতিৰ খতিয়ান

১নং প্রশ্ন উত্তৰ ঃ

(ক) ১২-১৩, ১৮-১৯

(খ) আগতীয়া কৈশোৰ কাল, শেহতীয়া কৈশোৰ কাল।

(গ) নাবালক অৱস্থা (Teens)

(ঘ) চুটি

(ঙ) ১২-১৩ ৰ পৰা ১৬-১৭ **লৈ,** ১৭ৰ পৰা ১৮-১৯ বছৰলৈ।

২ নং প্রশ্নৰ উত্তৰ ঃ

(ক) নায়ক আৰাধনা প্রবৃত্তি (Hero worshiping tendency) ঃ কৈশোৰ কালত নিজৰ ভাললগা কোনো প্রভাৱশালী ব্যক্তি বা নায়কৰ জীৱনৰ ক্রিয়া,আদর্শ গ্রহণৰ প্রবৃত্তি কিশোৰ কিশোৰীৰ মনত জাগি উঠে। তেনে মনোগ্রাহী নায়কৰ সকলো কথা নীৰৱ অনুকৰণেৰে তেওঁলোকে নিজৰ জীৱনকো সেই ৰূপত গঢ় দি তুলিবলৈ বিচাৰে। নীৰৱ আৰাধনা তথা অনুকৰণৰ বাবে মনে বিচৰা এই নায়কৰ নির্বাচন অৱশ্যে নিজৰ ইচ্ছা অভিৰুচিৰ ওপৰত যথেষ্ট নির্ভৰশীল।

(খ) বিপৰীত লিংগকামিতা (Hetero Sexuality) ঃ- কৈশোৰ কালত কিশোৰ-কিশোৰীসকলৰ বিপৰীত লিংগৰ প্রতি আসক্তি আৰু ভালপোৱা ভাব মনত জাগি উঠে। কাৰণ এই সময়তে জৈৱ-ৰাসায়নিক ক্রিয়াৰ ফলত দেহৰ যৌনগ্রন্থিসমূহ সক্রিয় হৈ উঠে। যৌৱনৰ এনে বিপৰীত লিংগকামিতাই কিশোৰ-কিশোৰীক দেহ মনত এক বিশেষ শক্তিৰ সঞ্চাৰ কৰে।

৩নং প্ৰশ্নৰ উত্তৰ ঃ

- মুক্ত সক্ৰিয়তাৰ প্ৰয়োজন।
- স্বাধীনতাৰ চাহিদা।
- সমাজ জীৱনৰ প্ৰয়োজন।
- যৌন তৃপ্তিৰ চাহিদা।

৪নং প্ৰশ্নৰ উত্তৰ ঃ

কিশোৰ-কিশোৰীসকলৰ কৈশোৰ কালছোৱাত এটি বিশেষ চাহিদা হ'ল আত্মনিৰ্ভৰশীলতা বা বৃত্তীয় চাহিদা। এই সময়ছোৱাত অৰ্থনৈতিক দিশত আত্মনিৰ্ভৰশীলতা লাভৰ প্ৰয়োজন অনুভৱ কৰি উঠে । পিতৃ-মাতৃৰ ওপৰত বোজাস্বৰূপ হ'ৰলৈ নিবিচাৰে। বহুতো যুৱক-যুৱতীৰ ইচ্ছা থাকিলেও শৈক্ষিক দিশত অগ্ৰগতিৰ সম্ভাৱনীয়তা নাথাকে। নিজ যোগ্যতা আৰু ক্ষমতা অনুসৰি কোনো লাভজনক বৃত্তি-ব্যৱসায়ৰ প্ৰশিক্ষণ লোৱাৰ কথাও মনে মনে ভাবে।



৬.৭ আৰ্হি প্ৰশ্ন

(ক) চুটি প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন নং ১ ঃ কৈশোৰ কালৰ বিষয়ে এটা টোকা লিখক।

প্ৰশ্ন নং ২ ঃ বিপৰীত লিংগকামিতাৰ বিষয়ে এটা টোকা লিখক।

প্ৰশ্ন নং ৩ ঃ কৈশোৰ কালৰ মানসিক বা মনোবৈজ্ঞানিক প্ৰয়োজনীয়তা কি কি?

(গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন নং ১ ঃ কৈশোৰ কালৰ মুখ্য বৈশিষ্ট্যসমূহৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন নং ২ ঃ কৈশোৰ কালৰ মূল প্ৰয়োজনসমূহ কি কি? কিশোৰ - কিশোৰীসকলৰ উপযুক্ত বিকাশৰ বাবে পিতৃ-মাতৃ আৰু শিক্ষকৰ ভূমিকাসমূহৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন নং ৩ ঃ "কৈশোৰ কাল ধুমুহা আৰু পীড়নৰ কাল"- উক্তিটোৰ বিষয়ে আলোচনা কৰক।

অধ্যায় ৭ ঃ কৈশোৰকালৰ অপৰাধ প্ৰৱণতা

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য
৭.২ পৰিচয়
৭.৩ কৈশোৰকালৰ অপৰাধ প্ৰৱণতাৰ অৰ্থ
৭.৩.১ অপৰাধ প্ৰৱণতাৰ বৈশিষ্ট্য
৭.৩.২ অপৰাধ প্ৰৱণতা গঢ় লোৱাৰ কাৰক
৭.৪ প্ৰতিৰোধমূলক ব্যৱস্থা
৭.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৭.৬ অধিক জানিবলৈ
৭.৭ অগ্ৰগতিৰ খতিয়ান
৭.৮ আৰ্হি প্ৰশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- কৈশোৰকালৰ অপৰাধ প্ৰৱণতাৰ অৰ্থ ব্যাখ্যা কৰিব পাৰিব
- অপৰাধ প্ৰৱণতাৰ বৈশিষ্ট্যবোৰ চিনাক্ত কৰিব পাৰিব
- কৈশোৰকালৰ অপৰাধ প্ৰৱণতাৰ কাৰণবোৰ আলোচনা কৰিব পাৰিব
- প্ৰতিৰোধমূলক ব্যৱস্থা গ্ৰহণৰ পৰামৰ্শ দিব পাৰিব

৭.২ পৰিচয়

এই অধ্যায়টিত কৈশোৰকালৰ অপৰাধ প্ৰৱণতাৰ বিষয়ে আলোচনা কৰা হ'ব। বিষয়টো 'আবেগিকভাৱে আৰু সামাজিকভাৱে ব্যতিক্ৰম শিশু'ৰ শিতানৰ অন্তৰ্গত। কৈশোৰকালৰ অপৰাধ প্ৰৱণতা হ'ল সু-অভ্যাসৰ পৰা বিচলন ঘটা গুৰুতৰ সমস্যাবোৰৰ মাজৰে এটা। বৰ্তমানৰ আধুনিক বিশ্বৰ প্ৰায় সকলোবোৰ সমাজৰ ল'ৰা-ছোৱালীয়েই এই সমস্যাটোৰ সন্মুখীন হ'বলগীয়া হৈছে। প্ৰতিখন সমাজৰে কিছুমান স্বীকৃত নীতি-নিয়ম থাকে। সমাজৰ প্ৰতিগৰাকী সদস্যই এই নিয়মবোৰ মানি চলিব বুলি ভবা হয়। যিবোৰে এনে স্বীকৃত নীতি-নিয়ম নামানে আৰু সমাজবিৰোধী আচৰণ কৰি দেখুৱায় তেওঁলোককে অপৰাধ প্ৰৱণ বোলা হয়। শিশু আৰু চেমনীয়াসকল হ'ল প্ৰাপ্তবয়স্ক স্তৰত উপনীত নোহোৱা সামাজিক সদস্য। এওঁলোকে যদি স্বীকৃত নীতি-নিয়মৰ পৰা বিচ্যুত হয় তেন্তে 'অপৰাধ প্ৰৱণ কিশোৰ' (Juvenile delinquents) বোলা হয়। শিশু এটাৰ ক্ষেত্ৰত ই হ'ল অবাধ্য আচৰণ (non conformist behaviour)। ই কেৱল শিশুৰ ব্যক্তিগত

অসংগঠিতকৰণৰ সমস্যাই নহয়, ই সামাজিক অচলাৱস্থাৰো এক লক্ষণ। যুগ যুগ ধৰি এই পৰিঘটনাটোৱে কোনোবা নহয় কোনোবা ৰূপত সমাজৰ সকলো শ্ৰেণীৰ লোকৰ বাবে গভীৰ চিন্তাৰ কাৰণ হৈ আহিছে। ঐতিহাসিকভাৱে সমস্যাটো সমাজ সৃষ্টি হোৱাৰ লগে লগেই আৰম্ভ হৈছিল বুলি ধৰা হয়।

এই অধ্যায়টিৰ উদ্দেশ্য হ'ল আপোনাক কৈশোৰকালৰ অপৰাধ প্ৰৱণতাৰ অৰ্থ, অপৰাধ প্ৰৱণতাৰ বৈশিষ্ট্য, ইয়াৰ কাৰণ আৰু প্ৰতিৰোধমূলক ব্যৱস্থাৰ সৈতে পৰিচয় কৰাই দিয়া।



জানি থোৱা ভাল

অপৰাধ প্ৰৱণতা [Delinquency]

- ই হ'ল একপ্ৰকাৰৰ অস্বাভাৱিক আচৰণৰ আৰ্হি ।
- ই হ'ল প্ৰাপ্তবয়স্ক অৱস্থা নোপোৱাসকলে প্ৰদৰ্শন কৰা অস্বাভাৱিক আচৰণ।
- সমাজৰ নীতি আৰু নিয়ন্ত্ৰণমূলক নিয়ম ভঙা কাৰ্য।
- সমাজ বিৰোধী আচৰণ।
- সামাজিকভাৱে খাপ খাই চলাত দেখুওৱা বিফলতা।
- সামাজিক অসংগঠনৰ এটা ৰূপ।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ অপৰাধ প্ৰৱণতা সম্পৰ্কে দুআষাৰমান লিখক।

.....

.....

৭.৩ কৈশোৰকালৰ অপৰাধ প্ৰৱণতাৰ অৰ্থ

'কৈশোৰকালৰ অপৰাধ প্ৰৱণতা' (Juvenile Delinquency) বোলা অভিধাটোৱে এক নিৰ্দিষ্ট বয়সৰ তলৰ ল'ৰা-ছোৱালীয়ে প্ৰদৰ্শন কৰা কিছুমান বিশেষ আচৰণৰ কথা বুজোৱা হয়। ১৮ বছৰতকৈ কম বয়সৰ ল'ৰা নাইবা ছোৱালীয়ে একাধিকবাৰ কৰা কোনো সামাজিক 'আইন ভংগকাৰী কাৰ্য'ৰ (offence) কথা বুজাবলৈ 'কৈশোৰকালৰ অপৰাধ প্ৰৱণতা' অভিধাটো ব্যৱহাৰ কৰা হয়। একেটা কাৰ্যকে যদি কোনো প্ৰাপ্তবয়স্ক লোকে কৰে তেন্তে তাক 'অপৰাধ' (crime) বুলি গণ্য কৰা আৰু শাস্তি প্ৰদান কৰা হয়। 'অপৰাধ প্ৰৱণতা' বোলা ধাৰণাটোৰ ই

হ'ল আইনৰ দৃষ্টিৰে কৰা ব্যাখ্যা। ভাৰতত আইন অনুসৰি যেতিয়া ১৮ বছৰতকৈ কম বয়সৰ ল'ৰা নাইবা ছোৱালী কোনো আনুষ্ঠানিক আইনসংগত কাৰ্যৰ আওতালৈ আহে তেন্তে সেই ল'ৰাটোকবা ছোৱালীজনীক 'কিশোৰ অপৰাধী' (Juvenile Delinquent) বোলা হয়। অভিধাটোৰ অন্তৰ্ভুক্ত দোষণীয় আচৰণবোৰ দেশভেদে, সংস্কৃতিভেদে, সময়ভেদে তথা মানুহৰ সামাজিক সাংস্কৃতিক পটভূমিত গঢ় লৈ উঠা মনোভাৱভেদে বেলেগ বেলেগ হ'ব পাৰে।

ভাৰতীয় দণ্ডবিধি আইনে 'কৈশোৰকালৰ অপৰাধ প্ৰৱণতা'ৰ (Juvenile Delinquency) সলনি 'কৈশোৰকালৰ আইন ভংগকাৰী কাৰ্য' (Juvenile Offence) অভিধাটো ব্যৱহাৰ কৰে। পিতৃ-মাতৃৰ অনুমতি অবিহনে ঘৰৰ পৰা পলাই যোৱা, পিতৃ-মাতৃৰ নিয়ন্ত্ৰণৰ বাহিৰলৈ গুচি যোৱা, ধিতিঙালি কৰি ফুৰাৰ অভ্যাস (habitual truancy), অশ্লীল ভাষাৰ প্ৰয়োগ, যৌন অপৰাধ, চুৰি কাৰ্য আদিক অপৰাধ প্ৰৱণ কাৰ্যৰ তালিকাত সামৰি লোৱা হ'ব পাৰে। এনে সকলোবোৰ আইন ভংগকাৰী কাৰ্য 'কিশোৰ আদালত'লৈ (Juvenile Court) বিচাৰৰ বাবে আহিব পাৰে।

সমাজ-সাংস্কৃতিক দৃষ্টিভংগীৰে এই অপৰাধ প্ৰৱণতা হ'ল সমাজে জোৰকৈ জাপি দিব খোজা আচাৰ সংহিতাৰ পৰা বিচ্যুত আচৰণৰ এক 'উপযোজন বিন্যাস' (pattern of adjustment)। মনোবৈজ্ঞানিক দৃষ্টিভংগীমতে অপৰাধ প্ৰৱণতা হ'ল আবেগিক অশান্তিৰ (emotional disturbance) এটা ৰূপ। মানুহ সাধাৰণতে অচেতনভাৱে অপৰাধ প্ৰৱণতাৰে উদ্বুদ্ধ হয়। অপৰাধ প্ৰৱণ আচৰণৰ বাবে দায়ী কাৰকবোৰক অপৰাধবোৰতকৈ অধিক গুৰুত্ব দিয়া হয়।

অপৰাধ প্ৰৱণতাৰ সাৰ্বজনীনভাৱে গ্ৰহণযোগ্য সংজ্ঞা এটা বিচাৰি উলিওৱাটো এক দুৰূহ কাম। The Encyclopedia of Crime and Justice (1983) ৰ মতে কৈশোৰকালৰ অপৰাধ প্ৰৱণতা হ'ল- ল'ৰা-ছোৱালীয়ে কৰা এনে কিছুমান আচৰণ যিবোৰ ফৌজদাৰী আইনমতে নিয়ম ভংগকাৰী (violative) অথবা নিষেধ (prohibition) নাইবা এনে আচৰণক অন্যথা বিচ্যুত (deviant) আৰু অনুপযুক্ত (inappropriate) বুলি গণ্য কৰা হয়। চিৰিল বাৰ্টৰ মতে "এটি শিশুক তেতিয়াই আইনগতভাৱে অপৰাধ প্ৰৱণ বুলি ধৰা হয় যেতিয়াই ইয়াৰ সমাজবিৰোধী প্ৰৱণতাবোৰে গুৰুতৰ ৰূপ ধাৰণ কৰে আৰু সেইবোৰ আইনসংগত বিচাৰৰ বিষয় হৈ পৰে।"

ওপৰৰ আলোচনাৰ পৰা এই কথা স্পষ্ট হৈ পৰিল যে অপৰাধ প্ৰৱণতা মানে হ'ল-

(i) নাবালকে কৰা এনে কোনো সমাজবিৰোধী কাৰ্য যিটো কিশোৰ আদালতৰ বিচাৰ ক্ষমতাৰ অধীন।

(ii) ই হ'ল ত্ৰুটিপূৰ্ণভাৱে সমাযোজন ঘটা আচৰণৰ প্ৰকাশ আৰু

(iii) ই কোনো ব্যক্তি সমাজ স্বীকৃত স্বাভাৱিক আচৰণৰ পৰা আঁতৰি যোৱাটোক বুজায়।



জানি থোৱা ভাল

কৈশোৰকালৰ অপৰাধ প্ৰৱণতা [Juvenile Delinquency]

- ১৮ বছৰতকৈ কম বয়সীয়া ল'ৰা নাইবা ছোৱালী যদি আনুষ্ঠানিক আইনসংগত ব্যৱস্থাৰ মুখামুখি হয় তেন্তে তেনেকুৱা ল'ৰা নাইবা ছোৱালীক 'কিশোৰ অপৰাধী' বোলা হয়।
- ভাৰতীয় দণ্ডবিধি আইনে 'কৈশোৰকালৰ অপৰাধ প্ৰৱণতা'ৰ সলনি 'কৈশোৰকালৰ আইন ভংগকাৰী কাৰ্য' অভিধাটো ব্যৱহাৰ কৰে।
- কৈশোৰকালৰ অপৰাধ প্ৰৱণতা এক সামাজিক সমস্যা।
- ই সমাজত ল'ৰা-ছোৱালীৰ ত্ৰুটিপূৰ্ণ সমাযোজন আৰু সিহঁতৰ উচ্ছৃংখল কাম-কাজৰ কথা সূচায়।
- আইনে নিষেধ কৰা আচৰণবোৰৰ দ্বাৰা ল'ৰা-ছোৱালীয়ে আইন অমান্য কৰাটোৱেই হ'ল কৈশোৰকালৰ অপৰাধ প্ৰৱণতা।
- ১৮ বছৰতকৈ কম বয়সীয়া ল'ৰা-ছোৱালীৰ ভ্ৰষ্ট আৰু অনুপযুক্ত আচৰণেই হ'ল কৈশোৰকালৰ অপৰাধ প্ৰৱণতা।
- ই হ'ল ফৌজদাৰী আইনমতে 'আইন উলংঘাকাৰী' বুলি অভিহিত 'আচৰণ আৰ্হি'।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ ঃ কৈশোৰকালৰ অপৰাধ প্ৰৱণতা সম্পৰ্কে দুআষাৰমান লিখক।

.....

.....

৭.৩.১ অপৰাধ প্ৰৱণতাৰ বৈশিষ্ট্য

কৈশোৰকালৰ অপৰাধ প্ৰৱণতাৰ কিছুমান সাধাৰণ বৈশিষ্ট্য তলত উল্লেখ কৰা হ'ল-

- ১২ -১৩ বছৰৰ পৰা ১৮ বছৰ বয়সীয়া আইন উলংঘাকাৰী ল'ৰা-ছোৱালীক অপৰাধ প্ৰৱণ বুলি কোৱা হয়।
- অপৰাধ প্ৰৱণ কিশোৰ-কিশোৰীৰ গোট হিচাপে থকা এটা উমৈহতীয়া বৈশিষ্ট্য হ'ল শিক্ষাহীনতা আৰু কিছু পৰিমাণৰ বৌদ্ধিক হীনমন্যতা।

- মৌখিক চিহ্ন অথবা প্ৰতীকবোৰ চিনাক্ত কৰাত অপৰাধ প্ৰৱণ কিশোৰ-কিশোৰী সাধাৰণতে দুৰ্বল। যেনে- সিহঁতৰ বাবে কেতিয়াবা পঢ়া কামটো অসুবিধাজনক হৈ পৰে।
- অপৰাধ প্ৰৱণ কিশোৰ-কিশোৰীবোৰৰ প্ৰকৃতি সাধাৰণতে অশান্ত আৰু অস্থিৰ।
- শিক্ষক আৰু অন্য বিদ্যালয় কৰ্মচাৰীৰ মাজত এনে কিশোৰ- কিশোৰী সাধাৰণতে জনপ্ৰিয় নহয়।
- অপৰাধ প্ৰৱণ কিশোৰ-কিশোৰীবোৰ সাধাৰণতে আবেগিকভাৱে অপৰিপক্ক। সিহঁত কেতিয়াবা আবেগিকভাৱে অস্থিৰ, কেতিয়াবা পৰিয়াল নাইবা চৌপাশত চলি থকা আবেগিক উত্তেজনাৰ প্ৰতি অস্বাভাৱিকভাৱে সংবেদনশীল হয়।
- এনে কিশোৰ-কিশোৰী স্বাভাৱিকতে সামাজিক প্ৰকৃতিৰ। সিহঁতে অন্যৰ সৈতে সহজে সংযোগ স্থাপন কৰিব পাৰে। কিছুমান অপৰাধ প্ৰৱণ কিশোৰ-কিশোৰীৰ গাত নেতৃত্ব দিব পৰা সহজাত গুণ দেখা পোৱা যায়।
- এনে কিশোৰ-কিশোৰী নিজৰ বয়সৰ ল'ৰা-ছোৱালীৰ সৈতে সু-সম্পৰ্ক গঢ়ি তুলিবলৈ সক্ষম। সিহঁতে সাধাৰণতে সফলতাৰে অপৰাধী দল (Gang) গঠন আৰু তদাৰক কৰিব পাৰে।
- অপৰাধ প্ৰৱণ কিশোৰ-কিশোৰীয়ে অন্য লোক নাইবা পৰিৱেশক লৈ ভয় নাখায় অথবা সন্ত্ৰাসিত নহয়। ইয়াৰ পৰিৱৰ্তে সিহঁতে এনে ভাবুকিৰ বিৰুদ্ধে যুঁজে। ইয়াৰ ফলস্বৰূপে সিহঁত আগ্ৰাসী, উগ্ৰ মেজাজৰ, সন্দেহবাদী, হিংসাকুৰীয়া আৰু কাজিয়াপ্ৰিয় হয়।
- অপৰাধ প্ৰৱণ কিশোৰ-কিশোৰীৰ কিছুমান নেতিবাচক গুণ থাকে। যেনে- নিৰ্ভৰশীলতা, বাস্তৱিক প্ৰশংসাৰ পৰা সন্তুষ্টি লাভ কৰাৰ অসমৰ্থতা, হতাশাগ্ৰস্ততা, অভ্যাস নিয়ন্ত্ৰণ কৰাৰ অক্ষমতা ইত্যাদি।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ সঁচানে মিছা লিখক-

(i) ১৩ ৰ পৰা ১৮ বছৰীয়া ল'ৰা-ছোৱালী অপৰাধ প্ৰৱণ হ'ব পাৰে। (সঁচা/ মিছা)

(ii) অপৰাধ প্ৰৱণ ল'ৰা-ছোৱালীবোৰ সাধাৰণতে আবেগিকভাৱে সুস্থিৰ। (সঁচা/ মিছা)

(iii) অপৰাধ প্ৰৱণ ল'ৰা-ছোৱালীবোৰৰ স্বভাৱ অশান্ত। (সঁচা/ মিছা)

(iv) সমাজে অপৰাধ প্ৰৱণতা মানি লয়। (সঁচা/ মিছা)

৭.৩.২ অপৰাধ প্ৰৱণতা গঢ় লোৱাৰ কাৰক

কিশোৰ-কিশোৰীৰ মনত অপৰাধ প্ৰৱণতা লোৱাৰ গঢ় আঁৰত কোনবোৰ কাৰক থাকে সেয়া বুজাটো আমাৰ বাবে দৰকাৰী। অপৰাধ প্ৰৱণ আচৰণৰ বিকাশ ঘটাৰ মাত্ৰ এটা কাৰণ নাইবা কেৱল এটা সাধাৰণ ব্যাখ্যা নাই। আইডিয়েল (Ideal) আৰু ব্ৰনণাৰৰ (Bronner)মতে কৈশোৰকালত অপৰাধ প্ৰৱণতা গঢ় লোৱাৰ কাৰণকেইটা হ'ল- (১) দুষ্ট সংগ, (২) বয়ঃসন্ধিকালৰ অস্থিৰতা আৰু প্ৰবৃত্তি, (৩) উপযুক্ত সময়তকৈ আগতে লাভ কৰা যৌন অভিজ্ঞতা, (৪) মানসিক সংঘাত, (৫) বিদ্যালয়কেন্দ্ৰিক অসন্তুষ্টি ইত্যাদি।

কৈশোৰকালৰ অপৰাধ প্ৰৱণতাৰ কাৰণবোৰক তলত উল্লেখ কৰা চাৰিটা প্ৰধান ভাগত ভগাব পাৰি-

(ক) বংশগত অথবা জনন সম্বন্ধীয় কাৰক ঃ

- অসৎ বংশ-পৰিয়াল
- পৰিয়ালৰ সদস্যৰ ত্ৰুটিপূৰ্ণ মানসিকতা
- বিশেষ অক্ষমতাঃ
  - শাৰীৰিক অক্ষমতা
  - মানসিক অক্ষমতা
  - আবেগিক অক্ষমতা
- অস্বাভাৰিক প্ৰাণচাঞ্চল্য, শক্তি, অস্থিৰতা আৰু মাত্ৰাধিক কাৰ্য-কলাপ ইত্যাদি।

(খ) পাৰিপাৰ্শ্বিকতাজনিত কাৰক ঃ

পাৰিপাৰ্শ্বিকতাজনিত কাৰকৰ শিতানত ঘৰ, বিদ্যালয়, সমাজ আৰু ঘৰৰ চৌপাশৰ কাৰকবোৰ সামৰি লোৱা হয়।

- ঘৰ অথবা পৰিয়াল ঃ
  - মুৰব্বীৰ মৃত্যু, সদস্য পৃথক হৈ পৰা, বিবাহ-বিচ্ছেদ, পিতৃ নাইবা মাতৃয়ে পৰিত্যাগ কৰা,কোনোবাই কাৰাবাস খাটিবলগীয়া হোৱা আদি বিভিন্ন কাৰণত ভাঙি যোৱা পৰিয়াল /ঘৰ।
  - ল'ৰা-ছোৱালীৰ প্ৰতি , সিহঁতৰ আগ্ৰহ আৰু কাৰ্য-কলাপৰ প্ৰতি পিতৃ-মাতৃৰ আওকণীয়া মনোভাৱ।
  - এটি বিশেষ সন্তানৰ প্ৰতি মাক-দেউতাকে দেখুওৱা পক্ষপাতিত্ব মূলক মনোভাৱ আৰু পৰিয়ালৰ অন্য সদস্যৰ দ্বাৰা উপেক্ষিত হোৱা।

- ল'ৰা-ছোৱালীক মাক-দেউতাকে মাত্ৰাধিক শাসন কৰা অথবা একেবাৰেই শাসন নকৰা পৰিস্থিতি।
- আবেগিক সুৰক্ষাৰ অভাৱ আৰু ঘৰত চলি থকা মাত্ৰাধিক উদ্বেগজনক পৰিস্থিতি।
- উপযুক্ত আৰু সমৰূপ শৃংখলাবদ্ধতাৰ অভাৱ আৰু সময় মাফিক কাৰ্যৰ অভাৱ।
- দৰিদ্ৰতা আৰু ঘৰত প্ৰয়োজনাধিক মানুহৰ ভিৰ।
- পৰিয়ালৰ দুৰ্বল আৰ্থ-সামাজিক স্থিতি।
- মৰম-চেনেহ আৰু সহযোগিতাৰ অভাৱ থকা ঘৰ।
- অৱসৰ বিনোদনৰ সা-সুবিধা নথকা ঘৰ অথবা ঘৰত জিৰণিৰ সময়কণৰ কোনো উপযুক্ত ব্যৱহাৰ নথকা পৰিৱেশ।
- ঘৰত উপযুক্ত নৈতিক আচাৰ-সংহিতাৰ অনুপস্থিতি।

➢ বিদ্যালয় ঃ

- বিদ্যালয় যদি কোনো ঔদ্যোগিক এলেকাৰ ভিতৰত থাকে, কোনো চিনেমা হলৰ কাষত থাকে, কোনো অনাকাংক্ষিক বজাৰ এলেকাত থাকে ,তেন্তে ল'ৰা-ছোৱালী আইন ভংগকাৰী কাৰ্য-কলাপত জড়িত হ'বলৈ প্ৰলোভিত হ'ব পাৰে।
- বিদ্যালয়ত উপযুক্ত, সমৰূপ অনুশাসনমূলক ব্যৱস্থাৰ অভাৱ নাইবা অতি কঠোৰ অনুশাসনমূলক ব্যৱস্থাৰ কাৰণেও কিশোৰ- কিশোৰীৰ মনত অপৰাধ প্ৰৱণতাই গা কৰি উঠিব পাৰে।
- কিছুমান ছাত্ৰ-ছাত্ৰীৰ প্ৰতি শিক্ষকৰ পক্ষপাতিত্বমূলক মনোভাৱ আৰু আচৰণেও অন্য ছাত্ৰ-ছাত্ৰীৰ মনত অপৰাধ প্ৰৱণতা গঢ়ি তুলিব পাৰে।
- ত্ৰুটিপূৰ্ণ পাঠ্যক্ৰম য'ত তাত্বিক আৰু পুথিগত জ্ঞানকহে গুৰুত্ব দিয়া হয় এনে আসোঁৱাহপূৰ্ণ পাঠ্যক্ৰমে ল'ৰা-ছোৱালীৰ প্ৰয়োজনীয়তা আৰু আগ্ৰহ পূৰণ কৰিব নোৱাৰে।
- শিক্ষাগত দক্ষতা পৰীক্ষা কৰা পদ্ধতি আৰু ভাৰসা কৰিব নোৱাৰা মূল্যাংকন প্ৰক্ৰিয়ায়ো অপৰাধ প্ৰৱণতা গঢ়ি তুলিব পাৰে।
- শিক্ষকৰ অ-বন্ধুত্বসুলভ আৰু উগ্ৰ মনোভাৱ তথা শাৰীৰিক শাস্তি প্ৰদানেও বিদ্যালয়ৰ পৰিৱেশ অধিক বিনষ্ট কৰিব পাৰে।
- শিক্ষণৰ উপযুক্ত তথা আকৰ্ষণীয় পদ্ধতিৰ অভাৱ, নিজে কৰিব পৰা কাৰ্য-কলাপৰ অভাৱ আৰু অক্ৰিয় শিকন পদ্ধতিৰ বাবেও ল'ৰা-ছোৱালীৰ বিদ্যালয়ৰ প্ৰতি আকৰ্ষণ কমি যায়।
- বয়ঃসন্ধি এনে এছোৱা সময়- যিখিনি সময়ত ল'ৰা আৰু ছোৱালীয়ে নিজৰ নতুন

ভূমিকা আৰু বিকাশক লৈ ব্যত্ৰিব্যস্ত হৈ থাকে। উপযুক্ত বৃত্তিমুখী- শৈক্ষিক দিহা আৰু পৰামৰ্শ অবিহনে এই সময়ছোৱাত ল'ৰা-ছোৱালী অপৰাধ প্ৰৱণতাৰ বলি হ'ব পাৰে।

- বয়ঃসন্ধিকাল হ'ল যৌন পৰিপক্কতা লাভৰ স্তৰ। কিন্তু উপযুক্ত যৌন শিক্ষাৰ অভাৱত যৌনতা সম্পৰ্কে পক্ষপাতিত্বমূলক মনোভাৱ গঢ়ি উঠে। ইয়াৰ ফলতো কিশোৰ-কিশোৰী অপৰাধ প্ৰৱণ হৈ উঠিব পাৰে।
- উপযুক্ত সহ-পাঠ্যক্ৰমকেন্দ্ৰিক কাৰ্য-কলাপ আৰু সুস্থ আমোদ-প্ৰমোদ লাভৰ সুবিধাৰ অভাৱতো কৈশোৰকালৰ অপৰাধ প্ৰৱণতা বৃদ্ধি পায়।
- জিৰণিৰ সময়খিনি সদ্ব্যৱহাৰ কৰিবলৈ উপযুক্ত সুবিধাৰ অভাৱ আৰু উপযুক্ত অৱসৰকালীন শিক্ষাৰ অভাৱেও অপৰাধ প্ৰৱণতাৰ সমস্যাটো গভীৰ কৰি তোলে।
- সমাজত নৈতিক প্ৰমূল্যৰ অৱক্ষয়, নৈতিক তথা প্ৰমূল্য সৃষ্টিকাৰী শিক্ষাৰ প্ৰতি আওকণীয়া মনোভাৱো কৈশোৰকালৰ অপৰাধ প্ৰৱণতাৰ বাবে দায়ী।

➢ চৌপাশৰ পৰিৱেশ আৰু সমাজ ঃ

- অ-সৌহাৰ্দ্যপূৰ্ণ পৰিৱেশ
- কাজিয়াপ্ৰিয় চুবুৰীয়া
- চুবুৰীত বহুতো অপৰাধী আৰু অপ্ৰত্যাশিত ধৰণৰ আদৰ্শ ব্যক্তিৰ (role models) উপস্থিতি
- সংখ্যালঘু সংঘাতৰ মুখামুখি হ'বলগীয়া হোৱাটো
- শ্ৰেণী- সম্প্ৰদায় সংঘাত আৰু কোনো শ্ৰেণী অথবা সম্প্ৰদায়ৰ প্ৰতি থকা পক্ষপাতিত্বমূলক মনোভাৱ
- যুদ্ধ, দেশ বিভাজন আৰু অন্য প্ৰাকৃতিক দুৰ্যোগৰ বাবে সৃষ্টি হোৱা উদ্বেগজনক পৰিস্থিতি
- ধৰ্মীয় সংঘাত, ৰাজনৈতিক অস্থিৰতা, সাম্প্ৰদায়িক হিংসা, সামাজিক অন্যায়
- যুৱ কল্যাণৰ প্ৰতি চৰকাৰৰ নিৰ্বিকাৰ মনোভাৱ আৰু দমনমূলক ক'লা আইন বলবৎ আদিৰ দৰে কাৰকো কৈশোৰকালৰ অপৰাধ প্ৰৱণতাৰ বাবে দায়ী।

(গ) ব্যক্তিগত কাৰকঃ

- দুৰ্বল স্বাস্থ্য
- হীনমন্যতা, অসুৰক্ষা আৰু প্ৰত্যাখ্যাত হোৱাৰ ভাৱনা
- আবেগিক অপৰিপক্কতা অথবা অস্থিৰতা
- অপৰাধী আদৰ্শৰ সৈতে নিজৰ মিল বিচাৰি পোৱা
- সমাজ বিৰোধী দলত থাকি আবেগিক সন্তুষ্টি লাভ কৰা
- বিবেকে বাধা নিদিয়া উগ্ৰপ্ৰবৃত্তি
- হতাশগ্ৰস্ততা আৰু মানসিক উদ্বেগৰ বলি

(ঘ) অস্তিত্বজনিত কাৰক ঃ

- কর্মসংস্থাপনহীনতা
- অশিক্ষিত অৱস্থা
- দৰিদ্রতা অথবা অর্থনৈতিক অসুৰক্ষা
- অধিক জনসংখ্যা
- প্রাকৃতিক দুর্যোগ
- দুর্নীতি আৰু অপ্রয়োজনীয় ৰাজনৈতিক হেঁচা।



জানি থোৱা ভাল

অপৰাধ প্রৱণতাৰ কাৰণ

বিভিন্ন কাৰণত কিশোৰ-কিশোৰী অপৰাধ প্রৱণ হ'ব পাৰে। এই কাৰণবোৰক বহুলভিত্তিত চাৰিভাগত ভগাব পাৰি-

(ক) বংশগত অথবা জনন সম্বন্ধীয় কাৰক

(খ) পাৰিপার্শ্বিকতাজনিত কাৰক

(গ) আবেগিক কাৰক

(ঘ) অস্তিত্বজনিত কাৰক



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ কাক অপৰাধ প্রৱণ বুলি কোৱা হয়?

.....

.....

প্রশ্ন নং ৫ ঃ অপৰাধ প্রৱণতা গঢ়ি তোলা যিকোনো দুটা কাৰকৰ বিষয়ে উল্লেখ কৰক-

(i) বংশগত অথবা জনন সম্বন্ধীয় কাৰক ঃ (ক).....

(খ).....

(ii) পাৰিপার্শ্বিকতাজনিত কাৰক ঃ (ক).....

(খ).....

৭.৪ প্ৰতিৰোধমূলক ব্যৱস্থা

ওপৰৰ আলোচনাবোৰৰ পৰা আমি কৈশোৰকালত অপৰাধ প্ৰৱণতা গঢ়ি উঠাৰ কাৰণবোৰ গম পালোঁ। কিন্তু এই অপৰাধ প্ৰৱণতা গঢ়ি উঠাটো কেনেদৰে ৰোধ কৰিব পাৰি সেয়াহে চিন্তনীয় বিষয়। কামটো কঠিন, কিন্তু অতি গুৰুত্বপূৰ্ণ। এটা আইন ভংগকাৰী কাৰ্য মানে হ'ল কোনো নিষিদ্ধ অথবা নিবৃত্ত উদ্দেশ্য পূৰণ কৰি আনন্দ লভাৰ প্ৰৱণতাৰ ফলত সৃষ্ট কাৰ্য। সেয়েহে এনে কাৰ্য ৰোধ কৰাৰ সৰ্বোত্তম উপায়টো হ'ল ল'ৰা-ছোৱালীৰ সামাজিক, অৰ্থনৈতিক আৰু পৰিস্কাৰ পৰিচ্ছন্নতাজনিত অৱস্থাবোৰৰ ভিত্তিত সিহঁতৰ প্ৰয়োজনীয়তাবোৰ পূৰণ কৰা। আমি ল'ৰা-ছোৱালীৰ চৌপাশৰ পৰিৱেশ উন্নত কৰি তোলাত মনোযোগ দিব লাগিব। সিহঁতক সৰুৰে পৰাই নীতিগত প্ৰশিক্ষণ দিব লাগিব। এই ক্ষেত্ৰত পিতৃ-মাতৃ, শিক্ষক আৰু সমাজে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব লাগিব। ভূমিকাবোৰ কেনেধৰণৰ হ'ব অথবা হোৱা উচিত সেয়া তলত উল্লেখ কৰা হ'ল-

পিতৃ-মাতৃৰ ভূমিকাঃ

- সন্তানৰ আবেগ, প্ৰবৃত্তি আৰু মানসিক বৈশিষ্ট্য বুজা
- সন্তানক প্ৰয়োজনীয় বস্তু আৰু সুবিধা যোগান ধৰা
- আবেগিক, ভৌতিক আৰু সামাজিকভাৱে সুস্থ পৰিৱেশ গঢ়ি তোলা
- উপযুক্ত অনুশাসনমূলক ব্যৱস্থা গঢ়ি তোলা
- সু আদৰ্শ দেখুওৱা
- সময়ে সময়ে বিদ্যালয়ৰ সৈতে যোগাযোগ ৰখা

সমাজৰ ভূমিকাঃ

- সাংস্কৃতিক আৰু ধৰ্মীয় অনুষ্ঠান-প্ৰতিষ্ঠানবোৰ সবল কৰি তোলা; যুৱসকললৈ সেৱা আগবঢ়োৱা অভিকৰণবোৰ, লাইব্ৰেৰীৰ দৰে শিক্ষাদানকাৰী অভিকৰণবোৰ, ৰাজহুৱা টুৰ্ণামেণ্ট-ক্লাব আদিৰ দৰে আজৰি সময়ত সৃষ্টিশীল কাৰ্যত উদ্‌গনি যোগাব পৰা অভিকৰণ বোৰ সবল কৰি তোলা।
- 'ভাৰত স্কাউটচ্ আৰু গাইডচ্'ৰ দৰে যুৱসমাজলৈ সেৱা আগবঢ়োৱা সংস্থাবোৰক সহায় কৰা।
- জুৱা, মদ্যপান, ডকাইতি, পকেটমাৰ, গণিকাবৃত্তি, ভিক্ষা খোজা, যৌনতাসৰ্বস্ব ছবি নিৰ্মাণ, যৌনতাসৰ্বস্ব বিজ্ঞাপনৰ প্ৰচাৰ, বস্তি অঞ্চল, কৰ্মসংস্থাপনহীনতা আৰু দৰিদ্ৰতাই সমাজত সৃষ্টি কৰিব পৰা কুপ্ৰভাৱবোৰ নাইকিয়া কৰা।
- কিশোৰ আদালত, আৰক্ষী সেৱা, অনাথ গৃহ, মানসিক চিকিৎসালয়, পৰামৰ্শদান ক্লিনিক, বাল নিকেতন, শিশু গৃহ, জিলা কাৰাগাৰ আদিৰ দৰে বিভিন্ন সংস্কাৰ সাধনকাৰী অভিকৰণ খোলা আৰু পূৰ্বৰে পৰা চলি থকা এনে অভিকৰণবোৰ নতুনকৈ শক্তিশালী কৰি তোলা। অপৰাধ প্ৰৱণ এলেকাবোৰত আৰক্ষীৰ পহৰাৰ ব্যৱস্থা কৰা।

বিদ্যালয় আৰু সমাজৰ ভূমিকাঃ

- শ্ৰেণীকোঠা আৰু বিদ্যালয়ৰ পৰিৱেশ উদ্দীপনাময় হোৱা উচিত।
- শিক্ষকসকল সহানুভূতিশীল মনোভাৱাপন্ন হোৱা উচিত। শিক্ষকে অপৰাধ প্ৰৱণ কিশোৰ-কিশোৰীয়ে যুঁজি থকা সমস্যাবোৰ অনুধাৱন কৰি সিহঁতক তেনে পৰিস্থিতিৰ পৰা বাহিৰ ওলোৱাত সহায় কৰা উচিত। তেওঁ এনে কিশোৰ-কিশোৰীৰ সৈতে এটা সৰ্বাত্মক মানৱীয় সম্পৰ্ক গঢ়ি তোলা উচিত।
- শিক্ষকৰ দিক্-নিৰ্দেশনা থকা দলীয় কাৰ্য-কলাপ আৰম্ভ কৰিব লাগে। যেনে-দলীয় নাট, দলীয় ক্ৰীড়া, স্কাউটিং, সমাজ সেৱা, দলীয় থেৰাপি ইত্যাদি। এনেবোৰ কামে ল'ৰা-ছোৱালীৰ আত্মবোধ (ego) আৰু মহা-আত্মবোধ (super ego) শক্তিশালী কৰি তোলে।
- দুৰ্বল ছাত্ৰ-ছাত্ৰীৰ বাবে বিশেষ পাঠদান আৰম্ভ কৰিব লাগে।
- মানসিক বিকাশৰ হাৰ নিম্ন হৈ থকাসকলক ব্যস্ত ৰাখিবলৈ চাৰুকলা (Crafts) অথবা অন্য শিল্প দক্ষতা উপযুক্ত কাৰ্য বুলি প্ৰমাণিত হৈছে।
- বিশেষ সমস্যা বুজিবলৈ শিক্ষকসকলে চিকিৎসা-মনোবৈজ্ঞানিক সেৱাৰ (Clinical services) সহায় লোৱা উচিত।
- দৃষ্টান্তমূলক অথবা অন্য যিকোনো ধৰণৰ শাস্তি প্ৰদানৰ ব্যৱস্থা নাইকিয়া কৰা উচিত। কাৰণ এনেবোৰ কাৰ্যই অপৰাধ প্ৰৱণ কিশোৰ-কিশোৰীৰ মনত বিৰূপ প্ৰতিক্ৰিয়া আৰু বিদ্ৰোহৰ ভাৱ জগাই তোলে।
- সৰু ল'ৰা-ছোৱালীৰ মহা-আত্মবোধ শক্তিশালী কৰি তোলাত নৈতিক আৰু ধৰ্মীয় শিক্ষাই গুৰুত্বপূৰ্ণ ভূমিকা ল'ব পাৰে। বিদ্যালয় আৰু সমাজে ল'ৰা-ছোৱালীৰ মনত মহৎ আবেগ-অনুভূতি জগাই তোলাৰ চেষ্টা কৰা উচিত।



৭.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অপৰাধ প্ৰৱণতা মানে হ'ল-
  - এক ধৰণৰ অস্বাভাৱিক আচৰণ আৰ্হি
  - প্ৰাপ্তবয়স্কৰ সীমাত ভৰি নিদিয়া নাবালকে কৰা অস্বাভাৱিক আচৰণ
  - স্বীকৃত নীতি-নিয়ম উলংঘা কৰা আচৰণৰ আৰ্হি
  - সমাজত নীতি-নিয়ম ভংগকাৰী আচৰণ
  - সমাজ বিৰোধী আচৰণ
  - সমাজৰ সৈতে খাপ খোৱাত বিফলতা
  - সামাজিক অ-সংগঠনৰ এটা ৰূপ।
- কৈশোৰকালৰ অপৰাধ প্ৰৱণতা-
  - ১৮ বছৰতকৈ কম বয়সীয়া ল'ৰা নাইবা ছোৱালী যদি আনুষ্ঠানিকভাৱে আইনসংগত

বিচাৰৰ মুখামুখি হয় তেন্তে তেনে ল'ৰা-ছোৱালীক 'অপৰাধ প্ৰৱণ' কিশোৰ বোলা হয়।

- ভাৰতীয় দণ্ডবিধি আইনে 'কৈশোৰকালৰ অপৰাধ প্ৰৱণতা'ৰ সলনি 'কৈশোৰকালৰ আইন ভংগকাৰী কাৰ্য' অভিধাটো ব্যৱহাৰ কৰে।
- কৈশোৰকালৰ অপৰাধ প্ৰৱণতা এটা সামাজিক সমস্যা।
- ই হ'ল ল'ৰা-ছোৱালীৰ সমাজৰ সৈতে হোৱা ত্ৰুটিপূৰ্ণ সমাযোজন আৰু সিহঁতে কৰা উচ্ছংখৃল কাৰ্য-কলাপ।
- ল'ৰা ছোৱালীৰ এনে কিছুমান আচৰণ যিবোৰ আইনে নিষেধ কৰিছে।
- ১৮ বছৰতকৈ কম বয়সীয়া ল'ৰা-ছোৱালীৰ ভ্ৰষ্ট আৰু অনুপযুক্ত আচৰণ।
- ফৌজদাৰী সংহিতা উলংঘাকাৰী বুলি অভিহিত কৰা আচৰণ আৰ্হি।

- অপৰাধ প্ৰৱণ কিশোৰ -কিশোৰী হ'ল- আবেগিকভাৱে অপৰিপক্ক, অস্থিৰ, আবেগিক উদ্বিগ্নতাৰ প্ৰতি অস্বাভাৱিকভাৱে সংবেদনশীল, সামাজিক কিন্তু আইন আৰু স্বীকৃত সামাজিক নীতি-নিয়মৰ বিৰোধী, আগ্ৰসী, হিংস্ৰ, সন্দেহবাদী, ঈৰ্ষালু আৰু কাজিয়াপ্ৰিয়।
- বিভিন্ন কাৰকৰ বাবে কৈশোৰকালৰ অপৰাধ প্ৰৱণতা গঢ় লৈ উঠে। এই কাৰকবোৰক বহলকৈ চাৰিভাগত ভগাব পাৰি-
  - (ক) বংশগত অথবা জনন সম্বন্ধীয় কাৰক
  - (খ) পাৰিপাৰ্শ্বিকতাজনিত কাৰক
  - (গ) ব্যক্তিগত কাৰক
  - (ঘ) অস্তিত্বজনিত কাৰক

- কৈশোৰকালৰ অপৰাধ প্ৰৱণতা নিৰাময় কৰাটো অতি কঠিন কাম। অপৰাধ প্ৰৱণ কিশোৰ-কিশোৰীয়ে নিজকে অস্বাভাৱিক আৰু চিকিৎসা গ্ৰহণ কৰিবলগীয়া ধৰণৰ মানসিক ৰোগত আক্ৰান্ত বুলি নাভাবে। অপৰাধ প্ৰৱণতাৰ সমস্যাটোৱে সমাজৰ প্ৰতিগৰাকী ব্যক্তিৰে দৃষ্টি আকৰ্ষণ কৰিছে। এই কথা সকলোৱে জানে যে এটি অপৰাধ প্ৰৱণ কিশোৰ -কিশোৰী ভৱিষ্যতে গৈ অভ্যস্ত অপৰাধীত পৰিণত হ'ব পাৰে। সেয়েহে কৈশোৰকালৰ অপৰাধ প্ৰৱণতা প্ৰতিৰোধ কৰাত পিতৃ-মাতৃ, শিক্ষক আৰু সমাজে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিবলগীয়া হয়।



৭.৬ অধিক জানিবলৈ

১) বৰুৱা. যতীন.ঃ শিশু বিকাশৰ ৰূপৰেখা, লয়ার্ছ বুক ষ্টল, পাণবজাৰ।

২) বৰুৱা, যতীন ঃ শিক্ষাৰ মনোবিজ্ঞান ভিত্তিক অধ্যয়ন।
অৰুণ প্ৰকাশন, কলেজ হোষ্টেল ৰ'ড, গুৱাহাটী -১

৩) দাস, লক্ষহীৰা ঃ সম্পূৰ্ণ শিক্ষা, সংগম প্ৰকাশন, গুৱাহাটী।

৭.৭ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্ন উত্তৰ ঃ অপৰাধ প্ৰৱণতা মানে হ'ল-

(i) এক প্ৰকাৰৰ অস্বাভাৱিক আচৰণৰ আৰ্হি

(ii) প্ৰাপ্তবয়স্ক অৱস্থা নোপোৱাসকলে প্ৰদৰ্শন কৰা অস্বাভাৱিক আচৰণ

(iii) স্বীকৃত নীতি-নিয়ম উলংঘাকাৰী আচৰণৰ আৰ্হি

(iv) সমাজৰ নীতি আৰু নিয়ন্ত্ৰণমূলক নিয়ম ভঙা কাৰ্য।

২নং প্ৰশ্ন উত্তৰ ঃ কৈশোৰকালৰ অপৰাধ প্ৰৱণতাঃ

(i) ১৮ বছৰতকৈ কম বয়সীয়া ল'ৰা নাইবা ছোৱালী যদি আনুষ্ঠানিক আইনসংগত ব্যৱস্থাৰ মুখামুখি হয় তেন্তে তেনেকুৱা ল'ৰা নাইবা ছোৱালীক 'কিশোৰ অপৰাধী' বোলা হয়।

(ii) ভাৰতীয় দণ্ডবিধি আইনে 'কৈশোৰকালৰ অপৰাধ প্ৰৱণতাৰ সলনি 'কৈশোৰকালৰ আইন ভংগকাৰী' অভিধাটো ব্যৱহাৰ কৰে।

(iii) কৈশোৰকালৰ অপৰাধ প্ৰৱণতা এক সামাজিক সমস্যা।

(iv) ই সমাজত ল'ৰা-ছোৱালীৰ ত্ৰুটিপূৰ্ণসমাযোজন আৰু সিহঁতৰ উচ্ছৃংখল কাম-কাজৰ কথা সূচায়।

৩নং প্ৰশ্ন উত্তৰ ঃ (i) সঁচা (ii) মিছা (iii) সঁচা (iv) মিছা

৪নং প্ৰশ্ন উত্তৰ ঃ ১৮ বছৰতকৈ কম বয়সীয়া ল'ৰা নাইবা ছোৱালীয়ে যদি নিজ সমাজৰ স্বীকৃত নীতি-নিয়মৰ পৰা গুৰুতৰ ভাৱে বিচ্যুত হয় আৰু সামাজিকভাৱে আইন ভংগকাৰী কাৰ্যত লিপ্ত হয় তেন্তে তেনে ল'ৰা-ছোৱালীক অপৰাধ প্ৰৱণ বুলি কোৱা হয়।

৫নং প্ৰশ্ন উত্তৰ ঃ (i) (ক) অসৎ বংশ পৰিয়াল।

(খ) পৰিয়ালৰ সদস্যৰ ত্ৰুটি পূৰ্ণ মানসিকতা।

(ii) (ক) পিতৃ-মাতৃৰ দ্বাৰা প্ৰত্যাখ্যাত সন্তান।

(খ) ভাঙি যোৱা পৰিয়াল।

৭.৮ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন (৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন নং ১ ঃ অপৰাধ প্ৰৱণতা বুলিলে কি বুজে?

প্ৰশ্ন নং ১ ঃ কৈশোৰকালৰ অপৰাধ প্ৰৱণতা বুলিলে কি বুজে?

প্ৰশ্ন নং ১ ঃ আইডিয়েল আৰুব্ৰনণাৰে আগবঢ়োৱা কৈশোৰকালৰ অপৰাধ প্ৰৱণতাৰ কাৰণকেইটা কি কি?

(খ) **চুটি প্ৰশ্ন** (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন নং ১ ঃ অপৰাধপ্ৰৱণ কিশোৰ-কিশোৰীৰ বৈশিষ্ট্যবোৰ উল্লেখ কৰক।

প্ৰশ্ন নং ২ ঃ কৈশোৰকালৰ অপৰাধ প্ৰৱণতা নাইকিয়া কৰাত পিতৃ-মাতৃ আৰু শিক্ষকৰ ভূমিকা বৰ্ণনা কৰক।

(গ) **ৰচনাধৰ্মী প্ৰশ্ন** (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন নং ১ ঃ 'অপৰাধ প্ৰৱণতা জন্মগত'- উক্তিটো আলোচনা কৰক।

প্ৰশ্ন নং ২ ঃ 'ব্যক্তিক অপৰাধ প্ৰৱণ কৰি তোলা হয়।'- উক্তিটো আলোচনা কৰক।

প্ৰশ্ন নং ৩ ঃ অপৰাধ প্ৰৱণতাৰ কাৰণবোৰ উল্লেখ কৰক আৰু কিছুমান প্ৰতিকাৰমূলক ব্যৱস্থা গ্ৰহণৰ পৰামৰ্শ আগবঢ়াওক।

অধ্যায় ৮ ঃ ব্যতিক্রমী শিশুৰ বাবে শিক্ষা

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য

৮.২ পৰিচয়

৮.৩ ব্যতিক্রমী শিশুৰ অর্থ আৰু সংজ্ঞা

৮.৩.১ ব্যতিক্রমী শিশুৰ প্রয়োজনীয়তা

৮.৩.২ ব্যতিক্রমী শিশুৰ বিশেষ শিক্ষাৰ উদ্দেশ্য

৮.৩.৩ ব্যতিক্রমী শিশুৰ শিক্ষাৰ নীতি

৮.৪ ব্যতিক্রমী শিশুৰ শ্রেণীবিভাজন

৮.৫ বৌদ্ধিকভাৱে ব্যতিক্রমী শিশু

৮.৫.১ প্রতিভাসম্পন্ন শিশু আৰু শৈক্ষিক কার্যসূচী

৮.৫.২ অনগ্রসৰ শিশু আৰু শৈক্ষিক কার্যসূচী

৮.৫.৩ মন্থৰবুদ্ধিৰ শিক্ষার্থী আৰু শৈক্ষিক কার্যসূচী

৮.৬ শাৰীৰিকভাৱে ব্যতিক্রমী শিশু

৮.৬.১ দর্শন প্রতিবন্ধকতা থকা শিশু

৮.৬.২ কথন প্রতিবন্ধকতা থকা শিশু

৮.৬.৩ বিকলাংগ অথবা অস্থিবৈকল্য থকা শিশু

৮.৭ আৱেগিক আৰু সামাজিকভাৱে ব্যতিক্রমী শিশু

৮.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৮.৯ অধিক জানিবলৈ

৮.১০ অগ্রগতিৰ খতিয়ান

৮.১১ আর্হি প্রশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- 'ব্যতিক্রমী শিশু'ৰ অর্থ দাঙি ধৰিব পাৰিব
- বিভিন্ন প্রকাৰৰ ব্যতিক্রমী শিশুৰ শ্রেণীবিভাজন কৰিব পাৰিব
- ব্যতিক্রমী শিশুৰ বাবে থকা শৈক্ষিক কার্যসূচীবোৰ চিনাক্ত কৰিব পাৰিব
- এনে শিশুৰ বাবে শিক্ষাৰ বিশেষ পাঠ্যক্রমৰ আর্হি প্রস্তুত কৰিব পাৰিব।

৮.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়বোৰত আমি স্বাভাৱিক শিশুৰ বিকাশ প্রক্রিয়া আৰু ইয়াৰ সৈতে জড়িত বিভিন্ন দিশ বহলাই আলোচনা কৰিলোঁ। এই অধ্যায়টিত আমি শিশুৰ এটি বিশেষ শ্রেণী 'ব্যতিক্রমী শিশু'ৰ (Exceptional Children) বিষয়ে আলোচনা কৰিম। কেইটামান দশকৰ আগতে এনে শিশুৰ প্রতি কোনো বিশেষ মনোযোগ দিয়া নহৈছিল। বিশেষকৈ আমাৰ ভাৰতৰ দৰে দেশত এনে শিশুৱে বিশেষ মনোযোগ পোৱা নাছিল। কিন্তু সকলোৱে এই কথা মানি লয় যে যিকোনো স্বাভাৱিক শিশুৰ দৰেই প্রতিটি শিশুৱেই শিক্ষা লাভ কৰাৰ অধিকাৰ আছে।

শিক্ষা হ'ল এনে এক প্রক্রিয়া যিটোৱে এগৰাকী ব্যক্তিৰ সুপ্ত গুণবোৰ সর্বোচ্চ সম্ভাব্য সীমাপর্যন্ত বিকশিত কৰে। বর্তমানৰ শিক্ষা শিশুকেন্দ্রিক হৈ পৰিছে। অতীতত শিক্ষা আছিল পাঠ্যক্রম কেন্দ্রিক। প্রত্যেকটি শিশুৱেই শাৰীৰিক, মানসিক, বৌদ্ধিক আৰু সামাজিক দিশত অইনতকৈ পৃথক। প্রত্যেকটি শিশুকে সর্বোত্তম সম্ভৱপৰ উপায়েৰে বিকশাই তোলাটো হ'ল শিক্ষাৰ কার্য। এই অধ্যায়টিৰ আলোচ্য বিষয় হ'ল 'ব্যতিক্রমী শিশু', এনে শিশুৰ প্রকাৰ, সিহঁতৰ বিভিন্ন প্রয়োজনীয়তা আৰু সিহঁতৰ বিকাশৰ বাবে সবাতোকৈ উপযুক্ত শৈক্ষিক কার্যসূচীবোৰ।

৮.৩ ব্যতিক্রমী শিশুৰ অর্থ আৰু সংজ্ঞা

'ব্যতিক্রমী শিশু' বোলা অভিধাটোৰ সংজ্ঞা দিয়াটো সহজ নহয়। কাৰণ এই কথা আমি সকলোৱে জানো যে প্রত্যেকটি শিশুৱেই একক আৰু অনন্য। সিহঁত ইটো সিটোতকৈ সম্পূর্ণ ভিন্ন। এই ভিন্নতা শাৰীৰিক, মানসিক, সামাজিক আৰু আবেগিক হ'ব পাৰে। সাধাৰণতে এই ভিন্নতাবোৰ সিমান গুৰুত্বপূর্ণ নহয়। যেতিয়া শিশু এটিৰ চিকিৎসা আৰু মনোবিজ্ঞান বিশেষজ্ঞসকলে বান্ধি দিয়া কিছুমান মাপ অনুসৰি বৃদ্ধি তথা বিকাশ ঘটে তেতিয়া তেনে শিশুক 'স্বাভাৱিক' (normal) বুলি কোৱা হয়। কিন্তু শাৰীৰিক, বৌদ্ধিক আৰু আবেগিক দিশত এই নির্ধাৰিত মাপৰ তাৰতম্য দেখুওৱা শিশুবোৰক 'ব্যতিক্রমী শিশু'ৰ সংজ্ঞা দাঙি ধৰাৰ প্রয়াস কৰি আহিছে যদিও এতিয়ালৈকে এটা সর্বজনগ্রাহ্য সংজ্ঞা বাহিৰ হোৱা নাই। তলত 'ব্যতিক্রমী শিশু' সম্বন্ধীয় দুটামান গুৰুত্বপূর্ণ সংজ্ঞা তুলি দিয়া হ'ল।

- ব্যতিক্রমী শিশুৰ এক বিস্তৃত সংজ্ঞা দাঙি ধৰি কির্কে (Kirk) কৈছে যে, "স্বাভাৱিক নাইবা সাধাৰণ (average) শিশুতকৈ মানসিক, শাৰীৰিক আৰু সামাজিক বৈশিষ্ট্যত বিচ্যুত শিশুকে ব্যতিক্রমী শিশু বোলে। এই বিচ্যুতি এনে এক পর্যায়ৰ হয় যে ব্যতিক্রমী শিশুৰ সর্বোচ্চ সামর্থ্যৰ বিকাশ ঘটাবলৈ বিদ্যালয়ৰ সাধাৰণ অনুশীলনবোৰৰ সংশোধন ঘটাব লাগে নাইবা বিশেষ শৈক্ষিক সেৱা আগবঢ়াব লাগে নাইবা পৰিপূৰক শৈক্ষিক নির্দেশনাৰ প্রয়োজন হয়।"
- ডব্লিউ. এম. ক্রুছ্কশ্বাংকৰ (W.M. Cruickshank) মতে, "ব্যতিক্রমী শিশু মানে হ'ল এনে এটি শিশু যি স্বাভাৱিক

বৃদ্ধি আৰু বিকাশ প্ৰক্ৰিয়াৰ পৰা শাৰীৰিক, বৌদ্ধিক, আবেগিক আৰু সামাজিক দিশত চকুত লগাকৈ বিচ্যুত। এনে শিশু এটা নিয়মীয়া শ্ৰেণীকোঠাভিত্তিক শৈক্ষিক পাঠ্যক্ৰমৰ দ্বাৰা উপকৃত নহয়। ব্যতিক্ৰমী শিশুক বিদ্যালয়ত বিশেষ শিক্ষাৰ প্ৰয়োজন হয়।"

- ক্ৰ' আৰু ক্ৰ'ৰ সংজ্ঞা মতে, " 'দৃষ্টান্তমূলক' (typical) অথবা 'ব্যতিক্ৰমী' (exceptional) বোলা অভিধা দুটা এনে কোনো চাৰিত্ৰিক বৈশিষ্ট্য অথবা ব্যক্তিৰ ক্ষেত্ৰত প্ৰযোজ্য যিটো স্বাভাৰিকভাৱে আহৰিত বৈশিষ্ট্যবোৰতকৈ যথেষ্ট বিচ্যুত। ব্যতিক্ৰমী লোকে এনে বিচ্যুতিৰ সপ্ৰমাণ আগবঢ়ায় আৰু লগৰীয়াৰ পৰা বিশেষ মনোযোগ লাভ কৰে। ইয়াৰ দ্বাৰা তেওঁৰ আচৰণ প্ৰতিক্ৰিয়া আৰু কাৰ্য-কলাপবোৰ প্ৰভাৰিত হয়।"

ওপৰৰ সংজ্ঞাবোৰ বিশ্লেষণ কৰি গম পোৱা গৈছে যে 'ব্যতিক্ৰমী শিশু' অভিধাটোৰে এনেবোৰ শিশুক বুজোৱা হয় যিবোৰে স্বাভাৰিক বৃদ্ধি প্ৰক্ৰিয়াৰ পৰা বিভিন্ন মাত্ৰাত বিচ্যুত হৈ বিকাশ লাভ কৰে। এই শিশুবোৰৰ বিকাশ সাধাৰণ শিশুৰ শ্ৰেণীতকৈ যথেষ্ট কম অথবা যথেষ্ট বেছি হ'ব পাৰে। এনে শিশুক বিশেষীকৃত মনোযোগৰ প্ৰয়োজন। এটা নিয়মীয়া শ্ৰেণীকোঠাভিত্তিক পাঠদান প্ৰক্ৰিয়াৰে ব্যতিক্ৰমী শিশুক এনে মনোযোগ প্ৰদান কৰিব পৰা নাযায়।

৮.৩.১ ব্যতিক্ৰমী শিশুৰ প্ৰয়োজনীয়তা

ওপৰৰ আলোচনাৰ পৰা আমি গম পালো যে শাৰীৰিক, বৌদ্ধিক আৰু আবেগিক সক্ষমতাৰ দিশত স্বাভাৰিক শিশুতকৈ অলপ বেলেগ ধৰণে বৃদ্ধি আৰু বিকাশ হোৱা শিশুবোৰকে ব্যতিক্ৰমী শিশু বোলা হয়। এনে শিশুৰ প্ৰয়োজনীয়তাবোৰো স্বাভাৰিক শিশুতকৈ পৃথক। কিছুমান ব্যতিক্ৰমী শিশুৰ বুদ্ধ্যাংক (IQ) অতি উচ্চ হ'ব পাৰে, আন কিছুমানৰ বুদ্ধিৰ মান একেবাৰে কম হ'ব পাৰে, আন কিছুমান ব্যতিক্ৰমী শিশু আবেগিকভাৱে পীড়িত হ'ব পাৰে। সেয়েহে এনে শিশুৰ বিকাশ সিহঁতৰ বাবে বিশেষভাৱে প্ৰস্তুত কৰা শৈক্ষিক পাঠ্যক্ৰমৰ ওপৰত নিৰ্ভৰশীল। অৰ্থাৎ, এনে শিশুৰ শাৰীৰিক, আবেগিক আৰু বৌদ্ধিক প্ৰয়োজনীয়তাবোৰ পূৰণ কৰিবলৈ কিছুমান বিশেষ সা-সুবিধা আগবঢ়াব লাগে। এনে শিশুৰ বাবে যুগুত কৰা পাঠ্যক্ৰমৰ বিষয়সূচী উপযুক্ত হ'ব লাগে। ব্যতিক্ৰমী শিশুক শিক্ষা দিয়া আৰু বিকশাই তোলাৰ দায়িত্ব বিশেষ অৰ্হতা সম্পন্ন ব্যক্তিক অৰ্পণ কৰা উচিত। যিকোনো ধৰণৰ প্ৰশিক্ষণ আৰম্ভ কৰাৰ আগতে পৰীক্ষাৰ বাবে বাছনি কৰা শিশুৰ প্ৰয়োজনীয়তাবোৰ চিনাক্ত কৰাটো অতি গুৰুত্বপূৰ্ণ। এই প্ৰয়োজনীয়তাবোৰ ভিন ভিন ধৰণৰ হ'ব পাৰে। সেয়েহে ব্যতিক্ৰমী শিশুৰ বাবে প্ৰস্তুত কৰা বিশেষ শিক্ষাৰ উদ্দেশ্যবোৰ নিৰ্ধাৰণ কৰোঁতে যথেষ্ট সাৱধানতা অৱলম্বন কৰিব লাগিব। শিশুৰ অধিকাৰ বিষয়ক ৰাষ্ট্ৰসংঘৰ ঘোষণাপত্ৰত (১৯৫৯) কোৱা হৈছে- "শাৰীৰিক, মানসিক অথবা সামাজিকভাৱে বাধাগ্ৰস্ত শিশুক তাৰ নাইবা তাইৰ বিশেষ

দশা অনুসৰি উপযুক্ত বিশেষ উপাচাৰ, শিক্ষা আৰু যত্ন আগবঢ়াব লাগিব।" ভাৰতৰ শিশুৰ বাবে থকা ৰাষ্ট্ৰীয় নীতিৰ (১৯৭৪) মতে, "যিবোৰ শিশু সামাজিকভাৱে বাধাগ্ৰস্ত, অপৰাধ প্ৰৱণ হৈ পৰিছে নাইবা জোৰকৈ ভিক্ষাবৃত্তিত নমোৱা হৈছে অথবা কোনো দুৰ্দশাৰ মাজেৰে জীৱন কটাইছে, সিহঁতক শিক্ষা, প্ৰশিক্ষণ আৰু পুনসংস্থাপনৰ সুবিধা দিব লাগিব তথা দেশৰ কামত অহা নাগৰিক হোৱাত সহায় কৰিব লাগিব।" ৰাষ্ট্ৰীয় নীতিত ইয়াকো কোৱা হৈছে যে, "প্ৰতিভাসম্পন্ন শিশু (Gifted Children), বিশেষকৈ সমাজৰ দুৰ্বল শ্ৰেণীত জন্ম লোৱা প্ৰতিভাসম্পন্ন শিশুবোৰক বিচাৰি উলিয়াবলৈ, উৎসাহিত আৰু সহায় কৰিবলৈ বিশেষ কাৰ্যসূচী প্ৰস্তুত কৰা উচিত।"

৮.৩.২ ব্যতিক্রমী শিশুৰ বিশেষ শিক্ষাৰ উদ্দেশ্য

ব্যতিক্রমী শিশুৰ বাবে প্ৰস্তুত কৰা বিশেষ শিক্ষাৰ উদ্দেশ্যবোৰ হ'ল-

- সকলো শিশুকে সমান দৃষ্টিৰে চাব লাগিব; প্ৰতিভাসম্পন্ন, স্বাভাৱিক, অনগ্ৰসৰ শ্ৰেণীৰ আৰু বিকলাংগ বুলি শিশুৰ মাজত কোনো ধৰণৰ বৈষম্যৰ সৃষ্টি কৰা অনুচিত।
- ব্যতিক্রমী শিশুৰ প্ৰয়োজনীয়তাবোৰ চিনাক্ত কৰি উলিওৱাটো অতি প্ৰয়োজনীয়।
- এনে শিশুক শিক্ষা লাভ কৰাৰ বাবে উপযুক্ত পদ্ধতিৰে আগ্ৰহী কৰি তুলিব লাগে।
- এনে শিশুৱে যাতে অনাদৃত যেন বোধ নকৰে তাৰবাবে সিহঁতকো বিদ্যালয়ত চলা বিভিন্ন কাৰ্য- কলাপত অংশগ্ৰহণ কৰিবলৈ উদগনি যোগাব লাগে।
- সিহঁতৰ আত্মবিশ্বাস বৃদ্ধি হোৱাকৈ আৰু সিহঁত আত্মনিৰ্ভৰশীল হৈ উঠিব পৰাকৈ শিক্ষা দিব লাগে।
- ব্যতিক্রমী শিশুৰ শিক্ষা ফলপ্ৰসূ কৰি তুলিবলৈ উপযুক্ত শিক্ষণ পদ্ধতি, সুফলদায়ক পাঠ্যক্ৰম আৰু শিক্ষণ আহিলাৰ সহায় ল'ব লাগে।

৮.৩.৩ ব্যতিক্রমী শিশুৰ শিক্ষাৰ নীতি

ব্যতিক্রমী শিশুৰ বাবে প্ৰস্তুত কৰা বিশেষ শিক্ষাৰ কিছুমান নীতি আছে। নীতিবোৰ হ'ল-

- বিভিন্ন বৈশিষ্ট্য থকা শিশুৰ প্ৰয়োজনীয়তাবোৰ পূৰণ কৰিব পৰা ধৰণৰ নানান বিষয় পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত কৰা।
- ল'ৰা-ছোৱালী কোনবোৰ লক্ষ্যত উপনীত হ'ব লাগিব সেয়া স্পষ্টকৈ নিৰ্ধাৰণ কৰা।
- সময়ে সময়ে ল'ৰা- ছোৱালীৰ অগ্ৰগতিৰ মূল্যায়ন আৰু পুনৰ্মূল্যায়ন কৰা।
- ব্যতিক্রমী শিশুৰ বিকাশৰ বাবে শিক্ষক, চিকিৎসক, মনোৰোগ বিশেষজ্ঞ আৰু সমাজ কৰ্মীৰ দৰে প্ৰশিক্ষণপ্ৰাপ্ত ব্যক্তিসকলে দলীয়ভাৱে কাম কৰিব লাগিব।

- ব্যতিক্ৰমী শিশুৱে বিদ্যালয়ৰ পৰা গুচি যোৱাৰ পাচতো সিহঁতৰ অগ্ৰগতি আৰু বিকাশৰ খতিয়ান লৈ থাকিব আৰু প্ৰয়োজন সাপেক্ষে সহায় আগবঢ়াব লাগিব।
- সমাজ আৰু ৰাষ্ট্ৰই ব্যতিক্ৰমী শিশুৰ বাবে বিভিন্ন কাৰ্যসূচী প্ৰস্তুত কৰিব লাগিব আৰু সিহঁতৰ বাবে সংস্থাপনৰ সুযোগ সৃষ্টি কৰিব লাগিব।



জানি থোৱা ভাল

সাধাৰণ (average) অথবা 'স্বাভাৱিক' (normal) শিশুতকৈ ভিন্ন মাত্ৰাত বিকাশ ঘটা শিশুবোৰকে ব্যতিক্ৰমী শিশু বোলে। এনে শিশুৰ বৃদ্ধি আৰু বিকাশ প্ৰক্ৰিয়া স্বাভাৱিক প্ৰক্ৰিয়াৰ পৰা বিচ্যুত হয় বাবে সিহঁতৰ প্ৰতি বিশেষ মনোযোগ দিবলগীয়া হয়। এনে শিশুৰ বাবে প্ৰশিক্ষণপ্ৰাপ্ত বৃত্তিজীৰী লোকৰ দ্বাৰা বিশেষ শিক্ষা সেৱা প্ৰদানৰ ব্যৱস্থা কৰিবলগীয়া হয়। প্ৰশিক্ষণ প্ৰাপ্ত বৃত্তিজীৰী লোকৰ মাজত শিক্ষক, প্ৰশাসনিক বিষয়া, শৈক্ষিক পৰামৰ্শদাতা, মনোৰোগ বিশেষজ্ঞ, মনস্তাত্বিক বিশেষজ্ঞ আৰু কায়িক চিকিৎসক আদি থাকিব পাৰে। বিশেষজ্ঞসকলে ব্যতিক্ৰমৰ প্ৰকাৰ চালি-জাৰি চাই অধ্যয়নৰ বিশেষ পাঠ্যক্ৰম প্ৰস্তুত কৰিব লাগে। ব্যতিক্ৰমী শিশুক এনেদৰে শিক্ষিত কৰি তুলিব লাগে যাতে সিহঁতৰ আত্মবিশ্বাস বাঢ়ে আৰু ভৱিষ্যতে আত্মনিৰ্ভৰশীল হৈ চলিব পাৰে। এনে শিশু বিদ্যালয়ৰ পৰা যোৱাৰ পাচতো সিহঁতৰ অগ্ৰগতি আৰু বিকাশৰ বুজ লৈ থাকিব লাগে আৰু প্ৰয়োজন অনুসৰি সহায় আগবঢ়াব লাগে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ 'ব্যতিক্ৰমী শিশু' বুলি কাক কোৱা হয়?

.....

.....

প্ৰশ্ন নং ২ ঃ 'ব্যতিক্ৰমী শিশু' ক কেইটা প্ৰকাৰত ভগাব পাৰি?

.....

.....

প্ৰশ্ন নং ৩ ঃ ব্যতিক্ৰমী শিশুৰ শিক্ষাৰ নীতিবোৰ কি কি?

.....

.....

৮.৪ ব্যতিক্রমী শিশুৰ শ্রেণীবিভাজন

আমি 'ব্যতিক্রমী শিশু' কাক বোলে সেয়া গম পালোঁ। এতিয়া আমি এনে শিশুবোৰক কেইভাগত ভগোৱা হয় সেই বিষয়ে আলোচনা কৰিম। মনোবিজ্ঞানীসকলে ব্যতিক্রমী শিশুক বিভিন্ন বহল ভাগত ভগাইছে। প্রতিটো ভাগৰে আকৌ এটা অথবা একাধিক উপ-ভাগ আছে। ব্যতিক্রমী শিশুৰ দুটি মান প্রধান ভাগ হ'ল-

(১) বৌদ্ধিকভাৱে ব্যতিক্রমী শিশু- (ক) প্রতিভাসম্পন্ন শিশু (খ) মন্থৰ বুদ্ধিৰ শিক্ষার্থী
(গ) মানসিকভাৱে বাধাগ্রস্ত শিশু

(২) শাৰীৰিকভাৱে ব্যতিক্রমী শিশু- (ক) দর্শনপ্রতিবন্ধকতা (খ) শ্রৱণ আৰু কথন প্রতিবন্ধকতা
(গ) অস্থিবৈকল্য

(৩) আৱেগিক আৰু সামাজিকভাৱে ব্যতিক্রমী শিশু- অপৰাধ প্রৱণ শিশু

ব্যতিক্রমী শিশুক এনে ধৰণে শিক্ষিত কৰি তুলিব লাগে যাতে সিহঁতে আত্মবিশ্বাসী হৈ উঠে আৰু আত্মনির্ভৰশীল হৈ জীৱন যাপন কৰিব পাৰে। এনে শিশুৱে বিদ্যালয় এৰাৰ পাচতো সিহঁতৰ অগ্রগতি আৰু বিকাশৰ ওপৰত চকু ৰাখিব লাগে আৰু যেতিয়াই প্রয়োজন হয় সহায় আগবঢ়াব লাগে।

৮.৫ বৌদ্ধিকভাৱে ব্যতিক্রমী শিশু

প্রথমে আমি বৌদ্ধিকভাৱে ব্যতিক্রমী শিশুবোৰৰ বিষয়ে আলোচনা কৰিম ।

৮.৫.১ প্রতিভাসম্পন্ন শিশু আৰু শৈক্ষিক কার্যসূচী

যিবোৰ শিশুৰ বুদ্ধিৰ মান অথবা বুদ্ধ্যাংক (IQ) অতি উচ্চ নাইবা যিবোৰ শিশুৱে খেল-ধেমালি, সংগীত, সাহিত্য আদি বিভিন্ন ক্ষেত্রত বিশেষ দক্ষতাৰ পৰিচয় দিয়ে তেনে শিশুক প্রতিভাসম্পন্ন শিশু বোলা হয়। প্রতিভাসম্পন্ন শিশুবোৰে নিজে জড়িত থকা কাম-কাজবোৰত পটুতা দেখুৱায়।

হেভিঘার্ষ্টৰ (Havighurst)মতে, "যিকোনো অর্থবহ কার্যতে একেৰাহে উল্লেখনীয় পাৰদর্শিতা প্রদর্শন কৰা শিশুকে প্রতিভাসম্পন্ন (talented gifted) শিশু বোলা হয়।

হলিংৱ'র্থে (Hollingworth)এক বিস্তৃত সংজ্ঞা দাঙি ধৰি কৈছে যে, "প্রতিভাসম্পন্ন শিশু বুলিলে আমি এনে এটি শিশুৰ কথা কওঁ যি অন্য সাধাৰণ শিশুতকৈ বহু বেছি পৰিমাণে শিক্ষণীয় (educable)। এই উচ্চতৰ শিক্ষণীয়তা কলাভিত্তিক বিভিন্ন ক্ষেত্র, যেনে-সংগীত অথবা চিত্রকলা আদিত পৰিস্ফুট হ'ব পাৰে। লগতে ই শিশুটিৰ যান্ত্রিক শিক্ষা গ্রহণৰ ক্ষমতা (mechanical aptitude) নাইবা

সাহিত্য আৰু অন্য বিমূৰ্ত জ্ঞান আহৰণত দেখুওৱা অতুলনীয় ক্ষমতাৰ জৰিয়তেও প্ৰকট হ'ব পাৰে।" প্ৰতিভাসম্পন্ন শিশুৰ বৈশিষ্ট্যবোৰ পঢ়ি চালে এনে শিশু সম্পৰ্কীয় ধাৰণাবোৰ স্পষ্ট হ'ব।

প্ৰতিভাসম্পন্ন শিশুৰ বৈশিষ্ট্য

- এনে শিশুৰ বুদ্ধিৰ স্তৰ অতি উচ্চ ; এনে শিশুৰ বুদ্ধ্যাংক (IQ) ১৪০ তকৈ অধিক।
- প্ৰতিভাসম্পন্ন শিশুৱে বিভিন্ন বিষয়ৰ প্ৰতি মনোযোগ দেখুৱায় আৰু সিহঁত অনুসন্ধিৎসু প্ৰকৃতিৰ হয়।
- প্ৰতিভাসম্পন্ন শিশুৱে যিকোনো কাৰ্যত দীঘলীয়া সময়ৰ বাবে মনোযোগ নিৱিষ্ট ৰাখিব পাৰে আৰু পৰিৱেশৰ সৈতে ভালদৰে খাপ খাব জানে।
- প্ৰতিভাসম্পন্ন শিশুৱে সদায় কৰিবলৈ লোৱা কামটোত দক্ষ হৈ পৰাৰ নাইবা সৰ্বোৎকৃষ্ট ফলাফল দেখুওৱাৰ চেষ্টা কৰে; সিহঁত যুক্তিসংগত ভাৱে কথাবোৰ চিন্তা কৰিবলৈ সমৰ্থ আৰু কোনো কাম পাচত যুক্তি সহকাৰে চালি-জাৰি চাব পাৰে।

<u>প্ৰতিভাসম্পন্ন শিশুৰ বাবে শৈক্ষিক কাৰ্যসূচী</u>-

প্ৰতিভাসম্পন্ন শিশুৰ বাবে উপযুক্ত শিক্ষাৰ ভিতৰত আছে-

<u>উপযুক্ত পাঠ্যক্ৰম (Suitable Curriculum)</u> ঃ প্ৰতিভাসম্পন্ন শিশুৰ বাবে যুগুত কৰা পাঠ্যক্ৰম স্বাভাৱিক শিশুৰ পাঠ্যক্ৰমতকৈ বেলেগ হোৱা উচিত। এনে পাঠ্যক্ৰমত অধিক কাৰ্য-কলাপ অন্তৰ্ভুক্ত কৰিব লাগে। কাৰ্য-কলাপবোৰে যাতে শিশুৰ সৃজনীশীল দক্ষতাবোৰ বিকশিত কৰাত সহায় কৰে, শিশুক অনুসন্ধান আৰু অন্বেষণ কৰিবলৈ উদ্বুদ্ধ কৰে, সমালোচনাত্মক চিন্তা আৰু যুক্তিসংগত বিশ্লেষণত গুৰুত্ব দিবলৈ শিকায় তালৈ লক্ষ্য ৰাখিব লাগে।

<u>এবাৰতে দুটা শ্ৰেণীৰ উত্তীৰ্ণ কৰাই দিয়াৰ সুবিধা (Provision of double promotion)</u>ঃ প্ৰতিভাসম্পন্ন শিশুৰ বাবে এবাৰতে দুটা শ্ৰেণী উত্তীৰ্ণ কৰাই দিয়া নাইবা সময়তকৈ আগতে উত্তীৰ্ণ কৰাই দিয়াৰ সুবিধা থাকিব লাগে। ইয়াৰ ফলত শিশুটিক এনে শ্ৰেণীত বহাৰ সুযোগ দিব পৰা যাব যিটো শ্ৰেণীত সি নাইবা তাই সবাতোকৈ উত্তমভাৱে নিজৰ সম্ভাৱনীয়তাবোৰ প্ৰকাশ কৰিব পাৰিব। অৱশ্যে এনেদৰে বিশেষভাৱে উত্তীৰ্ণ কৰাই দিয়া ল'ৰা ছোৱালীবোৰৰ ক্ষেত্ৰত যথেষ্ট সাৱধানতা অৱলম্বন কৰিব লাগে। এনে ল'ৰা -ছোৱালীৰ পৰিপক্কতা আৰু স্বাস্থ্যৰ বিষয়ে খুব ভালদৰে বিবেচনা কৰিব চাব লাগে।

<u>সমৃদ্ধকাৰী সুযোগ (Enrichment Opportunities)</u> ঃপাঠ্যক্ৰমভিত্তিক আৰু সহঃ-পাঠ্যক্ৰমভিত্তিক দুয়োধৰণৰ শৈক্ষিক কাৰ্যসূচীয়েই মানসিক উদ্দীপনা যোগোৱাবিধৰ হ'ব লাগে। এনে পাঠ্যক্ৰমে শিক্ষাৰ্থীৰ সৃজনশীল অভিব্যক্তিক অধিক জোৰ দিয়া উচিত। পাঠ্যক্ৰমে শিক্ষা গ্ৰহণৰ পৰিৱেশবোৰ সম্পৰ্কে উপযুক্ত অন্তৰ্দৃষ্টি প্ৰতিফলিত কৰিব

লাগে। প্রতিভাসম্পন্ন শিশুক নির্ধাৰিত সময়ৰ ভিতৰত শেষ কৰিব পৰা ব্যক্তিগত কার্য-প্রকল্প (assignments) দিব লাগে। ইয়াৰ ফলত শিক্ষকে নিজৰ শিক্ষণ অগ্রগতি মূল্যায়ন কৰিব পাৰিব। প্রতিভাসম্পন্ন শিশু এটিৰ সামর্থ্য সর্বাধিক সম্ভাব্য সীমালৈ বিকশাই তুলিবলৈ পাঠ্যক্রম নমনীয় হোৱাটো বাঞ্ছনীয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ প্রতিভাসম্পন্ন শিশু কোনবোৰ? এনে শিশুৰ বৈশিষ্ট্যবোৰ বর্ণনা কৰক।

.....

.....

৮.৫.২ অনগ্রসৰ শিশু আৰু শৈক্ষিক কার্যসূচী

সাধাৰণ শিশুতকৈ সামর্থ্যৰ দিশত পিচপৰা সকলো শিশুকে অনগ্রসৰ শিশু (Backward Children) বোলা হয়। ই প্রতিভাসম্পন্ন শিশুৰ (Gifted children) সম্পূর্ণ বিপৰীত। শ্রেণীকোঠাত সোধা অতি সহজ প্রশ্নৰ উত্তৰ দিব নোৱাৰা, মনোযোগ দিব নোৱাৰা, আপেক্ষিক ভাৱে সৰল কার্য-কলাপ সম্পূর্ণ কৰিবলৈ অক্ষম শিশুকে সাধাৰণতে অনগ্রসৰ শিশু-বোলা হয়। এনে শিশুৰ বুদ্ধিৰ মান (IQ) একেবাৰে কম বুলি ধৰা হয়।

বার্ট'ন হলৰ সংজ্ঞা মতে, "যিবোৰ শিশুৰ স্বাভাৱিক সক্ষমতাৰ তুলনাত শিক্ষাগতভাৱে আহৰণ কৰা জ্ঞানৰ পৰিমাণ কম হয় তেনেবোৰ শিশুকে সাধাৰণতে অনগ্রসৰ শিশু বোলা হয়।"

বার্ট চি.ৰ ভাষাতে "অনগ্রসৰ শিশু বুলিলে সেই শিশুটিৰ কথা বুজোৱা হয় যিটো শিশুৱে মধ্যৱর্তীকালীন বিদ্যালয় শিক্ষালাভৰ সময়ছোৱাত তাৰ অথবা তাইৰ স্বাভাৱিক বয়সত পঢ়িবলগীয়া শ্রেণীতকৈ এটা শ্রেণী তলৰসকলক কৰিবলৈ দিয়া কার্যবোৰ কৰিবলৈ অসমর্থতা দেখুৱায়।"

অনগ্রসৰ শিশুবোৰক বিভিন্ন ভাগত ভগাব পাৰি। যিবোৰ শিশুৰ বুদ্ধ্যাংক নিচেই কম (30/35 আৰু 50/55 ৰ মাজত) তেনে শিশুবোৰক মানসিকভাৱে বাধাগ্রস্ত (mentally retarded) শিশু বোলা হয়। 'ভোটা বুদ্ধি'ৰ (dull) বুলি অভিহিত কৰা ল'ৰা-ছোৱালীৰ বুদ্ধ্যাংক (IQ) সাধাৰণতে প্রায় স্বাভাৱিক (70 আৰু 90 ৰ মাজত থাকে)।

অনগ্ৰসৰ শিশুৰ বৈশিষ্ট্য

অনগ্ৰসৰ শিশুৰ গাত তলত দিয়া বৈশিষ্ট্যবোৰ থাকিব পাৰে-

- অনগ্ৰসৰ শিশুৱে স্বাভাৱিক শিশুৰ দৰে দ্ৰুতগতিত কথা শিকিব নোৱাৰে।
- অনগ্ৰসৰ শিশুৱে বেছিভাগ সময়তে অইনে কিবা কথা আৰম্ভ কৰি দিলেহে (initiation) শিকিব পাৰে; সিহঁতে অন্য সাধাৰণ শিশুতকৈ অধিক দিহা-পৰামৰ্শ গ্ৰহণ কৰে।
- অনগ্ৰসৰ শিশুৰ সমালোচনাত্মক চিন্তা আৰু কথা যুক্তিসংগতভাৱে বিশ্লেষণ কৰাৰ সামৰ্থ্য নাথাকে।
- প্ৰতিভাসম্পন্ন শিশুৰ বিভিন্ন ধৰণৰ আগ্ৰহ থাকে, কিন্তু অনগ্ৰসৰ শিশুৰ আগ্ৰহ সীমিত।
- সাধাৰণতে অনগ্ৰসৰ শিশুৰ শাৰীৰিক আৰু মানসিক সমন্বয়ৰ মাজত অভাৱ দেখা যায়।
- অনগ্ৰসৰ শিশুৱে পৰিৱেশৰ সৈতে সহজে খাপ খাব নোৱাৰে। কৰিবলৈ দিয়া কামবোৰ এনে শিশুৱে সহজে সম্পূৰ্ণ কৰিব নোৱাৰে। সিহঁতে ইপ্সিত সফলতাতকৈ যথেষ্ট দুৰ্বল ফলাফল দেখুৱায়।
- সিহঁতৰ মনত শিকাৰ প্ৰতি উৎসাহ-আগ্ৰহ কম থাকে আৰু সৰু সৰু কথাতে চিন্তিত হৈ পৰে।
- অনগ্ৰসৰ শিশু অসুৰক্ষা আৰু হীনমন্যতাৰ ভাৱনাত ভুগিব পাৰে আৰু ইয়াৰ বাবে কেতিয়াবা অতি আগ্ৰাসী হৈ উঠিব পাৰে।

অনগ্ৰসৰতাৰ কাৰণ

তলত উল্লেখ কৰা কাৰকবোৰৰ বাবে শিশু অনগ্ৰসৰ হ'ব পাৰে-

- শাৰীৰিক অৱস্থা (Physical Condition) ঃ দুৰ্বল শাৰীৰিক বিকাশ, দৃষ্টি আৰু শ্ৰৱণ বাধাগ্ৰস্ততা, কথন প্ৰতিবন্ধকতা আদিৰ বাবে শিশু অনগ্ৰসৰ হ'ব পাৰে। এটি শাৰীৰিকভাৱে প্ৰতিবন্ধী শিশুৱে স্বাভাৱিক শিশুৰ সফলতাৰ সৈতে ফেৰ মাৰিব নোৱাৰে।
- মানসিক অথবা বৌদ্ধিক অৱস্থা (Mental or Intellectual Condition) ঃ বৌদ্ধিক শক্তিৰ ঘাটি অথবা কম বুদ্ধ্যাংকৰ (low IQ) বাবেও শিশু অনগ্ৰসৰ হ'ব পাৰে। বৌদ্ধিকভাৱে অনগ্ৰসৰ শিশুৱে সমালোচনাত্মক আৰু বিমূৰ্ত চিন্তা কৰিব নোৱাৰে। সিহঁতে বিভিন্ন অভিজ্ঞতাৰ মাজত সহঃসম্পৰ্ক স্থাপন কৰাত অসুবিধা পায়। এনে শিশুৱে কোনো সমস্যাৰ জটিলতাবোৰ যুক্তিসংগতভাৱে বিশ্লেষণ কৰিব নোৱাৰে।
- আৱেগিক অৱস্থা (Emotional Condition) ঃ সাধাৰণতে অনগ্ৰসৰ শিশুবোৰ আৱেগিকভাৱে অস্থিৰ। সিহঁত সৰু সৰু কথাতে স্বাভাৱিকভাৱে উত্তেজিত অথবা চিন্তিত হৈ পৰে। সমস্যা সমাধান কৰিব নোৱাৰে বাবে এনে শিশু হতাশগ্ৰস্ততা আৰু মানসিক অৱসাদত ভোগে। এনে শিশুৱে বেছিভাগ সময়তে মিছা কথাৰ আশ্ৰয় লয়।
- ঘৰৰ পৰিৱেশ (Home Environment) ঃ অনাকাংক্ষিত ঘৰুৱা পৰিৱেশেও শিশুক অনগ্ৰসৰ কৰে। দুৰ্বল আৰ্থিক অৱস্থা, বিচ্ছেদ ঘটা পিতৃ-মাতৃ, ভগ্ন পৰিয়াল, অশিক্ষিত

পিতৃ-মাতৃ, পৰিয়ালত থকা সুৰাসক্ত সদস্য, অস্বাভাৱিকভাৱে কঠোৰ পিতৃ-মাতৃ, শিশুৰ প্ৰতি অনাদৰ আদি কাৰণতো স্বাভাৱিক বুদ্ধি-বৃত্তিৰ শিশু এটি অনগ্ৰসৰতাৰ বলি হ'ব পাৰে।

- বিদ্যালয়ৰ পৰিৱেশ (School Environment) ঃ অনুপযুক্ত শিক্ষণ পদ্ধতি, দুৰ্বল আৰু বেমেজালিপূৰ্ণ বিদ্যালয় প্ৰশাসন, শিক্ষকৰ পক্ষপাতিত্বমূলক ব্যৱহাৰ, উপযুক্ত দিক্-নিৰ্দেশনা আৰু দিহা-পৰামৰ্শৰ অভাৱ আদি কাৰকেও শিশুক অনগ্ৰসৰ কৰি তোলে। ইয়াৰ উপৰি শাৰীৰিক আৰু মানসিক ঘাটিৰ বাবে যদি কোনো শিশুৱে শিক্ষক আৰু সহপাঠীৰ ঠাট্টা-বিদ্ৰুপ সহিবলগীয়া হয়, তেনে শিশু অনগ্ৰসৰ হৈ ৰ'ব পাৰে।
- সামাজিক অৱস্থা (Social Condition) ঃ সমাজৰ অন্য সদস্যৰ সহানুভূতিহীন মনোভাৱ, অনাকাংক্ষিত বন্ধু, জাতি-শ্ৰেণী-ধৰ্ম-লিংগৰ নামত হোৱা বৈষম্য আদিয়েও শিশুক অনগ্ৰসৰ কৰিব পাৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ অনগ্ৰসৰ শিশু বুলি কাক কোৱা হয়? অনগ্ৰসৰ শিশুৰ প্ৰধান বৈশিষ্ট্যবোৰ কি?

.....

.....

.....

অনগ্ৰসৰ শিশুৰ বাবে প্ৰস্তুত কৰা বিশেষ শিক্ষাৰ উদ্দেশ্য

অনগ্ৰসৰ শিশুৰ বাবে প্ৰস্তুত কৰা বিশেষ শিক্ষাৰ প্ৰধান উদ্দেশ্যবোৰ হ'ল-

- অনগ্ৰসৰ শিশুৰ সীমিত গুণবোৰ বিকশিত হোৱাত সহায় কৰি সিহঁতক আত্মনিৰ্ভৰশীল কৰি তোলা।
- এনে শিশুক সামাজিকভাৱে চলাৰ যোগ্য কৰি তুলিব পৰা শিক্ষা দিয়া। আন অৰ্থত, শিশুক সমাজত উপযুক্তভাৱে চলি যোৱাত সহায় কৰা।
- অনগ্ৰসৰ শিশুৰ বাবে প্ৰস্তুত কৰা শৈক্ষিক কাৰ্যসূচীত ব্যৱহাৰিক প্ৰয়োগ কৰা বিষয়বোৰ অন্তৰ্ভুক্ত কৰা। পুনৰাবৃত্তি ঘটা নিৰ্দেশনা, দিহা-পৰামৰ্শ আৰু সাৱধানে দিয়া প্ৰশিক্ষণৰ জৰিয়তে এনে শিশুৰ কিছুমান বিশেষ দক্ষতা বিকাশত সুযোগ আগবঢ়োৱা।

অনগ্ৰসৰ শিশুৰ বাবে শিক্ষা

যিকোনো শৈক্ষিক কাৰ্যসূচীৰ আৰ্হি তৈয়াৰ কৰাৰ আগতে এটি শিশুৰ অনগ্ৰসৰতা জুখি ল'ব লাগিব। আজিকালি অনগ্ৰসৰতাৰ স্তৰ পৰীক্ষা আৰু নিৰীক্ষণ কৰিবলৈ বিভিন্ন ধৰণৰ মনোবৈজ্ঞানিক অভীক্ষা আছে। অনগ্ৰসৰতাৰ স্তৰ অনুযায়ী এনে শিশুৰ বাবে শৈক্ষিক কাৰ্যসূচীৰ আৰ্হি তৈয়াৰ কৰা হয়। তলত বিদ্যালয়বোৰে অনগ্ৰসৰ ল'ৰা ছোৱালীক সহায় কৰিব পৰা কেইটামান উপায় আৰু মাধ্যমৰ বিষয়ে আলোচনা কৰা হ'ল।

- প্ৰতিকাৰমূলক শিক্ষণৰ সুবিধা (Provision for Remedial Teaching)ঃ অনগ্ৰসৰ শিশুবোৰক পৃথক শাখাত অন্তৰ্ভুক্ত কৰি প্ৰতিকাৰমূলক পাঠদান কৰিব লাগে। একেটা শাখাতে পৃথক সৰু গোটৰ সৃষ্টি কৰিও পাঠদান কৰিব পৰা যায়।
- একক মনোযোগ (Individual Attention)ঃ প্ৰতিটো অনগ্ৰসৰ শিশুৰে নিজাববীয়া শিক্ষায়তনিক সমস্যা থাকে। সেয়েহে এনে শিশুক শিক্ষকে পৃথকে পৃথকে মনোযোগ দিয়া উচিত।
- বোধগম্য শিক্ষণ কৌশলৰ প্ৰয়োগ (Use of Concrete Teaching Strategy)ঃ অনগ্ৰসৰ শিশুৱে শিকিবলগীয়া কথাবোৰ সহজে বুজি নাপায়। সেয়েহে এনে শিশুক শিকাবৰ সময়ত বোধগম্য বস্তু অথবা বিভিন্ন প্ৰকাৰৰ শিক্ষণ আহিলাৰ সহায় ল'ব লাগে।
- বিশেষ পাঠ্যক্ৰম যুগুত কৰা (Framing Special Curriculum)ঃ অনগ্ৰসৰ শিশুৰ বাবে যুগুত কৰা পাঠ্যক্ৰম সৰল হ'ব লাগে। বিমূৰ্ত ধাৰণা যিমান পাৰি কমকৈ অন্তৰ্ভুক্ত কৰিব লাগে। কাৰণ আৰু তথ্যৰ পৰিমাণ বেছি থাকিব লাগে। পুথিগত শিক্ষা সম্বন্ধীয় সামগ্ৰীতকৈ এনে পাঠ্যক্ৰমত অনা-পুথিগত শিক্ষাৰ উপাদান অধিক থকা উচিত।
- পৃথক বিদ্যালয় স্থাপন (Establishing Separate Schools)ঃ অনগ্ৰসৰ ল'ৰা-ছোৱালীৰ বাবে পৃথক বিদ্যালয় থকা উচিত। এনে বিদ্যালয়ত শিক্ষায়তনিক পাঠ্যক্ৰমৰ হেঁচা কম আৰু আমোদজনক সহঃপাঠ্যক্ৰমভিত্তিক কাৰ্য-কলাপ বেছি হোৱা উচিত।

৮.৫.৩ মন্থৰ বুদ্ধিৰ শিক্ষাৰ্থী আৰু শৈক্ষিক কাৰ্যসূচী

ওপৰৰ আলোচনাৰ পৰা আমি গম পালোঁ যে অনগ্ৰসৰ শিশুবোৰ সাধাৰণতে মানসিক বাধাগ্ৰস্ততাত আক্ৰান্ত। সিহঁতৰ বুদ্ধিৰ মান (IQ) কম। আনহাতে যিবোৰ ল'ৰা-ছোৱালীক 'মন্থৰ বুদ্ধিৰ শিক্ষাৰ্থী' (slow learner) বোলা হয় সিহঁত শৈক্ষিক বাধাগ্ৰস্ততাৰ বলি। এনে শিশুৰ বুদ্ধিৰ মান অথবা বুদ্ধ্যাংক (IQ) সম্পৰ্কীয় সমস্যা নাথাকে। শিশু মন্থৰ বুদ্ধিৰ হোৱাৰ কাৰণবোৰ বেলেগ।

মন্থৰ বুদ্ধিৰ শিক্ষার্থীৰ সমস্যাঃ

- মন্থৰ বুদ্ধিৰ শিক্ষার্থীৰ প্রজ্ঞাত্মক সামর্থ্য অতি সীমিত। এনে শিশুৱে শ্রেণীকোঠাৰ পৰিৱেশত নিজকে খাপ খুৱাই লোৱাত অসুবিধা পায়।
- মন্থৰ বুদ্ধিৰ শিশুৰ স্মৃতিশক্তি দুর্বল। মনোযোগৰ অভাৱ ইয়াৰ প্রধান কাৰণ।
- মন্থৰ বুদ্ধিৰ শিক্ষার্থীবোৰৰ শিকাৰ প্রতি ধাউতি পর্যাপ্ত নহয়। ঘৰুৱা কোনো পৰিৱেশৰ ফলত সৃষ্ট আৱেগিক সমস্যা অথবা প্রয়োজনীয় সা-সুবিধাৰ অভাৱ এই সমস্যাৰ কাৰণ।
- মন্থৰ বুদ্ধিৰ শিক্ষার্থীৰ আন এক সমস্যা হ'ল কথাৰ মাধ্যমেৰে মনৰ ভাৱ-চিন্তা প্রকাশ কৰাৰ অসমর্থতা। এনে শিশুৰ কল্পনাশক্তি আৰু ভৱিষ্যৎ ফলাফল সম্পর্কে চিন্তা কৰিব পৰা শক্তিও কম।
- সঘনাই অসফল হোৱাৰ অভিজ্ঞতা লাভ কৰে বাবে মন্থৰ বুদ্ধিৰ শিক্ষার্থীয়ে নতুন প্রত্যাহ্বান কঢ়িয়াই অনা যিকোনো পৰিস্থিতিৰ মুখামুখি হ'বলৈ প্রয়োজন হোৱা দৃঢ় মনোবল গঢ়ি ল'ব নোৱাৰে।
- মন্থৰ বুদ্ধিৰ শিক্ষার্থীয়ে নিজৰ বিফলতা আৰু হতাশা ঢাকিবলৈ বিভিন্ন ধৰণৰ প্রতিৰক্ষামূলক কৌশল (defence mechanism) গঢ়ি তোলে। ইয়াৰ ফলত এনে শিশু যথেষ্ট উদ্বিগ্নতা আৰু চিন্তাৰে পীড়িত হয়।

মন্থৰ বুদ্ধিৰ শিক্ষার্থীৰ বাবে শিক্ষা

প্রতিটো শ্রেণীকোঠাতে মন্থৰ বুদ্ধিৰ শিক্ষার্থী থাকে। পাঠদান কৰাৰ সময়ত শিক্ষকসকলে সেয়েহে তলত উল্লেখ কৰা গুৰুত্বপূর্ণ কথাকেইটা মনত ৰখা উচিত।

- ধৈর্য (Patience)ঃ মন্থৰ বুদ্ধিৰ শিক্ষার্থীয়ে অন্য স্বাভাৱিক বুদ্ধিৰ শিক্ষার্থীতকৈ যথেষ্ট লেহেমীয়া গতিত জ্ঞান আহৰণ কৰে। সিহঁতে শুনাত, কোৱাত, পঢ়াত আৰু লিখাত বহুতো ভুল কৰে। এই কথাবোৰ বুজিবলৈ শিক্ষক যথেষ্ট ধৈর্যশীল হোৱা দৰকাৰ।
- প্রশংসা (Praise)ঃ মন্থৰ বুদ্ধিৰ শিক্ষার্থীক শ্রেণীকোঠাত প্রায়েই বেত দিয়া হয় অথবা গালি পৰা হয় অথবা শিক্ষকে গৰিহণা দিয়ে। এনেবোৰ কাৰণত সিহঁত শৈক্ষিক জীৱনৰ প্রতি উদাসীন হৈ পৰে। সেয়েহে যেতিয়াই মন্থৰ বুদ্ধিৰ শিশুৱে কিবা কার্যত সফলতা লাভ কৰে অথবা প্রশংসাযোগ্য কাম কৰে তেতিয়াই শিক্ষকে এনে ল'ৰা-ছোৱালীক প্রশংসা কৰাৰ অভ্যাস গঢ়ি তোলা উচিত।
- সৰল কার্য-প্রকল্প (Simple assignment) ঃ গৃহ কার্য অথবা শ্রেণীকার্য হিচাপে কোনো কার্য-প্রকল্প কৰিবলৈ দিয়াৰ আগতে মন্থৰ বুদ্ধিৰ শিক্ষার্থীসকলৰ বাবে শিক্ষকে সৰল পশ্ন অথবা সমস্যা থকা প্রকল্প প্রস্তুত কৰি লোৱা উচিত।

- অনুশীলনৰ পুনৰাবৃত্তি (Repeated drill) ঃ মন্থৰ বুদ্ধিৰ শিক্ষার্থীক কথা বুজিবৰ বাবে পুনৰাবৃত্তিৰ প্ৰয়োজন হয়। এনে ল'ৰা-ছোৱালীৰ বাবে শিক্ষকে অনুশীলনবোৰ পুনৰাবৃত্তি কৰাৰ ব্যৱস্থা ৰাখিব লাগে।

(v) দৃশ্য-শ্ৰব্য আহিলাৰ ব্যৱহাৰ (Use of audio-visual aids)ঃ বিমূৰ্ত নাইবা অস্পষ্ট চিন্তা-ধাৰণাবোৰ বুজি পোৱাটো আপেক্ষিকভাৱে জটিল। স্পষ্ট বিষয় অথবা বস্তু বুজিবলৈ সহজ। সেয়েহে মন্থৰ বুদ্ধিৰ শিক্ষার্থীৰ কামত অহাকৈ শিক্ষকে যিমান পাৰে দৃশ্য-শ্ৰব্য আহিলাৰ সহায় লোৱা উচিত।

(vi) বিশেষ পাঠদান ((Special classes)) ঃ মন্থৰ বুদ্ধিৰ শিক্ষার্থীক পাঠ্যক্ৰমত থকা জটিল বিষয়বোৰ বুজাবলৈ সময়ে সময়ে বিশেষ পাঠদানৰ ব্যৱস্থা কৰিব লাগে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৬ ঃ অনগ্ৰসৰ শিশুৰ বাবে প্ৰস্তুত কৰা শিক্ষাৰ উদ্দেশ্যবোৰ কি?

.....

.....

প্ৰশ্ন নং ৭ ঃ শাৰীৰিক প্ৰতিবন্ধকতা থকা শিশুক কেনেদৰে শিক্ষা প্ৰদান কৰিব পাৰি?

.....

.....

প্ৰশ্ন নং ৮ ঃ মন্থৰ বুদ্ধিৰ শিক্ষার্থীক কেনেকৈ শিক্ষা প্ৰদান কৰিব পাৰি ব্যাখ্যা কৰক।

.....

.....

৮.৬ শাৰীৰিকভাৱে ব্যক্তিক্ৰমী শিশু

এইবাৰ আমি শাৰীৰিকভাৱে ব্যতিক্ৰমী শিশুৰ বিষয়ে আলোচনা কৰিম। আপুনি নিশ্চয় জানে যে আমি চকু, কাণ, নাক, জিভা আৰু ছাল- এইকেইটা ইন্দ্ৰিয়ৰ সহায়ত জ্ঞান আহৰণ কৰোঁ। এই পঞ্চ ইন্দ্ৰিয়ৰ যিকোনো এটা ইন্দ্ৰিয় যদি কিবা কাৰণত বাধাগ্ৰস্ত হয়, তেন্তে শিশুৰ জ্ঞান অৰ্জন প্ৰক্ৰিয়া ব্যাহত হয়। কিছুমান শিশুৰ অংগ বৈকল্য (organic disorder) আৰু বিভিন্ন অস্থি সমস্যা (orthopaedic problems) থাকিব পাৰে। এনে শিশুক বিশেষ মনোযোগৰ প্ৰয়োজন।

৮.৬.১ দর্শন প্রতিবন্ধকতা থকা শিশু

অন্ধত্বক সবাতোকৈ গুৰুতৰ আৰু মানসিক পীড়াদায়ক শাৰীৰিক প্রতিবন্ধকতা বুলি গণ্য কৰা হয়। অন্ধ শিশুৱে সাধাৰণ পাঠ্যপুথি পঢ়িব নোৱাৰে। সম্পূর্ণ অন্ধ শিশুৰ বাবে ব্রেইলী পদ্ধতিৰে লিখা কিতাপ-পত্রৰ প্রয়োজন হ'ব পাৰে। আংশিক দর্শন প্রতিবন্ধকতা থকা কিছুমান শিশুৰ দৃষ্টিশক্তি উন্নত কৰিব পৰা যায়। কিছুমান ল'ৰা-ছোৱালীয়ে কেৱল ডাঙৰ আখৰ পঢ়িব পাৰে। শিক্ষকে এনে ছাত্র-ছাত্রীক চিনাক্ত কৰি উলিয়াই পঢ়াৰ বাবে বিশেষ সহায় আগবঢ়াব লাগে। পঠনৰ বোজা কম কৰিবলৈ আমি ল'ৰা-ছোৱালীৰ শ্রৱণ দক্ষতা বৃদ্ধি কৰাত সহায় কৰিব পাৰোঁ। এনে ল'ৰা ছোৱালীৰ বাবে শ্রব্য কেছেট এক উপযোগী আহিলা হ'ব পাৰে।

৮.৬.২ কথন প্রতিবন্ধকতা থকা শিশু

শৈক্ষিক সংযোগ আৰু শিকন প্রক্রিয়াত শ্রৱণ দক্ষতাই এক গুৰুত্বপূর্ণ ভূমিকা লয়। শ্রৱণ সমস্যাই শিকন দক্ষতা আৰু পাৰদর্শিতাত বিৰূপ প্রভাৱ পেলায়। শ্রৱণ সমস্যাৰ বাবে শিশুৱে কথা কোৱাৰ সময়তো অসুবিধা পায়। সেয়েহে শ্রেণীকোঠাত থকা শ্রৱণ সমস্যাত ভোগা ল'ৰা-ছোৱালীবোৰ চিনাক্ত কৰি উলিয়াই সিহঁতৰ শৈক্ষিক প্রয়োজনীয়তা পূৰণ কৰিবলৈ উপযুক্ত ব্যৱস্থা লোৱাটো বাঞ্ছনীয়। কথন সমস্যা দেখুওৱা ল'ৰা-ছোৱালীক চিকিৎসকৰ হতুৱাই পৰীক্ষা কৰোৱাৰ পৰামর্শ দিব পৰা যায়। শিশুৰ কথন প্রতিবন্ধকতাৰ মাত্রা চিনাক্ত কৰি উলিওৱাটো অতি জৰুৰী। এনে শিশুৰ মাক-দেউতাককো সমস্যাটো জনাব লাগে।

৮.৬.৩ বিকলাংগ অথবা অস্থিবৈকল্য থকা শিশু

অস্থি বৈকল্য বুলিলে সাধাৰণতে দেহৰ পেশী আৰু জোৰাবোৰত থকা সমস্যাৰ কথা বুজোৱা হয়। এনে সমস্যাই অংগ-প্রত্যংগ লৰচৰ আৰু কঠিন কাম কৰাত অসুবিধাৰ সৃষ্টি কৰে। অস্থি বৈকল্যত আক্রান্ত শিশুৱে শাৰীৰিক সঞ্চাৰণৰ প্রয়োজনীয়তা থকা শিকন কার্য-কলাপবোৰত ভাগ লোৱাত অসুবিধা পায়। এনে শিশুৰ শিকন সামর্থ্য অন্য সাধাৰণ শিশুৰ দৰেই হয় যদিও কেইটামান নির্দিষ্ট সমস্যা এনে শিশুই সমাধা কৰিব লাগে। শিক্ষকে এনে শিশুক শাৰীৰিক বাধাগ্রস্ততা জয় কৰাত গুৰুত্বপূর্ণ সহায় আগবঢ়াব পাৰে। এই ক্ষেত্রত পিতৃ-মাতৃৰ সমর্থনো বিচাৰিব

পৰা যায়। বিশেষ অক্ষমতাৰ বাবে ল'ৰা-ছোৱালীক বিশেষ চিকিৎসা গ্ৰহণৰ পৰামৰ্শ দিব পাৰে। এনে শিশুক বিশেষীকৃত প্ৰশিক্ষণ কৌশল আৰু শিক্ষাৰ প্ৰয়োজন।

৮.৭ আৱেগিক আৰু সামাজিকভাৱে ব্যতিক্ৰমী শিশু

আৱেগিক আৰু সামাজিকভাৱে ব্যতিক্ৰমী শিশু ব্যবহাৰজনিত সমস্যাৰ দ্বাৰা আক্ৰান্ত আৰু সামাজিক ভাৱে অপসমাযোজন আৰু অপৰাধী হয় । এনে অপৰাধী শিশুৰ বিষয়ে ইতিমধ্যে আমি অধ্যায় ৭ত আলোচনা কৰিলোঁ।



৮.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অধ্যায়টিৰ আৰম্ভণিতে আমি 'ব্যতিক্ৰমী শিশু' বোলা অভিধাটোৰ অৰ্থ আলোচনা কৰিলোঁ। স্বাভাৱিক নাইবা সাধাৰণ শিশুকৈ মানসিক, শাৰীৰিক আৰু সামাজিক বৈশিষ্ট্যত মাত্ৰাগতভাৱে বিচ্যুত শিশুকে ব্যতিক্ৰমী শিশু বোলে।
- ব্যতিক্ৰমী শিশুক বৌদ্ধিকভাৱে ব্যতিক্ৰমী (প্ৰতিভাসম্পন্ন অথবা মানসিকভাৱে বাধাগ্ৰস্ত), শাৰীৰিকভাৱে ব্যতিক্ৰমী আৰু আৱেগিক অথবা সামাজিকভাৱে ব্যতিক্ৰমী (অপৰাধ প্ৰৱণ) শিশু হিচাপে ভগোৱা হয়।
- সেয়েহে ব্যতিক্ৰমী শিশুৰ বাবে শিক্ষাৰ উদ্দেশ্যবোৰ সমতাৰ নীতিৰ ভিত্তিত প্ৰস্তুত কৰিব লাগে। সৰু ল'ৰা-ছোৱালী আৰু বয়ঃসন্ধিকালৰ কিশোৰ-কিশোৰীক দলীয় কাৰ্য-কলাপত ভাগ ল'বলৈ উদ্বুদ্ধ আৰু অনুপ্ৰাণিত কৰিব লাগিব।
- বিদ্যালয়ৰ পাঠ্যক্ৰমত ব্যতিক্ৰমী শিশুৰ প্ৰয়োজনীয়তা পূৰণ কৰিব পৰা বিভিন্ন বিষয় সন্নিৱিষ্ট থাকিব লাগিব। সময়ে সময়ে এনে ল'ৰা-ছোৱালীৰ অগ্ৰগতিৰ মূল্যায়ন আৰু পুনৰ্মূল্যায়ন কৰিব লাগিব।
- অধ্যায়টিত 'প্ৰতিভাসম্পন্ন শিশু'ৰ অৰ্থও বহলাই আলোচনা কৰা হৈছে। এনে শিশুৰ বৈশিষ্ট্য আৰু সিহঁতৰ বাবে বিশেষ শৈক্ষিক কাৰ্যসূচী প্ৰস্তুত কৰাৰ সময়ত কোনবোৰ কথাত গুৰুত্ব দিয়া হয় সেয়াও আপুনি জানিব পাৰিলে। লগতে আপোনাক 'অনগ্ৰসৰ শিশু' কাক বোলে, সিহঁতৰ বৈশিষ্ট্য, অনগ্ৰসৰতাৰ কাৰণ আৰু সিহঁতৰ বাবে উপযুক্ত শৈক্ষিক কাৰ্যসূচীৰ বিষয়েও জনোৱা হ'ল।



৮.৯অধিক জানিবলৈ

১) বৰুৱা. যতীন. ঃ শিশু বিকাশৰ ৰূপৰেখা, লয়ার্ছ বুক ষ্টল, পাণবজাৰ।
২) বৰুৱা, যতীন ঃ শিক্ষাৰ মনোবিজ্ঞান ভিত্তিক অধ্যয়ন।
অৰুণ প্রকাশন, কলেজ হোষ্টেল ৰ'ড, গুৱাহাটী -১
৩) দাস, লক্ষহীৰা ঃ সম্পূর্ণ শিক্ষা, সংগম প্রকাশন, গুৱাহাটী।



৮.১০ অগ্রগতিৰ খতিয়ান

১নং প্রশ্ন উত্তৰ ঃ স্বাভাৱিক নাইবা সাধাৰণ শিশুতকৈ মানসিক, শাৰীৰিক আৰু সামাজিক বৈশিষ্ট্যত বিচ্যুত শিশুকে ব্যতিক্রমী শিশু বোলে।

২নং প্রশ্ন উত্তৰ ঃ ব্যতিক্রমী শিশুৰ প্রকাৰবোৰ হ'ল-

(i) বৌদ্ধিকভাৱে ব্যতিক্রমী শিশু-প্রতিভাসম্পন্ন অথবা মানসিকভাৱে বাধাগ্রস্ত শিশু আৰু মন্থৰ বুদ্ধিৰ শিশু।

(ii) শাৰীৰিকভাৱে ব্যতিক্রমী শিশু-দর্শন প্রতিবন্ধকতা, শ্রৱণ আৰু কথন প্রতিবন্ধকতা আৰু অস্থিবৈকল্য থকা শিশু।

(iii) আৱেগিক আৰু সামাজিকভাৱে ব্যতিক্রমী শিশু-অপৰাধ প্রৱণ শিশু।

৩নং প্রশ্ন উত্তৰ ঃ ব্যতিক্রমী শিশুৰ শিক্ষাৰ নীতিবোৰ হ'ল-

- সকলো শিশুকে সমান দৃষ্টিৰে চাব লাগিব আৰু সিহঁতৰ প্রয়োজনীয়তাবোৰ চিনাক্ত কৰিব লাগিব।
- সকলো ব্যতিক্রমী শিশু আৰু বয়ঃসন্ধিকালত উপনীত হোৱা কিশোৰ-কিশোৰীক বিদ্যালয়ৰ কার্য-কলাপত অংশগ্রহণ কৰিবলৈ উৎসাহিত কৰিব লাগিব। নিজকে উপেক্ষিত বুলি নাভাবিলে সিহঁতৰ শিকাৰ প্রতি ধাউতি বাঢ়িব।
- ব্যতিক্রমী শিশুৰ শিক্ষা ফলপ্রসূ কৰিবলৈ মাতৃ-পিতৃয়ে শিক্ষকৰ সৈতে সহযোগ কৰিব লাগিব।

৪নং প্রশ্ন উত্তৰ ঃ যিবোৰ শিশুৰ বুদ্ধিৰ মান অথবা বুদ্ধ্যাংক অতি উচ্চ আৰু যিবোৰ শিশু স্বাভাৱিক অথবা সাধাৰণ শিশুতকৈ অধিক শিক্ষণযোগ্য তেনে শিশুক প্রতিভাসম্পন্ন শিশু বোলে।

প্রতিভাসম্পন্ন শিশুৰ বৈশিষ্ট্যবোৰ হ'ল- (ক) অতি উচ্চ বুদ্ধিৰ স্তৰ, (খ) বিভিন্ন বিষয়ৰ

প্ৰতি আগ্ৰহী, (গ) দীঘলীয়া সময়ৰ বাবে মনোযোগ নিৰিষ্ট কৰি ৰাখিব পাৰে আৰু (ঘ) পৰিৱেশৰ সৈতে সহজে মিলি যাব পাৰে।

৫নং প্ৰশ্ন উত্তৰ ঃ সাধাৰণ শিশুতকৈ শাৰীৰিক, বৌদ্ধিক আৰু সামাজিক সামৰ্থ্যৰ দিশত পিচপৰা শিশুকে অনগ্ৰসৰ শিশু বুলি কোৱা হয়।

অনগ্ৰসৰ শিশুৰ বৈশিষ্ট্য হ'ল- (ক) অনগ্ৰসৰ শিশুৱে স্বাভাৱিক শিশুৰ দৰে দ্ৰুতগতিত কথা শিকিব নোৱাৰে, (খ) অনগ্ৰসৰ শিশুৱে বেছিভাগ সময়তে অইনে কিবা কথা আৰম্ভ কৰি দিলেহে শিকিব পাৰে আৰু এনে শিশুৰ সমালোচনাত্মক চিন্তা কৰাৰ সামৰ্থ নাথাকে, (গ) শিকিবলৈ সহজে ধাউতি নেদেখুৱায় আৰু (ঘ) সাধাৰণতে হীনমন্যতা তথা অসুৰক্ষাৰ ভাৱনাত আক্ৰান্ত হয়।

৬নং প্ৰশ্ন উত্তৰ ঃ অনগ্ৰসৰ শিশুৰ বাবে প্ৰস্তুত কৰা শিক্ষাৰ উদ্দেশ্যবোৰ হ'ল-

(i) এনে শিশুৰ সীমিত গুণবোৰ বিকশিত হোৱাত সহায় কৰি সিহঁতক আত্মনিৰ্ভৰশীল কৰি তোলা

(ii) এনে শিশুক সামাজিকভাৱে চলাৰ যোগ্য কৰি তুলিব পৰা শিক্ষা দিয়া

(iii) জীৱিকা উপাৰ্জন কৰিবলৈ কৰ্মসংস্থাপন যোগাৰ কৰাৰ বাবে দৰকাৰী কিছুমান ব্যৱহাৰিক দক্ষতা বিকাশৰ সুযোগ দিয়া। ইয়াৰ ফলত অনগ্ৰসৰ শিশুৰ মনৰ পৰা অসুৰক্ষাৰ ভাৱ আৰু হীনমন্যতা আঁতৰ হ'ব।

৭নং প্ৰশ্ন উত্তৰ ঃ শাৰীৰিক প্ৰতিবন্ধকতা থকা শিশুক সিহঁতৰ অনগ্ৰসৰতাৰ বাবে কোনো ধৰণৰ বৈষম্যৰ বলি হ'বলৈ দিব নালাগে। সিহঁতৰ শিক্ষাৰ বাবে উপযুক্ত শিক্ষণ সামগ্ৰী আৰু আহিলাৰ যোগান ধৰিব লাগে। এনে শিশুৰ বাবে বিশেষ বিদ্যালয় স্থাপন কৰিব লাগে। বিশেষভাৱে ব্যতিক্ৰমী শিশুক শিক্ষা দিবলৈ বিশেষ প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষক নিয়োগ কৰা উচিত।

৮নং প্ৰশ্ন উত্তৰ ঃ মানসিকভাৱে বাধাগ্ৰস্ত আৰু মন্থৰ বুদ্ধিৰ শিক্ষাৰ্থীসকলক বিশেষ যত্নৰ প্ৰয়োজন। এনে শিশুক চুটি আৰু সহজ কাৰ্য-প্ৰকল্প কৰিবলৈ দিয়া উচিত। বিশেষ প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষক অথবা বৃত্তিজীৰী লোকে ধৈৰ্য সহকাৰে এনে শিশুৰ যত্ন লোৱা উচিত। শিক্ষকে এনে ল'ৰা-ছোৱালীৰ সৃজনশীলতাৰ প্ৰশংসা কৰিব লাগে। এনে প্ৰশংসাই সিহঁতৰ শিকাৰ প্ৰতি ধাউতি বৃদ্ধি কৰিব।



৮.১০ আৰ্হি প্ৰশ্ন

(ক) **চুটি প্ৰশ্ন** (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন নং ১ ঃ ব্যতিক্রমী শিশু মানে কি? এনে শিশুৰ বৈশিষ্ট্যবোৰ কি?

প্ৰশ্ন নং ২ ঃ ব্যতিক্রমী শিশুৰ প্রয়োজনীয়তাবোৰ কেনেধৰণৰ?

প্ৰশ্ন নং ৩ ঃ ব্যতিক্রমী শিশুৰ শিক্ষাৰ উদ্দেশ্যবোৰ কি কি?

প্ৰশ্ন নং ৪ ঃ মন্থৰ বুদ্ধিৰ শিক্ষার্থীৰ বাবে কেনে প্রকাৰৰ শিক্ষা প্রয়োজন?

(খ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন নং ১ ঃ প্রতিভাসম্পন্ন শিশু এটি কেনেদৰে চিনাক্ত কৰিব পাৰি? প্রতিভাসম্পন্ন শিশুৰ বাবে আদর্শ শৈক্ষিক কার্যসূচী এখন কেনেকৈ প্রস্তুত কৰিব পৰা যায়?

প্ৰশ্ন নং ২ ঃ অনগ্রসৰ শিশুৰ বৈশিষ্ট্যবোৰ কি কি? অনগ্রসৰ শিশুৰ বাবে শিক্ষাৰ উদ্দেশ্যবোৰ কি কি?

প্ৰশ্ন নং ৩ ঃ মন্থৰ বুদ্ধিৰ শিক্ষার্থীৰ বৈশিষ্ট্যবোৰ কি কি? মন্থৰ বুদ্ধিৰ শিক্ষার্থীৰ বাবে কেনে প্রকাৰৰ শিক্ষা প্রস্তুত কৰা হয়।



প্রসঙ্গ পুথি

কিতাপ ঃ

১) ডেকা, বীৰেন্দ্র ঃ শিক্ষাতত্ত্ব, বনলতা প্রকাশন, পানবজাৰ, গুৱাহাটী

২) বৰুৱা, যতীন ঃ শিক্ষাতত্ত্ব অধ্যয়ন, লয়ার্চ বুক ষ্টল, গুৱাহাটী

৩) বৰুৱা যতীন ঃ শিক্ষা মনোবিজ্ঞান, বিশ্ববিদ্যালয় প্রকাশন বিভাগ, গুৱাহাটী।

৪) দাস, লক্ষ্যহীৰা ঃ সম্পূর্ণ শিক্ষা, সংগম প্রকাশন, গুৱাহাটী

৫) ডেকা, ড° কন্দর্প; শর্মা, ড° মুকুন্দ,চক্রৱর্তী, ড° আভা ঃ আধুনিক শিক্ষা তত্ত্ব আৰু শিক্ষা নীতি, অসম বুক ডিপ', গুৱাহাটী-১

৬) দেৱী, ড° ৰেণু ঃ শিক্ষাৰ দার্শনিক আৰু সামাজিক তত্ত্ব অধ্যয়ন, গুৱাহাটী বিশ্ববিদ্যালয় প্রকাশন

৭) শর্মা, মুকুল ঃ শিক্ষা মনোবিজ্ঞান আৰু পৰিসংখ্যা, ষ্টুডেন্টচ এম্পৰিয়াম, ডিব্রুগড়।

৮) ডেকা ডঃ বীৰেন্দ্র,ডেকা ডঃ কন্দর্প,শর্মা মুকুন্দ,মিশ্র চক্রৱর্তী, ডঃ আভা ঃ স্নাতক মহলাৰ শিক্ষাৰ মনোবৈজ্ঞানিক অধাৰ, অসম বুক ডিপো, পানবজাৰ, গুৱাহাটী - ১